নানাৰঙী

নিৰুপমা বৰগোহাঞি

চন্দ্ৰপ্ৰকাশ ঃ টিহু আৰু গুৱাহাটী

NANARANGI a collection of Essays & Travelogue, by Mrs. Nirupoma Borgohain, Published by Sri Rajendra Mohan Sarma, Chandra Prakash, Tihu and Guwahati Price : 40.00

প্ৰথম সংস্কৰণ, ১৯৯৩

প্ৰকাশক :
শ্ৰীৰাজেন্দ্ৰমোহন শৰ্মা
চন্দ্ৰ প্ৰকাশ
তিহু : গুৱাহাটী

মূল্য—৪০·০০ টকা

বেটুপাত : দীপক দত্ত

মুদ্ৰক :
তপোবন প্ৰেছ
কুমাৰপাৰা, গুৱাহাটী-৯

আগকথা

ইমান দিনে মোৰ গল্প উপন্যাসবোৰেই কেৱল কিতাপৰ আকাৰত প্ৰকাশৰ সুযোগ পাই আহিছে। কিন্তু গল্প উপন্যাসৰ বাহিৰেও মোৰ সাংবাদিক জীৱনটোত নানাৰঙী ৰচনা কিছুমানো বিভিন্ন আলোচনী আৰু বাতৰি কাকতত প্ৰকাশিত হৈছে। তাৰে কিছুমান ৰচনা থুপ খুৱাই কিতাপৰ আকাৰত প্ৰকাশ কৰিবলৈ মোৰ বহুদিনৰে পৰা হেপাহ এটা আছিল, সেই হেঁপাহত ইন্ধন যোগাইছিল এই ৰচনাবোৰৰ বিভিন্ন পাঠক পাঠিকাই। গতিকে 'চন্দ্ৰ প্ৰকাশ'ৰ স্বত্বাধিকাৰী শ্ৰীৰাজেন্দ্ৰ মোহন শৰ্মাই যেতিয়া গল্প উপন্যাসৰ সলনি মোৰ ৰচনাবোৰৰ সংগ্ৰহ এখনহে প্ৰকাশ কৰাৰ ইচ্ছা ব্যক্ত কৰিলে, মই মোৰ আশাৰ সফলতাত স্বাভাৱিকতেই উৎফুল্ল হৈ পৰিলোঁ। কিন্তু এতিয়া সেই লেখাবোৰ গোট খুৱাই প্ৰকাশৰ বাবে সাজু কৰি মই মনে মনে বেচ কুণ্ঠিতো বোধ কৰিছোঁ। বিশেষ বুদ্ধিমত্তাৰ পৰিচয় বহন নকৰা মোৰ এই বৌদ্ধিক ভাবে সাধাৰণ লেখাই পাঠকক জানো সন্তুষ্ট কৰিব পাৰিব? সাংবাদিকতাধৰ্মী আৰু ব্যক্তিগত কিছু ৰচনা বা পাঠকে কেনেদৰে আদৰি ল'ব?

এই সকলোবোৰ কথাই পাঠকৰ বিচাৰ্য; তথাপিও মনত সংকোচ ৰাখিও কিছুমান সাময়িক প্ৰসংগৰ লেখা এই সংকলনটোত অন্তৰ্ভুক্ত কৰিছোঁ—এই বিশ্বাসতেই যে সেই সময়ৰ সেই লেখাবোৰত আমাৰ যিবোৰ দোষ-দুৰ্বলতালৈ উন্মুকিয়াইছিলোঁ, সেইবোৰৰ পৰা আমি আজিও মুক্ত হ'ব পৰা নাই। আত্ম-সমালোচনা বিনে কোনো জাতি আগুৱাব নোৱাৰে। গতিকে সেই লেখাবোৰৰ আজিও প্ৰাসংগিকতা হেৰাই যোৱা নাই বুলি বিশ্বাস কৰিয়েই সেই সংবাদ ধৰ্মী আৰু ব্যক্তিগত লেখাবোৰো এই নানাৰঙী সংকলনটোত সুমুৱাই যোৱা

তিনিবছৰমানৰ পৰাই মই দৈনিক জনমভূমিত 'নানাৰঙী' নামৰ এটা শিতানত গুৰু গম্ভীৰ আৰু ধেমেলীয়া সুৰৰ ব্যক্তিগত ধৰ্মী নাতি-দীৰ্ঘ ৰচনা এলানি লেখি আহিছোঁ। এই সংকলনটোত তাৰে কেইটা-মান লেখা, ভ্ৰমণ কাহিনী আদি সুমুৱাই দিয়াৰ ফলত ই সঁচায়ে নানাৰঙী হৈ পৰাত সংকলনটোৰো একে নামকৰণ কৰিলোঁ।

শেষত এই গ্ৰন্থখন প্ৰকাশনাৰ দায়িত্ব লোৱা বাবে মই শ্ৰীৰাজেন্দ্ৰ মোহন শৰ্মাৰ আন্তৰিক শলাগ ল'লোঁ।

নিৰুপমা বৰগোহাঞি
গুৱাহাটী

ৰচনা বিচিত্ৰা

পিঠি

১। 'সুন্দৰে যে ফুলাৰ মন্ত্ৰ অহোৰাত্ৰি মাতে' ১
২। ছিলভিয়া প্লাথৰ জাৰ্নাল ৫
৩। ফনীশ্বৰ নাথ ৰেনু ১১
৪। হাঁয় সময় ১৫
৫। মৃত্যু ১৯
৬। যবনিকা পতন ২১
৭। ৰীনাৰ জন্মদিনত ২৫
৮। ফাওতে তুপইচা ঘটিবলৈ আটাইৰে মন ৩২
৯। জ্ঞানৰ ৰাজ্যত বিচিত্ৰ বিচৰণ ৩৯
১০। নৰেশ্বৰ, বিহু আৰু বিহু ৪৭
১১। শিল্পী দিনসৰ তিতা-মিঠা ৫৩
১২। অপাংক্তেয় শ্বহীদলৈ শ্ৰদ্ধাঞ্জলি ৬০
১৩। অপৰূপ ! অপৰূপ ! ৬৪
১৪। দিনৌ এটাকৈ ভাল কবিতা পঢ়িবা ৬৭
১৫। অসম বন্ধ ৭৬
১৬। চয়নিকা ৮৪
১৭। ডি জিৰ লগত তুঘণ্টা ৮৯
১৮। প্ৰবাসী লেখক ভি .এছ. নাইপুল ৯৭
১৯। মহিলা দশকৰ ভাবনা ১০০
২০। আশাপূৰ্ণা দেৱীৰ লগত এঘণ্টেক ১০৭

		পিঠি
২১ ।	মৈত্ৰেয়ী দেৱী আৰু চীন দেশ	১১৪
২২ ।	আন্দোলন আৰু ভয়	১১০
২৩ ।	সতৰ্ক হোৱাৰ সময়	১২৭
২৪ ।	অসমৰ সংবাদ সেৱা আৰু মোৰ তিক্ত অভিজ্ঞতা	১৩০
২৫ ।	নবীন শৰ্মা ছাৰ	১৩৫
২৬ ।	গছ আৰু মানুহ	১৪১

ভ্ৰমণ বিচিত্ৰা

২৭ ।	(ক) সৰগ-নৰকৰ মাজেদি	১৪৭
	(খ) ত্ৰিপুৰা ৰাজ্যত চাৰিদিন	১৬৪
২৮ ।	মান্দাই হত্যাকাণ্ড	১৮৫

শ্রদ্ধেয় নীরেন্দ্র মোহন লাহিড়ী করকমলেষু, মোর প্রতি যার স্নেহ সীমাহীন।

—নিরুপমা

'সুন্দৰে যে ফুলাৰ মন্ত্ৰ অহোৰাত্ৰি মাতে'

অলপতে দূৰদৰ্শনে দিল্লী মহানগৰীৰ বহুতো দৃশ্য দেখুৱালে-পৃথিবীৰ অন্যতম সুন্দৰ চহৰ দিল্লী, এই বুলিয়েই দেখুৱালে। দিল্লীক তিলোত্তমা কৰিছে কেৱল ধুনীয়া ঘৰবোৰেই নহয়, সেই মহানগৰীক সুন্দৰ কৰাৰ প্ৰধান অৱদান হ'ল তাৰ গছ-গছনি। একোটা অঞ্চলৰ বাবে থকা আচুতীয়া 'Neighbourhood park' বোৰত গছ-গছনি আৰু ফুলৰ বাগিচা, বাটৰ দাঁতিয়ে দাঁতিয়ে গছ, চাৰিওপিনৰ পৰা আহি লগ লগা ৰাস্তাবোৰৰ মাজৰ 'দ্বীপ'বোৰত ফ্লক্স, পেন্সি, কাৰ্নেশ্বন, নাষ্টাৰছিয়াম, হলিহক, এণ্টিৰিনিয়াম, কেলেণ্ডুলা, কৰ্ণফ্লাৱাৰ আদি বিভিন্ন আকৃতিৰ বিভিন্ন ৰঙৰ বহুতৰ ফুলবোৰ এনে সযত্নে প্ৰতিপাল কৰি ৰখা হয় যে সঁচায়ে সকলো মিলি দিল্লীক এখন ফুলৰ পৰীৰ ৰাজ্য যেনেই লাগে অৱশ্যে এতিয়া লাহে লাহে বহুতৰ ফুলবোৰ শুকাই আহিব।

সুন্দৰী দিল্লীৰ তুলনাত কলিকতা এজনী হাড়ছাল ওলোৱা মৃতপ্ৰায় ৰমণী। ৰাজীৱ গান্ধীয়েতো। কলিকতাক মৃত নগৰী বুলি ঘোষণা কৰি থৈছেই। তথাপি এই অসুন্দৰ নগৰীও একে ধৰণেই ফুলেৰে জীৱন্ত হৈ উঠে। ইয়াৰ বাটপথবোৰৰ সংযোগস্থলত কোনো 'দ্বীপ' নাই, (এক ছল্টলেক অঞ্চলৰ বাহিৰে) বগা কাপোৰ পিন্ধা পুলিচ এজনে সেই সংযোগ স্থলৰ মাজত থিয় হৈ মুখত হুইছেল লৈ চাৰিও পিনৰ ৰাস্তাবোৰৰ অন্তহীন ট্ৰেফিকক যিদৰে চম্ভালি থাকে দেখি মই মুগ্ধ বিস্ময়ত ভাবো --ইমানবোৰ বাছ-ট্ৰাম-টেক্সিৰ মাজত এই ক্ষুদ্ৰ মানুহজননো কেনেকৈ চেপা নোখোৱাকৈ আছে।

যিহওঁক, 'আইলেণ্ড' নাই, কিন্তু ভগা ফুটপাথবোৰতো আছে, তাত ফুলৰ বেপাৰীয়ে সন্ধিয়া হ'লেই ফুলৰ পোহাৰ লৈ বহি যায়। ৰজনীগন্ধা,

গেন্ধাই, গ্লেডিয়লি, গোলাপ, গন্ধৰাজ আৰু খৰিকাজাঁই- বতৰ অনুযায়ী বিবিধ ফুল, হৰেক ৰকমৰ মালা। আমি তাহানি ইয়াত পঢ়া দিনত লগৰ দুই এজনী বন্ধুৰ বিয়া খাই পাইছিলোঁ, তেতিয়া দেখিছিলোঁ খুব সাজিকাচি ওলোৱা বঙালী ছোৱালীবোৰে (আমাৰ দিনত বেছি-ভাগ অসমীয়া ছোৱালীয়ে সাটাইতকৈ ভাল পোছাকযোৰ আছিল পাটৰ মেখেলা আৰু গুণাৰ পাৰিৰ বগা ভয়েলৰ চাদৰ) ফুটপাথৰ পৰা ৰজনীগন্ধা বা জুতি ফুলৰ মালা কিনি খোপাত বা বেণীত মেৰিয়াই লৈছিল। বৰ আটিষ্টিক লাগিছিল।

গোলাপৰ বাহিৰেও বাৰ মাহে যিটো ফুল কলিকতাত প্ৰচুৰ পৰিমাণে পোৱা যায় সি হ'ল ৰজনীগন্ধা। ৰজনীগন্ধা যেন বঙালী ফুলহে! ৰবীন্দ্ৰনাথৰ গান আৰু কবিতাত ৰজনীগন্ধাৰ কত ধৰণৰ যে উল্লেখ আছে 'শেষেৰ কবিতা'ৰ এই শাৰিটোৰ কথাই ধৰক- 'শুক্লপক্ষ হতে আনি, ৰজনী গন্ধাৰ বৃন্তখানি, যে পাৰে সাজোতে, অৰ্ঘ্যমালা কৃষ্ণপক্ষ ৰাতে ৰজনীগন্ধাৰ সুবাস ওলায় ৰাতি নামটো সেই বাবেই ৰজনীগন্ধা আৰু ৰবীন্দ্ৰ সংগীতৰ কলা মনলৈ আহি যায়। 'চাঁদেৰ হাসিৰ বাঁধ ভেঙেছে, উছলে পড়ে আলো, ও ৰজনী-গন্ধা তোমাৰ গন্ধসুধা ঢালো।'

ফুটপাথতেই কেৱল নহয়, কলিকতাৰ সকলো বজাৰতে দিন ৰাতি খোলা থকা প্ৰচুৰ ফুলৰ দোকান আছে। সংস্কৃতি-নগৰীৰ সাংস্কৃতিক অনুষ্ঠান, মেল মিটিং-সকলোতে যে প্ৰচুৰ ফুলৰ প্ৰয়োজন।

আমাৰ ঘৰৰ একেবাৰে ওচৰতে আমাৰ ব্লকটোৰ নিজস্ব সৰু 'চুপাৰ মাৰ্কেট' এখন আছে -ইয়াত ফুলৰ পৰা মাছ মাংসলৈকে সকলো ধৰণৰ বস্তুকেই পোৱা যায়। মই মাজে মাজে ফুল কিনি আনো, এনেদৰে দোকানীজনৰ লগত চা-চিনাকি হৈ গৈছে। এদিন তেওঁক সুধিলো পূজাৰ বতৰত ফুলৰ বিক্ৰী বেছি হয় নে বিয়াৰ বতৰত? দোকানীয়ে লগে লগেই উত্তৰ দিলে 'বিয়াৰ বতৰত ফুলৰ খুব ডিমাণ্ড, কাৰণ ভগৱানেতো কথা কব নোৱাৰে, গতিকে তেওঁৰ

পূজাত ফুল কম হ'লেও বা নহ'লেও আপত্তি কৰিবলৈ নাযায়, কিন্তু বিয়াৰ কথাই বেলেগ. ফুল নহ'লে দৰাই যে ফুলস্কুল লগাই দিব, আৰু ফুল নহ'লে ফুলশয্যাই বা কেনেকৈ হ'ব ? মই উত্তৰ শুনি তাজ্জপ।

ফুলৰ কথাত বাৰ্ণাড শ্বৰ গল্প এটালৈ মনত পৰি গ'ল। তেওঁৰ ঘৰত ফুলদানী নেদেখি এজন আগন্তুকে বোলে সুধিছিল: 'আপুনি যে ঘৰত ফুল সজোৱা নাই, ফুল ভাল নেপায়নেকি ?' শ্বই তৎপৰাই উত্তৰ দিলে-'মই সৰু ল'ৰাছোৱালী ভাল পাওঁ, সেই বুলি সিইঁতৰ মূৰবোৰ কাটি আনি ঘৰৰ ভিতৰত সজাই থমনেকি ?'

অলপতে কাগজত মজাৰ খবৰ এটা ওলাইছে। চি-পি আইৰ সাধাৰণ সম্পাদক ইন্দ্ৰজিৎ গুপ্ত অলপতে ৰায়পুৰলৈ গৈ ষ্টেচনত নমাৰ লগে লগে বোলে শত গোট খোৱা অজস্ৰ লোকে পঁচিশটা পাচিত ভৰাই নিয়া ফুলৰ পাহিৰে তেওঁক প্ৰায় পুতি পেলাইছিল। পিছে শ্ৰীগুপ্তৰ সেই গৌৰৱ আৰু আনন্দৰ আয়ুস আছিল মাত্ৰ এটা মুহূৰ্ত, কাৰণ মানুহবোৰে লগে লগেই চিঞৰি উঠিছিল 'বিদ্যা ভায়া কি জয়।' ৰহস্যটো হল এইঃ জনতা দলৰ নবনিৰ্বাচিত ৰাজ্যিক সভাপতি বিদ্যা চৰণ শুক্লাই নিৰ্বাচনৰ পিছত প্ৰথমবাৰ তালৈ অহাত স্থানীয় জনতা দলৰ নেতা কিছুমানে শুক্লাৰ বাবে সেই আদৰণিৰ ব্যৱস্থা কৰিছিল। মানুহবোৰে ইন্দ্ৰজিৎ গুপ্তকে ভি,চি শুক্লা বুলি ভুল কৰি ফুল উজাৰ কৰি ঢালি দিলে, বেচেৰা শুক্লাৰ বাবে বোলে এটা ফুলো নৰল।

এইবাৰ নগেঁ গড়গাঁৱৰ বতৰা অলপকে কওঁ আপোনালোক কোনোবাই হ'লেও আৰু অষ্ট্ৰিয়ালৈ নগৈও টিউলিপ আৰু এডেলওৱেছ ফুল দেখিছেনে ? 'ছিলছিলা' চিনেমাত টিউলিপ ফুলৰ 'কাৰ্পেট' বহুতে দেখিছে, মই কিন্তু গুৱাহাটীতে টিউলিপ আৰু Sound of Music চিনেমাৰ গানে আবেগেৰে মনত পেলাই ৰখা এডেলওৱেছ ফুল এই চৰ্ম চকুৰেই দেখিছোঁ। মোৰ বন্ধু এগৰাকীয়ে য়ুৰোপলৈ গৈ টিউলিপৰ বাল্ব লৈ আনি কষ্টকৈ এটা ফুল ফুলাবলৈ সমৰ্থ

হৈছিল, আৰু বগা বৰণৰ সৰু সৰু এডেলওৱেছ তেওঁ পাহাৰৰ শিখৰ মাজত ফুলি থকা পাই ছিঙি আনিছিল। পিছে ইমান সুখ্যাতি থকা টিউলিপ দেখি মই হতাশ হৈছিলো। এডেলওৱেছ দেখি মৰম লাগিছিল।

আকৌ ৰবীন্দ্র নাথৰ ফুলৰ কথালৈ আহো 'উদ্ধত মহাসন শাখাৰ শিখৰে ৰডোড্রনডন গুচ্ছ' পঢ়ি মই শিলঙলৈ গৈ সেই উজ্জ্বল ৰঙা ৰঙৰ ফুলটোৰ লগত চিনাকি হৈছিলো আৰু চিনাকি হৈছিলোঁ কেমেলিয়া নামৰ অতি সুন্দৰ ফুলটোৰ লগতে। ৰবীন্দ্রনাথৰ 'ক্যামেলিয়া' কবিতাটোৱে এই ফুলটোৰ বিশেষ এক তাৎপৰ্য আনি দিছিল। দুৰ্লভ ফুল ক্যামেলিয়া কোনোবকমে টবত এটা ফুলিছে, কাম কৰা চাওঁতাল ছোৱালী জনীৰ হাতত সেইটো প্রেমিকাইে নায়কে পঠাব সেইবাবে ঠাইক মাতি পঠাইছে। প্রেমিক কিন্তু অনাবহে প্রেমিকা। চাওঁতাল ছোৱালীজনীয়ে আহি সুধিলে 'বাবু ডেকেছিস কেনে?' নায়কে ভলাই আহি দেখে সেই ক্যামেলিয়া ফুলটো চাওঁতাল মেয়েৰ কানে, কালো গালেৰ উপৰ আলো কৰেছে...।'

সাজহ নাই ফুলে নায়কক fool বনাই দিলে, অৱশ্যে তেওঁ চাওঁতাল গাভৰুক কলে 'এইজনোই।' বেচেৰা নায়কে সেইদৰে নকৈ কিয়েই বা কৰে।

—দৈনিক জনমভূমি, এপ্রিল, ১৯৮৯

ছিলভিয়া প্লাথৰ জাৰ্নাল

জীৱনৰ নানা কথা ভাবি ভাবি আমি কোনেও পাৰ নাপাওঁ। এনেকুৱা কিয় হ'বলৈ পালে জীৱনৰ বহু কথাতে মনত এই প্ৰশ্ন জাগে। কিয় হয়, কিয় আনধৰণে নহ'ল, ভাল ধৰণে নহ'ল অৱশেষত এক ধৰণৰ দুখবোধে মনটোক আচ্ছন্ন কৰি পেলায়।

আজিৰে কথা ধৰক। সন্মুখত এখন কিতাপ লৈ বহি বহি ভাবি আছো। কিতাপখনৰ নাম 'The Journals of Sylvia Plath' ভিতৰ ছিলভিয়াৰ পাৰিবাৰিক জীৱনৰ কিছু ফটোগ্ৰাফ। তাৰে এখন হ'ল ১৯৫৬ চনৰ। ধুনীয়া ছিলভিয়াই হাঁহি মুখে স্বামী টেড হিউজৰ লগত থিয় হৈ আছে। অতি সুপুৰুষ স্বামীৰ মুখতো যেন সুখ আৰু তৃপ্তিৰ হাঁহি লাগি আছে। এহাল স্বনামধন্য কবি দম্পতি। ফ্ৰিয়েডা আৰু নিকোলাচ নামৰ দুটি ল'ৰা ছোৱালীৰ পিতৃ মাতৃ। কিন্তু ছিলভিয়াই পিছত স্বামীক পৰিত্যাগ কৰাই নহয়, এমাড়িমা ল'ৰা ছোৱালীহালক এৰি থৈ খ্যাতিৰ শিখৰত থকা সময়তে, যৌৱন কালতে আত্মহত্যা কৰিলে। এনেদৰে আত্মহত্যা কৰিছিল ইংলণ্ডৰ এক স্বনামধন্য লেখিকা ভাৰ্জিনিয়া উল্ফে। কিয় এনেকুৱা হয়? জীৱন দেৱতাই এই প্ৰতিভাবান মানুহবোৰৰ মগজত কিয় এক ধ্বংসৰ বীজ সুমুৱাই দিছে। ভাবি ভাবি মনটো বিষাদত আচ্ছন্ন হৈ যায়।

ছিলভিয়া প্লাথে স্মিথ কলেজত পঢ়াৰ দিনৰে পৰা অসাধাৰণ প্ৰতিভাৰ পৰিচয় দিছিল। তেতিয়াৰে পৰা তেওঁ ডায়েৰি লেখিবলৈ আৰম্ভ কৰে — য'ত তেওঁৰ শক্তিশালী গদ্য ৰচনা ভংগীৰ প্ৰমাণ পোৱা যায়। ছিলভিয়াৰ জীৱনত এক উচ্চাকাংক্ষা আছিল শক্তিশালী গদ্য লেখিকা হিচাবে পৰিগণিত হোৱাটো।

স্মিথ কলেজত পঢ়া শুনা কৰি উঠি তেওঁ কেমব্ৰিজত ফুলব্ৰাইট ছাত্ৰ হিচাবে অধ্যয়ন কৰি থকাৰ সময়তে কবি টেড হিউজক লগ পায় আৰু তেওঁক বিয়া কৰায়। কেমব্ৰিজত তাৰ পিছত এবছৰ কাল কটাই দুয়ো গৈ আমেৰিকা যুক্ত ৰাজ্যত সংসাৰ পাতিছিল। এই সময়তে ছিলভিয়াই এগৰাকী উৎকৃষ্ট কবি হিচাবে পৰিচয় দিছিল। কবিতা আৰু গদ্য মিলাই ছিলভিয়াই নখন কিতাপ লেখি-ছিল—তাৰে এখন ল'ৰা ছোৱালীৰ বাবে লেখা কিতাপ।

কিন্তু মই ছিলভিয়া প্লাথৰ জার্নালখনতে আজি মগ্ন। তাৰে কিছু অংশ পঢ়ি ভাব হৈছে এনেধৰণৰ কথাতো আমিও ভাবো, এনেধৰণৰ সমস্যাতো আমাৰো হয়। এক কথাত, ছিলভিয়াৰ বহুতো কথাই আমাৰ সাধাৰণ মানুহৰ দৰেই একেই আশা আকাংক্ষা, একেই ভয় সংশয়-তথাপি তেওঁৰ জীৱন বেলেগ ধৰণৰ হৈ গ'ল, পৰিণতি বেলেগ ধৰণৰ হৈ গ'ল। প্ৰায় ৩১ বছৰ বয়সত এই অসাধাৰণ প্ৰতিভাৰ লেখিকাই আত্মহত্যা কৰি পেলালে। অৱশ্যে ডায়েৰিয়ে প্ৰধানকৈ অন্য মানসিকতাৰ ছিলভিয়াৰেই প্ৰকাশ কৰে। এই ছিলভিয়াৰ ডায়েৰিৰ কিছু অংশ উদ্ধৃত কৰো - য'ত এই সাধাৰণ আৰু অসাধাৰণ দুয়োজনী ছিলভিয়াকে দেখা যাব।

ছিলভিয়াৰ নোটবুকত থকা উদ্ধৃতিবোৰৰ এটা এনেধৰণৰ :

'We only begin to live when we Conceive life as tragedy'—W.B. Yeats.ডায়েৰিৰ আৰম্ভণি (জুলাই ১৯৫০)

মই কেতিয়াও সুখী হ'ব নোৱাৰো। কিন্তু আজি মই সন্তুষ্ট। খালীকৈ থোৱা এটা ঘৰ, ষ্ট্ৰবেৰিবোৰ ৰ'দত শাৰি কৰি পথাৰত থোৱা, এগিলাছ ঠাণ্ডা গাখীৰ খাই আৰু ক্ৰীম সনা অলপমান ব্লুবেৰিজ খাই এক উমসনা ক্লান্ত আচ্ছন্নতাৰ মাজেৰে দিনটো কটালে। মানুহে কেনেকৈ কিতাপ আৰু কলেজ নোহোৱাকৈ চলিব পাৰে এতিয়াহে বুজি পাইছো। দিনটোৰ শেষত ভাগৰি পৰিলে আমি শুবই লাগিব, পিছদিনা পুৱা আকৌ নতুন নতুন ষ্ট্ৰবেৰি শাৰি পাতি কৰ লগীয়া

থাকিব -এইদৰেই আমি মাটিৰ ওচৰ চাপি জীৱন অতিবাহিত কৰি যাও। এনেবোৰ সময়ত মই যদি আৰু কিনা বেচি বিচাৰো তেনেহলে নিজকেই মূৰ্খ বুলি কম।

১৯৫৬ চনৰ জুন মাহত ছিলভিয়া আৰু টেড হিউজৰ বিয়া হয়। বিয়াৰ পিছত তেওঁলোকে স্পেইনৰ বেনিডৰ্ম নামৰ গাওঁ এখনলৈ গ্ৰীষ্মকালীন হনিমুন কটাবলৈ গৈছিল। সেই সময়ত লেখা ডায়েৰীৰ এটা অংশ :

'জীৱনত মোৰ এনে পৰিপূৰ্ণ অৱস্থা হোৱা নাছিলো : সুন্দৰ আৰু অতি চোকা এক অপূৰ্ব স্বামী। (মোৰ সহজ ঠিকাৰ হৈ পৰা সাধাৰণ মানুহ কিছুমানক কৰা নব নব জয়ৰ আনন্দত মোৰ আধাঢ়ুখবায়া অহমিকাৰ সেই ছিন্নবিচ্ছিন্ন দিনবোৰে বিদায় লৈছিল) টেলিফোন বা আগন্তুক আগমনৰ দ্বাৰা বাধাপ্ৰাপ্ত হোৱা এক প্ৰকাণ্ড ঘৰৰ নীৰৱতা। বাস্তাৰ তলতেই সাগৰ আৰু ওপৰত পাহাৰ। পৰিপূৰ্ণ মানসিক আৰু শাৰীৰিক সুস্থতা। প্ৰতিদিনেই আমি নৱশক্তিৰে বলীয়ান হৈ সাৰ পাইছিলো।'

১৯৬১ চনৰ অক্টোবৰ মাহত ছিলভিয়াৰ লগত টেড হিউজৰ এৰাএৰি হয়। সেইবছৰৰে ১৭ জানুৱাৰীত ছিলভিয়াৰ দ্বিতীয় সন্তান পুত্ৰ নিকোলাচৰ জন্ম হৈছিল। শেষত ১৯৬৩ চনৰ ফেব্ৰুৱাৰী মাহত ছিলভিয়াই লণ্ডনত আত্মহত্যা কৰে। ১৯৫৩ চনতো তেওঁ এবাৰ আত্মহত্যাৰ চেষ্টা কৰিছিল।

বিয়াৰ পিছত ১৯৫৫-১৯৫৭ চনত কেমব্ৰিজত থকা সময়ত তেওঁৰ ডায়েৰীৰ একাংশ :

'মই যে বৰ সুখেৰে সৈতে প্ৰেক্টিকেল হৈ পৰিব ধৰিলো সেই কথাটোৱে মোক অশান্ত কৰি তুলিব ধৰিছে। উদাহৰণ স্বৰূপে মই লক্ নপঢ়ি বা নেলেখি আপেলৰ পাই বনাব যাওঁ আৰু এক দুষ্প্ৰাপ্য উপন্যাস পঢ়াৰ দৰেই 'জয় অব্ কুকিং' পঢ়ো হা : মই নিজকে কওঁ, তুমি ঘৰুৱা জীৱনলৈ পলায়ন কৰিবা আৰু গুলি

খোৱা ময়দাৰ চৰিয়াত মূৰ সুমুৱাই পৰি উশাহ বন্ধ হৈ যাব। আৰু এতিয়া মই ভাৰ্জিনিয়া উলফৰ ডায়েৰী এখন হাতত তুলি লৈছো.. কিবা প্ৰকাৰে মই তেওঁৰ জীৱনৰ লগত মোৰ জীৱনৰ যোগসূত্ৰ বিচাৰি পাওঁ ..কিন্তু তেওঁৰ আত্মহত্যা মোৰ এনে লাগে ১৯৫৩ চনৰ সেই ক'লা গ্ৰীষ্মৰ দিনটোত মই যেন সেই ঘটনাটোৰে দ্বিতীয় বাৰ জাপ দিব ওলাইছিলো-কেৱল মই ডুবি যাব নোৱাৰিলো .....'

সেই কালছোৱাতে নৰ্থহাম্পটনত লেখা ডায়েৰিৰ একাংশ :

হে ভগৱান, মই কোন? মই লাইব্ৰেৰীত বহি আছো. এতিয়া সময় ৰাতি, মূৰৰ ওপৰত লাইটবোৰ প্ৰখৰভাবে জ্বলি আছে, ফেন জোৰে জোৰে ঘূৰি আছে। ছোৱালী, ছোৱালী, চাৰিও পিনে কেৱল ছোৱালী. সকলোৱে পঢ়ি আছে। মুখবোৰত ঐকান্তিক মনোযোগিতা. মুখৰ মঙহ গুলপীয়া, বগা, হালধীয়া। আৰু মই নিজে ইয়াত পৰিচয় হীন ভাবে বহি আছো. মোৰ কোনো সুখ নাই। মোৰ মূৰটো বিষাইছে। মই এতিয়া কিন্তু বুৰঞ্জী পঢ়িব লাগিব মই পঢ়ি গৈ থাকিবই লাগিব, বিভিন্ন সাম্ৰাজ্যৰ মাজেৰে, সেইবোৰৰ উত্থান-পতনৰ মাজেৰে গৈয়ে থাকিব লাগিব। খৰধৰকৈ, বিৰামহীন গতিত। মই কি আকৌ কেতিয়াও সূৰ্যৰ পোহৰত অলসভাৱে মন্থৰতাৰে সোনালী হৈ শান্তিৰে জিৰণি লবলৈ নেপাম?

নিঃসঙ্গতাবোধ কাক বোলে মই বোধহয় এতিয়া বুজি পাইছো। অৱশ্যে ক্ষন্তেকীয়া নিঃসঙ্গতাবোধহে! ই যেন নিজৰেই ভিতৰৰ কিবা এক ধোৱাময় উৎসভূমিৰ পৰা ওলাই আহে---যেন তেজৰ কিবা সংক্ৰামক ৰোগ যি সৰশৰীৰত এনেকৈ বিয়পি পৰিছে যে সংক্ৰমনৰ মূল ঠাইডোখৰকে বিচাৰি উলিওৱা কঠিন। মই থেংকছগিভিঙৰ বন্ধৰ পাছত 'হেভেন হাউছ'ৰ মোৰ কোঠালীলৈ উভতি আহিছো। মোৰ ওপৰত এতিয়া যি অসুখীয়া অৱস্থাই আধিপত্য চলাইছে তাকেই বোধহয় ঘৰলৈ মনত পৰি ওপজা দুখ

বুলি কোৱা হয়। এনেকুৱা মোৰ নিজৰ কোঠালীত তেখন জগতৰ মাজত মোৰ স্থিতি। ওলাই ঘৰৰ পৰা উভতি আহোঁ। কেইজনীমান ছোৱালী আছে....কিন্তু ওহো. আন্তৰিকতা বিহীন কথাবতৰাত মগ্ন হৈ গৈ মই নিজৰ পৰা পলায়নৰ চেষ্টাটো অন্ততঃ নকৰোঁ। ইলেকট্ৰিক লাইটৰ উজ্জ্বল মিছা পোহৰত বহি ঘড়ীৰ টিক্ টিক্ শব্দ শুনি নিজৰ কোঠালীত অকলে বহি থাকোঁ। এনেদৰে মই এক নিৰ্মম বাস্তৱ উপলব্ধিৰে এই কথাত নিজকে প্ৰতাৰণা কৰিব নোৱাৰো যে তুমি পৰম উদ্যোগী হ'লেও. চৰিত্ৰই তোমাৰ ভাগ্য বুলি জানিলেও অতীত আৰু ভৱিষ্যৎ কিন্তু একেবাৰে সঁচা নহয়। আৰু যিটো বৰ্তমানৰ সৃষ্টি হয় অতীত আৰু ভৱিষ্যতে. তোমাৰ যদি সেই অতীত-ভৱিষ্যৎ নাথাকেই. তেনেহ'লে তুমি বৰ্তমানৰ শূণ্য খোলাটো গাৰ পৰা একেবাৰে পেলাইতো আত্মহত্যাই কৰি পেলাব পাৰা। .. দেখাত ধুনীয়া হৈ কি লাভ? সাময়িক নিৰাপত্তা আদায় কৰাব পাৰে? মেধা-শক্তিৰ কি প্ৰয়োজন? কেৱল এই কথা ক'ব। বাবেই নেকি যে 'মই দেখিছো, মই বৃদ্ধি পাইছোঁ।' আৰু এবা, মই যে এনেকুৱা তলতে সহজভাৱে গৈ বহুতৰ মাজত সংগীতৰ আৰাম ল'ব পৰা নাই তাৰ বাবে মই নিজকে ঘিণ কৰোঁ। মোৰ ভিতৰৰ কিহৰ ভিতৰত যে মই যুঁজ কৰি ক্ষত বিক্ষত হৈ পৰিছোঁ। নাজানো, কিন্তু তেনে কৰি যে ইয়াতে কোঠালীৰ ভিতৰত বহি আছো, তাৰ বাবে মই নিজকে ঘিণ কৰোঁ। এবা. তেনেহ'লে হাউছতে আনন্দ আছে. পৰিপূৰ্ণপ্ৰাপ্তি আছে, সংগীত আছে—কিন্তু অতিমাত্ৰাৰ আত্মসচেতনতাৰ ফলত আত্মাৰ যি নিঃসঙ্গতাবোধ জন্মে সি ভয়ংকৰ আৰু সৰ্বগ্ৰাসী।

ফেব্ৰুৱাৰী ১৯, (১৯৫৬), ৰবিবাৰে লেখা ডায়েৰিৰ এটা অংশ:

মই ৰিচাৰ্ড বা অন্যান্য বন্ধু বান্ধৱক ঘৰৰ পৰা চিঞৰি মাতি আনিব বিচাৰোঁ, তেওঁলোকে আহি মোক উদ্ধাৰ কৰি লৈ যাওক। মোৰ নিৰাপত্তাহীনতাৰ পৰা, যাৰ লগত মই নিজেই যুদ্ধ কৰিব লাগিব।

পঢ়াশুনা আৰু চিন্তাৰ যোজাটো উপভোগ কৰি কৰিয়েই অহাবছৰ মই ইয়াৰ কাম শেষ কৰিম, কিন্তু লগে লগে মোৰ পিছফালে সময়ৰ বিদ্রুপৰ ধ্বনি টিক্ টিক্‌কৈ বাজিয়ে থাকিব : এটা জীৱন অতিবাহিত হৈ যাব লাগিছে। মোৰ জীৱন। . এই পৃথিৱীৰ সকলো কথাতে মিলি যাবলৈ মোৰ যে কি হেঁপাহ। কাপোৰ ধোৱা, লাইলাক ফুল, প্ৰতিদিনৰ ৰুটি আৰু কণী এই সকলোবোৰৰে যে মই জীৱনৰ লগত কেনেকৈ যুক্ত হৈ থাকিব বিচাৰো! আৰু এজন পুৰুষ, কলা চকুৰ অচিনাকী পুৰুষ যি মোৰ আহাৰ খাব, মোৰ দেহাটোক খাব, মোৰ প্ৰেমক খাব আৰু তাৰ পিছত দিনটোৰ শেষে সমগ্ৰ পৃথিৱীৰ পিনে উলাই আৰু ৰাতি ৰাতি মোৰ লগত শান্তি লাভ কৰিবলৈ উভতি আহিব এনে এজন মানুহৰ দ্বাৰাও মই জীৱনৰ লগত যুক্ত হ'ব খোজোঁ। এও মোক এনে এক সম্মান দিব যি মোক সেই জাতিটোৰে এজন কৰি পেলাব—যি জাতিটোৱে মোৰ পচনৰ কথা জানিয়েই বোধহয় মোলৈ বৰফৰ দলি মাৰি পঠিয়ায়।

The Journals of Sylvia Plath খন প্ৰকাশ কৰিছে নিউ-ইয়ৰ্কৰ দ: ডায়াল প্ৰেছে আৰু তাৰ পৰামৰ্শকাৰী সম্পাদক হল টেড হিউজ। পাতনি লেখা ছিলভিয়াৰ ভূতপূৰ্ব স্বামীজনৰ শেষৰ কথাখিনি পঢ়ি জনা যায় যে ছিলভিয়াৰ এই জাৰ্ণালখনত তেওঁ লেখি যোৱা শেষ সময়ৰ সকলো কথা সুমুৱাই দিয়া হোৱা নাই, কাৰণ হিচাবে টেড্ হিউজে লেখিছে '...মই সেইবোৰ নষ্ট কৰি পেলাইছোঁ, কাৰণ তেওঁৰ ল'ৰা ছোৱালী কেইটাই সেই কথাবোৰ পঢ়াটো মই নিবিচাৰিছিলো। (সেই দিনবোৰত মই বিস্মৃতিক জীয়াই থকাৰ এক প্ৰয়োজনীয় অঙ্গ বুলি গণ্য কৰিছিলোঁ।) আন কিছুমান হেৰাই গৈছে।'

-দৈনিক জনমভূমি, ১৯৯০

ফনীশ্বৰ নাথ ৰেণু

যিসকালে দূৰদৰ্শনৰ ন-বজাৰ ধাৰাবাহিকবোৰ নিয়মিতভাৱে চায় তেওঁলোকে বহুতদিনৰ পৰা প্ৰচাৰিত হৈ অহা 'ময়লা আঁচল' খনো নিশ্চয় চাই আছে আৰু ৰসগ্ৰাহী দৰ্শকে নিশ্চয় এইটোও বুজিছে যে এই ধাৰাবাহিকখনৰ কাহিনীটো এখন গাঁৱৰ নিৰ্মম বাস্তৱ চিত্ৰ। ইয়াত ফুটি উঠিছে গাওঁখনৰ আৰ্থ-সামাজিক সংঘাতৰ শক্তিশালী ৰূপ।

'ময়লা আঁচল'ৰ লেখক হ'ল ফনীশ্বৰ নাথ ৰেণু। বহুত সমালোচকে এই উপন্যাসখন পাৰ্ল এছ বাকৰ 'গুড আৰ্থ'ৰ লগত তুলনা কৰিব খোজে। বহুতে আকৌ এই মত পোষণ কৰে যে প্ৰেমচান্দে 'গোদান' লেখাৰ পিছত হিন্দী সাহিত্যৰ শূন্যতা পূৰণ কৰে ফনীশ্বৰ নাথৰ 'ময়লা আঁচলে'। বহুতে অৱশ্যে কব খোজে যে এইখন লেখাত তেওঁৰ কোনো নিজস্বতা প্ৰকাশ পোৱা নাই। বঙালী লেখক সতীনাথ ভাদুৰীৰ 'ঢোৰাই চৰিত মানস' খনৰে আহিত হেনো তেওঁ 'ময়লা আঁচল' লেখিছে। পিছে যিয়ে যি নকওঁক, 'ময়লা আঁচল' এখন অসাধাৰণ উপন্যাস। মই কিতাপখন নেশ্যনেল বুক ট্ৰাষ্টে কৰা অসমীয়া অনুবাদৰ যোগেদি কৰা অনুবাদ পঢ়িছো। সেইখন পঢ়ি থাকোতে কিয় জানো মোৰ আন এখন অসমীয়া উপন্যাসৰ কথাও মনত পৰি গৈছিল। সেইখন হ'ল শ্ৰীমেদিনী মোহন চৌধুৰীৰ দ্বাৰা ৰচিত 'তাত নদী নাছিল'।

ময়লা আঁচলে ফনীশ্বৰ নাথ 'ৰেণুক' খ্যাতিৰ তুংগলৈ তুলিছিল। এইখন কিতাপতে তেওঁ সাহিত্য অকাডেমিৰ পুৰস্কাৰ লাভ কৰিছিল। কোৱা হয় যে শ্ৰেষ্ঠ দহখন হিন্দী উপন্যাসৰ ভিতৰত ময়লা আঁচলো কথমপিহে বহুত কেহেমিয়ান শিল্পী সাহিত্যিকৰ দৰেই ফনীশ্বৰ নাথেও এক ধৰণৰ এক উচ্ছৃংখল জীৱন যাপন কৰিছিল। তেওঁ ৰাধা

বন্ধনৰ মাজত জীৱন কটাব নোৱাৰিছিল বাবে । পাটনাত আকাশবাণীৰ চাকৰি এৰি কেৱল লেখাৰ ওপৰতে নিৰ্ভৰ কৰি পেট প্ৰৱৰ্তন কৰিছিল । কিন্তু ৰেণুৱে কেৱল সাহিত্যলৈয়ে ব্যস্ত থকা নাছিল । তেওঁ ৰাজনৈতিক কৰ্মব্যস্ততাৰ মাজতো সোমাই পৰিছিল । সেইয়া আছিল এমাৰজেঞ্চিৰ সময় । ৰেণুৱে গৈ জয়প্ৰকাশ নাৰায়ণৰ আন্দোলনত যোগ দিছিল । তাৰ আগতে তেওঁ [illegible] বেনাৰছত আই এ পঢ়ি আছিল । (ফনীশ্বৰ নাথ ৰেণুৰ জন্মস্থান আছিল বিহাৰৰ পূৰ্ণিয়া জিলাৰ আউৰাহি হিংগ্না নামৰ এখন গাওঁ) তেতিয়া বিয়াল্লিছৰ গণ-বিপ্লৱ আৰম্ভ হৈছিল আৰু তেওঁ পঢ়াশুনা ত্যাগ কৰি তাত যোগদান কৰিছিল । তাৰপিছত তেওঁক জেলত দিয়া হৈছিল আৰু পাঁচ বছৰ কাল জেল খাটিছিল । জেলতে তেওঁ বিখ্যাত বঙালী সাহিত্যিক সতীনাথ ভাদুড়ীক লগ পাইছিল যাক তেওঁ সাহিত্যিক গুৰু হিচাবে মানিছিল । জেলত থকা কালত তেওঁ গুৰুতৰ ভাৱে অসুস্থ হৈ পৰিছিল আৰু তেতিয়া তেওঁক পাটনাৰ হাস্পাতাল এখনলৈ পুলিচে চিকিৎসাৰ বাবে লৈ আহিছিল ।

সেই হাস্পাতালতে ফনীশ্বৰে লতিকা ৰায় চৌধুৰী নামৰ বাঙালী নাৰ্চ এগৰাকীক লগ পাইছিল আৰু পৰস্পৰৰ মাজত অনুৰাগ উপজিছিল । কিন্তু তেনেকৈ লগ পোৱাৰ কেবা বছৰৰ পাছতহে দুয়োৰো বিয়া হৈছিল । তাৰ কাৰণ অকল্পনীয় । ফনীশ্বৰৰ বহুত আগতে এবাৰ বিয়া হৈছিল, কিন্তু সেই স্ত্ৰীৰ পক্ষাঘাতত আক্ৰান্ত হৈ মৃত্যু হৈছিল । তাৰপিছত তেওঁ আন এজনী ছোৱালীক বিয়া কৰাব খুজিছিল যদিও দেউতাকে ৰেণুক বিয়া দিবলৈ অসন্মত হৈছিল, তেওঁ কৈছিল সি আজি জেলত, কালি বা আকৌ আন ক'ৰবাত, এনে উচ্ছৃংখল অঘৰী মানুহক কোনে ছোৱালী দিব ? সেই ছোৱালীজনীৰ তেতিয়া আনৰ লগত বিয়া হৈ গ'ল, কিন্তু কিছুদিনৰ পাছতে তাই বিধবা হৈছিল । ফনীশ্বৰে সেইবাৰ তাইক বিয়া কৰালে তেতিয়া ১৯৫০ চন মান হৈছিল ।

কিন্তু ১৯৪১ চন মানাং লগ পোৱা লতিকাক তেওঁ পাহৰিব পৰা নাছিল। গতিকে কেইবছৰমানৰ মধত অৱশেষত ফনীশ্বৰ নাথে লতিকাক বিয়া কৰাইছিল। লতিকা তেওঁৰ অতি ভগ্ন স্বাস্থ্য, খোজেই কাঢ়িব নোৱাৰা অৱস্থা। গতিকে এই বিয়াখনত কেৱল দুটি প্ৰাণৰ মিলন হৈছিল বুলিহে কব পৰা যায়। ইয়াৰ পিছত ৰেণুৱে পাটনাত বসবাস কৰিবলৈ লৈছিল আৰু চহৰিয়াই তেওঁ গাৱঁৰ অভিজ্ঞতাৰে ময়লা আঁচল লেখি পেলাইছিল।

১৯৬১-৬৮ ৰ কালছোৱা ৰেণুৰ বাবে শাৰিৰীক ধ্বংসৰ বছৰ আছিল বুলিব লাগিব। মদ, গুৰুপাকী খোৱা, অনিয়মে তেওঁৰ শৰীৰ থুলি থুলি খাই আনিছিল। আকৌ হাস্পাতালৈ যাব লগা হৈছিল আৰু তাতেই 'পদ্মশ্ৰী'ৰ খিতাপ পাইছিল।

১৯৭২ চনত ফনীশ্বৰ নাথে স্বাধীন প্ৰাৰ্থী হৈ বিধান সভাৰ নিৰ্বাচনৰ বাবে থিয় দিছিল কিন্তু জয়লাভ কৰিব পৰা নাছিল। সেই ঘটনাত তেওঁৰ স্বাস্থ্য আৰু ভাগি গৈছিল। কিন্তু জীৱনৰ সকলো বিপৰ্যয়ৰ মাজতো তেওঁ লেখনী চলাই গৈছিল আৰু বহুতো উপন্যাস আৰু গল্প লেখিছিল। তথাপি ময়লা আঁচলেই তেওঁৰ সৰ্বশ্ৰেষ্ঠ কীৰ্তি।

১৯৭৪ চনত তেওঁ বিহাৰৰ বানবিধস্ত লোকসকলক লৈ এটা সমদল লৈ যাওঁতে তেওঁক পুলিচে গ্ৰেপ্তাৰ কৰিছিল। মুক্তি পোৱাৰ পিছত তেওঁ নানা সংগঠন গঢ়ি তুলি জয়প্ৰকাশ নাৰায়ণৰ আন্দোলনক আগুৱাই নিয়াত সহায় কৰিছিল। এই সময়াতে তেওঁ ৰাজহুৱা ভাৱে পদ্মশ্ৰী খিতাপ ত্যাগ কৰিছিল।

ভাৰতবৰ্ষৰ জৰুৰী অৱস্থাৰ সময়ত ফনীশ্বৰ নাথে বেচিভাগ পাটনাৰ বাহিৰাতে কটাই দিছিল। তেওঁৰ তেতিয়া প্ৰায় শেষ অৱস্থা। ১৯৭৭ চনৰ মাৰ্চ মাহত তেওঁৰ অবস্থা ইমানেই সংগীন হৈ উঠিছিল যে তেওঁক অপাৰেচন কৰিব লগা হৈছিল। মদে আৰু নানা অনিয়মে তেওঁৰ পেটত ঘা কৰি পেলাইছিল। অপাৰেচন

থিয়েটাৰলৈ নিয়াৰ সময়ত তেওঁ ষ্ট্ৰেচাৰৰ পৰাই বন্ধু ৰামবচন বাবুক কৈছিল 'মোৰ সংজ্ঞা অহাৰ লগে লগেই ভাৰতৰ প্ৰধানমন্ত্ৰী কোন হ'ল মোক জনাবা।' কিন্তু সেই খবৰ আৰু তেওঁ শুনি যাব নাপালে। ১৯ দিন মৃত্যুৰ লগত যুঁজ কৰি তেওঁ মৃত্যুৰ মুখত পৰিছিল। তেতিয়া তেওঁৰ ৫৬ বছৰ হৈছিল।

দেৱকান্ত বৰুৱা যেতিয়া বিহাৰৰ গৱৰ্ণৰ হৈ পাটনাত আছিল, তেতিয়া তেওঁ হেনো ফনীশ্বৰে সদায় গৈ আড্ডা মৰা কফি হাউছলে গৱৰ্ণৰৰ পদৰ সকলো নিয়ম আওকান কৰি গুচি গৈছিল আৰু ৰেণুৰ লগত নানা কথাবতৰা পাতিছিল। তাৰপিছত অৱশ্যে দেৱকান্ত বৰুৱা কংগ্ৰেছ সভাপতি হৈ দিল্লীলৈ গুচি গৈছিল আৰু ৰেণুৱে জয়প্ৰকাশৰ আন্দোলনত যোগ দিছিল।

-দৈনিক জনমভূমি, ১৯৭৮

হাঁয় সময়

শ্বেক্সপীয়াৰে লিখিছিল Time must have a stop সময়ৰ এটা যতি পৰিব লাগে। মহাকবি জনাই কিয় এই কথা লেখিছিল নাজানো, পশ্চিম বংগত পিছে সময় থমকি যোৱা যেনেই লাগিছে। আমি সময় থমকি যোৱা মানে প্ৰগতিও থমকি যোৱা বুলি বুজো, সময়ৰ অপচয় হ'লে কামৰো অপচয়, উন্নতিৰ গতিও ৰুদ্ধ। এই ৰাজ্যত সময়ক খোৱা কৰিছে অহৰহ ঘটি থকা বিদ্যুৎকৰ্তন বোৰে, অন্ততঃ যোৱা দুবছৰ কালৰো অধিক মোৰ কলিকতা বাসে এই অভিজ্ঞতাকে লাভ কৰাইছে। আৰু আমাৰ সন্মুখৰ ফ্লেটত কুৰি বছৰ জুৰি থকা শ্ৰীমতী দাসগুপ্তাকো বোলে এই একে অভিজ্ঞতাই জুৰুলা কৰিছে।

সিদিনা গধূলী তেওঁৰ ফ্লেটত বহি আড্ডা মাৰি আছিলোঁ, হৈ গ'ল ল'ড শ্বেডিং বিদ্যুৎ কৰ্তন। সন্মুখৰ টেবুলতে দিয়াচলাই আৰু মমবাতি আছিল (প্ৰত্যেক সুগৃহিনীয়ে কলিকতাত এই ব্যৱস্থাটো কৰি থোৱা উচিত), নিজ ঠাইত বহি বহিয়ে মমৰ মৃদু পোহৰেৰে অন্ধকাৰ কিছু দূৰ আঁতৰাই গৃহকৰ্ত্ৰীয়ে মুখ অন্ধকাৰ কৰি ক'বলৈ ধৰিলে কলিকতাত যোৱা কুৰি বছৰ জুৰি আছো, সদায়ে একে ইলেকট্ৰিচিটিৰ এই দুৰ্ভোগ ভুগি আহিছো। কেৰোচিনৰ পোহৰত পঢ়ি ল'ৰা-ছোৱালীয়ে কি পঢ়াশুনা কৰিব কওঁকচোন, আৰু টিমিক, ঢামাক পোহৰত অনবৰত পঢ়ি থাকিলে চকুৰো বাৰ বাজি যাব...।' শ্ৰীমতী দাসগুপ্তৰ কথাবোৰ শুনি শুনি মই যেন পশ্চিমবংগৰ বুকুৱেদি দীৰ্ঘ সময় পাৰ হৈ যোৱাৰ পিছৰ অৱস্থাৰ চিত্ৰ এখন মানস পটত জিলিকি উঠা দেখা পালোঁ- ৰাজ্যখনত মানুহৰ সংখ্যা বৰ্তমানৰ গতিত বাঢ়ি চলাৰ ফলত বাট-পথত মানুহে গিজগিজাই আছে আৰু কেচুৱাৰ পৰা বুঢ়ালৈকে সকলোৰে চকুত চশমা! এইচ জি ওৱেলচৰ দ কান্ট্ৰি অৱ দ্য ব্লাই-

গুছৰ দৰেই যেন চশমাধাৰীৰ দেশ! মই মনৰ চকুৰে ইয়াকো দেখা পাওঁ যে সেই সকলো মানুহৰ মুখতে দেখাদেখকৈ নিৰ্বোধ ছাপ।

পিছে কথাখিনি ধেমালীৰ ছলত ক'লেও অলপ ভাবিব লগা কথা। বিদ্যুৎৰ দীঘ কৰ্তনবোৰ- বিশেষকৈ গধূলি আৰু ৰাতিৰ কৰ্তন-বোৰে ইয়াৰ ছাত্ৰ-ছাত্ৰীৰ পঢ়া সময়ৰ পৰা ভালেখিনিয়েই সময় যে কাঢ়ি নি গৈ আছে তাকাতো স্বীকাৰ কৰিবই লাগিব। ফলত বঙালী মেধাৱী ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ক্ৰমে কিছু হ্ৰাস হৈ আহিব এনে চিন্তা নিশ্চয় অযুক্তিৰ নহয়। মানুহৰ সভ্যতা কি কি বিষয়ে যে ধ্বংস নকৰে! ৰোমান সভ্যতা এদিন পৃথিৱীৰ তুংগত আছিল তাৰ পতন ঘটোৱা কাৰণবোৰ হৈছে। পানপানী, অবাধ প্ৰব্ৰজন, বিবাহ বিচ্ছেদ আদি। সেয়ে সময়ে যদি এদিন পশ্চিমবংগক এক নিৰ্বোধৰ ৰাজ্যত পৰিণত কৰে তাত আচৰিত মানিবলগীয়া নিশ্চয় নহ'ব।

সময়ৰ কথাত সময়ৰ নানা কথাই মনলৈ অহাযোৱা কৰিবলৈ ধৰিলে। কালোহয়ং নিৰবধি, বিপুলা চ পৃথিৱী। এই নিৰবধি সময়ক লৈ আমাৰ মাজত যিমান প্ৰবচন প্ৰচলিত আছে আন কোনোবা বিষয়ৰ ওপৰত আছেনে নাই মোৰ সন্দেহ। সময়ে এদিন আমাৰ সকলোকে আবধাৰিত অন্তিম অৱস্থা-অৰ্থাৎ মৃত্যুৰ মুখলৈ ঠেলি নিয়ে বা আমি বোধহয় সময়ক লৈ ইমান অবচ্ছেছড্-অস্তুত: মইতো হওঁয়েই মই নিজেই 'সময়' আৰু 'হায় সময়' নামৰ দুটা গল্প লেখিছো। সময়ৰ কথা আমি কত ধৰণৰেই যে কৈ অহা নাই সময়ৰ টিকণি আগফালে পাখিলগা কাড়ৰ দৰে সময়, নদীৰ সোঁতৰ দৰেই সময়ৰ সোঁতো নিৰন্তৰ আগবাঢ়ি গৈ আছে, সময়ৰ কাম সময়ত কৰিব লাগে, সময় আটাইতকৈ ভাল চিকিৎসক, সময়ে পলস পেলায় ...এনে ক'ত ধৰণেই যে আমি সময়ৰ কথা নকওঁ!

সময়ক লৈ মই ব্যতিব্যস্ত, সময়ৰ আগবঢ়া গতিলৈ মোৰ বৰ ভয়। সেয়ে বোধহয় সকতে যেতিয়া পিটাৰ পেনৰ কল্প কথা পঢ়িছিলো, মনে মনে খুব আকাংক্ষা জাগিছিলময়ো যেন পিটাৰ পেনৰ দৰেই

সদায় সৰু হৈ থাকো। সাধাৰণতে সৰু ল'ৰা-ছোৱালীয়ে সোনকালে ডাঙৰ হোৱাৰ সপোন দেখে, সেইফালৰ পৰা মই নিশ্চয় কিছু অদ্ভুতেই আছিলোঁ। সময় চিৰকাললৈ স্তব্ধ হৈ যাওক মই এই কামনা কৰিছিলোঁ কেৱল নিজৰ বাবেই নহয়, চকুৰ আগতে মা-দেউতাক বুঢ়া হৈ অহা দেখিছিলোঁ, সময়ে সোঁতে তেওঁলোকক মৃত্যুৰ পিনে আগুৱাই নি আছে Oh, time life's fool, time must have a stop

পিছে জীৱনত নহ'লেও সময় স্তব্ধ হোৱাৰ নজিৰ আমি কিছু বিখ্যাত উপন্যাস বা গল্পৰ পাতত দেখিবলৈ পাইছিলোঁ। প্ৰথমতেই মনলৈ আহে জেমছ হিলটনৰ অমৰ গ্ৰন্থ Lost Horizon লৈ। ছাংগ্ৰিলা নাম মনাষ্টাৰী এখনত সময়ক বন্দী কৰি ৰাখিব পৰা গৈছিল, কিন্তু হায়, তাৰ চিৰ বসন্তৰ অনন্তৰূপে যৌৱনে মোহময়ী নায়িকা ছাংগ্ৰিলা এৰি থৈ অহাৰ লগে লগে কি বীভৎস বুঢ়ী এজনীত যে পৰিণত নহ'ল। আকৌ মনলৈ আহিছে 'কিংছ ছলোমনছ মাইন' নামৰ খ্যাতিমান লেখক ৰাইডাৰ হেগাৰ্ডলৈ, তেওঁৰ 'She' নামৰ আন এখন বিখ্যাত গ্ৰন্থই মোক সম্মোহিত কৰি ৰাখিছিল, তাৰ নায়িকাৰো গাত সময়ৰ বিধংসী বতাহ নলগাকৈ থাকিব পাৰিছিল, কিন্তু শেষত যেতিয়া সময়ক আৰু বন্দী কৰি ৰাখিব নোৱাৰা হৈছিল, তেতিয়া সেই যুগ যুগ ধৰি সুন্দৰী যুৱতীহৈ বাঁচি অহা নায়িকাই কেৱল এজনী অতি বৃদ্ধা তিৰোতা হৈ থকাতে থামি যাব নোৱাৰিছিল, তেওঁ হৈ পৰিছিল শতাব্দীৰ পিছত শতাব্দীৰ হাড় ছালৰ গুড়িৰ এক ধ্বংসস্তুপ! সময়ৰ নিষ্ঠুৰ হাতত প্ৰহৃত হোৱা আন এজনী ছোৱালীৰ সুন্দৰ গল্প এটা ছমাৰছেট মমেও লেখিছে। বহুত বছৰ আগতে এজনী ছোৱালীৰ প্ৰেমত পৰা ডেকা এজনে তাইক পুনৰ দীৰ্ঘ সময়ৰ পিছত আকৌ লগ পাই আতংকিত হৈ পৰিছিল। বয়সে বীভৎস কৰি পেলোৱা সেই তিৰোতাজনীলৈ চাই তেওঁ আচৰিত হৈ ভাবিছিল—এদিন এই একেজনী তিৰোতাৰ বাবেই তেওঁ ইমান

বলীয়া হৈ পৰিছিল নে?

সঁচায়ে ঠাঁয় সময়! সময়ৰ এই নিষ্ঠুৰ হাতৰ পৰশ লাগি আতি-বলৈ ধৰাঁতেই বোধহয় এদিন ভয় খাই গ্ৰেটা গাৰ্বোই মানুহৰ দৃষ্টিৰ সন্মুখৰ পৰা পলায়ন কৰি অন্তৰালৈ আঁতৰি গৈছিল আৰু তেওঁৰ মানে কাকুতি কৰিছিল Leave me alone!

দৈনিক জনমভূমি, ১৯৯০

মৃত্যু

মৃত্যু সম্পৰ্কে মই বোধহয় আগতেও লেখিছো যদি লেখিছো তাৰ কাৰণ হ'ল মৃত্যু সম্পৰ্কে মোৰ (Obsession)। অৱশ্যে বয়স বাঢ়ি অহাৰ লগে লগে মানুহৰ মৃত্যু চিন্তা বাঢ়ি আহে, ই স্বাভাৱিক ।

আজি মৃত্যুৰ বিষয়ে লেখিবলৈ ওলোৱাৰ কাৰণ কিন্তু মোৰ নিজৰ অৱশ্যাম্ভাৱী মৃত্যু চিন্তা নহয়, অহিন এগৰাকী অসমীয়া লেখকৰ মৃত্যুৰ বিষয়ে ঠিক মৃত্যুৰ বিষয়ে নহয়, মৃত্যুৰ পাছত উদ্ভূত হোৱা নানা সমস্যাৰ বিষয়ে) লেখা প্ৰবন্ধ পঢ়ি মনত উদয় হোৱা ভাবৰ ৰবৰণীহে । লেখকে এইচ জি ওৱেলছৰ 'টাইম্ মেচিন' নামৰ কিতাপখনৰ কথা উল্লেখ কৰি লেখিছিল -টাইম মেচিনৰ আৰোহীজন ভৱিষ্যতলৈ গতি কৰি ৮০২০০০ খৃষ্টাব্দৰ মানুহে ভৰা সমাজখনলৈ গৈ কোনো কবৰ বা সমাধিৰ ঠাই দেখা নাপালে যদিও পিছত মৃতদেহৰ কি ব্যৱস্থা কৰা হয় বুজি পাইছিল । তাত দুই ধৰণৰ মানুহ এল'ই আৰু মৰ'ল'ক । মানুহৰ নিৰাপত্তাৰ বাবে সেই সমাজক জীৱজন্তুক নিৰ্মূল কৰা হৈছে । এল'ইবোৰে নিৰামিষ আহাৰ গ্ৰহণ কৰে কিন্তু মৰ'ল'কবোৰে আমিষ খায় । এ'লই বোৰ মাটিৰ ওপৰত থাকে আৰু ম'ৰল'ক বোৰ পাতালত থাকে । মাংসৰ অহিন যোগান নথকা বাবে সিহঁত ৰাতি ওপৰলৈ উঠি আহি এ'লই বোৰক ধৰি নি কেঁচাই কেঁচাই খায় ।

প্ৰবন্ধটো পঢ়ি উঠি মই ভাবিলোঁ, কি আচৰিত, 'টাইম মেচিন' খন পঢ়ি উঠি মোৰ মনক আকৃষ্ট কৰিছিল এই কেনিবেলিজিমৰ মডিটিয়ে নহয়, মোক আকৃষ্ট কৰিছিল জীৱনৰ শুভবুদ্ধিৰ এক প্ৰতীকেহে। 'টাইম মেচিন' মোৰ এখন প্ৰিয় কিতাপ । আৰোহীজন পুনৰ

যেতিয়া বৰ্তমানৰ পৃথিৱীলৈ উভতি আহিছিল, সি দেখিছিল তাৰ হাতত এপাহ বগা ফুল মৰহি গৈছে, তথাপি জীৱনৰ সুন্দৰতাৰ, ভালপোৱাৰ, আশাৰ প্ৰতীক যেন সেই শুকান ফুলপাহ। হয়তো মোৰ চিন্তা ভুল তথাপি সেইটো মই 'তথাপি যে জীৱনৰ কিবা এক শুভ সুন্দৰ অৰ্থত জীয়াই থাকে তাকেই লেখকে বুজাব খুজিছে বুলি ভাবি মোৰ 'ইপাৰৰ ঘৰ সিপাৰৰ ঘৰ'খনতো সেই বিশেষ কথা-খিনিৰ উদ্ধৃতি দিছিলোঁ।।

মৃত্যুৰ লগত আমাৰ অৱধাৰিত ভাবেই পৰজন্ম-পূৰ্বজন্মৰ কথা আহি পৰে। বিশ্বাস কৰোঁতাই বিশ্বাস কৰেই: মোৰ এনে বিশ্বাসী বহুত বন্ধুক কি প্ৰমানত বিশ্বাস কৰে বুলি সোধাত সৰ্বজনবিদিত, আওপুৰণি উত্তৰটো মনত সামান্য দ্বিধা নাৰাখিও দি দিয়ে 'পৰজন্ম-পূৰ্বজন্ম নাথা-কিলে এই জীৱনটোৰ বহুত দুখকষ্ট বা সুখ-ভোগৰ ব্যাখ্যা নাথাকে।' ব্যাখ্যা যেন জীৱনৰ আন বহুতো ৰহস্যৰ থাকেহে। তদুপৰি পূৰ্বজন্ম পৰজন্মৰ কথাত মোৰ আপত্তি এইটোৱেই যে যোৱা জন্মত মই কি আছিলো মই নাজানো। গতিকে পূৰ্বজন্মৰ 'মই'তো এই জন্মৰ মই টোৰ বাবে যি কোনো তৃতীয় ব্যক্তি। গতিকে এই জন্মৰ তৃতীয় ব্যক্তি এজনৰ সুখদুখৰ অনুভূতি মোৰ যেনেকৈ থাকিব নোৱাৰে, তেনেকৈয়ে পূৰ্বজন্মৰ 'মই'তো-যি মোৰ বাবে তৃতীয় ব্যক্তি, তাৰ কোনো অনুভূতি বুজাৰে যেতিয়া ক্ষমতা নাই, সেই ক্ষেত্ৰত সি কৰা পাপ বোৰৰ ফলাফল এই জন্মত মই কিয় ভোগ কৰিবলৈ নাম? ই অন্যায়, মহা অন্যায়।

মৃত্যুৰ কথা মনলৈ আহি থকাৰ অৱশ্যে আন নানা কাৰণো আছে। আজিকালি কাগজ খুলিলেই কেবল মৃত্যুৰ বাতৰিকে দেখো সন্ত্ৰাসবাদীৰ আক্ৰমণত মৃত্যু, চৰকাৰ আৰু বিপ্লৱীদলৰ মাজত হোৱা সংঘৰ্ষত মৃত্যু, গোষ্ঠী দ্বন্দত মৃত্যু, দুৰ্ঘটনাত মৃত্যু, পুলিচৰ গুলীত মৃত্যু, বানপানীত মৃত্যু, ভূমিকম্পত মৃত্যু...মৃত্যু আৰু মৃত্যু! উইয়েভস্কিৰ কথা এবাৰেই মনলৈ আহি যায়। 'Nature is a mocker!

Why does she create, the finest of beings only to ridicule them afterwards ? সচাঁয়ে, মানুহে মানুহক যে কি কৰা নাই – পৃথিবীৰ আদিৰে কেৱল ভাতৃৰ মৃত্যুৰে নিজৰ হাত কলংকিত কৰি আহিছে।

এই প্ৰসংগতে মনত পৰিল যে পৃথিবীত মানুহে নানা কাৰণত মৃত্যু আকোঁৱালি লব লগা হৈছে তাৰ ভিতৰত মহৎ মৃত্যুবোৰ হৈছে দেশৰ স্বাধীনতাৰ বাবে বৰণ কৰা আবেগিক মৃত্যু, কাৰোবাক আসন্ন মৃত্যুৰ মুখৰ পৰা উদ্ধাৰ কৰিবলৈ গৈ মাতি অনা মৃত্যু। দেশৰ স্বেচ্ছাচাৰী অত্যাচাৰী শাসকৰ পৰা মুক্ত কৰিবলৈ গৈ আহ্বান কৰা বিপ্লৱীৰ মৃত্যু, সৎ আৰু শুভ সংবাদ সংগ্ৰহ কৰিবলৈ গৈ বৰণ কৰা মৃত্যু, ইত্যাদি সদায়ে বৰণীয় মৃত্যুবোৰ। আৰু এক মৃত্যু হ'ল ধৰ্মৰ নামত সংঘৰ্ষত লিপ্ত হৈ মাতি অনা মৃত্যু এই মৃত্যু আচলতে ধৰ্মৰ নহয়, অধৰ্মৰ হে মৃত্যু। এনেকি মহাপুৰুষৰ ধৰ্মবাণীবোৰবো বহুতো ক্ষেত্ৰত পৰিণতি হৈছে এই জঘনা, নিষ্ঠুৰ উন্মাদ মৃত্যুত। অলপ আগতে উদ্ধৃত কৰা কথাবাৰিৰ লগৰ কথাখিনিও প্ৰনিধান যোগ্য বাবেহে মই এই ধৰণৰ মৃত্যুৰ কথা উল্লেখ কৰিছিলোঁ। 'Wasn't it her (Natures) doing that the only human being (Jesus recognised as perfect on earth...it was her doing that after showing him to mankind, she destined him to say things that have led to the spilling of such torrents of blood than mankind would have drowned in it had it been shed all at once ?'

শেষত এই ভয়ংকৰ মৃত্যুবোৰৰ কথা কৈয়ো মৃত্যুৰ জয়গান গাবই লাগিব এইবাবেই যে মৃত্যুতে এই জীৱনৰ সকলো দুখ তাপ, অসুখ অশান্তি, বাঞ্চনা, লাঞ্চনাৰ অন্ত পৰি যায়। মই পূৰ্বজন্ম পৰজন্ম নমনা মানুহ, সেয়ে মোৰ বিশ্বাস যে মৃত্যুতে সকলো ইতি হৈ যায় – অথবা মোৰ আশা যে তাতেই আমাৰ এই জীৱন যাত্ৰা পথৰ শেষ সামৰণি।

দৈনিক জনমভূমি, ২১ অক্টোবৰ, ১৯৯০ চন

যৱনিকা পতন

আমাৰ তেজপুৰৰ পৰম বন্ধু ডাঃ গোস্বামী দম্পতিৰ ঘৰত আলহী হৈ আছোঁহি। ১১ নবেম্বৰৰ ৰাতিপ ইংৰাজী বাতৰি টিভিৰ সমুখত বহি একেলগে চাই আছোঁ-শেষত আগাথা ক্রিষ্টি সম্পৰ্কে বন্ধুত কিবা কিবি দেখুৱাত (আগাথা ক্রিষ্টিৰ এইবাৰ জন্ম-শতবাৰ্ষিকী পালিত হৈছে) ডাঃ (শ্রীমতী) লক্ষ্মী গোস্বামীৰ মুখখন সুখকৰ স্মৰণত উদ্ভাসিত হৈ পৰিল। স্বামী ডাঃ ৰবীন গোস্বামীৰ লগত ইংলণ্ডলৈ উচ্চশিক্ষাৰ্থে যোৱাৰ সময়ত আগাথা ক্রিষ্টিৰ 'মাউছ ট্রেপ' নামৰ উপন্যাসৰ আধাৰত অভিনীত হোৱা নাটকখন চাই কি যে বিমল আনন্দ পাইছিল এতিয়া সেই অভিজ্ঞতাৰ ৰোমন্থন কৰিবলৈ ধৰিলে। উল্লেখযোগ্য যে 'মাউছট্রেপ'খন গোৱা ৩৭ বছৰ জুৰি আজিও লণ্ডনত অভিনীত হৈ আছে।

মই আগাথা ক্রিষ্টিৰ ৭৬ খন ডিটেকটিভ্ উপন্যাসৰ ভিতৰত সাত আঠখনমানহে পঢ়িছোঁ- তেওঁৰ বিষয়ে খুব বেচি কথা নাজানোঁও কিন্তু লক্ষ্মীৰ বিৰাট কিতাপৰ লাইব্রেৰীটো হেন লক্ষ্মীৰহে ভাণ্ডাৰ—অ' নহয় সৰস্বতীৰ ভাণ্ডাৰ বুলি কলেহে বোধহয় শুদ্ধ হ'ব। যিহওক আগাথাৰ প্ৰায় সকলোবোৰ কিতাপেই এই লাইব্রেৰীত আছে। লক্ষ্মীৰ মগজুটোও এক 'লিভিং এনচাইক্লোপেডিয়া'। সুবিখ্যাত স্ত্রীৰোগ বিশেষজ্ঞ এই গৰাকী ডাক্তৰনীৰ দৰে পাণ্ডিত্য অসমৰ কোনো মহিলাৰ (এনেকি আমাৰ সকলো লেখিকাকে ধৰি) নাই বুলি মই তেওঁলোকৰ লগত থকা সম্পৰ্কৰ কুৰি-বাইছ বছৰৰ অভিজ্ঞতাৰ পৰা ভাঠি ক'ব পাৰোঁ। এতিয়া তেওঁ মোক আগাথা ক্রিষ্টিৰ বিষয়ে যিখিনি ক'লে-তাৰে ভেটিতে আজিৰ এই লেখনিটো লেখিবলৈ ওলাইছোঁ।

আগাথা ক্ৰিষ্টি নিজেও এবাৰ এক ৰহস্যময়ী নায়িকাত পৰিণত হৈছিল। তেওঁৰ প্ৰথম স্বামীয়ে (মোৰ উপাধী আছিল ক্ৰিষ্টি) আন এজনী ছোৱালীৰ প্ৰেমত পৰাৰ পিছত তেওঁৰ সাময়িক স্মৃতিবিস্মৃতি (Amnesia) ঘটিছিল সেই সময়তে তেওঁ বোলে এবাৰ নিৰুদ্দেশ হৈ পৰিছিল আৰু এটা মোটেলত (Motel) গৈ আছিল। নিজৰ নামটো বোলে তেওঁ সেই মোটেলৰ ৰেজিষ্টাৰ পত্ৰীত স্বামীৰ প্ৰেমিকাৰ নামেৰে চহী কৰিছিল। 'আগাথা' নামৰ এখন কিতাপো আছে আৰু একে নামৰ এখন চিনেমাও আছে। এই চিনেমাত অভিনয় কৰিছিল ডাষ্টিন হফমেন আৰু ভেনেছা ৰেডগ্ৰেভে। চিনেমাৰ আগাথাই হেনো ইলেকট্ৰিক চকী এখনত এনে কায়দাৰে বহি লৈছিল যে তেওঁৰ আত্মহত্যাটো পিছত হত্যা বুলি প্ৰমাণিত হ'ব আৰু তাৰ-বাবে অভিযুক্ত হ'ব তেওঁৰ স্বামীৰ প্ৰেমিকাজনী।

আগাথাৰ দ্বিতীয় স্বামী হ'ল মেক্স মেলোৱান। তেওঁ এজন পৃথিৱী বিখ্যাত অৰ্কিওলজিষ্ট প্ৰাচীন ধ্বংসাৱশেষৰ খনন কাৰ্যত তেওঁ বহুতদিন গৈ ইজিপ্ত, মধ্যপ্ৰাচ্য আদিত থাকিব লগীয়া হৈছিল। সেই বাবেই Death on the Nile, They came to Baghdad কে আদি কৰি আগাথাৰ বহুত কিতাপৰ পটভূমি সেইবোৰ দেশ। আগাথাৰ বুঢ়াবয়সৰ এক জন্মদিনত তেওঁৰ বন্ধু এগৰাকীয়ে তেওঁ বুঢ়ী হৈ অহা কথাত স্বামীৰ কি প্ৰতিক্ৰিয়া বুলি সোধাত হেনো কৈছিল 'তেওঁ খুব সুখী। কাৰণ সকলো বস্তু যিমানেই পুৰণি হয় এজন অতীতৰ বস্তু খননকাৰী হিচাবে তেওঁৰ সিমানেই আনন্দ কৰি যায়।'

আগাথা ক্ৰিষ্টিয়ে ডিটেকটিভ উপন্যাসৰ বাহিৰেও কেবাখনো ৰোমাণ্টিক উপন্যাস, কেবাখনো নাটক আৰু এখন কবিতা সংকলন প্ৰকাশ কৰিছে। তেওঁ যি ছখন ৰোমাণ্টিক উপন্যাস লেখিছিল তাক তেওঁ মেৰি ওয়েষ্টমেকট ছদ্ম নামেৰে লেখিছিল।

আগাথাৰ ডিটেকটিভ উপন্যাসবোৰৰ ৰহস্যসন্ধানকাৰী ডিটেকটিভ কেইজনৰ ভিতৰত আটাইতকৈ জনপ্ৰিয় হ'ল হাৰকিউল পইৰো

আৰু মিছ মাৰ্পল। আগাথা নিজে মহিলা –গতিকে মহিলা ডিটেক-টিভ্ এগৰাকীৰ জন্ম নিদিলে জানো চলিব?

আগাথাৰ মৃত্যু হ'ল ১৯৭৬ চনত। তেওঁৰ পষ্টাৰ্ণ অৱ ফেট খনেই হ'ল শেষ উপন্যাস। কিন্তু ১৯৪০ চনতে লিখি থোৱা দুখন কিতাপ Curtain : Poirot's Last Case আৰু মিছ মাৰ্পল থকা 'Sleeping Murder' প্ৰকাশ পাইছিল। তেওঁৰ মৃত্যুৰ পিছত ১৯৭৮ চনত তেওঁৰ আত্মজীৱনী খনো প্ৰকাশ পাইছিল। আগাথাৰ প্ৰথম বিয়াৰ পিছত যি ৰহস্যময় অন্তৰ্ধান ঘটিছিল তেওঁ এই আত্ম-জীৱনীখনত লেখি থৈ গৈছেনে নাই মই নাজানো। লক্ষ্মীয়েও এইখন পঢ়া নাই। কোনোবা সদাশয় পাঠকে পঢ়িলে জনায় যেন। আগাথাই তেওঁৰ 'Curtain : Poirot's Last Case' খন লেখিছিল কেতিয়াবাই, কিন্তু তেওঁৰ জীৱন কালত তাক ছপা নকৰি তেওঁৰ মৃত্যুৰ পাছতহে ছপা কৰিবলৈ নিৰ্দেশ দি বেংকৰ ভল্টত সুমুৱাই থৈ গৈছিল। 'Mysterious Affairs at Styles' নামৰ কিতাপখনত আগাথাই হাৰ্কিউল পইৰোক পাঠকৰ লগত প্ৰথম চিনাকি কৰি দিছিল, Curtainত পইৰোৰ শেষ ৰহস্য সন্ধানী ৰূপটো দেখুৱালে।

লক্ষ্মীৰ ঘৰত থকা আগাথাৰ কিতাপবোৰৰ মাজৰ পৰা মই এই কিতাপখন উলিয়াই লৈছিলো, তেওঁ মোক কিতাপখনৰ কাহিনীটো নকলে, ৰহস্যৰাণী আগাথাই জীৱনত নানা ৰহস্যৰ মুখামুখি কৰালে এতিয়া মৰণৰ পিছতো যি ৰহস্যৰ জাল বই থৈ গ'ল তাৰ ৰসভোগ মই নিজেই হেনো কিতাপখন পঢ়ি কৰিব লাগে।

হাৰ্কিউল পইৰোৰ কাৰ্যকলাপৰ কেনেকৈ যৱনিকা পতন ঘটিল তাক জানিবলৈ 'Curtain : Poirot's Last Case খন হাতত তুলি লৈছো। কিতাপখন পঢ়ি উঠি বোধহয় কোনোবাই শেষ পৃষ্ঠাত লেখি থৈছে 'Gripping, you can never Guess Who did it... ৰহস্যৰ কিতাপত ছপাৰ নহয়, হাতেৰে লেখা এই কথাষিনিয়েও মোৰ কৌতুহল তীব্ৰতৰ কৰি তুলিছে।

বীণাৰ জন্মদিনত

এইবাৰৰ জন্মদিনত অন্যান্যবাৰতকৈ বীণাৰ ফূৰ্তি আৰু বেচি হৈছে, কাৰণ তাই এইবাৰ বৃত্তি পাইছে আৰু জন্মদিনৰ বাবে মিঠাই-খিনি নিজৰ অৰ্জিত ধনেৰেই মাকক কিনি আনি দিছে। আনন্দ আৰু গৰ্বত বীণাৰ জন্মদিনৰ ফুৰ্তি যেন সকলোবাৰতকৈ আৰু বেচি হৈছে। তাইৰ সেই গৰ্ব পুৰণি ভৃত্য নৰেশ্বৰে যেন আৰু বেচি বঢ়াইছে। পৰম উৎসাহেৰে ময়দা এচৰীয়া সানি সানি সি গৃহিনীক কৈছে 'আমাৰ বীণাই ঘটা ধনেৰে অনা মিঠাই মই দুটা খাম কিন্তু বাইদেউ, আপুনি কৰা কেকটোৰ ভাগ কম দিলেও কথা নাই।'

গৃহিনী হাজৰিকানীয়ে মুখ ওন্দোলাই ক'লে 'বীণাইনো কিমান সোপা মিঠাই কিনি আনিছে ঐ নৰেশ্বৰ ! মাজতে হুলস্থুল কৰি দোকানীবোৰে মিঠাইৰ দাম কমোৱা বুলি ঢাকঢোল পিটি এতিয়া আকৌ দুদিনতে বঢ়াই পেলালে। সিদিনা বৰুৱানীয়ে ঠিকেই দুখ কৰিছে যে বোলে চিঙাৰা খাবলৈ ইমান ভাল পাওঁ, দাম কমিছে যেতিয়া পেট ভৰাই খাম। পিছে লগেলগেই বেচেৰীৰ পেটৰ অসুখ হ'ল আৰু পেটৰ অসুখ ভাল হয় মানে চিঙাৰাবো দাম বাঢ়ি আগৰ দৰে হ'ল। বৰুৱানীয়ে তাকেই ক'লে বোলে চিঙাৰা সস্তা হোৱা কথাটো তেওঁৰ বাবে সপোনৰ দৰেই হৈ থাকিল'

হাজৰিকানীয়ে বা আৰু কিমানপৰ ভোৰভোৰাই থাকিলহেঁতেন কোৱাটান, কিন্তু উৎসাহত টগবগাই থকা এতিয়াও সৰু ছোৱালীৰ দৰে হৈ থকা বীণাই পিছফালৰ পৰা আহি মাকৰ ডিঙি মেৰিয়াই ধৰিলে আৰু আবৃত্তি কৰিবলৈ ধৰিলে--

'What lovely cakes
My mother makes
and sweets and jellies, too
Does your mamma for you ?

এইখিনিলৈকে আবৃত্তি কৰি বীণাই কুষ্টালীৰ হাঁহি এটা মাৰি নৰেশ্বৰৰ পিনে চাই সুধিলে -'ঐ নৰেশ্বৰ, ডাজ্ ইয়'ৰ মামা ইন্ ইয়'ৰ বাৰ্থডে? ডাজ্ শ্বী? ডাজ্ শ্বী? ঐ, কথা সুধিলে উত্তৰ নিদিয় কিয়?'

নৰেশ্বৰে তাৰ গা আৰু হাতৰ সমান জোৰ ময়দাৰ ওপৰত প্ৰয়োগ কৰি কৰিয়ে ক'লে 'জানো তুমি সেইবোৰ কি ইংৰাজীত সুধি আছা। মামা শব্দটোৰ বাহিৰে মই একো বুজি পোৱা নাই। মোৰ বুজিছা, মামা এজনেই আছিল, তাকো মৰি থাকিল। মই অৱশ্যে বাৰ্থডে শব্দটো বুজি পাইছো, এইখন ঘৰৰ কমবোৰ এনে বাৰ্থডেত মই চৰিয়া চৰিয়া ময়দা মাৰিলোনে। তুমি মোক এতিয়া তোমাৰ বাৰ্থডেত দুটা মিঠাই খোৱাৰ কৈছা নেকি বাৰু? কিন্তু মামা-টোৰ কথা কিয় উলিয়ালা? নে তোমাৰ মামাৰ কথা সুধিছা? পিছে যিয়ে নহওক, এইবাৰ তোমাৰ বাৰ্থডেত কিন্তু বঢ়িয়া মিঠাই কিনি আনিছা দেই, মোক কিন্তু সচাঁয়ে দুটা মিঠাই দিব লাগিব।'

'ধেৎ গাধাটো, ইয়াৰ মুখত কেৱল মিঠাই খোৱাৰ কথাই লাগি আছে। ঐ, মই তোক সুধিছো বোলে তোৰ বাৰ্থডেত তোৰ 'মামা'ই অৰ্থাৎ অসমীয়াত যাক মা বুলি কয় তোৰ মাৰৰ ভায়েক মামা নহয়, বুজিছ গাধা কেক মিঠাই বনাইছিল নে নাই?'

বীণাই আকৌ হাঁহিবলৈ ধৰিলে।

নৰেশ্বৰেও হাঁহি হাঁহি উত্তৰ দিলে -'তোমালোকৰ ইংৰাজী বাৰ্থডে তোমালোক ইংৰাজী পঢ়ানোৰেহে পাতা, আমাৰ দৰে দুখীয়া গাঁৱলীয়া ভুতবোৰৰ আকৌ কোনে পাতিব? অ' বীণা, তুমি অসমীয়াতেও কিবা এটা গোৱাচোন শুনো? তোমাৰ মাতটো ইমান বঢ়িয়া, পদবোৰ মাতো শুনিলে বৰ ভাল লাগে, কিন্তু সদায় ইংৰাজী পদ মতা বাবে একো বুজিব নোৱাৰো।'

বীণাই ওঁঠ লুটিয়াই ক'লে 'তোৰ দৰে অধামূৰ্খবোৰে শুনিবলৈ মই বিচাইটু নকৰো নহয়......মা, এই আইচিং খিনি হলেই কেকটো

হৈ যাব নহয়? দেউতাই বা দহডাল মমবাত্তি আনে নে নাই।'

কিছুপিছত হাজৰিকা আহি পাইছিল, তেওঁ মমবাতিটো আনি-ছিলেই জীয়েকলৈ বুলি নিজা ৰবীয়াকৈ এনিড্ ব্লাইটনৰ কিতাপ দুখনো আনি দিছিল। বীণামণিৰ ফূর্তিৰ উত্তেজনা ক্রমে বাঢ়ি আহিবলৈ ধৰিলে, তাইৰ মনত উচপিচনিও আৰম্ভ হৈ গ'ল—কেতিয়া বন্ধুবোৰ আহে, কেতিয়া কেক কাটিবলৈ পায়, আৰু ফুঁ মাৰি এডাল এডালকৈ মমবাত্তিবোৰ তাই যেতিয়া নুমাবলৈ ধৰিব, তেতিয়াহে বন্ধুবোৰে হাত চাপৰি মাৰি গাবলৈ ধৰিব- হেপি বাৰ্থডে টু ইউ অ' অ' কিমান যে ফূর্তি লাগিব। ইফালে ৰঙোনীলা কাগজেৰে মেৰিওৱা উপহাৰ কেইটামানেৰেওতো মেজখন ভৰি পৰিব।

বীণামনিৰ এনেকৈ জন্মদিন পতা কথাটোলৈ হাজৰিকাৰ প্ৰথম প্ৰথম অলপ সংকোচ হৈছিল, কিন্তু হাজৰিকানীয়ে জকেকাই উঠিছিল:

'আপোনাতকৈ কত সৰু অফিচাৰ, এনেকি কেৰাণী সকলৰ ঘৰতো ল'ৰা-ছোৱালীৰ ইয়াতকৈ ডাঙৰকৈ জন্মদিন পাতে। আৰু আমাৰ বীণামনি হ'ল একেজনী ছোৱালী, তাইৰ জন্মদিনটো মই ধাৰ কৰি হ'লেও ধুমধামকৈ পাতিম, আপোনাৰ কোনো কথাকে নুশুনো। ইফালে ছোৱালীক স্কুললৈ যাব পৰা হ'লেই মই ইংৰাজী মিডিয়ামৰ স্কুলত পঢ়িবলৈ দিম, তেতিয়া তাইৰ লগৰ ছোৱালীবোৰৰ দৰে কেক্ চেক্ কাটি জন্মদিন নাপাতিলে চলিব নে?'

এনে অকাট্য যুক্তিৰ পিছত হাজৰিকা নীৰৱ হৈ গৈছিল।

হাজৰিকানীৰ আইচিং শেষ হোৱাৰ অলপ পিছতে ৰাণী আহি ওলাল।

'ৰাণী বাইদেউ আহিলে, ৰাণী বাইদেউ আহিলে' বুলি বীণা-মণিয়ে ফূর্তিত জপিয়াই জপিয়াই বায়েকক সাবটি ধৰিলে আৰু নৰেশ্বৰক চিঞৰি চিঞৰি ক'লে —'ঐ নৰেশ্বৰ, মোৰ অসমীয়া মামাৰ জীয়েক ৰাণী বাইদেউ আহিল দেই—' তাৰ পিছত বীণাই ৰাণীৰ হাতৰ ৰঙীন কাগজেৰে মেৰিওৱা পেকেটটোলৈ লুভীয়া দৃষ্টি দিলে।

গুৱাহাটীৰ হোষ্টেলত থাকি পঢ়িবলৈ অহা ভাইৰ এই বায়েকজনীয়ে ভাইৰ জন্মদিন প্ৰথমবাৰৰ বাবে পাব।

'বৰ ধুনীয়া ফ্ৰক পিন্ধিছাহে বীণামনি, মায়ে চিলাই দিছে নহয় ?'

'ওঁ'—বীণাই ভপৰাই উত্তৰ দিলে 'এইটো মায়ে দিয়া মোৰ জন্মদিনৰ উপহাৰ আৰু দেউতায়ে। মোক এটা উপহাৰ দিছে। কি জানা, এনিড ব্লাইটনৰ দুখন কিতাপ।'

বাণীয়ে হাঁহি মাৰি ক'লে 'ময়ো তোমালৈ এটা উপহাৰ আনিছো। চোৱাচোন তোমাৰ পছন্দ হয়নে নহয়।'

বীণামনিয়ে আগ্ৰহেৰে বাণীৰ হাতৰ পৰা টোপোলাটো লৈ লৰালৰিকৈ খুলি পেলালে।

'কি হ'ল বীণামনি, তুমি মই অনা কিতাপ কেইখন ভাল নাপালা নেকি ?'

'নাই ভালেই. কিন্তু অসমীয়া কিতাপ! তুমি ইংৰাজী কিতাপ কিয় নানিলা বীণা বাইদেউ ? অসমীয়া পঢ়ি মই ভালো নাপাওঁ আৰু ভালকৈ বুজিও নাপাওঁ। 'ইমানবোৰ অসমীয়া কিতাপ নানি এখন ইংৰাজী কিতাপ আনিলেই হলেহেঁতেন।'

বাণীয়ে হো হোকৈ হাঁহিবলৈ ধৰিলে আৰু ভাৰপিছত চিঞৰিবলৈ ধৰিলে 'অ' পেহা, পেহী ক'ত আছা ? পেহী, তুমিও আহাচোন. জীয়েৰৰ কথা শুনাহিচোন ?'

'কিনো হ'ল অ' ভইত দুজনীৰ ? ইমান হাঁহিব কি হ'ল ? ভই পাকঘৰলৈ গৈ লুচি কেইখন ভাজি দিবি দেই বীণা, নহ'লে দেৰি হ'ব।'

'সেই বিষয়ে তুমি চিন্তা কৰিব নালাগে পেহী। কিন্তু এয়া চোৱাচোন, তোমাৰ ছোৱালী ভলেভলে ইমান মেম হৈ আছে মই জনাই নাছিলো। ভাই বোলে অসমীয়া কিতাপ পঢ়িব নোৱাৰে, ইংৰাজী কিতাপহে পঢ়ে।'

বাণীৰ কথাৰ মাজতে হাজৰিকানীয়ে থাপ্ মাৰি গৰ্বৰ হাঁহি

এটা মাখি কলে 'বীণাজনী ইংৰাজীত বৰ চোকা নহয় বাণী, তাইৰ মুখত ইংৰাজী আখৈ ফুটাদি ফুটে।'

বাণীয়ে হাঁহি হাঁহি ক'লে 'আমাৰ বীণাৰ ভাষাৰ জয় হওক! অ' পেহা, মই অনা অসমীয়া সাধুৰ কিতাপ কেইখন দেখি বীণামনিৰ বগা মুখখন ক'লা পৰি গ'ল। মই কিন্তু কিনো বুলিয়েই অসমীয়া কিতাপ কিনিছো সেই, নীতি হিচাবেই কিনিম আৰু যাকে যেতিয়া উপহাৰ দিব লগা হয় অসমীয়া কিতাপ কিনিয়ে উপহাৰ দিম। বুজিপাইছ তাই বীণামনিলৈ চাই ক'লে।

'বীণামনি সাৱধান, ভৱিষ্যতে আৰু তোমাৰ জন্মদিনলৈ মোক কেতিয়াও নামাতিবা, নহ'লে সেই একেই অসমীয়া কিতাপ উপহাৰ পাবা।'

ময়দা লগা হাতেৰে কেতিয়াযে নৰেশ্বৰ আহি সকলোৰে পাছত থিয় দিছিলহি কোনেও লক্ষ্য কৰা নাছিল। এতিয়া সি টপকৈ মাত লগাই উঠিল 'হওক দিয়ক বাণী বাইদেউ, বীণামনিলৈ অনা কিতাপবোৰ তেওঁ নপঢ়িলেও ময়েই পঢ়িম। অ' বাইদেউ, আপুনি চিন্তা নকৰিব, মই কাম কাজ কৰি সাধুকথাৰ কিতাপ নপঢ়ো, তুপৰীয়া জিৰাবৰ সময়তহে পঢ়িম।'

বাণীৰ মুখখন গহীন হৈ পৰিল।

'পেহা, নৰেশ্বৰৰ এই কথাখিনিত কিন্তু অসমৰ ভৱিষ্যতৰ বীজ নিহিত হৈ আছে। আমাৰ অসমীয়া সাহিত্যৰ ভৱিষ্যৎ লাহে লাহে নিৰ্ভৰ কৰিব যাইকৈ এক শ্ৰেণীৰ অৰ্দ্ধশিক্ষিত পাঠকৰ ওপৰত। আপোনালোকৰ দিনত ইংৰাজে শাসন কৰিলেও খুব কম ইংৰাজী মাধ্যমৰ স্কুল আছিল বাবে কম সংখ্যক ল'ৰা-ছোৱালীয়েহে তাত পঢ়িছিল। কিন্তু এতিয়া তেনে স্কুল চাৰিওফালে কাঠফুলাৰ দৰে গজিছে আৰু তেনে স্কুলত পিয়ন চকীদাৰৰ ল'ৰা-ছোৱালীয়েও এদিন পঢ়িব—চাই থাকিবা। এতিয়া পাঠশালা বা আন অসমীয়া স্কুলবোৰত যিবোৰ ল'ৰা-ছোৱালীয়ে পঢ়ে সেইবোৰ সাধাৰণতেই দুখীয়া

ঘৰৰ হয়. সিইঁতৰ মেধাও ইংৰাজী স্কুলত পঢ়াবোৰতকৈ কম হয় -অন্ততঃ বেচিভাগ ক্ষেত্ৰতে। শিক্ষক সকলো তথৈবচ। আৰু এদিন এই ল'ৰা-ছোৱালীবোৰেই স্কুল-কলেজত অসমীয়াৰ শিক্ষক হ'ব, অসমীয়া ভাষা-সাহিত্যৰ গুৰি ধৰিব। এতিয়াই অসমীয়া সাহিত্যৰ পাঠক ইমান কম, বীণামনিহঁত ডাঙৰ হৈ উঠোতে তেনে পাঠকৰ সংখ্যা কিমান কমি যাব ভাবিলেও বেজাৰত মন কোঁচ খাই যায়। আৰু এটা ভয়ংকৰ কথাও হয়তো হ'ব -অসমীয়া কোচলুৱা পাঠকৰ ৰুচি অনুযায়ী যে হয়তো তেতিয়া বহুত সাহিত্যিকে নিম্নমানৰ লেখা লেখিবলৈ ধৰিব। তেওঁলোকেতো নিজৰ কিতাপৰ বিক্ৰিৰ কথাও ভাবিব লাগিব. সকলো লেখকেইতো আৰু নিজ নীতিত লাগি নাথাকে '

হাজৰিকাই ৰাণীৰ দীঘলীয়া বক্তৃতা শুনি মাত লগালে - 'তুমি অলপ বেচি নিৰাশাবাদী হৈ পৰিছা যেন লাগিছে হে ৰাণী। অৱস্থা ইমান বেয়া নহয় দিয়া। বীণামনিহঁতৰ আৰু আন সকলো ইংৰাজী স্কুলত অসমীয়াৰ এখন পেপাৰ বাধ্যতামূলক ভাবে পঢ়িব লাগে নহয়।'

হাজৰিকাৰ কথাত বাধা দি ৰাণীয়ে অলপ উষ্মাৰেই কৈ উঠিল 'সেই কথা আৰু নক'ব পেহা, সেই অসমীয়াৰ নমুনা মই দেখিছো। মোৰ ককাইদেউৰ ল'ৰাটোৱেও তো এখন ইংৰাজী মাধ্যমৰ স্কুলত পঢ়ে। সি নৱম মান শ্ৰেণীত পঢ়ে, কিন্তু বীণাৰ দৰেকৈয়ে সেই অসমীয়া পঢ়া বিদ্যাৰ ফলত সি অসমীয়া কিতাপ পঢ়াৰ প্ৰতি একো আগ্ৰহ অনুভৱ নকৰে। বীণা আৰু তাৰ দৰে অনান্য ইংৰাজী মাধ্যমত পঢ়া ল'ৰা-ছোৱালীবোৰৰ অসমীয়া জ্ঞানৰ নমুনা হয় (হ'ব বুলি মই নিশ্চিত). তেন্তে ক'বই লাগিব যে সেই ল'ৰা-ছোৱালীবোৰে অসমীয়া ভাষাক ডিঙি টিপি হত্যা কৰিব . . . অ' বীণামনি, মই সক থাকোঁতে যেতিয়া তোমাৰ দেউতাৰ লগত তোমাৰ মাৰ বিয়া হ'ল তেতিয়া হাত চাপৰি মাৰি মাৰি খুব জোকাইছিলো -'পেহী ঐ পেহা, আমলখি কেঁহা, টেকেলিপেটীয়া

গোবিন্দাই জ্বাল বাওঁ গৈ আহা—কিন্তু এতিয়া তোমালোকৰ বাবে সেইবোৰ গ্ৰীক লেটিনৰ দৰে আচহুৱা হৈ গ'ল, এতিয়া তোমালোকে গোৱা- পিটাৰ পিটাৰ, পাম্পকিন্ ইটাৰ আদি। বাৰু বাদ দিয়া এইবোৰ। তোমাৰ বন্ধুসকল ছাগে আহি পাবৰে হ'ল বীণা, তেওঁলোকে তোমালৈ নিশ্চয় বহুতো কিতাপেই উপহাৰ আনিব, তেতিয়া আৰু মোৰ পৰা পোৱা এই অসমীয়া কিতাপৰ দুখটো নাথাকিব। অ' পেহী, কিতাপৰ আলমাৰীৰ চাবিটো দিয়াচোন, তোমালোকৰ বিয়াৰ সময়ত পোৱা অসমীয়া কিতাপ কেইখন যে সেই যাদুঘৰটোত ফছিল হৈ পৰি আছে, তাৰ মাজতে এই কেইখনো ভৰাই থওঁগৈ।'

—সাপ্তাহিক নীলাচল, ৪ ফেব্ৰুৱাৰী, ১৯৭৬ চন

ফাগুতে দুপইছা ঘটিবলৈ আটাইবে মন

ৰীণাৰ ককায়েক ৰুবুলে মাকক জোকায়ে তং নেপায়—‘মা, তুমি মিছেছ ডুবেক গৈ কি বুলি ক’বাগৈ? আপলোগকা ঘৰমে আইনেছে হামাৰা বহুত ফুৰ্তি লাগ্‌তা হায়? নহ’লেবা মা, তুমি নবেশ্বৰৰ পৰাই ৰাষ্ট্ৰভাষাখিনি শিকি যাব পাৰা। নবেশ্বৰে বঢ়িয়া ৰাষ্ট্ৰভাষা কয়, সিদিনা সি বজাৰ কৰি আহি ৰিক্সাৱালাটোক খুব ধমক দিয়া শুনিছিলোঁ। বোলে—‘তুম মেৰা লগ্‌মে ধেমালি পাতা হায়? এই গুৱাহাটী চহৰমে হাম্ তোমহাৰাতকৈও বেচি দিন থাকতা হায়, দেচৱালী ক’ৰবাৰ!’

ৰুবুলৰ কথাত ওচৰতে থকা ৰীণাই খিলখিলাই হাঁহিলে, হাজৰিকাৰো গোঁফৰ তলত মিচিকি হাঁহি বিৰিঙিল, কিন্তু হাজৰিকানীয়ে গহীন হৈ থাকি উত্তৰ দিলে ‘তইঁতবোৰে কলেজ বোৰত পঢ়ি মাৰাইতক খুব তুচ্ছ তাচ্ছীল্য কৰা হৈছ, কিন্তু আমি তইঁত বোৰৰ দৰে সুবিধা পোৱা হ’লে দেখুৱাই দিলোহেঁতেন। ছোৱালী মানুহ, মাইহঁতে চিৰদিন মূৰৰ বোজা বুলিয়ে ভাবি আহিলে, জন্ম হোৱাৰ দিনৰ পৰা কেনেকৈ সেই বোজা আনৰ গাত গটাব তাৰেই চিন্তা কৰি আহিলে। পিছে সদায় দিনকাল একেদৰে নেযায়; এতিয়া যে নাৰীবৰ্ষটো পাতিব ওলাইছে—তাৰ দ্বাৰা ছোৱালীবোৰৰ সেই দুৰৱস্থাটো কেৱল আতঁৰোৱাই নহয়, ঘৰত এগছ কুটা দুগছ নকৰা মতা মানুহবোৰৰো স্বৰ্গ-সুখ বাহিৰ কৰিব .. ।’

‘দেউতা, আমাৰ মা খুব ভাল ডিপ্লোমেটিক হ’ব পাৰিলেহেঁতেন দেই! সুবিধা বুজি কেনেকৈ কথাৰ সুৰ সলনি কৰি পেলায় দেখিছা? সদায় নাৰীবৰ্ষক গালি পাৰি এতিয়া কেনেকৈ সেই নাৰীবৰ্ষতে ওলমি দিলে দেখিছা?’

হাজৰিকানীয়ে কিন্তু কবুলৰ কথালৈ গ্ৰাহ্য নকৰি আগৰ কথাৰ খেউ ধৰিয়ে কৈ থাকিল সচাঁয়ে, পঢ়া সুযোগ পালে আমাৰ বহুতে বোধহয় খুব নাম কৰিব পাৰিলেহেঁতেন। অই হাঁহিছ কিন্তু মোক মিছেছ ডুবেই সোধে বোলে আপ এত্না আচ্ছা হিন্দী কাঁহাছে শিখ্তা? মই হিন্দীত ভালকৈ কথাবতৰা পাতিব নোৱাৰা হ'লে তেওঁনো মোক তেওঁলোকৰ ঘৰলৈ বাৰে বাৰে এনেকৈ মাতেনে? হ'ব পাৰে তেওঁৰ জীয়েক লীলা ৰীণাৰ খুব বন্ধু, সেই বুলিয়েই মোক ইমান আন্তৰিকতাৰে মাতিব নে?'

মিছেছ ডুবেৰ নিমন্ত্ৰণ যে সচাঁকৈয়ে আন্তৰিক আছিল, সেই কথাৰ পিছত্তো প্ৰমাণ পালে। তেওঁ যে হাজৰিকানী আৰু জীয়েকক অতি আদৰ যত্ন কৰি খুৱালে কেৱল সেয়ে নহয়, উভতিবৰ সময়ত গাড়ীৰে থোৱাইয়ো দিলে। মিছেছ ডুবেই এই সন্ধিয়াখন বোলে অকলে অকলে ৰীণাক লৈ জুৰো'ডৰ পৰা আমবাৰীলৈ কেতিয়াও ৰিক্সাত যাব নিদিয়ে। এই সময়ত ড্ৰাইভাৰৰ নো কি কাম, বহিহে থাকে

হাজৰিকানীৰ হিচাবী মনে লগেলগেই স্বতঃস্ফূৰ্ত ভাবে হিচাপ কৰি পেলালে আমবাৰীৰ পৰা মিছেছ ডুবেহঁতৰ ৰাজগড়ৰ ঘৰলৈ যোৱাৰ সময়ত ৰিক্সাৱালাই ডেৰ টকা লৈছিল, গতিকে আহিবৰ সময়ত সেই ডেৰ টকা ৰাহি হ'ল। ডেৰ টকাও কম পইছা নে? অন্ততঃ তাৰে তিনিটা কণী কিনিবলৈ পোৱা যাব।

পিছে গাড়ীখন লেভেল ক্ৰছিঙৰ ওচৰ পাওঁতেই লগে লগে বন্ধ হৈ গ'ল। তেতিয়া অসমীয়া ড্ৰাইভাৰে ক'লে--'বাইদেউ ৰেলগাড়ী আহিবলৈ এতিয়াও বহুত পলম আছে। আপুনি অলপ যদি পইছা দিয়ে গেটমেনটোক কৈ অলপ পৰ গেটখন খোলাই লৈ গুছি যাওঁ। নহ'লে ইয়াত আৰু কিমান সময় বোন্দাপৰ দি বৈ থাকিব লাগিব ঠিকনা নাই।'

হাজৰিকানী স্বাভাৱিকতেই খুব আচৰিত হৈ গ'ল 'পইছা দিলে ৰেলৰ গেট খুলি দিয়ে! আজি দেখোন এইটো অতি নোহোৱা নোপজা কথা শুনিলো!'

ড্ৰাইভাৰে নিৰ্বিকাৰভাবে ক'লে 'কোনো কোনো মানুহৰ লৰা-ধৰি থাকে জানিয়েই চকীদাৰে বহুত আগতে গেট বন্ধ কৰি দিয়ে, তেতিয়া সেই মানুহে অলপ পইছা দি গেট খোলাই লয়। দুখীয়া মানুহৰ এনেকৈ দুই চাৰি পইছা হাতলৈ নাহিলে কেনেকৈ চলে মাইজী? বৰ বৰ মানুহ বোৰেতো কত হাজাৰ হাজাৰ বাহিৰা টকা মাৰে।

হাজৰিকানীয়ে এইবাৰ আৰু কোনো কথা নকৈ মুখত বিৰক্তি সানি ড্ৰাইভাৰক টকা এটা উলিয়াই দিলে।

'মোৰ হাতত এই টকাটোৱেই আছিল, ইয়াৰে হ'ব নে বাৰু?'

ড্ৰাইভাৰে হাজৰিকানীৰ বেগত থকা বাকী পইছাৰ জনজননি শুনাৰ ভাও ধৰি ক'লে — 'হ'ব বাইদেউ।'

সি গৈ গেটমেনক আঠ অনা দি আহিলে। ড্ৰাইভাৰ, গেটমেন আৰু হাজৰিকানী—এই তিনিওৰে আঠ অনাকৈ ফাওৰ ঘটন হ'ল।

সেই ঘটনাৰ দুদিন পিছত ৰাণী হোষ্টেলৰ পৰা পেহীয়েকৰ ঘৰলৈ আহোঁতে হাজৰিকানীয়ে ৰাণীক ক'বলৈ সাঁচি থোৱা কথাখিনি উত্তেজনাৰে ক'বলৈ ধৰিলে কেনেকৈ স্কুলত আনন্দ মেলা পাতোঁতে লীলা, বীণা আৰু দুজনী ছোৱালীয়ে মেজ প্ৰথম লৈছিল, কেনেকৈ বীণাৰ অন্তৰংগ বন্ধু লীলাৰ মাক মিছেছ ডুবেৰ লগত তেওঁৰ তাত চিনাকি হৈছিল, কেনেকৈ মানুহ গৰাকীয়ে তেওঁক বৰ আন্তৰীকতাৰে নিমন্ত্ৰণ কৰিছিল আৰু তাৰ পিছত তেওঁলোকক গাড়ীৰে থোৱাই দিওঁতে লেভেল ক্ৰছিঙত সেই ঘটনাটো ঘটিছিল।

ৰাণীও আচৰিত হৈ গ'ল।

'এনে ঘটনাৰ কথা মই আগতে শুনা নাছিলোঁ পেহী! গোটেই জগৎখনেই দেখিছোঁ অন্যায়কৈ বাহিৰা ধন ঘটাত ব্যস্ত। এইমাত্ৰ যে মই কাছাৰীৰ পৰা চিটিবাছেৰে তোমালোকৰ ঘৰলৈ আহিলোঁ, কণ্ডাক্টৰে পইছা লৈ টিকট নিদিয়াকৈ গুছি যাবলৈ ওলাইছিল। মাইকী মানুহ দেখিলে হেনো কণ্ডাক্টৰে টিকট দিব নোখোজে। আমাৰ লগৰ বহুত ছোৱালীয়ে কণ্ডাক্টৰক দৰিদ্ৰ বুলি পুতো কৰি টিকেটখন

খুজি নলয়। কিন্তু তাৰফলত চৰকাৰ কিছুপৰিমাণ কৰৰ পৰা বঞ্চিত হয়। তদুপৰি মোৰ মনত এই প্ৰশ্নও জাগে কণ্ডাক্টৰবোৰে যে এনেকৈ নাহিৰা পইছা আৰ্জে; সেইবোৰ সিহঁতে বাৰু কি সৎ কামত লগায়? নিশ্চয় সিহঁতে হিন্দী চিনেমা চায় বা জুৱা খেলে বা মদ খায়। আমি টিকেট নোখোজাবাবে এনেকৈয়ে সিহঁতৰ নৈতিক অধঃপতনত অৰিহনা যোগাওঁ।'

বীণাই বায়েকক কিবা এটা ক'বৰ বাবে অতপৰ ওচৰত বৈ আছিল, এতিয়া 'ভাষণ বাইদেউ'ৰ (কবুলে ৰাণীৰ এইটো নাম ৰাখিছে অৱশ্যে বীণাৰ বাহিৰে আৰু কোনেও নাজানে) ভাষণৰ মাজত অলপ সুকণ্ডা পাই মাত লগালে 'অ' ৰাণী বাইদেউ, এইবাৰ মই আমাৰ স্কুলৰ 'ফেট'ত বহুত পইছা পালো নহয়!'

বীণাৰ কথা কাটি লৈ হাজৰিকানীয়ে এমোকোৰা হাঁহিৰে ক'লে 'হয় অ' ৰাণী, এইবাৰ তাই বহুত পইছা ঘটিলে। কিমান হ'ব পাৰে তুই আন্দাজ কৰাচোন বাৰু?'

ৰাণীৰ পেহীয়েকে বালিকাসুলভ কৌতুকেৰে উত্তৰৰ বাবে মিচিক মিচিক হাঁহি তাইৰ পিনে চাই ৰ'ল।

ৰাণীয়ে সহজ হিচাব কৰি ক'লে--

'তোমালোকৰ চাৰিজনী বন্ধুৱে মেজ এখন লৈছিলা নহয়? কি বেচিছিলা? খোৱা বস্তু? ফে'টেখন কেইদিন ধৰি চলিছিল? দুদিন? তেন্তে গাই পতি দহটকামান লাভ হ'ব নিশ্চয়। বাৰু ব'বা, আনন্দ মেলাখন এইবাৰ কি উদ্দেশ্যে পতা হৈছিল? যোৱা বছৰখনতো আন্তৰ্জাতিক নাৰীবৰ্ষ বুলিয়ে পতা হৈছিল।'

'এইবাৰৰখন আমাৰ স্কুল লাইব্ৰেৰীৰ বাবে পতা হৈছিল।

'তোমালোকৰ স্কুল কৰ্তৃপক্ষই কি হিচাপত তোমালোকক মেজবোৰ দিছিল?'

'প্ৰতিদিনে লাভৰ আধাভাগ স্কুলক দিব লাগিছিল। কিন্তু পেহী--'

'ৰ'বা বীণামণি, মই হিচাবটো কৰি লওঁ। প্ৰতিদিনে লাভৰ

আশীভাগ দিব লাগিলে তোমালোকৰ চাৰিওজনীয়ে খুব বেচি পইছা পাব নোৱাৰা। মই ভবাৰ দৰে এনেকি দহ টকাও হ'ব নালাগে। দুদিন মিলি ছয় সাত টকাতে হ'ব লাগে। পিছে বীণা, নিজৰ ঘটনৰ ধন যেতিয়া, এক পইছাৰো বহুত মূল্য ? নহয় জানো ? সেই পিনৰ পৰা ছয় সাত টকাও বহুত। মোৰ আন্দাজটো ঠিক হৈছেনে বীণা ?'

ৰাণীৰ হিচাপ-পত্ৰ দেখি ইতিমধ্যে হাজৰিকানীৰ মুখৰ কৌতুকৰ চিন অন্তৰ্হিত হৈছিল। এতিয়া তেওঁ বিৰস মুখেৰে ভতিজা জীয়েকক বীণাৰ সলনি নিজেই যেন উত্তৰটো দিলে !

'স্কুলখনৰ কিন্তু খুব অন্যায় ৰাণী। সকু ছোৱালীবোৰে গোটেই দিনটো মেহনত কৰি বস্তুবোৰ বেচিছে, তাৰপিছতো সিহঁতক সেই-খিনি লাভতে দিব লাগেনে ?

ৰাণীয়ে খুব আচৰিত হোৱা দেখুৱাই ক'লে 'কিন্তু বীণামনিহঁতক লাভ কিয় লাগে পেহী ? সেই টকা জানো সিহঁতে নিজৰ স্কুলৰ লাইব্ৰেৰীৰ কাৰণে তোলা নাই ? পেহী, বীণামণিহঁতে মাত্ৰ দুদিনহে খাটিছে, আমি কিন্তু আমাৰ স্কুলৰ বাবে তাতকৈ বহুত দিন আৰু বহুত বেচি খাটিছিলোঁ। আমি থিয়েটাৰ কৰিছিলোঁ, সেই থিয়েটাৰৰ বাবে সদায় সদায় ৰিহাৰ্চেল কৰিছিলো, থিয়েটাৰৰ টিকেট ঘৰে ঘৰে বেচি ফুৰিছিলোঁ। তাৰপিছত যেতিয়া বহুতো টকা তুলি আমাৰ ভেঞ্চাৰ স্কুলটো প্ৰতিষ্ঠা কৰাত সহায় কৰিব পাৰিছিলোঁ, আমাৰ মনত তেতিয়া কি যে ৰং ! আমাকতো কোনেও এটা পইছা দিয়া নাছিল। আমি সকু সকু ছোৱালীবোৰে কৰিছিলোঁ প্ৰহ্লাদ, ধ্ৰুব আদি ভাল ভাল শিক্ষনীয় আখ্যানমূলক নাটক। এই জুৰাটুৰাবে ভৰা ফোক্ত-চেতেবোৰ আমাৰ নাছিল ।'

হাজৰিকা সোমাই আহিছিল।

'অ' ৰাণী দেখোন ? পেহীয়েৰাক কিবা লেকচাৰ দি আছিলা নেকি ? তোমাৰ মাতটো মই বাটৰ পৰাই শুনি আহিছো, বাস্তাৰ কাৰতে ঘৰতো—'

'তেন্তে বাটকৰায়ো মোৰ লেকচাৰ শুনিছে নেকি পেহা? শুনিলে যে ইমান ভাল পাওঁ! আপোনাৰ ছোৱালীয়ে য'ত বিৰাট ধন ঘটি আছিল, সেই আনন্দ মেলা বা জুৱা মেলাৰ বিৰুদ্ধে লেকচাৰ দি আছো ব'ব। পেহা, এইবোৰ বাক বন্ধ কৰি দিব নোৱাৰিনে? জুৱাকে আদি কৰি কত ধৰণৰ কাণ্ড যে এই আনন্দ মেলা বোৰত নঘটে! সেইবোৰ কথা জানিলে বহুত অভিভাৱকে নিজৰ ল'ৰা-ছোৱালীক কেতিয়াও সেই আনন্দ মেলাবোৰত যোগ দিব নিদিলে-হেঁতেন! পিছে বীণা, কিমান ধননো ঘটিলা এতিয়া কোৱাচোন?'

বীণাই এবাৰ মাকৰ গহীন মুখখনৰ পিনে ভয়ে ভয়ে চাই পঠিয়াই ক'লে 'আশী টকা!'

'কাক ঠগাই?' বাণীয়ে হাহি হাহি সুধিলে।

'কাকো ঠগাই নহয়' এইবাৰ অলপ উত্মাৰেহে বীণামণিয়ে ক'লে 'আমাকহে স্কুলে ঠগাব খুজিছিল। সেইবাবে লীলা, সুমিত্ৰা, জাহানাৰা সকলো কেইজনীয়ে ক'লে যে আমি আচল হিচাব প্ৰিন্সি-পালক নিদিওঁ। কষ্ট আমি কৰিম আৰু প্ৰায় গোটেইখিনি পইছাই লৈ যাব তেওঁ! কিয় আধা ভাগ নিদিলে? তেতিয়া হ'লেওতো আমাৰ ইমান খং নুঠিলহেঁতেন। আৰু আমি লীলাহঁতে সেইবোৰ কথা পাতি থাকোতে ফে'ট চাবলৈ অহা সুমিত্ৰাৰ মাকোতো আমাৰ ওচৰতে আছিল। তেওঁ দেখোন হাঁহি হাঁহি কৈছিল যে আজিকালিৰ ল'ৰা-ছোৱালী-বোৰ বৰ চালাক, সিহঁতক কোনেও ঠগাব নোৱাৰে।'

বাণীয়ে হাজৰিকাৰ ফালে চালে—'পেহা, অলপ আগতে মই পেহীৰ লগত আলোচনা কৰি আছিলোঁ বোলে গোটেই পৃথিৱীখনেই আজিকালি অন্যায় কৈ বাহিৰা তুপইছা অৰ্জাৰ ধাওনে ঘূৰিছে। পিছে আপোনালোকৰ পৃথিৱীখনোতো সেই পৃথিৱীৰে এটা অংশ তেনেস্থলত সেই ঘৰখননো কেনেকৈ ব্যতিক্ৰম হ'ব নহয় জানো?'

হাজৰিকাই সেমেনা সেমেনি কৰিব ধৰিলে।

'মই ঘৰৰ বহুত কথাৰ ভূকে নাপাওঁ, দিনটো অফিচৰ কামত

ব্যস্ত হৈ থাকি ভাগৰো লাগে দিয়াচোন। মাকজনীয়েনো দিনটো ঘৰত বহি বহি কৰে কি? তেওঁ ল'ৰা-ছোৱালী দুটাক ভাল কথা শিকাব নোৱাৰে? আচলতে ল'ৰা-ছোৱালী ভাল হ'বলৈ মাকবোৰ সুশিক্ষিতা হ'ব লাগে—তোমাৰ পেহীৰ কথা বুলি বেয়া নাপাবা—'

ৰাণীয়ে মাজতে বাধা দি ক'লে. 'মাকবোৰ সুশিক্ষিতা হ'ব লাগে, বৰ সঁচা কথা। কিন্তু বাপেকবোৰে বাহিৰত কাম কৰি আহিল বুলিয়ে যে নিজৰ ল'ৰা-ছোৱালীক শিক্ষা দিব নোৱাৰে, মাকবোৰে দিব লাগে, (অৱশ্যে এতিয়া লাহে লাহে সেই শিক্ষাৰ ভাৰ সম্পূৰ্ণভাবে প্ৰাইভেট টিউটৰৰ গাতেই পৰিব যেন পাইছো। পেহা মাজতে কৈ ল'লো), অ' মাকবোৰেই কেবল কিয় দিব লাগে? টমাছ জেফাৰ্ছন, উইল ডুৰাণ্ট আদিৰ জীৱনী পঢ়ি দেখিছো, তেওঁলোকে নিজৰ সাংঘাতিক ব্যস্ততাৰ মাজতো জীয়েকক সুশিক্ষা দিবৰ বাবে নিজৰ বহুত সময় ব্যয় কৰিছিল। আমাৰ নিজৰ দেশলৈকে নাচাওঁ কিয়? জৱহৰলাল নেহেৰুৱে অতি কৰ্মব্যস্ত জীৱনৰ মাজতো জীয়েকৰ মানসিক উৎকৰ্ষৰ বাবে কি কৰিছিল আমি সকলোৱে জানো দেখোন। এতিয়া আৰু বেছি ঘৰলৈ সোমাওঁ। জানেনে পেহা, আমাৰ পিতাই আমাৰ সকলো কেইটা ল'ৰা-ছোৱালীৰ গধূলী পঢ়াশুনা চাইছিল আৰু ডাঙৰ মানুহৰ জীৱনীৰ পৰা বহুত শিক্ষনীয় কথা কৈছিল। অ' পেহা. মোৰতো মুখখন চোকাই, গতিকে কথা এটা কওঁ দেই। আচলতে ৰীণামনিয়ে ঘটি অনা ধনে আপোনাকো পেহীৰ দৰে আনন্দ দিছিল। আমি অভিভাৱকসকলে এনেকৈয়ে ভৱিষ্যতৰ একো একোজন দুৰ্নীতি পৰায়ন নাগৰিকক ঘৰতে সৰুৰ পৰা তৈয়াৰ কৰি পেলাওঁ। আমাৰ সমাজ জীৱনৰ দুৰ্নীতি তৈয়াৰীৰ কাৰখানা হ'ল একো একোখন হ'ম ছুইট হ'ম. . . অ' নবেশৰ, তইনো ক'ত সোমাই আছ অ' বোপাই। লেকুচাৰ মাৰি মোৰ ডিঙিটো যে এই ফাগুন মাহৰ দৰেই শুকাই কৰকৰীয়া মাৰিলে, চাহ একাপ খুৱানা...... .....।'

—সাপ্তাহিক নীলাচল, ২৪ মাৰ্চ, ১৯৭৬

জ্ঞানৰ ৰাজ্যত বিচিত্ৰ বিচৰণ

এক ৰবিবাৰ দুপৰীয়া। হাজৰিকাৰ ঘৰৰ খোৱা মেজৰ চাৰিখন চকীৰ ঠাইত আজি পাঁচখন হৈছে, কাৰণ আজি ৰাণীও আহিছে। ফলত ৰবিবাৰৰ দুপৰীয়াৰ খোৱা মেজৰ আড্ডা আজি ভালকৈয়ে গৰম হৈছে।

'ৰাণী, তোৰ বন্ধু কেইজনীক অহা ৰবিবাৰেই ভাত খাবলৈ মাতিম বলি ঠিক কৰিলোঁ। নহ'লে পৰীক্ষা ওচৰেই চাপিব, তেতিয়া আৰু ক'ত নিশ্চিন্ত মনেৰে শান্তিৰে ভাত মুঠি খাব পাৰিব। বৰ মৰম লগা ছোৱালী দেই তোৰ ক্লাছমেট কেইজনী। সেইদিনা মোক যে কি আদৰ যত্নই কৰিলে! তাকেই মই পেহাৰক কৈছোঁ বোলো ঘৰতহে মোৰ মোল বজোতা কোনো নাই, বাহিৰত সকলোৱে কিমান আতো-পুতো কৰে' ৰাণীৰ পাতত আঞ্জা অলপ ঢালি দি হাজৰিকানীয়ে ক'লে।

'তোমাৰ মোলনো আমি কেনেকৈ বুজিম। কথাতে আছে নহয় বোলে গাঁৱৰ সন্ন্যাসীয়ে ভিক্ষা নাপায়। পিছে ৰ'বা, তুমি যে ছোৱালী কেইজনীক অহা ৰবিবাৰে মাতিবলৈ অকলে অকলে সিদ্ধান্ত কৰি বহি আছা, খুৱাবা কি? জৰুৰী অৱস্থা বুলি ৰৌমাছৰ দাম নিৰ্দ্ধাৰিত কৰি দিলে দহ টকা, এতিয়াতো অৱস্থা পুণৰ মুষিক হ'ল, বাঢ়ি বাঢ়ি দাম আগৰ দৰেই কেজিত উনৈশ টকা বিশ টকা হ'ল! গতিকে অলপ বাট চোৱা, চৰকাৰে দিয়া প্ৰতিশ্ৰুতি মতে ৰাজস্থানৰ মাছ আহি আমাৰ বজাৰখন উভৈনদী হওক, তেতিয়া তুমি সেই সস্তাৰ মাছেৰে কালিয়া কৰিবা, কোপ্তা কৰিবা, চপ কৰিবা, কাটলেট কৰিবা, ফ্ৰাই কৰিবা—'

কবুলে দেউতাকৰ কথাত বাধা দি প্ৰায় চিঞৰি উঠিল 'দেউতা,

মাছৰ সুখাদ্যৰ লিষ্টখন বন্ধ কৰা, সেইবোৰ আমাৰ কল্পনাৰ সুখাদ্যৰ নাম শুনি থাকিলে মোৰ আৰু কুৰি মাছৰ এই টেঙা আঞ্জাখন পেটলৈ নাযাব !'

হাজৰিকাই মিচিককৈ হাঁহি মাৰি ক'লে —'ৰাজস্থানৰ পৰা মাছ আহি পালে সেইবোৰ আৰু আমাৰ কল্পনাৰ সুখাদ্য হৈ নাথাকিব অ' কবুল ! মাৰে আমাৰ কাৰণে ইমানবোৰ নকৰিলেও এদিন তেওঁক মুখৰ ওপৰত উঠোৱা ছোৱালী কেইজনীৰ বাবেতো কৰিব, তেতিয়া আমাৰো তুলসীৰ লগতে কলপটুৱাৰ মুক্তি হ'ব ।'

এইবাৰ হাজৰিকানীয়ে একপ্ৰকাৰ গৰ্জন কৰিয়েই উঠিছিল 'উস্, মানুহজন বুঢ়া হৈ আহিছে মানে খকুৱা হৈ আহিব ধৰিছে, মই এতিয়া তেওঁক চপ কাটলেট খুৱাবলৈ ৰাজস্থানৰ মাছলৈ বাট চাই থাকি ছোৱালী কেইজনীক ভাত খাবলৈ মাতিব নালাগে । কথাতেই আছে বোলে আহক বাৰিষা কাটক পাত, বৈ যা ভিনিহী খাই যা ভাত । ৰাজস্থানৰ মাছলৈ বাট চাবলৈ গ'লে ছোৱালী কেইজনীক যে এই জনমতেই ভাত খুউৱা নহব, মই লিখি দিব পাৰোঁ ।'

ৰাণীয়ে হাঁহি হাঁহি মাত লগালে 'পেহীৰ এই কথাটো কিন্তু ময়ো সমৰ্থন কৰিছোঁ । 'দৈনিক অসম'ৰ কাঁহুদীৰ বুঢ়াটোৰ অৱস্থা দেখা নাইনে ? ঘৈণীয়েকৰ নিৰ্দেশত বেচেৰাই বুঢ়া দুৰ্বল শৰীৰেৰেই নিতৌ ৰাজস্থানৰ মাছৰ আশাত বজাৰলৈ গৈ গৈ উভতি আহিব লগা হৈছে । গতিকে পেহী, ময়ো ডাকৰ (হয়নে ?) বচন এটা আওৰাই কওঁ যে ওচৰৰ পুঠি খলিহা, দূৰৈৰ বৌ-বৰালী । তুমি সুদূৰ ৰাজস্থানৰ মাছলৈ আশা নকৰি আমাৰ ইয়াৰ খাল-বিলৰ মাছেৰেই বন্ধু কেইজনীক ভাত খুউৱাৰ ব্যৱস্থা কৰা । অ' পেহা, হতাশ নহ'ব, দিন যোৱা নাই দিয়ক । মোক ভালে ভালে এম.এ., টো দি ল'বলৈ দিয়ক, পেহীয়ে তেতিয়া মৰমতে ভালকৈয়ে এসাজ নিশ্চয় খুৱাব, তেতিয়া মানে নিশ্চয় ৰাজস্থানৰ মাছো আহি পাব—কোৰ্মা, কালিয়া, চপ, কাটলেট, ফ্ৰাই, বইলড্—যিমান যি মন যায় হেঁপাহ

পলুৱাই খাব ।'

'হয়হে ৰাণী,, তোমাৰতো পৰীক্ষা আহি পালেই । ভাবিলে বেয়াই লাগে, তুমি ইয়াৰ পিছত গুৱাহাটী এৰি গুছি যাবা নহয় ! তুমি আমাৰ বাবে খবৰৰ খিৰিকী এখনৰ দৰেই আছিলা ।'

হাজৰিকাৰ কথা শেষ কৰিব নিদি গহীনাই মাত লগাই উঠিল- 'ৰাণীৰ দৰে চোকা ছোৱালী এজনীয়ে এম. এ পাছ কৰিয়েই পঢ়া শেষ কৰিব কিয় ? দৰ্কাৰ নাই ইমান সোনকালে পঢ়া-শুনা শেষ কৰি আৰু তাৰপিছত বিয়াবাৰু কৰি জীৱনৰ জঞ্জাল চপাই লোৱাৰ । ঐ ৰাণী, আমাক দেখি তোৰ নিশ্চয় সেই শিক্ষা হৈছে । যিমান দিনলৈকে পাৰি পঢ়াশুনা কৰি ল'ব লাগে, এই খিনিয়ে জীৱনৰ মুকলিমূৰীয়া সময় । ৰাণী, তই পাৰিলে ডাক্তৰ হ', বুজিছ । বৰুৱানীৰ ভনীয়েকো হ'ব ধৰিছে ।'

হাজৰিকাই ফিকৃকৈ হাঁহি দিলে—'আচল কথাটো একেবাৰে পিছতহে ক'লা । বৰুৱানীৰ ভনীয়েকে ডক্টৰেট ল'লে তোমাৰ ভতিজাই নোলোৱাকৈ থাকিলে তোমাৰ মানটোনো কেনেকৈ ৰয়, নহয় জানো ?'

কবুলেও আলোচনাত ভাগ লৈ ক'লে -'অ' ৰাণীবাইদেউ, তুমি যদি বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগৰ অনুদান লাভ কৰা প্ৰফেছৰ হ'ব খোজা তেতিয়াহলে হয় প্ৰথম শ্ৰেণী পাব লাগিব, নহ'লে ডক্টৰেট ল'ব লাগিব । কিন্তু আৰ্টছ বিষয়ত জানো প্ৰথম শ্ৰেণী পোৱা ইমান সহজ ?'

ৰাণীয়ে মিচিকিয়াই হাঁহি ক'লে---'মই এটা ডাক্তৰ হবৰে চেষ্টা চলাব লাগিব অ' কবুল । গতিকে মই ডক্টৰ হওঁ, বৰুৱানীৰ ভনীয়েক ডক্টৰ হওক, আৰু আন আন অনেক ডক্টৰ হওক, তাৰপিছত এদিন আমাৰ দেশখনো জাৰ্মানীৰ দৰে হৈ পৰিব ।'

'কিয় ৰাণী বাইদেউ ?' কবুলে কৌতূহলী হৈ সুধিলে । হাজৰিকায়ো সপ্ৰশ্ন চাৱণিৰে চাই ৰ'ল ।

'শুনিছো জাৰ্মানীত বোলে ডক্টৰৰ ইমান প্ৰাচুৰ্ভাৱ যে তাত

ওপৰলৈ শিলগুটি এটা মাৰি পঠিয়ালে হয় সি এটা কুকুৰৰ গাত পৰে, নহয় এজন ডক্টৰৰ গাত পৰে ।'

ৰুবুলে সজোৰে হাঁহিলে আৰু হাজৰিকায়ো তাত যোগ দিলে ।

ৰুবুলে তেতিয়া ক'লে—'ৰাণী বাইদেউ, আমাৰ ল'ৰাবোৰে কোৱাকুই কৰা কথা এটা কওঁ ৰ'বা । অৱশ্যে কথাটো শুনিলে তোমাৰ মনটো বেয়া লাগি যাব, কাৰণ এদিনতো তুমিও কষ্ট কৰি ডক্টৰ হ'বা অথচ মনত ভাবটো জাগি থাকিব যে তোমাকো মানুহে কিজানি তেনে ডক্টৰ বুলি ভাবে । কথাটো কি জানা ৰাণী বাইদেউ, আজিকালি বোলে বহুতে টকা দি আনৰ হতুৱাই থিছিচ লিখাই ডক্টৰেট পায় ।'

হাজৰিকাই আচৰিত হৈ কিবা ক'বলৈ মুখ মেলোতেই ৰাণীয়ে সহজভাবে ক'লে—'সেইবোৰ গল্প আমিও শুনিছো, সঁচা-মিছা নেজানো । এনে ধৰণৰ কত কথাইতো শুনি থকা যায় । তোমালোকে নাইনথ্ পেপাৰৰ গল্প শুনা নাইনে ? এম. এ. এম. এছ, চিত আঁঠখন পেপাৰ, গল্প আছে যে কিছুমান ছাত্ৰ-ছাত্ৰীয়ে প্ৰফেছৰসকলক নানা ধৰণে ভেল দি থাকে—আৰু সেয়ে হ'ল নাইনথ্ পেপাৰ । তোমাক যদি কোনো ধৰণৰ নৈতিকতাবোধে পীড়ণ নকৰে—তেন্তে তুমি আজিকালি জ্ঞান লাভো সহজে কৰিব পাৰিবা, জ্ঞান বিতৰনো সহজে কৰিব পাৰিবা । এই যে ছেমিনাৰবোৰ হয়, তাত হেনো আনে লিখি দিয়া প্ৰবন্ধকে বহুতে নিজে লিখি অনা বুলি পঢ়ে । আজিকালি সৰ্বভাৰতীয় সাহিত্য-সংস্কৃতিৰ আদান প্ৰদানৰ বাবে বিভিন্ন ৰাজ্যৰ বছা বছা কিতাপবোৰ অনুবাদ কৰোৱা হয় । অনুবাদক কেতবোৰে হেনো তাকো আনৰ হতুৱাই অনুবাদ কৰোৱাই পাৰিশ্ৰমিকৰ ভাগ-বাটোৱাৰা কৰে । আকৌ এই কথাও শুনিবলৈ পাওঁ যে সেই 'বছা বছা' কিতাপ বাছনিৰ ক্ষেত্ৰতো নানা দুনীতি চলে, ফলত কেতিয়াবা বেচি ভাল কিতাপ বাছনিত সুঠি কোনোবা 'বিশেষ লেখক'ৰ কম ভাল কিতাপহে সৰ্বভাৰতীয় অনুবাদৰ বাবে বাছনিত উঠি যায় । এনেকুৱা আৰু

কত দুর্নীতি যে শিক্ষা-সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰত চলি আছে ! বহুতো পৰীক্ষকে আনৰ হতুৱাই পৰীক্ষাৰ বহি পৰীক্ষা কৰে. ফলত ক'ত ছাত্ৰই বা সুবিচাৰৰ পৰা বঞ্চিত হয় !'

'ৰাণী বাইদেউ, আমাৰ নেতাসকলৰ বক্তৃতাও কোনোবাই লেখি দিয়ে নিশ্চয় ?' কবুলে আকৌ ক'লে, তাৰ মাতত বিদ্রুপৰ সুৰ— 'কাৰণ এবাৰ এখন মিটিঙত মই এজন নেতাক 'নিজে লিখি অনা' ছপা বক্তৃতা এটা পঢ়া শুনিছিলোঁ। সেই ছপা কাকতবোৰ বক্তৃতা আৰম্ভ হোৱাৰ আগতে দর্শকৰ মাজতো বিলাই দিয়া হৈছিল । কিন্তু তাত থকা পৃথিৱীৰ কেইজনমান টান নামৰ বিখ্যাত সাহিত্যিকৰ নাম এনেকৈ ঘেঁহাই ঘেঁহাই পঢ়িছিল যে সেই নামবোৰৰ লগত যেন তেওঁৰ সেই মাত্ৰহে সাক্ষাৎ ঘটিছে ।'

'ৰাজনৈতিক নেতাসকল ইমান ব্যস্ত যে তেওঁলোকৰ বক্তৃতা নিজে লেখাৰ সময় নেথাকে । গতিকে তেওঁলোকৰ 'ঘোষ্ট ৰাইটাৰ' থাকেই । কিন্তু তাৰ মানে এয়া নহয় যে দেশৰ নেতৃত্ব দিয়া একো একোজন মন্ত্রী বা এম. এল. এ ইমান জ্ঞানবুদ্ধি ৰহিত লোক হ'ব । পিছে শুনিছোঁ যে কোনো কোনো মৌলিক সাহিত্যকৰো 'ঘোষ্ট ৰাইটাৰ' থাকে, সেই প্ৰৱঞ্চনাও কম দুখৰ নহয় ।'

ইমান পৰৰ মূৰত হাজৰিকানীয়ে নিজৰ জ্ঞান জাহিৰ কৰাৰ সুযোগ এটা পালে 'প্লেনচেটৰ কথা ময়ো শুনিছোঁ, ৰাণী । এই মানুহবোৰে হবলা প্লেনচেটৰ সহায়ত প্ৰেতাত্মাবোৰ আনি সিহঁতৰ হতুৱাই লিখাই লয় ? শুনিছো প্লেনচেটৰ ভূতৰ কলম ৰেলগাড়ী চলাদি চলে, (অৱশ্যে ভূতৰ ক্ষমতাই বেলেগ), সেইবাবেই বোধহয় সিহঁতে নিমিষতে ইমান দীঘল বক্তৃতা, গল্প-প্ৰবন্ধ লেখি দিব পাৰে । পিছে সেই ভূতবোৰ লক্ষ্মীনাথ বেজবৰুৱাহঁতৰ দৰে ডাঙৰ লিখকৰ প্ৰেতাত্মা হ'ব লাগিব । আজি পিছে মই এটা বৰ ডাঙৰ কথা শুনিলোঁ ৰাণী ! কেতিয়াবানো কল্পনাও কৰিব পাৰিছিলোনে যে ভূতে কাৰোবাক লিখি দিয়ে ? সাংঘাতিক কথা দেই ! বীণামনিয়ে নিশ্চয় এইবোৰ

শুনি খুব ফুৰ্ত্তি পাইছ। তোমাৰ তো বহুত 'ঘোষ্ট কমিকছ' আছে নহয় জানো? জান ৰাণী, সেইবোৰ পালে যে তাই একেবাৰে খাৱন-শোৱন এৰে!'

'অ' সেই বৰিছ কাৰ্লফৰ কমিকছ্‌বোৰ নেকি ৰীণামণি?'

ৰীণামনিয়ে চকুমুখত উৎসাহ ফুটাই আগ্ৰহেৰে সুধিলে 'তুমি বৰিছ কাৰ্লফৰ কমিকছবোৰৰ কথা জানা নেকি ৰাণী বাইদেউ?

'নেজানিম নে আৰু! যি যুগৰ মাজত আছো, তাৰ হাৱা খাবই লাগিব। মই স্পাইডাৰ্ মেন, বেটছমেন্, স্পেছ ফেমিলি ৰবিনছন—সকলো কমিক্‌ছৰ কথাকে জানো। তোমাৰ সেইবোৰ আছে নে নাই?'

'মোৰ বেচি নাই, সুমিতাৰ কিন্তু ঢেৰ আছে, তাইৰ পৰা আনি আনি মই পঢ়ো! মা, এইবাৰ বৃত্তিৰ টকা পালে মই কিন্তু এগাল কমিক্‌ছ কিনিম।' ৰীণামনিয়ে আদৰণ লেনীয়া মাতেৰে কৈছিল।

ৰাণীয়ে অলপ হাঁহিলে।

'প্লেনচেটৰ ভুতৰ কথা নাজানো, কিন্তু পৃথিৱী বিখ্যাত গ্ৰন্থবোৰৰ লিখকৰ ভুত কিছুমান ওলাই সেই গ্ৰন্থবোৰৰ সংক্ষিপ্ত আৰু সচিত্ৰ 'ক্লাছিক্স'বোৰ উলিয়াইছে। আৰু এই কমিক্‌ছবোৰ তাৰ লিখকবোৰ কিন্তু সাধাৰণ ভুত নহয়, একেবাৰে সাংঘাতিক অপদেৱতা, অপসংস্কৃতিৰ সম্ৰাট। লৰাছোৱালীবোৰৰ মূৰবোৰে সেই ভুতবোৰ ভয়ানক ভাৱে চোবাইছে, গিলিছে। সেইবোৰ পঢ়ি পঢ়ি সিহঁতে এতিয়া কোনো-ধৰণৰ গভীৰতা থকা কিতাপকে পঢ়িব নোখোজে। অদ্ভুত আৰু অবাস্তৱ ৰাজ্যৰ কিতাপবোৰ কিন্তু সিহঁতে গোগ্ৰাসে গিলে। ইমান সহজতে ছবিৰ সহায়ত গল্প পঢ়িবলৈ পালে সিহঁতেনো কিয় কষ্ট কৰি দীঘলীয়া বৰ্ণনাবোৰ পঢ়িব। এইটোয়ে কেনেকৈ টেব্‌লেটৰ যুগ হৈ পৰিছে, ভাবি মই আচৰিত হৈ যাওঁ। শংকৰদেৱেও 'হাতী মাৰি ভুকফাত' ভৰাইছিল, ৰজাৰ আদেশত এবাৰ তেওঁ সেই কেৰামতালি দেখুৱাবলৈ বাধ্য হৈছিল। আমাৰ কিন্তু এতিয়া সকলো কথাই

তেনেকুৱা হ'ব ধৰিছে। আমাৰ ল'ৰাছোৱালীয়ে ইংৰাজী স্কুলত পঢ়িছে আৰু কমিক্‌ছ পঢ়িছে। নিজৰ ভাষা-সাহিত্যৰ কথাতো বাদেই যি ইংৰাজী ভাষাক মাতৃভাষাৰ দৰে জ্ঞান কৰে, সেই ইংৰাজী ভাষা-সাহিত্যৰ জ্ঞানো সিহঁতৰ নাই। আমাৰ হোষ্টেল চুপাৰৰ ছোৱালীজনী ছেন্ট মেৰিজ কনভেন্টৰ ক্লাছ এইটত পঢ়ে। সিহঁতৰ ইংৰাজী সাহিত্যৰ কিতাপখন সচাঁয়ে ভাল। পৃথিৱী বিখ্যাত ইংৰাজ লিখকসকলৰ বিখ্যাত গ্ৰন্থ একোখনৰ বাছকবনীয়া অংশ একোটাৰ সংগ্ৰহ তাত আছে। কিন্তু চুপাৰৰ ছোৱালীজনীৰ লগত মই কথা পাতি দেখিলোঁ তাই সেইবোৰ ভাটৌৰ দৰে পঢ়িছে। ট্ৰেজাৰ আইলেণ্ড, উইদাৰিং হাইটছ, লৰ্না ডুন আদিৰ সেই অংশবোৰ পঢ়িয়ে তাই সন্তুষ্ট হৈ আছে, মূল কিতাপবোৰ পঢ়াৰ কোনো আগ্ৰহ অনুভৱ কৰা নাই। অৱশ্যে ডাঙৰ কিতাপ পঢ়িবলৈ তাই এতিয়াও যথেষ্ট সৰু হৈ আছে, তথাপিও সকলো কথাৰে লক্ষণ থাকেতো, যি মূলা বাঢ়িব তাৰ দুপাততে চিন। এই ছোৱালীজনীয়ো মই দেখিলোঁ সেই মূল কিতাপবোৰৰ প্ৰতি কোনো আগ্ৰহেই নাই, অথচ তাই ক্লাছত প্ৰথম দ্বিতীয় হোৱা ছোৱালী, পৰীক্ষাত ভাল ফল কৰিবলৈকে তাই সেই সুন্দৰ সাহিত্য কৰ্মবোৰ যান্ত্ৰিক ভাবে পঢ়ে।'

এইবাৰ হাজৰিকাই মাত লগাই উঠিল 'কিন্তু ৰাণী, এই যে ক্লাছিক্সবোৰ উলিয়াইছে, সেইবোৰৰ পৰা বেচ ভাল হোৱা নাইনে? ছবিৰ সহায়ত ল'ৰা ছোৱালীবোৰে পৃথিৱী বিখ্যাত কিতাপবোৰ কিমান সহজতে পঢ়ি পেলাইছে। এনেয়ে হয়তো সেই কিতাপবোৰ সিহঁতে কেতিয়াও নপঢ়িলেহেঁতেন। কমিক্‌ছবোৰৰ সপক্ষে অৱশ্যে মোৰ ক'ব লগীয়া একো নাই।'

ৰাণীয়ে ক'লে— 'অতপৰনো মই কি কৈ আছোঁ পেহা? টেবলেট গিলি বিদ্যাৰ্ণৱ হৈ বহি আছে আজিৰ ল'ৰা-ছোৱালী। কিমান সহজতে যে জ্ঞান লাভ কৰিছে! ইলাষ্ট্ৰেটেড ক্লাছিক্সবোৰৰ শেষত লেখা থাকে—এতিয়া তুমি মূল কিতাপখন পঢ়িবা। গল্পৰ বসটো

পোৱাৰ পিছত মূল কিতাপখননো আৰু কোনে পঢ়ে পেহা? ৰীণামনিয়ে কেতিয়াবা পঢ়িব? কবুলে পঢ়িব? সিহঁতে যে গল্পটো পঢ়িলে, তাতেই সিহঁত সন্তুষ্ট। মূল কিতাপখনৰ আচল সৌন্দৰ্য- তাৰ বৰ্ণনাভংগী, ভাষা, চৰিত্ৰচিত্ৰন, বুদ্ধিদীপ্ত কথোপকথন আদি সকলোবোৰ এই ল'ৰা-ছোৱালীবোৰৰ জ্ঞানৰ বাহিৰত থাকি যায়—'

'ৰাণী, তুমি আজি মোৰ মনটো বৰ উিষ্টাৰ্ব কৰি দিলাহে!'

'আপোনাৰ দৰে যদি মই আৰু বহুতো অভিভাৱকক এনেকৈ ডিষ্টাৰ্ব কৰিব পাৰিলোহেঁতেন, পেহা!

ইতিমধ্যে নৰেশ্বৰে মেজৰ পৰা কাঁহী বাটিবোৰ নিবলৈ আহিছিল। সি এতিয়া ৰাণীৰ ফালে চাই আনন্দৰ হাঁহি এটা মাৰি ক'লে—'অ' ৰাণী বাইদেউ, আপুনি ডাক্তৰ হ'ব বুলি শুনি মোৰ যে ইমান ফূৰ্তি লাগিছে! আমাৰ মাই বহুত দিন ধৰি ভুগি আছে, মই ইয়াত চাৰহঁতৰ ঘৰত কাম কৰি পোৱা পইছা কেইটাৰে মাৰ দৰৱ জাতি কিনোতেই গৈছে যিহে দৰৱৰ দাম—তথাপিও যদি ভাল পালেহেঁতেন! আচলতে ভাল ডাক্তৰ আমাৰ গাঁৱত নাইয়েই। যি দুই এজন ডাক্তৰ আছে, তেওঁলোকৰ যিহে পইচাৰ খকৃ, আমাৰ দৰে দুখীয়া মানুহেনো তেনে ডাক্তৰৰ বুকুত কিমান পইছা ঢালি থাকিম? মই আজিৰ পৰা ভগবানক দিন ৰাতি মাটি থাকিম, আপুনি এজন ডাঙৰ ডাক্তৰ হৈ পাছ কৰি উঠক, তাৰ পিছত মোৰ মাৰ অসুখটো ভাল কৰি দিয়ক।'

—সাপ্তাহিক নীলাচল, ১৮ এপ্ৰিল, ১৯৭৬ চন

নৰেশ্বৰ, বিহু আৰু বিহু

গাঁৱৰ পৰা উভতি অহাৰ লগে লগে নৰেশ্বৰে মুখখন এপাচি কৰি হাজৰিকানীক গোচৰ দিলে 'বাইদেউ, মোক ভাল চহৰীয়া বিহু খাবলৈ এৰি থৈ গৈছিল, বিহু নেখাই মই যেনিবা বিহুতে খালোঁ। আমাৰ গাঁৱৰ বিহুৱেই ভাল আছিল।'

'গাঁৱৰ বিহু একো ভাল নহয় ৰ, মই দেখি আহিলো। নহয়। পিছে তোৰ কি হ'ল? আমাৰ ইয়াৰ বিহু কিনো বেয়া পালি?'

'বিহু ভাল বেয়া পাবলৈ মই চালোনে কিমান? প্ৰথমৰ দিনা বাতিয়েই যি চাবলৈ গ'লো—পিছদিনা ছাৰে মি চৰ শোধালে ৰাবপিছত আৰু ক'ত বিহু চাম। অথচ বিহু চোৱাৰ আশা দিয়ে মোক আপুনি ফুচুলাই থৈ গৈ গাঁৱলৈ এইবাৰ বিহুৰ সময়ত যাবলৈ নিদিলে।'

'তোক চৰ সোধালে কিয় এওঁ? দয়াৰ অৱতাৰৰ কি হ'ল? আমি দেখোন এষাৰ গালি পাৰিলেও কত কথা শুনায় বোলে মাইকী-মানুহবোৰৰ ঘৰত চাকৰ-নাকৰ বেচিদিন নাথাকে, আমি হেনো তইঁতক কেটেৰা-ভেঙেৰাই কৰি থাকোঁ! পিছে নিজৰ বেলিকা একো? মই এসপ্তাহ ঘৰত নাথাকোঁতেই তোৰ গাত হাত তুলিব লগা হ'লনে? তোক মই ডুবছৰ বাৰো, এদিনলৈকে, গাত হাত তুলিছোঁনে? আমাৰ—।'

হাজৰিকাই ঘৈণীয়েকৰ কথাৰ মাজতে বাধা দি বিব্ৰত ভাবে ক'লে—'ৰ'বাচোন ৰ'বা, তুমি এই বদমাইচটোৰ কথা শুনিলেইতো নচলিব, মোৰোতো কথা শুনা! ই বিহুনলীয়া হ'ল বুলি ইমানেই বলীয়া হ'ব লাগেনে যে গোটেই ৰাতি বিহু চাব? ফলত ৰাতিপুৱা সোনকালে উঠিব নোৱাৰিলে আৰু গাখীৰ নেপালে। আগদিনা ৰাতিবো বোলে এটোপাও গাখীৰ নাছিল—আচলতে বোধহয় গৰম

কৰি নোখোৱাৰ ফলত ফাটি থাকিল। গতিকে বহাগৰ বিহুৰ দিনাই, নতুন বছৰটোৰ প্ৰথম দিনাই ফিকা চাহ একাপেৰেহে নতুন বছৰক স্বাগতম জনাব লগা হ'ল। অথচ সেইদিনা ৰাতিপুৱা ভাল একাপ কড়া চাহৰ যে কি দৰ্কাৰ অনুভৱ কৰিছিলোঁ! কাৰণ বিহুৱে নৰেশ্বৰক যিদৰে বলিয়া কৰিছিল, মোকো কৰিছিল। পাৰ্থক্য কেৱল এইখিনিতেই যে সি হ'ল ফূৰ্তিত বলিয়া আৰু মই হ'লো খঙত বলিয়া। ৰাতি এটা ঢুটা বজালে ফাঁচন কৰিব পাৰেনে বাৰু? তাতে লগাই দিছে মস্ত মস্ত মাইকবোৰ, কৰিছে থিয়েটাৰ, আমাৰ আৰু টোপনি আহে ক'ৰ পৰা? গানচান দিলেও যেনতেন, কিন্তু নাই, ভীমৰ বচন আওৰোৱাদি সকলোৱে টেটুফালি চিঞৰিছে—মহন্তৰ চিন মাহনিৰ দৰে যেন চিঞৰাতে ভাল অভিনেতাৰ চিন। ইফালে চাৰিও-ফালে যে বিৰাট শক্তিশালী মাইকবোৰ লগাই থোৱা আছে তাৰ বোধহয় গমকেই নাই। ফলত পাঁচদিন জুৰি মাজনিশালৈকে চিঞৰ-বাখৰ কুলস্থূলত মোৰ চকুত টোপনিয়ে নাই। সিয়ো মেজাজ গৰম কৰি ৰাখিলে!'

হাজৰিকানীৰ মুখত এইবাৰ এটা তীক্ষ্ণ ব্যংগৰ হাঁহি ফুটি ওলাল—'ৰ'ব, নৰেশ্বৰে বাৰু বিহু চাবলৈ গৈ টোপনি ক্ষতি কৰি গাখীৰ আনিব নোৱাৰিলে। কিন্তু বিহু চাবলৈ নগৈ ঘৰত শুই থাকিলে তাৰ জানো টোপনি আহিলহেঁতেন? যি ভীমৰ বচনবোৰ শুনি শুনি ৰাতি আপোনাৰ টোপনি অহা নাছিল, সেই একে বচনবোৰ শুনি নৰেশ্বৰৰ কেনেকৈ টোপনি আহিলহেঁতেন?'

পেহাক পেহীয়েকৰ খকাখুন্দাখন লগাৰ এই সময়তে ৰাণীও হোষ্টেলৰ পৰা আহি ওচৰতে থিয় হৈছিলহি। এতিয়া হাজৰিকানীৰ যুক্তিপূৰ্ণ প্ৰশ্নত ৰাণীয়ে মিচিককৈ হাঁহি এটা মাৰি হাজৰিকাক ক'লে- 'পেহা, পেহীৰ এই প্ৰশ্নৰ উত্তৰ দিয়া আপোনাৰ অলপ মস্কিল হ'ব যেন পাইছোঁ।

হাজৰিকাই সহজভাবে কব'ৰ চেষ্টা কৰিলে 'কিহৰ মস্কিল হ'ব?

তোমাৰ পেহীয়েৰাই দেখোন নৰেশ্বৰক দিন ৰাতি বকিয়ে থাকে যে সি টোপনিত কুম্ভকৰ্ণকো ছেৰ পেলাব পাৰে? কুম্ভকৰ্ণক জগাবলৈ বাৱণে কি কি উপায় অবলম্বন কৰিছিল ৰামায়নততো পঢ়িছাই। গতিকে কুম্ভকৰ্ণতকৈও যাৰ টোপনি গধুৰ, তাক মহাভাৰতৰ ভীমে বচন কিয়, হাজাৰ গদাৰ আস্ফালনেৰেও জানো টোপনি ভাঙিব পাৰিলেহেঁতেন? মহাভাৰত-ৰামায়ণ একোৱে স্পৰ্শ কৰিব নোৱাৰা এই হেন কলিৰ টোপনিবীৰক বিহুৰ নাটকে কি টোপনি ক্ষতি কৰাব পাৰিবহে ৰাণী?'

হাজৰিকাই নিজ বাক্যবিস্তাৰৰ ক্ষমতাত তৃপ্ত হৈ ৰাণীৰ ফালে চাই গৰ্বৰ হাঁহি এটা মাৰিলে।

কিন্তু হাজৰিকানীও সহজে ধৰাশায়ী হোৱা ভকত নহয়. তেওঁ কণ্ঠত আগতকৈও তীক্ষ্ণ ব্যংগৰ চোক লগাই ক'লে—'ৰাণী, তই যে কিবা কথাত আমি সৰুকালত শিকা ত্ৰৈৰাশিক অংকৰ উদাহৰণ দিছিলি এদিন, সেই অংকটো এই ক্ষেত্ৰত কৰচোন। মইতো নৰেশ্বৰক দিন ৰাতি হকে বিহকে বকিয়ে থাকোঁ। কিন্তু মই নৰেশ্বৰক ছুবছৰ চলালেঁ। —ইয়াৰ মাজত এদিন তাৰ গাত হাত তোলা নাই। আৰু পেহাৰে এসপ্তাহ তাক চলাওঁতেই সি চৰ খাব লগা হ'ল। এতিয়া এই অংকটো কৰ —এসপ্তাহত এটা চৰ খাব লগা হ'লে ছুবছৰত কেইটা চৰ খাবলগীয়া হ'লহেঁতেন?

ৰাণীয়ে হাঁহি হাঁহি পেহাকৰ পিনে চাই ক'লে 'পেহা, আজি পেহীক আপুনি আৰু একোপধ্যেই বলে নোৱাৰে। গতিকে ইমানতে পৃষ্ঠভংগ দিয়াটোৱে ভাল হ'ব। আৰু আজি মই পেহীৰেই কলীয়া, মোৰ লগৰ কৰী নামৰ ছোৱালী এজনীয়েও এনেকুৱা গল্প এটা কৈ হঁহুৱাইছিল। কৰীৰ ককায়েকে বোলে মাকক কৈ থাকে যে তেওঁ এটা কাৰণতে মাকৰ লগত নেথাকি বেলেগে থাকিব—আৰু সেই কাৰণটো হ'ল মাকৰ চাকৰ-বাকৰৰ প্ৰতি অতি নিষ্ঠুৰ আৰু নীচ ব্যৱহাৰ। তাৰপিছত কৰীহঁতৰ মাক বিয়া দিয়া জীয়েকৰ ঘৰত এমাহ

গৈ থাকি আহিব লগা হ'ল। কবীৰ ককায়েকে বোলে মাক যোৱাৰ লগে লগে ঘোষণা কৰি দিলে—মাকৰ অবৰ্তমানৰ দিন কেইটা তেওঁ নিজেই কাম কৰা ল'ৰা-ছোৱালী দুটাক চলাব, সিহঁতে ইমান দিনে বঞ্চিত হৈ থকা মানৱতাৰ স্পৰ্শ দিব। পিছে এমাহ কিয়, তিনিটা দিনেই ভালকৈ পাব হ'বলৈ নাপালে, সিহঁত দুটাই কবীৰ ককায়েকৰ 'মানৱতা'ৰ চৰ, ভুকু, গোৰ, কাণটিপাৰ স্পৰ্শ ভালকৈয়ে পাই থাকিল।'

সমস্বৰ হাঁহিত সাময়িক মেঘ কাটি বতৰ ফৰকাল হ'ল।

'পিছে পেহী, তুমি এইবাৰ গাঁৱৰ বিহু কেনে' দেখিলা? বহুত দিনৰ মূৰত গাঁৱৰ বিহু দেখিলা নহয়?'

'গাঁৱৰ বিহু আৰু কি চাবি অ' ৰাণী, আগৰ জকাটোহে আছে। ভাল হুঁচৰি দলবোৰৰ মন আৰু এতিয়া গাঁৱত নাই, চহৰৰ বিহুতলীলৈ আহি কেনেকৈ নাম কৰিব পাৰে, কেনেকৈ দুপইচা কৰিব পাৰে, সকলো তাৰে ধাণ্ডাতহে থাকে। গাঁৱৰ বুঢ়ামেথাই কয় বোলে বিহুটো এতিয়া কিবা ব্যৱসায়ৰ দৰে লগা হ'ল। আগে মানুহে বিহু কৰিছিল মনৰ আনন্দৰ বাবে, এতিয়া বিহু কৰা হ'ল নাম-যশৰ বাবে, টকা পইছাৰ বাবে।'

ৰাণীৰ কথামতে পৃষ্ঠভংগ নিদিয়া হাজৰিকাই মাত লগালে—'মই কিন্তু এইটো কথাত তেওঁলোকৰ লগত একমত নহওঁ। গাঁৱত যদি প্ৰতিভা আছে বণৰীয়া ফুলৰ দৰে সি তাতেই নিঃশেষ হৈ যাব। কিন্তু চহৰলৈ অহাৰ পিছত অন্ততঃ তেওঁলোকৰ সেই প্ৰতিভাই কিছু স্বীকৃতি পায়।'

গিৰিয়েকৰ কথালৈ কান নিদি হাজৰিকানীয়ে ৰাণীক সুধিলে—'তোৰ পিছে বিহু চোৱা হ'ল নে নাই ৰাণী?'

ৰাণীয়ে বিৰস মুখেৰে ক'লে—'এদিন দুদিন গৈছিলোঁ। চাবলৈ, পিছে সেই একে ধৰণৰ নাচগানবোৰকেনো আৰু কিমান চাই থাকিবা। আচলতে অলপ বৈচিত্ৰ্য আনিবৰ হৈছে। বিহুৰ প্ৰগ্ৰেম-বোৰ বৰ গতানুগতিক হৈ পৰিছে।'

'অ' মই তেন্তে খুব মিছ্ কৰা নাই ৰাণী'—হাজৰিকানীয়ে অলপ উৎফুল্ল হৈ ক'লে ।'

'নাই কৰা দিয়া'—হাজৰিকাই আকৌ মাত লগাই উঠিছিল—'মইতো জানো গাঁৱৰ বিহু চাবলৈ গ'লেও তোমাৰ মনটো পৰি আছিল চহৰৰ এই বিহুতলীতে । নতুন একো ভাল প্ৰগ্ৰেম নাই হোৱা বুলি শুনি তোমাৰ মনটো একেবাৰে শাঁত পৰি গ'ল নহয় ?'

হাজৰিকানীয়ে গিৰিয়েকক চকু পকাই ধৰিলে—'আপুনি মোক নৰেশ্বৰৰ দৰেই বিহুৰ বিহ নিদিব দেই । এনে অকৃতজ্ঞ মানুহ আৰু ভূভাৰস্তত আছেনে ৰাণী ?' চহৰৰ বিহু এৰি গাঁৱৰ বিহ-বিহু খাবলৈ মইনো কিয় গৈছিলোঁ ? আপোনাৰে বৃদ্ধ ককায়েক-বৌয়েকক সেৱা কৰিবলৈকে নহয় জানো ?'

'ৰ'বা ৰ'বা পেহী, বিহুৰ বিহ ময়ো অলপ খালোঁ । মোৰ গল্পটো শুনাচোন—' ৰাণীয়ে অপ্ৰীতিকৰ পৰিবেশটো ঢাকিবলৈ লৰা-লৰিকৈ ক'লে—'মোৰ এটা কথাত জানা বৰ বেয়া লাগে যে আমাৰ দেশত যোগ্যজনে কেতিয়াও যথাযোগ্য সমাদৰ নাপায় । বিহুতলীৰ ভিতৰলৈ নগৈ ৰাস্তাতে বৈ থাকোঁতে আমাৰ লগত পঢ়া গৰিমাক পালোঁ । তাইৰ দেউতাক এজন মহা পণ্ডিত মানুহ । তেখেতক আৰু চহৰৰ আন দুজন গন্যমান্য মানুহক আগদিনা সেই বিহুতলীত সন্মান প্ৰদৰ্শন কৰা হৈছে । মই গৰিমাক দেখি সেই কথা উলিয়ালোঁ । কিন্তু গৰিমাই অকনো আনন্দ প্ৰকাশ নকৰি মুখখন ক'লাহে কৰিলে । ক'লে বোলে বিহুতলীলৈ গৈ তেওঁ সন্মানিত হোৱাতকৈ অসন্মানিতহে বেচিকৈ হ'ল । দেউতাকহঁতক সম্বৰ্দ্ধনা জনোৱাৰ পিছত তেখেতসকলে সমুখৰ দৰ্শকৰ আহন গ্ৰহণ কৰাৰ পিছত কেইজনমান ৰাজনৈতিক নেতা বিহুতলীত দেখা দিবলৈ আহিল । তেতিয়া হেনো উদ্যোক্তাসকলৰ যি খদমদম লাগিল-চাবলগীয়া । নেতাসকলক চৰ্বত, তামোল, স্মৃতিগ্ৰন্থৰ যোগান ধৰিয়ে তেওঁলোকে ভত নেপায় । পাৰিলে যেন সেই সম্বৰ্দ্ধনা জনাবলৈ জনা নিমন্ত্ৰিত বুদ্ধিজীৱী কেইজনকে আগশাৰিৰ আসনৰ পৰা উঠাই

তাত নেতাকেইজনক বছৰাব। স্মৃতিগ্ৰন্থ, তামোল ছালিৰে যে পূজনীয় লোক কেইজনকো অভাৰ্থনা কৰিব লাগে—সেই ভাবটো বোধহয় তেওঁলোকৰ মনলৈয়ে নাহিল। গৰিমাই ক'লে যে দেউতাকে ঘৰলৈ উভতি আহি যেতিয়া খেদ কৰি গোটেই ঘটনাটো বৰ্ণালে—তেতিয়া তায়ে দেউতাকক সান্ত্বনা দি ক'লে যে 'ৰাজন্ পূজ্যতে দেশে, বিদ্বান পূজ্যতে সৰ্বত্ৰ।' দেউতাকৰ মৌলিক গৱেষণাই বাহিৰতো কেনেকৈ সন্মান লাভ কৰিছে তাক উল্লেখ কৰিও সান্ত্বনা দিবৰ চেষ্টা কৰিলে।'

কোনোবাই কিবা কোৱাৰ আগতে নৱেশ্বৰেই হাঁহি হাঁহি মাত লগালে—'অ' বাইদেউ, এইবাৰ তোমে বিস্তত আমাৰ দৰে সৰু সৰু মানুহবোৰৰে দুখ হোৱা নাই, বৰ বৰ মানুহবো দুখ হৈছে? মই তেন্তে চৰ খোৱাৰ দুখটো ৰাণী বাইদেউৰ কথা শুনাৰ পিছত একেবাৰে পাহৰি পেলাব পাৰোঁ?'

— মে, ১৯৭৬, সাপ্তাহিক নীলাচল

শিল্পী দিৱসৰ তিতা-মিঠা

বকুৱানী আহি তাগিদা দিবলৈ ধৰিলে 'হেৰি হাজৰিকানী, আপুনি এতিয়াও ওলোৱাই নাই ? সৰ্বনাশ, খৰধৰ নকৰিলে হলত সোমাবলৈ পাম বুলি ভাবিছে নেকি ? কলিকতা, বোম্বাইৰ আৰ্টিষ্ট আহিব, ধেমালি কথা নেকি ? কতই চাগে' আৰু আগৰে, পৰা বহি আছে ! ওলাওক, ওলাওক, পাঁচ মিনিটৰ ভিতৰতে ওলাওক।

হাজৰিকানীয়ে বিৰস মুখেৰে ক'লে 'বোম্বাইৰে আহক বা সৰগৰে আহক, য'ৰেই আৰ্টিষ্ট নাহক, সেই বুলিলো এঘণ্টা দুঘণ্টা আগৰে পৰা গৈ বোন্দাপৰ দি থাকিব পাৰিমনে ? এতিয়া পাঁচটাই বজা নাই, ফাংছনতো ছটাৰ পৰাহে আৰম্ভ হোৱাৰ কথা। আকৌ তাকো জানো টাইম্‌লি আৰম্ভ হ'ব ? হেৰি বকুৱানী, আপুনি ভাগ্যৱতী সোনকালে ঘৰৰ পৰা ওলাই আহিব পাৰে, কাৰণ বকুৱা মামুহজনে আপোনাৰ সুখ দুখৰ কথা বুজে, ঘৰ সংসাৰৰ কথা বুজে। আমাৰ এখেতে যদি তাৰ এশ ভাগৰ এভাগো বুজিলেহেঁতেন ! নৱেশ্বৰটোকো এটা কামৰ বাবে বুজাওঁতে মোৰ এঘণ্টা পৰ লাগে। আজি তাতে তাৰ মূৰ আছে গৰম হৈ। তাকো শিল্পী দিৱসৰ ফাংছন চাবলৈ যাব লাগে। কলিকতা-বোম্বাইৰ 'ফিলিম্ ষ্টাৰ'ক চাবলৈ নেপাব বুলি সি পুৱাৰে পৰা মুখখন এপাছি কৰি ৰাখিছে। আজি কাক শ্ৰদ্ধা জনাবলৈ কোনে কি পাতিছে সেইবোৰ তাক কিয় লাগে---তাক লাগে কেৱল 'ফিলিম্ ষ্টাৰ' চাবলৈ !'

বাৰাণ্ডাৰ এচুকত বহি 'অসমবাণী' খন পঢ়ি থকা হাজৰিকাই সেইখনকে ঢালৰ দৰে আক্ৰমণ প্ৰতিহত কৰাৰ আহিলা হিচাবে লৈ তাৰ আঁৰৰ পৰাই মন্তব্য দি উঠিল—'আজিৰ ফাংছনটো এঘণ্টা আগতে যোৱাৰ তোমালোকৰো জানো সেইটোৱে প্ৰধান উদ্দেশ্য নহয় ?'

হাজৰিকানীৰ অবধাৰিত গৰ্জনটোৰ আগতেই বৰুৱানীয়ে হাঁহি মুখে মাত লগাই উঠিল—'মিছা মাতিলেনো কি হ'ব? আমাৰ সকলোৰে প্ৰধান উদ্দেশ্যতো সেইটোৱেই। আৰু আমিতো সাধাৰণ মানুহ, আমাৰ ওচৰৰ শইকীয়াহঁত সমাজৰ নামজ্বলা মানুহ, শইকীয়া-শইকীয়ানী দেখোন মোৰ অলপ আগতেই ৰবীন্দ্ৰভৱনলৈ ওলাই গ'ল। তেওঁলোকৰনো ইমান আগৰ পৰা খাপ দিয়াৰ কি দৰ্কাৰ? আগৰ শাৰীত বহি ভালকৈ ফিল্ম ষ্টাৰক চাব পোৱাৰ সুবিধাৰ বাবেই নহয় জানো?'

'তেওঁলোক যে তালৈকে গ'ল আপুনিনো জানিলে কেনেকৈ?' হাজৰিকানীয়ে সুধিলে।

'তেওঁলোকৰ পাকঘৰ আৰু আমাৰ পাকঘৰ গাতে লগালগি। মই পাকঘৰত থাকোঁতে শইকীয়ানীয়ে লগুৱাটোক কোৱা শুনিছিলোঁ যে তেওঁলোকো তালৈ যাব, আহোঁতে ৰাতি হ'ব, ভাত পানী যেন সিলাহে লাহে ৰান্ধি থাকে।'

হাজৰিকানীয়ে আলোৱানখন গাত ভালকৈ মেৰিয়াই লৈ মুখত এখন তামোল সুমুৱাই বৰুৱানীকো এখন দি গিৰিয়েকক ক'লে—'শুনিলেই নহয় ফাংছনটো শেষ হওঁতে ৰাতি হ'ব, আপুনি বীণামনিহঁতৰ লগত একেলগে খাই ল'ব। মোৰ ভাত কেইটা মই আহি গৰম কৰি খাম।'

পিছে হাজৰিকানী আহি পাওঁতে খুব বেচি পলম নহ'ল, দহটাহে বাজিল। তথাপি জাৰকালিৰ ৰাতি বুলি কবুল, বীণামনিহঁত শুই পৰিছিল।

কাপোৰ-কানি সলাই হাজৰিকানীয়ে ভাত খাবলৈ ওলাই গম পালে যে হাজৰিকায়ো তেতিয়ালৈ ভাত খোৱা নাই।

'আপুনি ভাত খোৱাই নাই? মই দেখোন মোলৈ ৰ'বলৈ আপোনাক মানা কৰি গৈছিলোঁ?'

'মানা কৰিতো গৈছিলাই, পিছে ফাংছনৰ কথাবোৰ শুনিবলৈ মন থকাত তোমাৰ বাবে বাটকে চালোঁ। কথাতে কয় বোলে আপেন

অৰ্দ্ধং ভোজনং, গতিকে শ্ৰবণেন অৰ্দ্ধং দৰ্শনংনো কিয় নহ'ব ?'

'ফিল্মষ্টাৰ চোৱাৰ হেঁপাহ দেখিছোঁ আমাৰেই নাই, সেই বিষয়ে কাঢ়িঃ মাৰি কথা কোৱা বোৰেও ইমানেই বেচি হেঁপাহ যে তাৰ বাবে ভাৰৰ দিনৰ মাজৰাতিলৈকো নেখাই নবৈ বোম্ভাপৰ দি বহি থকা হয় ।'

হাজৰিকাই হাঁহি মুখেৰেই ক'লে 'পিছে ভাল ঠাইত বহিবলৈ পালানে নাই ?'

'একেবাৰে আগত নহ'লেও একেবাৰে পিছতো বহিব লগা নহ'ল । উস্, মানুহৰ কম চখ নহয় দেই । প্ৰথমৰ শাৰিবোৰত বহা মানুহবোৰ নিশ্চয় কম আগতে বহি থকা নাই গৈ !'

'মানুহ বহুত হৈছিল নেকি ?'

'সেই কথা আৰু ক'ব লাগিছেনে ? আহিনৰ সময়ত দেখিলেঁ। নহয়, ৰাস্তাতো মানুহ বৈ আছে ।'

'কি কি আইটেম্ হ'ল, কি দেখিলা, কি শুনিলা—ভাত খোৱাৰ মাজে মাজে অলপ বৰ্ণাই যাবাচোন. তাৰ ফলত ভাত কেইটাৰ সোৱাদো অলপ বাঢ়ি যাব ।'

'হ'ল বহুত কিবা কিবিয়ে । মুখ্যমন্ত্ৰীয়ে ভাষণ দিলে, আন, কিবা বিষয়ৰ (মই ভালকৈ শুনি নেপালোঁ।) মন্ত্ৰীয়েও ভাষণ দিলে—

'ও, সাংস্কৃতিক দপ্তৰৰ মন্ত্ৰী দিয়া । আৰু কোনে কোনে ভাষণ দিলেনো ?'

'ফিল্মষ্টাৰ দুজন আহিছিল, এজন মতা, এজনী মাইকী ; মতাজনে ভাষণ দিলে আৰু জ্যোতিপ্ৰসাদৰ বিষয়ে ইমানবোৰ কথা ক'লে যে আমি শুনি অবাক হৈ গ'লো !'

'বহুতো ভাষণ শুনিলা দেখোনহে ? আমনি লগা নাছিল ?'

'এইখিনিয়েই বহুত হ'ল নে ? আৰু এজন সাহিত্যিকেও বক্তৃতা দিলে, তেওঁতো সকলোতকৈ বেচি সময় ক'লে ।'

'কি নাম তেওঁৰ ?'

'এঃ, কি জানো নামটো ক'লে, পাহৰিয়ে গ'লো নহয় । কালিৰ

কাগজত পাব দিয়ক। তেওঁ পিছে কথা কেইটা খুব ভাল ক'লে দেই। হিন্দী চিনেমা চোৱাৰ বিৰুদ্ধে বহুত কিবাকিবি ক'লে। জ্যোতিপ্ৰসাদৰ বিষয়ে বোলে ভূপেন হাজৰিকাই কৰা ভাল চিনেমা এখন চলি থকাতো বোলে তাত প্ৰায় মানুহেই নাই. ওচৰতে আন এখন চিনেমাহলত চলা 'শোলে'ৰ টিকেটৰ বাবে ইফালে বোলে মাৰামাৰিয়ে লাগিছে-- অ' ৰ'ব, মোক কিন্তু আপুনি এইকেইদিনৰ ভিতৰতে 'শোলে' খন চাবলৈ নিব লাগিব দেই। বকুৰানীয়ে এবাৰতো চালেই, আৰু এবাৰ চোৱাৰ মন আছে বোলে।'

'তুমি দেখোন তেন্তে বকুৰানীৰ লগতে চাব পাৰা, মোৰ লগ কিয় লাগে ?'

'মই বকুৰানীৰ লগত নাচাওঁ, আপোনাৰ লগতেই চাম। দিন দিন আপুনি মানুহটো অকালতে বুঢ়া হৈ যাবলৈ ধৰিছে। অলপো ফুৰ্তি তামছা নোহোৱা হৈছে। আৰু গুৱাহাটীত আপোনাৰ-মোৰ বাহিৰে 'শোলে' নোচোৱা মানুহ বোধহয় আন কোনোৱেই নাই।'

'বাৰু চাম দিয়া। এতিয়া 'শোলে'ৰ কথা বাদ দি ফাংছনৰ কথালৈ আহা--'

'শোলেৰ কথা বাদ দিব নোৱাৰি নহয়. ফাংছনৰ কথাও শোলেৰ কথাও আহিব।'

'এ হয় নেকি ? তুমি নামটো পাহৰা সাহিত্যিক জনে 'শোলে'ৰ কথা আৰু বহুত কিবাকিবি ক'লে নেকি ?'

'নাই নাই. তেওঁ সেই বেজাৰখিনি কৰি উঠাৰ পিছত জ্যোতি-প্ৰসাদৰ বিষয়েহে বহুত কিবাকিবি ক'লে।'

'কি কি ক'লে ?'

'কি কি ক'লে মোৰ মনত নাই দেই। মোৰ স্মৃতি শক্তি ইমান চোকা নহয়, চোকা হোৱা হ'লে ময়ো আজি এম.এ. বি.এ. ডাক্তৰ হৈ চাকৰি কৰি সমাজৰ এজন ভব্য-গব্য হৈ দপদপাই থাকিলোহেঁতেন, এনেকুৱা ফাংছন আদিত ময়ো মানুহৰ আগেৰে বুকু

কিয়নো তাই অহা যোৱা কৰি থাকিলোহেঁতেন, নবেশ্বৰৰ লগত মুখ মাৰি মাৰি আপোনাৰ সংসাৰত গেবাৰী খাটি থাকি জীৱনটো ধ্বংস কৰি নেপেলালোহেঁতেন ।'

'আঃ, তুমি যে ক'ৰ কথাৰ পৰা কলৈ যোৱা ! পিছে সাহিত্যি-কৰ ভাষণৰ পিছত নাচ গান কিবা হৈ ভাষণে শুকান কৰি পেলোৱা তোমালোকৰ মনবোৰত শান্তি পানী ঢালিলে নে নাই ?'

'নাচ গান নহ'ব কেলেই ? নাচ নহলেও গান ইমান বেচি হ'ল যে শান্তি পানীয়ে আমাক তিয়াই জুকলা জুপুৰা কৰি পেলালে ।' হাজৰিকানীয়েও গিৰিয়েকৰ লগত উজান দি ৰগৰ কৰিবৰ চেষ্টা কৰি হাঁহি হাঁহি ক'লে ।

'মই ইমান পৰে তোমাৰ কথাবোৰ শুনাৰ পিছত ইয়াকেই বুজিলোঁ যে আজি ফাংছনটোত ভাষণ আৰু গানৰ মাত্ৰাধিক্য ঘটিল আৰু ফিল্মষ্টাৰক দেখিবলৈ নোপোৱা হ'লে তোমালোকৰ সন্ধিয়াটো অথলে গ'লহেঁতেন !'

'আপুনি আটাইবোৰ কথা শেষলৈ ধৈৰ্য ধৰি নুশুনাকৈ ফচ্ কৰে মন্তব্য এটা দি দিলে নহয় ? শুনিবলৈ ধৈৰ্যই যদি নাই শুনিব খোজেনো কিয় ?'

'অ' আৰু কিবা আছিল নেকি ? তুমিয়ে দেখোন ক'লা যে নাচ নহ'লে গান বহুত আছিল ?'

'আঃ, কথাবোৰ বুজিকে নেপায় নে বুজিবকে নোখোজে ? মই নাচ কমকৈ থকাৰ কথাহে বুজাইছিলোঁ ! নাচৰ কথালৈ আহিম ব'ৰ, আপুনি যে কয় মধুৰেণ সমাপয়েৎ, ময়ো শেষ কৰিম নাচৰ মধুৰ কথাৰেই, কাৰণ ফাংছনটোও শেষ হৈছিল এটা নাচেৰেই । আজি বৰ ভাল লাগিল এজনী সৰু ছোৱালীৰ আবৃত্তিহে ; আবৃত্তি নকৰি তাই যেনিবা অকলে অকলে এখন নাটকহে কৰিলে । মোৰ যে বীণামনিলৈ বৰকৈ মনত পৰিছিল । সৰু ল'ৰা-ছোৱালীৰ ফাংছন নহয় বুলিহে তাইক নিনিলো । আবৃত্তিটো চাই তাই বৰ ভাল পালে-

হৈছেন। কালি শুনিলে তাইৰতো খঙেই উঠিব। সদায় আপত্তি কৰে বোলে সকলো চিনেমা থিয়েটাৰ, নাচ-গান, ফাংছন ডাঙৰ মানুহৰ বাবেহে হয়, সৰু ল'ৰা-ছোৱালীবোৰৰ বাবে কিন্তু একো নহয়।'

'ৰীণামনিৰ এই বেজাৰটো কিন্তু একেবাৰে সঁচা। আমাৰ দেশত সঁচাকৈয়ে সৰু ল'ৰা-ছোৱালীৰ আমোদ-প্ৰমোদৰ বাবে কোনো বাৰস্থাই নাই, বিশেষকৈ অসম দেশত। এইটোৱে আচলতে কিমান বেয়া কথা, কিমান ডাঙৰ কথা। আমাৰ মানুহবোৰেহে কিয় এই কথাটোলৈ চিন্তা নকৰে, অকণো মন কাণ নকৰে

হাজৰিকানীয়ে ভাত খাই উঠি ঠামোলৰ বটাখন আগত লৈ বহি-ছিল, এতিয়া গিৰিয়েকৰ কথাত ভেকাহি মাৰি উঠিল 'আমাৰ মানুহৰ স্বভাৱ হ'ল নিজে একো নকৰি কেবল আনে কৰিব বুলি আশা কৰি হাত সাবটি বহি থকা আৰু আনক সমালোচনা কৰা'

হাজৰিকাই মিচিকিয়াই হাঁহি ক'লে 'তুমি মাজে মাজে একো-ষাৰ বৰ দামী কথা কৈ দিয়াহে। আমি তাহানি বি.এ. ক্লাছত পঢ়া হেমলেট নামৰ নাটকখনত পল'নিয়াছ নামৰ মানুহ এজন আছিল। তেঁৱো তোমাৰ দৰেকৈ হঠাৎ হঠাৎ একো একোষাৰ অতি সাৰুৱা কথা কয়। অ' পিছে ঠামোলখনৰ লগতে তোমাৰ মধুৰেণ সমাপয়েৎ কৰা, ভাত কেইটা খাই উঠি বৰ জাৰ লাগিছে, লেপৰ তলত সোমাওঁগৈ।'

'নাচৰ কথাতো? নাচ আছিল দুটা তিনিটামান। তাৰোপৰি এটা নাচক বকৰানীৰ সিফালে বহা গহীন স্বভাৱৰ তিৰোতা এজনীয়ে বান্দৰ নাচ বুলি কোৱা শুনিছিলোঁ।'

'বান্দৰ নাচ? কিয় হে?'

'এজন চুলি দীঘল ল'ৰাই 'খোলে'ৰেই মেহবুবা মেহবুবা গানটো নাচি বাগি চিঞৰি গাইছিল বাবেই তেনেকৈ কৈছিল হবলা। গান বা নাচ যিয়েই নহওক, সেইটো কিন্তু বৰ জমিছিল দেই।'

'তুমিনো কি কোৱাহে? আজিৰ ফাংছনটোত খোলেৰ গান গালে? আৰম্ভনীতে সাহিত্যিকজনে তেনেকৈ ভাষণ দিয়াৰ পিছতো?'

'মইনো তেনেহলে আপোনাক অলপ আগতে কি বুলি ক'লো? বোলে আজিৰ ফাংছনত 'খোলে' আৰু আহি আছে। মধুৰেণ সমাপয়েৎতো এতিয়ালৈকে হোৱাই নাই।'

'তাৰ মানে?'

'তাৰ মানে হ'ল এয়ে যে ফিল্মষ্টাৰ্ জনীয়ে বিশেষ কিবা এটা দেখুৱাব বুলি বাৰে বাৰে মাইকত ঘোষণা কৰি আছিল। আমি সকলোবোৰ উদগ্রীব হৈ বাট চাই আছিলোঁ। তাৰপাছত ফাংছনৰ শেষ আইটেমটো হ'ল সেইটোৱে—'খোলে'ৰেই এটা নাচ। বক্তানীয়ে ক'লে বোলে সেই নাচটো হেমামালিনীয়ে ভগা কাঁচৰ টুকুৰাৰ ওপৰত নাচিছিল. ভৰি কাটি একেবাৰে তেজ ওলাই গৈছিল।'

'কি কোৱাহে তুমি? অসমৰ এই মহান শিল্পীজনক এনেকৈহে শ্রদ্ধাঞ্জলি জনোৱা হ'ল নেকি? গোটেই ফাংছনটোৱেই দেখোন তিক্তেন সমাপয়েৎ হৈ গ'ল!'

মেজৰ পৰা কাঁহীবাতিবোৰ নিবলৈ অহা নবেশ্বৰে এইবাৰ মাত লগাই উঠিল—'অ' বাইদেউ, আজিতো মোক ফিলিমষ্টাৰৰ ফাংছনটো চাবলৈ যাব নিদিলেই, কালি কিন্তু 'খোলে'খন চাবলৈ যাব দিব লাগিব!'

—সাপ্তাহিক নীলাচল, ২৫ ফেব্রুৱাৰী, ১৯৭৬ চন

অপাংক্তেয় শ্বহীদলৈ শ্ৰদ্ধাঞ্জলি

"শ্বহীদসকলক মাত্ৰ মই ক'ব খোজোঁ,
তাইহঁত আমাৰ সংগ্ৰাম চলিবই
...   .
আৰু আমাৰ প্ৰতিটো হৃদয়ত
সহস্ৰগুণিত হৈ উৰিব তোমালোকৰ তেজেৰে বোলোৱা পতাকা
চিৰ বসন্তৰ প্ৰাণচঞ্চল কিশলয়ৰ দৰে।"

পাবলো নেৰুদা

কিছুদিনৰ আগতে ৰাতিপুৱাৰ কৰ্মব্যস্ত সময়ত বাহিৰত কাৰোবাৰ আগমনৰ সংকেতসূচক ধ্বনি শুনি মুখত বিৰক্তিৰ স্পষ্টভাব লৈ ওলাই গৈছিলোঁ আৰু অলপপাচতে সেই বিৰক্তিৰ ভাব পৰ্যবসিত হৈছিল অসীম দুখ আৰু কৰুণাত। বাহিৰত মোক লগ ধৰিবলৈ বৈ আছিল এজন ডেকা ল'ৰা, মুখত আৰু ডিঙিত আঘাতৰ চিন। মোৰ পৰিচিত সেই ডেকাজনে তেতিয়া জনালে যে তেওঁক আগদিনা বাটত ধৰি কেইজনমান 'দুৰ্বৃত্ত'ই মাৰিলে। অপৰাধ? নাই, অপৰাধ কি সিতো নাজানে, পকেটত টকাপয়চা থকাটোও তাৰ অপৰাধ নহয় যে সেই 'দুৰ্বৃত্ত'সকলে ডকাইতি কৰিবলৈকে তাক মাৰিছে। কাৰণ তাৰ পকেটততো কোনেও হাত দিয়া নাছিল। গতিকে তাৰ ধাৰণা হৈছে— কোনো এক বাওঁপন্থীদলৰ সমৰ্থক হোৱাটোৱে তাৰ অপৰাধ, গতিকে অসমৰ 'অহিংস' আন্দোলনৰ বিভ্ৰান্ত কোনো সমৰ্থকেই মহাত্মা গান্ধীৰ ভাবমূৰ্তিক পুনৰ কলুষিত কৰি তাৰ ওপৰত এই হিংস্ৰ আক্ৰমণ চলালে। গতিকে কোনোৰকমে পলাই সাৰিব পাৰিলে বুলিহে ৰক্ষা, নহ'লে অসমৰ বহুতো অপাংক্তেয় শ্বহীদৰ লগতে তাৰো স্থান হ'লহেঁতেন অৰ্থাৎ এই সেউজী সুৰনী প্ৰিয় অসমভূমিৰপৰা সি চিৰবিদায় ল'ব-

লগা হ'লহেঁতেন।

দুখৰ মাজতো ধেমালি কৰা মোৰ আধুনিক ছুৰ্মুখৰ এটা স্বভাৱ। গতিকে সিদিনাও মই ধেমেলীয়া সুৰতে ক'লোঁ—"ইয়াত অপাংক্তেয় শহীদ হ'লেও স্বৰ্গত তোমাৰ দুখ নহ'লহেঁতেন দিয়া, তাত গৈ দেখিলাহেঁতেন যে তাত তোমাৰ আন সতীৰ্থসকলক আগতে দুবাহু-মেলি আকোঁৱালি লোৱাৰদৰে তোমাকো আকোঁৱালি ল'বলৈ ৰৈ আছে পৰম শহীদ স্বয়ং মহাত্মা গান্ধী। কিয়, তুমি স্কুলত পঢ়োঁতে লে হাণ্টৰ (Leigh Hunt) কবিতা 'আবু বেন্ আধেম্'টো পঢ়া নাছিলা জানো? আবুৱে টোপনিৰ পৰা মাজৰাতি সাৰপাই দেখে—গাৰপৰা স্বৰ্গীয় পোহৰ বিচ্ছুৰিত কৰি এক দেবদূতে কিবা এখন তালিকা প্ৰস্তুত কৰি আছে। আবুবেন্ আধেমৰ প্ৰশ্নৰ উত্তৰত দেবদূতে যেতিয়া ক'লে যে তেওঁ ভগবানক ভালপোৱা লোকসকলৰ নামৰ তালিকা এখনত নামভৰ্তি কৰি আছে তেতিয়া আবুৱে নম্ৰভাৱে ক'লে যে তেওঁৰ নামটো যেন ভগবান নহয়, মানুহক ভাল পোৱা এজন সাধাৰণ লোক হিচাপেহে ভৰোৱা হয়। দেবদূতে সেই অনুৰোধ ৰক্ষা কৰিয়ে আবু বেন্ আধেমৰ নামটো সুমুৱাই থৈছিল। পিছদিনা সেই পূৰ্ণ প্ৰস্তুত তালিকাখন লৈ স্বৰ্গীয় সুষমামণ্ডিত দেবদূতজন গভীৰ ৰাতি আকৌ আবুৰ ওচৰলৈ আহিল আৰু হাতৰ তালিকাখন আবুক দেখুৱালে। আবুৱে কি দেখিলে? অতি আচৰিত হৈ দেখিলে যে যিবোৰ মানুহে নিজকে ভগবানক ভাল পোৱা বুলি ঘোষণা কৰিছিল, সেই মানুহবোৰৰ প্ৰথমতে থকা নামটো হ'ল কেৱল মানুহক ভাল পোৱা বুলি ঘোষণা কৰা স্বয়ং আবু বেন্ আধেমৰ।

মোৰ ধেমালিৰ পাতল সুৰ ক্ৰমে আঁতৰি গৈছিল, প্ৰকৃত হৈ অহা ল'ৰাটোৰ ক্ষতচিহ্নই মোক ক্ৰমে উত্তেজিত কৰি তুলিছিল আৰু উত্তেজনাই সদায় মোৰ মুখৰ দুৱাৰখন বহলকৈ খুলি দিয়েঃ।

"বুজিছা, এই গল্পৰ পৰিণতিৰ দৰেই তোমালোকৰদৰে অপাংক্তেয় শহীদবোৰকেই স্বৰ্গধামত মহাত্মা গান্ধীয়ে সৰ্বপ্ৰথম আন্তৰিকতা আৰু

পৰম কৰুণাৰে আঁকোৱালি ল'ব। অস্কাৰ ৱাইল্ডৰ 'হেপি প্ৰিন্স'ৰ গল্প পঢ়িছা? সেই 'সুখী ৰাজকুমাৰ'ৰ চহৰত থকা মূৰ্তিটোৱে জনগণৰ গভীৰ দুখ-দাৰিদ্ৰ্যত ওৰে নিশাটো চকুলো পেলায়; মোৰ কোনো সন্দেহ নাই যে অসমত থকা মহাত্মা গান্ধীৰ মূৰ্তিবোৰেও অসমৰ 'অহিংস' আন্দোলনত নানা ধৰণে বলি হোৱা আন্দোলন সমৰ্থন কৰি বা নকৰি নীৰিহ মানুহবোৰৰ বাবে ওৰে নিশাটো চকুলো পেলাই নিজৰ প্ৰস্তৰৰ শৰীৰটো ধুৱাই থাকে। কিন্তু হাজাৰ ভয় প্ৰদৰ্শনতো নিজৰ নীতি আৰু বিশ্বাসত অবিচল থাকি যিসকল মুষ্টিমেয় লোকে অগনন জনতাৰ ভ্ৰান্ত মতৰ বিৰুদ্ধাচৰণ কৰি নানা নৃশংস অত্যাচাৰৰ বলি হ'ল, প্ৰাণ হেৰুৱালে, যি অসমৰ গৰিষ্ঠ সংখ্যক লোকৰ মাজত 'Unwept and unsung' হৈ ৰ'ল – অৰ্থাৎ যাৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি অসমৰ বাতৰি কাকতবোৰত বিবৃতি নোলাল, ৰাজহুৱা-ভাৱে যাক শ্বহীদ বুলি ঘোষণা কৰা নহ'ল, যাৰ ছবি উলিয়াই এচামে বিক্ৰি কৰি নিজৰ ধনভঁৰালৰ বৃদ্ধি নকৰিলে, যাৰ ৰাজহুৱা শ্ৰাদ্ধ কৰা নহ'ল বা শোকসন্তপ্ত পৰিয়ালবোৰক সান্ত্বনাবাণী শুনোৱা নহ'ল বা কোনো আৰ্থিক অনুদান আগবঢ়োৱা নহ'ল– সেই অপাংক্তেয় শ্বহীদসকলৰ একো একোজনক স্বৰ্গই আকোঁৱালি ল'বৰ পৰত কিন্তু মৰ্ত্তত থকা মহাত্মা গান্ধীৰ মূৰ্তিবোৰৰ এটোপাল চকুলো কোনোবাই সান্ত্বনা আৰু আশ্বাসৰ বাণীৰে মচি দিয়াৰ দৰে হৈ যায়, তেওঁৰ সেই পাথৰৰ হিয়াৰ বিশাল-ক্ষতত অলপ সান্ত্বনাৰ প্ৰলেপ পৰাৰ দৰে হৈ যায়। বুজিছা, তোমা-লোকৰ দুখৰ আৰু ভয়ৰ কোনো কাৰণ নাই, আমি মুষ্টিমেয় হ'লেও তোমালোকৰ লগত আছোঁ: সংখ্যাগৰিষ্ঠতাই সদায়ে শক্তিধাৰণ কৰে বুলি দাবী কৰিব নোৱাৰে। সোঁতৰ লগত বা গড্ডলিকা প্ৰবাহত উটি গ'লেই মানুহ নিশ্চিত নিৰ্ভাবনা পূৰ্ণ হ'ব নোৱাৰে। গড্ডালিকা প্ৰবাহৰ গল্পটো নাজানা জানো? ছাগলীয়ে নেতৃত্ব দি ভেড়াবোৰক পৰিচালিত কৰি লৈ গৈছিল; শেষত পথভ্ৰান্ত ছাগলীটো গৈ যেতিয়া পানীত পৰিল, অনুগামী ভেড়াবোৰেও নিজৰ বিচাৰ বিবেচনা প্ৰয়োগ কৰিব

নাজানি এটা এটাকৈ গৈ আটাইবোৰ পানীত পৰি মৰিল। অৱশ্যে সঠিক পথ বিচাৰি বাট বুলাটো বৰ কঠিন কৰ্ম আমাৰ সৰল সহজ দেশক ভালপোৱা জনগণ বৰ্তমান এক অন্ধকাৰৰ মাজত আছে, নিজৰ স্বাৰ্থত মগ্নীয়া হৈ থাকি তেওঁলোকক নেতাসকলে সঠিক পথৰ সন্ধান দিয়া নাই। নিজে সঠিক পথ বিচাৰি লোৱাটোও বৰ কঠিন। ৬৩০ খৃষ্টাব্দতে মোৰ নামধাৰী অন্ত্যজন তুৰ্মুখেও ধৰ্মকীৰ্তিক সুধিছিল— "আচাৰ্য্য, এই অন্ধকাৰৰপৰা উদ্ধাৰ পোৱাৰ পথ বিচাৰি পাইছেনে?" ধৰ্মকীৰ্তিয়ে এক বাস্তৱসম্মত উত্তৰ দিছিল.

"পথ? সকলো ৰোগৰে মহৌষধ আছে, সকলো বিপদৰপৰা উদ্ধাৰ পোৱাৰ পথো থাকে। কিন্তু এই অন্ধকাৰ ৰাতিৰপৰা উদ্ধাৰ পাব পৰা পথ একেদিনাই নিৰ্মাণ কৰিব নোৱাৰি, বন্ধু এই পথ নিৰ্মানকাৰীৰ সংখ্যা অতি কম আৰু অন্ধকাৰৰ দুৰ্ভেদ্যতাও বৰ প্ৰবল।"

পিছে সুখৰ কথা যে সেই সপ্তম শতিকাৰ তুৰ্মুখ আৰু ধৰ্মকীৰ্তিৰ সময় আগবাঢ়ি আহি আজি কুৰি শতিকাৰ যি কাল পাইছেহি তাত পথ নিৰ্মাণকাৰীৰ সংখ্যা যথেষ্টগুণে বৃদ্ধি পাইছে, গতিকে তেওঁলোকে অতীতৰ অন্ধকাৰাচ্ছন্ন পথ ভালেখিনি আলোকিত কৰিব পাৰিছে, এতিয়া আমাৰ এই অপাংক্তেয় শ্বহীদসকল আগবাঢ়িছে সেই পোহৰৰ পথেৰেই ; আমাৰ সন্দেহ নাই বাকী পথভ্ৰান্ত অথচ শুভবুদ্ধিসম্পন্ন লোকসকলো এদিন চিৰাচৰিত গড্ডলিকা প্ৰবাহ ত্যাগ কৰি থৈ সঠিক লক্ষ্যত উপনীত হ'বলৈ এই পোহৰৰ পথেই ল'বহি।

গতিকে সকলো ক্ষুদ্ৰ তুচ্ছ ভয় ত্যাগ কৰি নিজৰ আদৰ্শত অবিচল থাকি যিসকল বীৰ শ্বহীদ অসম আন্দোলনৰ এক বিশেষ হিংস্ৰতাৰ বলি হ'ল, যাৰবাবে অসমৰ এক বৃহৎ সংখ্যক জনসাধাৰণেই চকুলো মুটুকিলে সেইসকল অমৰ শ্বহীদলৈ শ্ৰদ্ধাঞ্জলি যাচি, তেওঁলোকলৈ কেইটোপালমান চকুলো পেলাই আমি শেষত পথভ্ৰান্ত জনগণৰ বাবেও কাৰ্ডিনেল নিউমেনৰ এই অমৰ পংক্তিকেইটাৰে আমাৰ অন্তৰভৰা শুভ কামনাৰ প্ৰাৰ্থনা সংগীত গাওঁ আহা : "Lead kindly light, amid the encircling gloom/The night is dark and I am far from home........."

—সাপ্তাহিক সাঁচিপাত, ১৪ অক্টোবৰ, ১৯৮০

অপৰূপ ! অপৰূপ !

অসমৰ বাহিৰলৈ অধ্যয়ন কৰিবলৈ যোৱাৰ কালছোৱাত আমি বন্ধবোৰত ঘৰলৈ অহাৰ সময়ত ট্ৰেইনখন অসম সোমোৱাৰ লগে লগে সৰ্ব দেহ-মনেৰে অনুভৱ কৰিছিলোঁ যে, আমি পুনৰ সুজলা-সুফলা শস্য-শ্যামলা অসমী আইৰ মুখ দৰ্শন কৰিলোঁ। তাৰপাছত আমাৰ আটাইৰে সেই অনুভূতিবোৰ বাঙ্ময় হৈ উঠে, আমি আটায়ে উচ্ছ্বসিত হৈ ক'বলৈ ধৰোঁ যে, অসমত যে সোমাইছোঁ সেইকথা কোনো ৰেল ষ্টেচনৰ ছাইন্ ব'ৰ্ডে আমাক জনাব নালাগে, আমি অসমৰ গছ-গছনি, পৰ্বত-পাহাৰ, নদী-জান-জুৰি দেখিয়েই আমাৰ ৰাজ্যৰ ভৌগোলিক অস্তিত্ব শৰীৰৰ শিৰা-উপশিৰাত অনুভৱ কৰোঁ। অপৰূপ আমাৰ এই অসম ৰাজ্য, যাৰ বিষয়ে সঁচায়ে ক'ব পাৰি- 'চাই লওঁ এবাৰ, মুখখনি তোমাৰ, হেঁপাহ মোৰ পলোৱা নাই।'

এতিয়া অসমত বাৰিষাৰ বতৰ। কিছুদিন আগতে মাত্ৰ জাতিষ্কাৰ হৈ ফুলিথকা, কৃষ্ণচূড়া, ৰাধাচূড়া, এজাৰ আৰু সোণাৰুৰ ৰঙা, গুলপীয়া, আৰু হালধীয়া ফুলৰ পাহিবোৰ সৰি পৰাত এক ৰঙীন ফুলৰ মেলাৰ সপোনপুৰী চকুৰ আগত বিলীন হৈ গ'লেও কিন্তু ৰূপৰ অন্ত নোহোৱা অসমী আইৰ সৰ্বাংগতে বৰ্তমান স্নিগ্ধ আৰু অপৰূপ সেউজী ৰঙৰ প্ৰলেপ যি সেউজী বৰণ ইমান গভীৰ যে, তাক বৰ্ণাব পাৰি কবি কীটছৰ নাইটিংগেল কবিতাৰ 'Green Darkness' অৰ লগতহে। পিছে নাইটিংগেলৰ অপৰূপ সৌন্দৰ্যৰ ৰাজ্যত কল্পনাত বিচৰণ কৰি থকাৰ পাছত কবি কীটছ এবাৰ মোহভংগ হৈ চমকি উঠি পুনৰ কঠোৰ বাস্তৱৰ ৰাজ্যলৈ ঘূৰি অহাৰ দৰে মইয়ো যেন তেনেকৈ উচপ খাই উঠি কঠোৰ বাস্তৱলৈ উভতি আহোঁ, মোৰ চকুৰ অসমী আইৰ সেউজী ৰূপৰ মোহাঞ্জন মচ খাই গৈ দুখুনী আইৰ ক্ৰন্দসী মুখৰ ছবি এখনিহে ভাঁহি

উঠে। এৰা, অকল ৰূপে কি কৰিব? অসমী আইৰ সেই ৰূপ বহুতৰ লগতে আমি নিজ সন্তানবোৰেও কেনেকৈ যে নিষ্ঠুৰ-নিৰ্বিকাৰতাৰে ধ্বংস কৰি গৈছোঁ!

বাৰিষাৰ গছে-পাতে নতুন শোভা লাভ কৰিছে হয়—আনহাতে এই বাৰিষাৰ বানপানীৰ ধ্বংসলীলাই অসমৰ গৰিষ্ঠসংখ্যক ভূখীয়া ৰাইজক, খেতিয়ক ৰাইজক- যি খেতিয়কৰ অন্নেৰে পৰিপুষ্ট হৈ আছোঁ আমি সংখ্যালঘু চহৰীয়া ৰাইজ—কি অবৰ্ণনীয় দুঃখ-কষ্ট যন্ত্ৰণা দাৰিদ্ৰ্যত নিপতিত কৰিছে, সেইকথা আমি কেইজনে চহৰত বহি গভীৰভাৱে ভাবি চাওঁ বাক? অসমৰ বানপানী এটা চিৰকাল চলি অহা ঘটনা—এনে এক উপকৰা মন্তব্যৰে আমি সান্ত্বনা লভিলেই নচলিব। বান-পানীৰ ধ্বংসলীলা দিনে দিনে বাঢ়ি অহা নাইনে? কিন্তু কিয়? 'ব্ৰহ্মপুত্ৰ বানপানী নিয়ন্ত্ৰণ বিভাগ'ৰ দৰে ইমান বৃহৎ, ইমান ব্যয়বহুল বিভাগ এটা থকাৰ ফলতো কিয় বানপানীৰ ধ্বংসলীলা কমক ছাৰি বাঢ়ি আছে, কিয় ব্ৰহ্মপুত্ৰৰ বাম বুকু দ কৰি খান্দিবলৈ অনা ড্ৰেজাৰৰ বিষয়ে নানা দুৰ্নীতিৰ কাহিনী শুনিবলৈ পাওঁ, কিয় মথাউৰি, বান্ধবোৰ দুৰ্নীতি কৰি মজবুত নকৰি সেইবোৰৰ বাবে ধাৰ্য কৰা টকাৰ এক বৃহৎ অংশই বিভাগীয় বিষয়া আৰু ঠিকাদাৰৰ পকেটলৈ যায় বুলি শুনিবলৈ পাওঁ, কিয় বন বিষয়াসকলে জধেমধে গছ কাটিবলৈ অনুমতি দি এক বৃজন পৰিমাণৰ ধন পকেটস্থ কৰি বানপানীৰ প্ৰকোপ অসমত ক্ৰমে বঢ়াই আনিছে? কাৰণ, এইকথা কোন শিক্ষিত লোকে নাজানে যে গছ-গছনি বানপানীৰ এক ডাঙৰ প্ৰতিৰোধক? তাৰপাছত আহক বানপানীৰ বিলিফৰ কথালৈ। মাদাৰ টেৰেছাই মেলকলম্ মাগাৰিজক দিয়া এক সাক্ষাৎকাৰত এবাৰ দুঃখ প্ৰকাশ কৰিছিল যে, পশ্চিমৰ বহুতো দেশৰ অকণিহঁতে নিজৰ পকেট খৰছ ৰাহি কৰি ভাৰতৰ দৰিদ্ৰ অকণিহঁতলৈ গাখীৰ, দৰব, কাপোৰ আদি পঠিওৱাৰ বন্দবস্ত কৰে। কিন্তু দুৰ্নীতিৰ দেশ ভাৰতত সচৰাচৰ তাৰ বহুতো অংশই মাজৰ মানুহৰ পেটলৈ যায়—যি মানুহৰ খোৱা-লোৱাৰ কোনো আকাল

নাই। বানপানীৰ বিলিফৰ সময়তো এনে ঘটনাৰে পুনৰাবৃত্তি শুনা যায়। ভাবিলে বেদনাত স্তব্ধ হৈ যাব লাগে যে, বানপানীত আপোনজনক ধৰি ঘৰ-বাৰী, গৰু-মহ, সা-সম্পত্তি, পথাৰৰ শস্য সকলো হেৰুৱাই সৰ্বস্বান্ত হোৱা মানুহৰ মুখৰ গৰাহৰ ছান কাঢ়িবলৈ আমি এনে শিলাময় হিয়াৰ অধিকাৰী হ'ব পাৰোঁ !

অপৰূপ দেশ ! ইয়াঁয় আমাৰ সোণবৰণী সেউজী বৰণী অসমী আই। বৰ্ত্তমান আমাৰ মাজত এক নৱজাগৰণ হৈছে, আমি অসমীয়া-সকল নিজ অস্তিত্বৰক্ষাৰ বাবে তৎপৰ হৈ উঠিছোঁ। যদি সেয়ে হয়, এনে এক শুভক্ষণত আমাৰ অসমক প্ৰকৃত অৰ্থতে সকলোপিনে অপৰূপ কৰি তোলাৰ সংকল্প লওঁ আহঁক ! আমি যেতিয়ালৈকে নিজৰ ব্যক্তিগত ক্ষুদ্ৰ স্বাৰ্থক জলাঞ্জলি দি অসমৰ বৃহৎ স্বাৰ্থলৈ লক্ষ্য ৰাখি সকলো দিশতে বিকশিত কৰি তুলিবৰ চেষ্টা নকৰোঁ, তেতিয়ালৈকে আমাৰ আইৰ প্ৰতি প্ৰেম সঁচা বুলি প্ৰমাণ কৰিব নোৱাৰিম। আমি প্ৰত্যেকেই যদি নিজ কৰ্ত্তব্যত নিষ্ঠাৰে, ঐকান্তিকভাৱে, সাধুভাৱে, মগজৰ সৰ্বশক্তি প্ৰয়োগেৰে কৰি যাওঁ, তেন্তে নিশ্চয় আমাৰ এই অসম ৰাজ্যক কেৱল বাহ্যিক সৌন্দৰ্যৰেই নহয়—অৰ্থনৈতিক আৰু বৌদ্ধিক দিশতো অপৰূপ কৰি তুলিবলৈ সক্ষম হ'ম। সিদিনা বাতৰি কাকতত পঢ়িলোঁ যে, বৰ্তমান মহাৰাষ্ট্ৰই এনেদৰে বিকাশ লাভ কৰিছে যে, সি এতিয়া অৰ্থনৈতিক সমৃদ্ধিত পাঞ্জাবৰ পাছতে ভাৰতত দ্বিতীয় সৰ্ব্বশ্ৰেষ্ঠ ৰাজ্য বুলি পৰিগণিত হৈছে। ভাৰতৰ অন্যতম শ্ৰেষ্ঠ ৰাজ্য হ'বলৈ অসমৰ সকলো প্ৰয়োজনীয় কেঁচামাল আছে, প্ৰয়োজন কেৱল আমি অসমীয়াসকলৰ প্ৰাণপন চেষ্টাৰ।

অপৰূপ, ২০ আষাঢ়, ১৯৮০

"দিনৌ এটাকৈ ভাল কবিতা পঢ়িবা……"

একেবাৰে বাল্যকালত যেতিয়া নাস্তিক নাছিলোঁ তেতিয়া ৰাতি শুবৰ পৰত সদায় ভগবানক প্ৰাৰ্থনা কৰিছিলো— হে ভগবান, মই যেন এজনী ভাল ছোৱালী হৈ চলিব পাৰোঁ! ৰাতিপুৱাও সংকল্প লওঁ দিনটো ভাল হৈ চলাৰ। তেনে অৱস্থাত যেতিয়া পঢ়িব পৰা হৈ পাঠ্যপুথিৰ কবিতাত এই শাৰি কেইটা পঢ়িলো— "শৰতৰ জোনৰ দৰে ভাৱবোৰ কৰা প্ৰভু, অতি শুভ্ৰ সুকোমল—" তেতিয়া ৰাতি শোৱাৰ আগতে সেই কবিতাটোৱে হ'ল মোৰ শয্যাৰ প্ৰাৰ্থনাসংগী। তাৰ পিছত অলপ অলপ বঙালী পঢ়িব পৰা হ'লো, ইংৰাজী পঢ়িব পৰা হ'লো আৰু ফলত মোৰ প্ৰাৰ্থনাৰ সাহিত্যৰ ভঁৰাল আৰু টনকিয়াল হৈ আহিল। পঢ়িলো গ্যেটেৰ বাণী—"With malice towards none", পঢ়িলো বঙালী পদ্য—"সকালে উঠিয়া আমি মনে মনে বলি/সাৰাদিন আমি যেন ভালো হয়ে চলি"

সৰু কালছোৱাত ভাল হৈ চলাৰ সংকল্প কিছুপৰিমানে অটুট ৰাখিলেও ডাঙৰ হৈ আৰু সেই সংকল্প ৰাখিব পৰা নাই। জানোঁ, মোৰ এই কনফেছন্ শুনি আস্তিকসকলে এক দানবীয় তৃপ্তিৰে তৎক্ষণাত কৈ উঠিব—"কেনেকৈ ভাল হৈ চলিবা, অবিশ্বাসী মানুহৰ পাপ হ'বই, ভগবান নমনা মানুহে এদিন মৃত্যুৰ পিছত বোঁ বোঁ নৰকত ভুগি মৰিবই লাগিব—" (নৰকৰ প্ৰসংগত মোৰ বন্ধু প্ৰীতি বৰুৱালৈ মনত পৰিছে, তেওঁ হেনো সৰুতে নৰকৰ ভয়াবহ আৰু বিচিত্ৰ শাস্তি সম্বলিত চিত্ৰ এখন দেখি ৰাতি শুবৰ সময়ত ভগবানক প্ৰাৰ্থনা কৰিছিল—'হে প্ৰভু, মোক ডাঙৰ হ'লে যেন সাহিত্যিক কৰি দিয়া!' তেওঁ মোক বুজাইছিল যে বৰ ভাল ভাল কিতাপ লেখা মানুহবোৰ বৰ ভাল হয় আৰু নৰকলৈ যাব নালাগে এই ধাৰণাৰ বশীভূত হৈয়ে তেওঁ এই প্ৰাৰ্থনা কৰিছিল। প্ৰীতি বৰুৱা

যেতিয়া প্ৰীতি ভট্টাচাৰ্য্য আছিল তেতিয়া তেওঁ ভাল গল্প লেখিছিল। মই তেওঁক এই প্ৰশ্নটো সুধিবলৈ পাহৰি আছো—আৰু অলপ বেছি ডাঙৰ হোৱাৰ পিছত তেওঁ যেতিয়া বুজি পালে যে আমি লেখক-সকলৰ সাহিত্যৰ বাণী আৰু জীৱনযাপনৰ ক্ষেত্ৰত আকাশ-পাতাল প্ৰভেদ তেতিয়া তেওঁ বীতৰাগ হৈ সাহিত্য-চৰ্চা বাদ দিলে নেকি আৰু ভাবিলে নেকি যে তেনে দুমুখীয়া নীতি অৱলম্বন কৰাৰ ফলত আমি লেখক-লেখিকাসকলেহে বৈতৰণী পাৰ হৈ পোনপ্ৰথমে নৰকৰ দুৱাৰ খুলিব লাগিব ?)

যিহওক, আস্তিকসকলৰ মোৰ প্ৰতি কৰা এনে সম্ভাৱ্য মন্তব্যৰ কথা ভাবিলেই কিন্তু মোৰ ৰবীন্দ্ৰনাথৰ 'প্ৰশ্ন' নামৰ কবিতাটোলৈ মনত পৰি যায়। ভগবানৰ দেবদূত, প্ৰতিভূসকল আহি বাৰে বাৰে কৈ গ'ল—"তাৰা বলে গেলো 'ক্ষমা কৰো সবে' বলে গেলো ভালোবাসো / অন্তৰ হতে বিদ্বেষ বিষ নাশো'/" কিন্তু হে ভগবান, "যাৰা তোমাৰ বিষাইছে বায়ু, নিভাইছে তব আলো/তুমি কি তাদেৰ ক্ষমা কৰিয়াছ, তুমি কি বেসেছ ভালো/?" ময়ো মনে মনে প্ৰশ্ন কৰোঁ, হে ভগবান বিশ্বাসীসকল, পূজাপাতল কৰোতাসকল, তোমালোক জানো আমি অবিশ্বাসীসকলতকৈ বেছি ভাল ? তোমালোকে জানো আমাতকৈ কম পাপ কৰিছা ? ভগবান যদি মহৎ অন্তৰৰ ন্যায়পৰায়ণ আৰু পক্ষপাতশূন্য হয়, তেন্তে তেওঁৰ করুণা বৰ্ষিত হ'ব সেই সকলৰ ওপৰত যিসকলে পাপ খণ্ডনৰ বাবে আৰু ব্যক্তিগত কিবা লাভৰ আশাত ভগবানক পূজা নকৰি নিজৰ লগত নিজে যুঁজ চলাই ভাল হৈ থকাৰহে অহৰহ চেষ্টা কৰে, স্বৰ্গৰ অদৃশ্য নাৰায়ণক পূজা-পাতল কৰাতকৈ মৰ্ত্যৰ দৃশ্যমান দৰিদ্ৰ নাৰায়ণক হে পূজা-পাতল কৰে। আবু বেন্ আধেমৰ কবিতাটো আপোনালোকৰ বহুতেই স্কুলত পঢ়া দিনত ইংৰাজী বীডাৰত পঢ়া নাছিলনে ? সেই যে কবিতাটো মানুহক ভাল পোৱা বুলি কোৱা আবুৰ নামটো ঈশ্বৰক ভালপাওঁ বুলি কহোৱাসকলৰ তালিকাখনৰ সৰ্বপ্ৰথমেই যে

জিলিকি আছিল ?

পিছে সুদীর্ঘ জীৱনটোত বহুত দেখি-শুনি আপোনালোকৰ ভগবানৰ উপকক্ত গুণকেইটা আছে বুলি মোৰ বিশ্বাস নোহোৱা হৈছে।

যিহওক. ভগবানৰ ভয়ভক্তিত হওক বা নহওক; মানুহ সং হোৱা উচিত এই পৃথিবীৰ পান্থশালাৰ অন্যান্য সহযাত্রীসকলৰ বাবেই। প্রত্যেকেই প্রত্যেকৰ প্রতি সৎ, সহনশীল, উদাৰ আৰু হৃদয়বান হৈ নচলিলে এই পৃথিৱীত মানুহৰ জীৱন দুর্বিসহ হৈ পৰে। নাস্তিক হৈয়ো মোৰ ভাল হৈ চলাৰ সাধনা এই বাবেই কিন্তু হায়, মনে সংকল্প লোৱাতে থাকে যে ভাল হৈ চলিম. কাৰো প্রতি অসূয়া, কপট ভাব নেৰাখোঁ কিন্তু পাৰোঁ জানো ?

With malice towards none লেখা গোটেই জীৱনটো সুন্দৰ, মধুৰ আৰু উদাৰ কৰি তুলিবলৈ এনেধৰণে দিয়া উপদেশ-বোৰো কিশোৰ কালত পঢ়ি পালি অহাৰ চেষ্টা কৰিছিলোঁ "Read everyday a good poem, see a good picture, listen to a good music .. ..ইত্যাদি ইত্যাদি।

কিতাপৰ কথাকে বেদবাক্য বুলি মানি লৈ সেইবোৰ জীৱনত প্রয়োগ কৰি চলাৰ সাধনাত ব্রতী হোৱা মানুহজনীৰ বর্তমানৰ এটা দিনৰ দিনলিপিকে শুনক :

"......আগৰাতি প্রচণ্ড গৰমত ভালকৈ শুব নোৱাৰি পুৱতি নিশা এনেকৈ টোপনি গ'লো যে সাৰ পাওঁতে সাত বাজি গ'ল—লৰালৰিকৈ মুখ ধুবলৈ গ'লো—দিনটোৰ কামবোৰে ভয়লগাভাৱে হাত বাউলি দি মাতি আছে-। টুথপেষ্টত হাত দিয়েই বুৰ গৰম, বিছা এডাল উঠি আছে। গুৱাহাটীত গৰম যিমান পৰিছে, বিছাও সিমানে হৈছে। যিহওক, বিছা. আঁতৰাই টুথপেষ্ট চেপিবলৈ গৈ দেখোঁ—ভীমৰ বল দিলেও টিউবটোৰ শূন্য গহ্বৰৰ পৰা অকণিও বগা পদার্থ নোলায়, যোৱা কেইদিনৰ আমাৰ আটাই কেইজনৰ ভীমবল প্রয়োগত সি একেবাৰে চিৰা চেপেটা লাগিছে। বগদটো

যিমান তীব্ৰ হৈ উঠিছে সিমান তীব্ৰভাবে নহ'লেও মোৰ মুখ গৰম হৈ আহি আছে চৰণ সিঙৰ বাজেটৰ কথা শুনিয়েই আগৰ দামত লৰালৰিকৈ কিনি অনা পেষ্টটো তাৰমানে শেষ। এতিয়া আৰু এটা কিনক দুই-ডেৰ গুণ দাম ভৰি। যিহওক জনতা চৰকাৰক অলপ গালি পৰাৰ পিছত অলপ নিমখ-তেল লৈ দাঁত মাজি লৰালৰিকৈ চাহটোপা কৰি খাই উঠাৰ পিছত দেখিলোঁ 'দৈনিক অসম' খন আহিছে। কাকতখনৰ পাত লৰালৰিকৈ লুটিয়াই হেড্‌লাইনবোৰ চাই চাহ-ভাতৰ ক্ৰমত পূৰ্ণ গতিৰে লগাৰ আঁচনি কৰাৰ লগে লগে দৈনিক অসমৰ 'দেওবাৰ' পৃষ্ঠা সংখ্যাটো দেখি মনটো সকাহ লাগি গল, গতিকে চাহ-ভাতৰ বাবে খৰধৰ কৰাৰ দৰ্কাৰ নাই, অন্যান্য অধিবাসীসকলকো এতিয়াই জগোৱাৰ দৰ্কাৰ নাই, অলপ আৰাম কৰিয়েই 'দেওবাৰ'ৰ ডঃ লক্ষ্মীনন্দন বৰাৰ 'ভেজালৰ পৰা সাৱধান' পঢ়া যাওক। কিন্তু সেই প্ৰবন্ধ পঢ়ি আৰু আৰাম পাবৰ সাধ্য আছে নে? পোহাৰীয়ে পুৱা যি শিৰৰ সেন্দুৰৰ শকত ৰেখাৰে পাতিব্ৰত্যৰ পৰকাষ্ঠা ঘোষণা কৰে. সেই সেন্দুৰ সন্ধিয়া ক্ষীণ ৰেখাত পৰিণত হোৱা কথাই পতি-পত্নীৰ মধুৰ দাম্পত্যসম্পৰ্কত ঘুণে ধৰাৰ কথা সূচায়, পোহাৰীয়ে মাছ তেজাল সতেজ প্ৰমাণ কৰিবলৈ মাছৰ গাত শিৰৰ সেন্দুৰৰ প্ৰলেপ সনাটোহে সূচায়। ডঃ বৰাৰ এনে তথ্যই অৱশ্যে মোৰ আৰাম হানি কৰা নাই বা তাৰ বাবে মাছ-পোহাৰীক তেওঁলোকৰ নিজস্ব ভাষাকে অনুকৰণ কৰি মনেমনে গালিও পৰা নাই—কাৰণ দ্ৰব্যমূল্য বৃদ্ধি হৈ অহাৰ লগেলগে আমাৰ দৈনন্দিন খাদ্যৰ পৰা ক্ৰমে ক্ৰমে ইবিধ-সিবিধকৈ নানা বস্তু বাদ দিয়াৰ পিছত বৌমাছ ২৮ টকা কিলো হোৱাৰ দিন ধৰি মাছটোকো বাদ দি থৈছিলোঁ। কিন্তু সেই আহাৰ্য তালিকাখনৰ পৰা ডাইল আৰু ভাত—এই কেইটা বস্তু বাদ দি তাৰ ঠাইত কচু-ঢেঁকীয়া ভখাবলগীয়া দিন আহিব পাৰে বুলি অতি ভীষণ দুঃস্বপ্নতো নাভাবোঁ, তাৰোপৰি তেনে দিন আহিলে আমি কচু ঢেঁকীয়াও কিনিহে খাব লাগিব, গাওঁৰ অধিবাসীসকলৰ

দৰে ক'ৰবাৰ নো বাৰীৰ চুক বা পথাৰ পাম সেইবোৰ বুটলিবলৈ ? গতিকে কচু-ঢেঁকীয়া কিনাতকৈ সেই দামেৰে চাউল অলপকে কিনি খাম।

পিছে সেই চাউল-ডাইলৰ কথা ড. বৰাই যি লিখিলে তাক পঢ়ি মুৰৰ বেবোমিটাৰৰ পাৰাবোৰ ওপৰলৈ জোৰেৰে উৰ্দ্ধগতি কৰিবলৈ ধৰিলে, মনে মনে গালি পাৰিব ধৰিলোঁ ভেজালকাৰীক, চৰকাৰক, নীৰৱে সহি থকা ৰাইজক আৰু নিজক। চাউলত মেগনেচিয়াম চিলিকেট আৰু এছবেছটছৰ গুৰি মিহলোৱা হয় ফলত সেই চাউলৰ ভাত খাই থাকিলে আমি কেন্সাৰত আক্ৰান্ত হোৱাৰ সম্ভাৱনা থাকে, ডাইলত 'ৰেড ক্ৰোমেট' নামৰ যি ৰং কৰা পদাৰ্থ দিয়া হয় সি আমাৰ মূত্ৰাশয়, প্লীহা আৰু যকৃৎ ঘুণীয়া কৰাৰ সম্ভাৱনা আছে।

মৃতজনৰ প্ৰতি হেনো কেতিয়াও অশ্ৰদ্ধা জনাব নেপায়, আৰু মই শুভ্ৰ সুকোমল ভাৱ লৈ চলিব খোজা মানুহজনীয়ে ৰাতিপুৱাতে এক পৰম অশ্ৰদ্ধাৰ ভাৱ জনালোঁ প্ৰত্যেক ভেজালকাৰীকে লেম্প প'ষ্টত ফাঁচী দিয়াৰ অঙ্গীকাৰ কৰা কিন্তু কামত তেনে একোকে নকৰা আমাৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুক। 'দৈনিক অসম' আঁতৰাই থৈ ভাবিলোঁ -চাহৰ যোগাৰ কৰি পৰিয়ালৰ লোকজনক জগাওঁ, কিন্তু এ হৰি, কালি আবেলি আৰু ৰাতিৰ বাচন-পত্ৰ দেখোন পাহাৰ হৈ পৰি আছে, পুৱা এঘণ্টাৰ বাবে আহি বাহিৰৰ কৰি সহায় কৰি দি যোৱা বিহাৰী তিৰোতা পাৰ্বতী এতিয়ালৈকে অহাই নাই দেখোন, তাইতো ছ টাতে আহে— আজি এই আঠটালৈকে দেখা-দেখি নাই কিয় ? আৰু কিছুপৰ বাটচাই তাই নহা বিষয়ে নিশ্চিন্ত হৈ লৈ সেই বাহি বাচনৰ পাহাৰ ধুবলৈ আৰম্ভ কৰি জিভাখন মনে মনে ধাৰ কৰি থ'লো কালিলৈ তাই অহাৰ পিছত মই কি কি চোকা বাক্যবাণেৰে তাইক থকা-সৰকা কৰিম—লেতেৰা দেহুৱালীৰ দল, আমাৰ ৰাজ্যখন তহঁতে নষ্ট কৰি পেলালিহি .ইত্যাদি ইত্যাদি। কিন্তু এটা কথা মই মনলৈ অহাতো জোৰকৈ দূৰতে বিছুৰ কৰি থ'লো যে 'লেতেৰী দেহুৱালী' তিৰোতা পাৰ্বতী আহি মাহে ত্ৰিশ টকা কম-

বস্তুত মোৰ গৃহস্থলীৰ বাহিৰন সোপা কৰি দি নগ'লে মই সেইবোৰ কৰি কৰি আধামৰা হ'লোহেঁতেন (মাজতে কেইমাহমান তেনে আধা-মৰা অৱস্থাৰ সোৱাদ পাই থৈছোঁয়েই), বা মাত্ৰ ত্ৰিশ টকাতে আমি মাহটোৰ সকলো ঘৰুৱা লেতেৰা কাম কৰাই লৈ সিহঁতৰ ওপৰত আৰ্থিক শোষণ চলাই আছোঁ।

যিহওক, চাহ-টাহ পৰ্ব সমাধা কৰি ভাতৰ যোগাৰ কৰিম -এনেতে আহিল এক অভ্যাগত। ভদ্ৰলোক সুদূৰ চেঙাৰ পৰা আহিছে গুৱাহাটীলৈ কিবা কামত, মোৰ গল্প-উপন্যাস কিবাকিবি পঢ়িছে, গতিকে এবাৰ চিনাকী হৈ যাব খোজে। তেখেত এঘণ্টামান বহিল, মই পুত্ৰসকলৰ অন্নৰ দাবীৰে বিক্ষুব্ধ হৈ থকা মুখকেইখনৰ কথা ভাবি আছোঁ আৰু মনে মনে নিজৰ ভাগ্যক অভিশাপ দিছোঁ অসম দেশত সাহিত্যৰ স্পৃহা লৈ জন্ম লোৱা বাবে -ন'ত সাহিত্য এতিয়াও চখৰ বস্তু, য'ৰ মানুহে কিতাপ নপঢ়ে বাবে, আমাৰ কিতাপ-পত্ৰ বেচা নাযায় বাবে, আমি লেখি পইচা নাপাওঁ বাবে সদায় দৰিদ্ৰ হৈ ৰওঁ। আকৌ সাহিত্য-প্ৰীতিলৈ বাৰু জন্মিছোঁয়েই, মাইকী মানুহ হৈ জন্ম ল'লো কিয় - যাৰ সদায় ভাতৰ চৰুটোৰ চিন্তা মুণ্ডছে?

যিহওক, 'time passes, time passes and I lie down' (Sapho); দুপৰীয়া দেৰীকৈ হ'লেও বন্ধাবঢ়া আৰু ভোজন-পৰ সমাপন কৰি অলপ বাগৰিছিলোঁ আৰু মুণ্ডনেঁ৷ মুণ্ডনেঁ৷ বুলিও অভ্যাসবশতঃ ৰেডিওৰ 'আইদেউৰ বুলনি'ৰ বস্তাপচা ৰোমাণ্টিক নাটক এখন যান্ত্ৰিক বিজুতিৰ মাজেৰে শুনাৰ চেষ্টা চলাই তেতিয়াও মোৰ কলুষভৰা মনৰেই পৰিচয় দি আছিলোঁ-কাৰণ মই মনেমনে ৰেডিওৰ নানা ধৰণৰ কাৰ্যকলাপক (যাৰ কিছু কথা আলোচনীত পঢ়োঁ, কিছু কথা আকাশবাণীলৈ গৈ থকা কাৰোবাৰ কাৰোবাৰ মুখত শুনোঁ, কিছু কথা নিজে ৰেডিও শুনি ধাৰণা কৰি লওঁ) বেয়া ভাষাৰে সমালোচনা কৰি আছিলোঁ। যিহওক, তেনেকৈ বিৰাগভৰা আৰামেই বা কিমান পৰ কৰিম? উঠিব লাগিল, ঘৰৰ নানা খুচুৰা বনকাবি কৰিব লাগিল, আবেলিৰ চাহটাহ কৰিব লাগিল—আৰু ব'দটোৱে, আকাশৰ বোৰ

যেন আমাৰ ওপৰত কিবা অজ্ঞাত কাৰণত পুৰা বৰ্ষিত হৈছে।

ল'ৰা-ছোৱালীক কিহেৰে চাহ খুৱাম, কিহেৰে ভাত খুৱাম? সিহঁতৰ সদায় আপত্তি, সদায় অসন্তুষ্টি আৰু লগে লগে মোৰ কঠোৰ মবেল্ ছাৰমন্ "তহঁতেতো দুবেলা দুমুঠি পেট ভৰাই খাবলৈকে পাইছ, দেশৰ যে প্ৰায় সকলো ল'ৰা-ছোৱালীয়েই তহঁত কেইজনমান প্ৰিভিলেজড্ ক্লাছৰ ল'ৰা-ছোৱালীৰ বাহিৰে খাবলৈ পোৱা নাই, খাবৰ সময়ত সিহঁতৰ কথা অলপ ভাবিবিচোন।" কিন্তু মুখেৰে ছাৰমন্ জাৰি কৰিলে কি হ'ব, অন্তৰত মাতৃ হৃদয় টনটনাই উঠে - কোন মাতৃ-পিতৃৰে বা ইচ্ছা নযায় নিজ সন্তানক তৃপ্তিৰে পেট ভৰাই খুৱাবলৈ?

ৰবিবাৰ, অফিছৰ লেঠা নাই, গতিকে আবেলি সাধাৰণতে মানুহ-দুনুহ আহেই। তাৰমাজতে ৰাতিৰ বজাৰৰ চিন্তা আছে; মাহৰ শেষ, হাত প্ৰায় উদং। দ'ম হৈ থকা বাতৰি কাকতবোৰ বেচিও অন্ততঃ এটা দিনমান চলা যাব- সেই ভাৱ অহাৰ লগেলগেও মূৰ গৰম হয় আৰু পুনৰ দেছুৱালী বা বঙালীক গালি পাৰোঁ মনেমনে—বেটাহঁত, দগাপাল্লা কায়দা কৰি ধৰি ওজন কম দেখুৱাই আমাক সদায় ঠগাই আছে, নিজ ৰাজ্যতে তহঁত বাহিৰা মানুহবোৰৰ দ্বাৰা ঠগ খাই আছোঁ '

যিহওক, ল'ৰাই বজাৰ কৰি লৈ আহে; কম পইচা দিওঁ বাবে বস্তু আহে বেগটোৰ তলীতে চেপেটা লাগি আৰু ল'ৰাকে খং কৰোঁ ক্ৰেতাৰ ধৰণ-কৰণ অনভিজ্ঞ বুলি বুজি মনস্তাত্বিক বেপাৰীয়ে ঠগাইছে। ল'ৰায়ো সমান তেজেৰে জকজকাই উঠে- 'নিজে বজাৰলৈ গৈ চাবি না বস্তুৰ কিমান দাম বাঢ়িছে, কোন বিধ শাকপাছলি কেজিত দুটকাৰ কমত পাৱ দেখিম

ৰাতি আহে, মই গৈ পাকঘৰত সোমাওঁ—দিনটোতো মনটো বিক্ষুব্ধ হৈ থাকেই—বজাৰ পিছত খোৱা, খোৱাৰ পিছত বজা—এনেকৈয়ে যেখোন সময়বোৰ পাৰ হৈ যায়, কাকত-কিতাপ এখন হাতত বাৰু লওঁ কেতিয়া? যিহওক, গৰমত ঘামি-জামি ভাত ৰান্ধো—তথাপি পুত্ৰইতে পাতত বহি বেছিভাগ ভাত পেলায়, এই গৰমত

হেনো পেটলৈ ভাত যাব নোখোজে। কেনেকৈ যাব, মোৰো যাব নোখোজে, এই গৰমত জিকানেমুটেঙাৰ মাছৰ আঞ্জা এখন হোৱাহলে বেলেগ কথা আছিল! সেয়ে ভাতৰ পাতত বহি আমি চৰকাৰক সমালোচনা কৰো, ভাল ভাল বস্তু কিনি খাবপৰা সকলৰ প্ৰতি আমাৰ বিদ্বেষ ভাৱ প্ৰকাশ কৰোঁ অমুকে দেখোন অমুক চাকৰিহে কৰে, কিন্তু ১৮ টকীয়া বৌমাছৰ আধা কেজি কেনেকৈ কিনি নিয়ে আজিতো বজাৰত নিজে দেখি আহিলোঁ। এনে ধৰণৰ কথা কোৱা পুত্ৰক মই মনত পেলাই দিব নোৱাৰো মই মাজে মাজে সিহঁতক দিয়া আন এটা মৰেল ছাৰমন "সদায় মনত ৰাখিবি যে মানুহৰ দুখত দুখী হোৱা সহজ, কিন্তু সুখত সুখী হোৱা সহজ নহয়, গতিকে সদায় আনৰ সুখত সুখী হ'বৰ চেষ্টা কৰিবি।" কিন্তু আমাৰ এই দুৰ্নীতিপৰায়ণ সমাজত দুনীতিৰ দ্বাৰা সুখ-সম্ভোগ কৰি থকা মানুহ-বোৰৰ সুখত যদি মোৰ পুত্ৰসকল সুখী হ'ব নোৱাৰে মই তেতিয়া সিহঁতক সেই একে ছাৰমনকে দিব পাৰিমনে?

ৰাতি ক্ৰমে বাঢ়ি যায়, পৰিবেশ নিৰ্জান হৈ আহে। মই খোলা আকাশৰ তলত জুৰ লৈ অকলে নীৰৱে বহি থাকো সুদীৰ্ঘ সময়, কোন দূৰ অতীতৰ সিপাৰৰ পৰা যেন ইংৰাজ কবি কীট্‌ছৰ এই ফাঁকি কবিতাই আহি বুকুত খুন্দিয়াই এক নষ্টালজিয়া বোধৰ হাঁহাকাৰ জগাই তুলি থৈ যায়

"tender is the night
and haply the Queen Moon is on her throne
clustered around by all her starry Fays..."

কিন্তু হাঁয় কবিতা, হাঁয় দিনটো শুভ্ৰ সুকোমল ভাৱ লৈ চলাৰ সংকল্প, হাঁয় মহাকবি গেটেৰ উপদেশ অনুসাৰী দিনটো কটোৱাৰ ল'ৰালিৰ বিলাসী সপোন! ক'ত দিন কবিতা পঢ়া নাই, ক'ত দিন মন-প্ৰাণ ভৰাই দিব পৰা ৰবীন্দ্ৰ সংগীত শুনাই নাই—'আকাশভৰা সূৰ্য তাৰা বিশ্বভৰা প্ৰাণ......!' 'জোনাকভৰা আকাশৰ তলত কোন

যুগৰ আগতে জানো গুণগুণাইছিলোঁ কবি অজিত বৰুৱা ৰচিত আৰু ব্ৰজেন বৰুৱা সুৰাৰোপিত এই সুললিত গীতটো
"আকাশৰ পাৰ ভাঙি নামি আহে জোনাকৰ ঢল
ৰূপালী পৰশ লাগি তাৰ কঁপি উঠে নিশাৰ কাজল।"
কিন্তু নাই, আমাৰ এই নানা সমস্যা জৰ্জৰিত, ক্ষুধাপীড়িত সামাজিক পৰিৱেশত সুকান্ত ভট্টাচাৰ্যৰ এই জোনাকৰ কবিতাহে অধিক প্ৰযোজ্য

'ক্ষুধাৰ ৰাজ্যে পৃথিবী গদ্যময়
পূৰ্ণিমাৰ চাঁদ যেনো ঝলসানো ৰুটি।'

শ্ৰদ্ধেয় পাঠক, বিশ্বাস কৰক মোৰ এই দিনলিপিখন কেৱল মোৰেই নহয়, ই হ'ল জীৱন-সংগ্ৰামত প্ৰতি পদে পদে জৰ্জৰিত হৈ থকা প্ৰতিজন নিম্ন মধ্যবিত্তৰে দিনলিপি যাৰ জীৱনবোৰ লাহে লাহে ক্ষয় হৈ যায় 'দিন যাপন আৰু প্ৰাণ ধাৰণৰ গ্লানি'তে। কিন্তু তথাপিও সমাজৰ বাকী ৭৬% ভাগ লোকৰ তুলনাত এওঁলোকো এক প্ৰকাৰ প্ৰিভিলেজ্‌ড্ ক্লাছেই—এওঁলোকে গদ্যময় পৃথিবীত কবিতাৰ মায়াবী স্পৰ্শ নেপালেওতো দুবেলা দুমুঠি ভাত আৰু পিন্ধনৰ বস্ত্ৰ দুখাৰি খুব বেছি প্ৰাণান্তকৰ পৰিশ্ৰম বিনে পাইছেই—কিন্তু দেশৰ উপকক্ত গৰিষ্ঠসংখ্যক লোকে দিনটোৰ প্ৰাণান্তকৰ পৰিশ্ৰমৰ পিছতো দুবেলা দুমুঠি পেটৰ ভাত আৰু পিন্ধনৰ এডুখৰি বস্ত্ৰ ঠিকমতে যোগাৰ কৰিব পৰা নাই। কিন্তু মই সেইসকল লোকৰ দিনলিপি লেখা নাই, তেওঁলোকৰ দিনলিপি লেখিবলৈ মই অক্ষম (যদিও জানো মোৰ এই অক্ষমতাৰ কোনো ক্ষমা নাই), মোৰ কলম তৰোৱালতকৈ বহুত সাৰ্থক লেখকৰ দৰে শক্তিশালী নহয়, তদুপৰি তেওঁলোকৰ জীৱনৰ লগত মোৰ কোনো বাস্তৱ অভিজ্ঞতা নাই। কিন্তু যোগ্যজনে তেওঁলোকৰ জীৱনধাৰ কলম চলাই বিপ্লৱ ঘৰটকীয়া হোৱাত অৰিহণা যোগাব, এই আশাৰেই বাট চাই ৰ'লোঁ।

—সাপ্তাহিক নীলাচল, ৬ জুন, ১৯৭৯ চন

অসম বন্ধ

(খণ্ড চিত্র)

আমি সকতে স্কুলত পঢ়ি থকা কালত আমাৰ সেই বিশেষ স্কুলখন নানা কাৰণত বন্ধ আৰু ছুটী দি থকা কথাত মায়ে বিৰক্ত হৈ কৈছিল- 'তইঁতৰ এই আপদীয়া স্কুলখনত মাথি ম'হ মৰিলেও ছুটী দিয়ে দেখোন !' তেতিয়াৰ দিনত কেবাটাও ল'ৰা-ছোৱালীৰ জন্ম দিয়া মাকহঁতে সেই ল'ৰা-ছোৱালীক খুৰাই-বুৰাই স্কুল-কলেজলৈ পঠিয়াই দিনটোত অলপ আজৰি আৰু নির্জনতা প্রত্যাশা কৰে। গতিকে স্কুললৈ বা কলেজলৈ গৈয়ে ল'ৰা-ছোৱালীবোৰ ঘৰলৈ উভতি আহিলে মাকহঁত স্বাভাৱিকতে বিৰক্ত হয়েই। আমাৰ বৌজনীয়ে ঘৰৰ বহুত ল'ৰা-ছোৱালীৰ জঞ্জাল ভোগ কৰিব লাগে, গতিকে ল'ৰা-ছোৱালীবোৰ স্কুল-কলেজলৈ ওলাই গ'লে তেওঁ বৰ সকাহ পায়। এবাৰ ভাৰতৰ কোনোবা এজন বিখ্যাত ব্যক্তিৰ মৃত্যু হোৱাত তেওঁৰ সন্তান সকল স্কুললৈ গৈয়ে উভতি আহিছিল, কাৰণ সেই বিখ্যাত ব্যক্তিৰ সন্মানৰ্থে স্কুল-কলেজবোৰ ততালিকে ছুটী দিয়া হৈছিল। এনেকৈ ঘৰলৈ উভতি অহা ল'ৰা-ছোৱালীবোৰৰ মুখত স্কুল-কলেজৰ ছুটীৰ কাৰণটো শুনি বৌৱে ধপচ্‌কৈ চকী এখনত বহি পৰম আক্ষেপেৰে মন্তব্য দিছিল -'অমুক মৰিল নে তৰিল, কিন্তু আচলতে মৰিলো মইহে ! গোটেই মথাই এতিয়া ঘৰতে হৈ-হুলস্থুল কৰি মোৰ মূৰ খাবি নহয় !'

মোৰ ককাইদেউজন মহা দেশপ্রেমিক, অসম আন্দোলনৰ সকলোবোৰ কাৰ্য্যসূচীতে পৰম নিষ্ঠাৰে অংশ গ্ৰহণ কৰি আহিছে। কিন্তু পুৰুষে-তিৰীয়ে হৈবা একমতি -এই আপ্ত বাক্যযাৰ নেওচি বৌজনী স্বামীৰ লগত এক মতি নহৈ ভিন্ন মতিহে হৈছে। অৱশ্যে তাৰ

কাৰণ এইটো নহয় যে আন আন বন্ধবোৰৰ দৰে তেঁৱো 'দেশদ্ৰোহী চি পি এম্ ।' আচল কাৰণ যিটো তাৰ পম খেদিবলৈকে ওপৰৰ ঘটনাটোৰ অৱতাৰণা কৰিছো । এবছৰ জোৰা আন্দোলনৰ ফলত ল'ৰা-ছোৱালীবোৰ স্কুললৈ নোযাই ঘৰতে আছে আৰু পিকেটিং বা আন্দোলনৰ অন্যান্য কাৰ্যসূচীত বিশেষ অংশ গ্ৰহণ নকৰা অৰ্থাৎ দেউতাকৰ সক্ৰিয় পদাংক অনুসৰণ নকৰা ভতিজা কেইটাই বৌৰ ভাষাত 'ঘৰতে নৰক গুলজাৰ কৰি থাকি তেওঁৰ চুলিবোৰ হেনো অকালতে পকালে । আগতে সিহঁতে যিসময়ত ভাত খাইছিল, এতিয়া সেই সময়ত দ্বিতীয়বাৰ চাহ-টাহৰহে ফৰমাইচ দিয়ে । মাতৃ হৃদয়, গতিকে সন্তানৰ খাব বিচৰাৰ দাবীকনো তেওঁ কেনেকৈ নেওচা দিয়ে ? তেনেকৈ দ্বিতীয়বাৰ পকৰি ভজা বা ডালমুট বা ভুজিয়া বা পটেটো চীপ্ছৰ লগত চাহ খোৱাৰ পিছত সিহঁতে ৰেকৰ্ড প্লেয়াৰত পপ-গানৰ ৰেকৰ্ড বজাব বা 'অসম বন্ধ' জনশূণ্য কৰি ৰখা ৰাস্তাত ক্ৰিকেট খেলিব । আৰু নহ'লেবা নিজৰ ঘৰলৈ অহা বন্ধু-বান্ধবৰ লগত আড্ডা মাৰিব । পুত্ৰ বা কন্যাৰ তেনে বন্ধুসকলকো তেওঁ সময়ে সময়ে চাহটাহেৰে আপ্যায়ন কৰিব লাগিব । নিজৰ পুত্ৰ-কন্যাসম সেই ল'ৰা-ছোৱালীবোৰক তেওঁ নিজেও সেইখিনি মৰম নকৰি নোৱাৰে । তাৰপিছত দুপৰীয়াৰ ভাতপানী, তাৰ পাছত আবেলিৰ চাহ-জলপান, তাৰপিছত আকৌ ৰাতিৰ ভাতপানী অৰ্থাৎ যোৱা এটা বছৰ জুৰি সোম-মঙ্গল-বুধ-বৃহস্পতি-শুকুৰ-শনি বুলি কোনোদিন নাই -প্ৰতি-দিনেই ৰবিবাৰ, প্ৰতিদিনেই বন্ধৰ বাৰ প্ৰতিদিনেই ভৰা ঘৰ । এটা বছৰ সেই কৰ্মব্যস্ত 'ৰবিবাৰ'বোৰৰ বোজা বই বই বৌ জনী এনে ক্লান্ত হৈ পৰিছিল যে ফলত তেওঁ দেশপ্ৰেমিক স্বামীৰ পদাংক অনুসৰণ কৰি নিজেও অন্য এগৰাকী দেশ প্ৰেমিকতো হৈ পৰিব পৰা নাছিলেই, বৰং অসমৰ অন্যান্য বহুতো 'মূলাগাভৰু'ৰ বিপৰীতে তেওঁ হৈ পৰিছিল এগৰাকী মাইকী বদন । শান্ত আৰু নিৰ্দ্বন্দ্ব স্বভাৱৰ বুলি খ্যাতি অৰ্জা বৌৰ মুখত এতিয়া চোকা কটাৰীৰ ধাৰৰ বাক্যও

নিৰ্গত হোৱা হৈছে। ল'ৰা-ছোৱালী, স্বামী, কোনো তেওঁৰ সেইবোৰ বাক্যবাণৰ দ্বাৰা বিদ্ধ নোহোৱাকৈ সাৰি যাব নোৱাৰে। তেওঁৰ গৰ্জনৰ কেতবোৰ নমুনা এনে ধৰণৰ :

'...পঢ়া নাই শুনা নাই, স্কুল নাই, কলেজ নাই, কেৱল আড্ডা, কেৱল গান-বাজনা-চিনেমা, কেৱল খেলা-ধূলাত মছগুল হৈ থাকি দিন কটোৱা--এয়ে হৈছে আজিৰ ল'ৰাছোৱালীৰ প্ৰধান কাম! গুছিল গুছিল, আমাৰ ল'ৰা-ছোৱালীবোৰ তেনেই গুছিল, কি যে হ'ব ইহঁতৰ ভৱিষৎ...। ..'মই আৰু নোৱাৰো দেই, সচাঁয়ে নোৱাৰো--পুৱাৰে পৰা কেৱল বন্ধা-বঢ়া, চাহৰ পিচত চাহ, ভাতৰ পিছতো চাহ, কেৱল খানা-পিনা। পাকঘৰটোৰ পৰা দেখোন ওলাবকে নোৱাৰা হ'লো, এখন্তেক আজৰি নোপোৱা হ'লো, চিলাই পাতি এখন কৰিবৰ সময় নোপোৱা হ'লো, হাতেৰে কাগজ-কিতাপ এখন চুবৰ সময় নোপোৱা হ'লো (বৌয়ে বঙালী মানুহক খুব বেয়া পালেও বঙালী উপন্যাস পঢ়ি খুব ভাল পায়। আমাৰ চুবুৰীয়া শ্ৰীমতী কটকীয়েও বঙালী উপন্যাস পঢ়ি-বৰ ভাল পায়, বিশেষকৈ 'নবকল্লোল'ৰ উপন্যাসবোৰ। বৌ আৰু শ্ৰীমতী কটকীয়ে পৰস্পৰৰ মাজত আদান প্ৰদান কৰি এইবোৰ পঢ়ে, কিন্তু ঘৰত লেঠা নথকা শ্ৰীমতী কটকীয়ে এতিয়া দেহে-কেহে বিদেশীৰ অসমৰ 'ভাষা-সংস্কৃতি'ৰ গ্ৰাসৰ বিৰুদ্ধে আন্দোলনত লাগি গৈছে, অৱশ্যে তাৰ মাজতো তেওঁ খাপমাৰি হ'লেও বঙালী উপন্যাস পঢ়ে আৰু বৌৰ লগত আলোচনা কৰে - অসমীয়া গল্প-উপন্যাসসোপা পঢ়ি বঙালীৰ দৰে ৰস নালাগে দেই....)

ল'ৰা-ছোৱালী কেইটাক আগবেলা দহ বজাত চাহটাহ খুৱাই আপত্তিৰ ভোৰভোৰণি তুলি থকা বৌৰ এদিন একন ভতিজাই কণ্ঠকৈ মন্তব্য এটা দি তেওঁৰ মুৰ আৰু গৰম কৰি তুলিছিল...'মা, তুমি পঢ়া বঙালী গল্প উপন্যাসবোৰত কেতিয়াবা বাৰু এই প্ৰবাদ বাক্যটো পোৱা নাই নে যে 'কাৰোৰ পৌষমাস আন কাৰোৰ সৰ্বনাশ!' এতিয়া আমাৰ ঘৰতো তেনেকুৱাই হৈছে দিয়া। তোমাৰ সৰ্বনাশ

আৰু আমাৰ মজাকৈ পিঠাপনা খোৱা পুহ মাহ। তোমাৰ সদায় ৰবিবাৰৰ ব্যস্ততা আৰু আমাৰ সদায় 'এলিচ্ ইন্ ওৱাণ্ডাৰলেণ্ড'ৰ শহাটোৰ সকলো সময়ে চাহৰ সময় হোৱাৰ দৰে সকলোবোৰ দিন ৰবিবাৰ হৈ পৰাৰ মজা!

বৌয়ে—'অ'ই কথা চহকী, অকর্মণ্য ল'ৰা, কথা বন্ধ কৰি চুপচাপ চাহ খাই ওলাই যা বুলি কোৱাৰ লগে লগে ঘৰখনৰ ভিতৰত দেউতাকৰ দৰেই পৰম নিষ্ঠাৰে আন্দোলনৰ সকলো আঁচনিত যোগ দিয়া ভতিজা জী জনীয়ে পৰম বিতৃষ্ণা আৰু অৱজ্ঞাৰে কৈ উঠিছিল - 'তহঁতৰ দৰে বহি খোৱা অপদাৰ্থবোৰৰ বাবে সদায় ৰবিবাৰৰ মজা হ'ব পাৰে, কিন্তু আমাৰ দৰে মনপ্ৰাণ ঢালি অসমক উদ্ধাৰ কৰাৰ কামত লগাবোৰৰ হ'লে আচল ৰবিবাৰেও বহাৰ সময় নাই। আমি এতিয়া স্বাৱলম্বী হোৱাৰ নানা কাম-বন কৰি আছোঁ—'

ভতিজাজনীয়ে স্বাৱলম্বিতাৰ সুদীৰ্ঘ তালিকাখন আওৰাব ধৰোঁতেই ভতিজাটোৱে এটা বিৰাট ভেকাহিৰে তাক কলিতে বিনষ্ট কৰি পেলালে.. 'থৈ দে তহঁতৰ স্বাৱলম্বিতা! ঘৰত পানী এগিলাছো বাকি নোখোৱা, চাকৰ-বাকৰক ডাবি ধমকি দি বহি খোৱা ল'ৰাৰ জুতা পালিছ কৰা, মাল কঢ়িওৱাৰ ভেকো ভাওনা দেখি মই ভৱিষৎ-বাণী কৰি থৈছো যে তহঁতৰ এই উৎসাহ ধানখেৰৰ জুইৰ দৰে, তৎক্ষণাতে দপদপাই জ্বলি উঠি মুহূৰ্ততে নুমাই ছাঁইত পৰিণত হ'বলৈও বেচি পৰ নালাগিব।'

এইবোৰ হ'ল আন্দোলনৰ প্ৰথম পৰ্যায়ৰ কথা। এতিয়া দেশতকৈ পঢ়াশুনা ডাঙৰ নহয় বুলি কোৱা ছাত্ৰ-ছাত্ৰীসকলে দাবী পূৰণ নোহোৱালৈকে আন্দোলন কৰাৰ কথা আছিল যদিও দাবীৰ শতাংশৰ এক অংশও পূৰণ হোৱাৰ আগতেই এবছৰৰ শিক্ষা বছৰটো মাথো জলাঞ্জলি দিয়াৰ পিছত পুনৰ স্কুল-কলেজত যোগ দিছেহি। ফলত মোৰ বৌৰ মুখৰ মেঘ আজি প্ৰায় এবছৰৰ মূৰত অপসাৰিত হৈছে। এতিয়া পুনৰ আগৰ দৰেই সপ্তাহত মাত্ৰ এটা দিনহে ৰবিবাৰ হ'ব!

পিছে হে হৰি, সেই আশাৰ সুৰুজ আহাৰ মহীয়া সুৰুয়হে দেখোন, পুনৰ তাক ঘোৰ ক'লা মেঘে ঢাকি ধৰিলেই। স্কুল কলেজ-বোৰ খুলিবলৈ পালেহে মাথোন, তাৰ পিছতেই আৰম্ভ হৈ গ'ল বিভিন্ন ছলছুতাত বেচি ভাগ দিন আকৌ সেইবোৰ বন্ধ হৈ থোৱা। অৰ্থাৎ পুনৰ আমাৰ বৌৰ বাবে প্ৰতিটো দিনেই ৰবিবাৰ হৈ গ'ল, পুনৰ ঘৰত ল'ৰা-ছোৱালী মখাৰ হুলস্থূল, পুনৰ চাহৰ পিছত চাহ আৰু চাহ……

মানুহে সকলো কথাকেই মানি ল'ব পাৰে। মানুহ সম্পৰ্কে বোলে সেইটোৱে সৰ্বোৎকৃষ্ট সংজ্ঞা, কৈছিল ডষ্টয়েভ্‌স্কিয়ে। কিন্তু আশাভংগৰ বেদনা যে বৰ পীড়াদায়ক ! বোচৰী বৌজনীৰ ক্ষেত্ৰতো তেনে হ'ল—দুপৰীয়াৰ নিজান অখণ্ড অবসৰ, মিঠা আমেজ ভৰা 'নবকল্লোল'ৰ বঙালী উপন্যাস হঠাতে দেখা দি সেই সুখৰ বিলাস মৰিচীকাৰ দৰেই ক'ত যে হেৰাই গ'ল !

মানুহৰ অবদমিত হতাশা-বেদনা-ক্ৰোধ হেনো পুঞ্জীভূত হৈ হৈ এদিন বোমাৰ দৰেই বিস্ফোৰিত হয়। মোৰ বৌৰ ক্ষেত্ৰতো তেনে হ'ল। লগত লগত কেইটামান 'অসম বন্ধ' হৈ গ'ল। এতিয়া 'অসম বন্ধ'ৰ কথাটো ইমানেই ভাতৰ লগৰ পানীৰ দৰে হ'ল যে কেতিয়াবা কেতিয়াবা আগতে কোনো জাননী নিদিয়াকৈও 'অসম বন্ধ' হৈ যায়। এদিন তেনে জাননী নিদিয়া 'অসম বন্ধ' এটা আছিল। সিদিনা ৰাতিপুৱাৰে পৰা বৌৰ মূৰ গৰম। সকলোকে সকিয়াই থৈছে যে চাউল প্ৰায় নাছিলেই বাবে আধাপেটি ভাত খাব লাগিব, শাক-পাছলিও তেনেকৈ নাই বাবে লগত ডাইলৰ পানীটোপাহে মিলিব। তথাপিও তেতিয়ালৈকে বোমাটো ফুটা নাছিল, সেইটো ফুটালে কাপোৰ ধুবলৈ অহা 'দেছুৱালী' তিৰোতাজনীয়ে :

'মাইজী, ঘৰত এটা চাউল নাই, লেড়কা-বাচ্চাই আজি নাখাই থাকিব লাগিব। মৰদটোৱে ঠেল্যাগাড়ী চলায়, বহুতদিন 'বন্ধ'বোৰ হোৱাত ৰোজগাৰ বহুত কমি গৈছে। ক'ৰবাৰ পৰা চাউল কিনি

আনি জমা কৰি থ'ম। আজি মোক অলপ চাউল দিব লাগিব মাইজী।'

কাম কৰা মানুহজনীৰ কথাখিনি ভালকৈ শেষ হ'বলৈকে নাপালে, মন্ত্ৰ আৰম্ভ কৰি বৌৰ বোমাটো ফুটিল 'ঐ বানাৰছী, তই মোক চাউল খোজাতকৈ আকাশৰ জোনটো আনি দিবলৈ নকয় কিয় ? আমেৰিকাৰ পৰা স্পেছ শ্বিপ্ এখন ধাৰলৈ আনি তাতে উঠি বৰং জোনটোকে আনি দিব পাৰোঁ, আৰু তোৰানো চাউল খুজিবলৈ চৰম নালাগিল নে ? আজি আমাৰ অসমৰ এনে সৰ্বনাশ হৈছে তহঁত বিদেশী সোপাৰ কাৰণেহে ! এনেয়েনো তহঁতক খেদিবলৈ সকলোৱে এনেকৈ উঠি পৰি লাগিছেনে !

পিছে অসমৰ বৰ্তমান সকলোৱে ৰাজনীতিৰ শিক্ষা পাইছে, নহ'লেনো আলৰ বুঢ়ীয়েও গপজপকৈ আহি সভা-শোভাযাত্ৰাত যোগ দিয়েনে ? বানাৰছীয়েও যে সেই শিক্ষা পাই তলে তলে পকি আছে সেই কথা লগে লগেই বুজা গ'ল, কাৰণ বৌৰ কথাৰ মূৰতে তায়ো ওপৰাই মাত লগাই কৈ উঠিল 'মাইজী, আপোনালোকে বোলে বাংলাদেশীবোৰকহে খেদিব গুলাইছে ? আমি দেখোন ভাৰতৰে আদমী, আমিনো কেনেকৈ বিদেশী হ'লো ? তথাপি খেদিব খুজিছে যেতিয়া খেদক না। কাৰণো বেচি তকলিফ্ হ'ব। আমি আপোনা-লোকৰ ঘৰৰ লেতেৰা কামবোৰ কৰি নিদিলে, আমাৰ ধোবাই কাপোৰ ধুই নিদিলে, আমাৰ মুচীয়ে জোতা মেৰামত কৰি নিদিলে, পালিছ কৰি নিদিলে, কুলীয়ে ছামান বৈ নিদিলে, নাপিতে চুলি কাটি নিদিলে, ৰিক্সাৱালাই ৰিক্সা নচলালে আপোনালোকৰ দেখোন দিন গুজৰান নহ'বই ?

বানাৰছীৰ বক্তৃতাত বৌৱে পৃষ্ঠভংগ দিলে। অ' ভলেভলে ইহঁতবোৰ বৰকৈ মূৰত উঠিছে, কিবাকৈ ইহঁতক এসেকা দিবই লাগিব ...।

সিদিনা ছপৰীয়া ভাত খাবৰ পৰত সকলোৱে অসন্তোষ, ল'ৰা-ছোৱালী কেইটাই ভোৰভোৰাব ধৰিলে ...'হ'ল বুলি ইমান মুদা ভাত

খাব পাৰিনে ..।' মাকৰ পৰা প্ৰায়ে কথা চহকী বুলি ধমকি খোৱা ভতিজাটোৱে নানা কিতাপ পত্ৰৰ প্ৰসংগ টানি কথা ক'বলৈ ভাল পায়। আজিও সি মুখখনলৈ কপট গাম্ভীৰ্য টানি আনি ক'লে 'সকলোৱে চুপচাপ ভাত খাই উঠি যা. (মা. তোমাৰ ভাষা ধাৰ কৰাত ক্ষমা কৰিবা) নাজানা নে শ্যেকছপীয়াৰে কি কৈ গৈছে Unquiet meals make ill digestion .....'

নিষ্ঠাবান আন্দোলনকাৰী ভতিজাজনীয়ে ভেকাহি মাৰি উঠিছিল 'এই সামান্য কথাটোৰ বাবে তোৰ পণ্ডিতালী দেখুৱাৰ কোনো দৰ্কাৰ নাই। আমাৰ সাধাৰণ স্বাস্থ্যবিধিতো আছে যে অসন্তোষ মনেৰে খালে কোনো খাদ্যই ভালকৈ হজম নহয়।'

ভতিজাটো কিন্তু নদমিল, সি ভনীয়েকৰ পিনে চাই মিচিকিয়া হাঁহি এটা মাৰি ক'লে 'পণ্ডিতালী দেখুৱাব খোজা বুলি বদনাম যেতিয়া দিলেই আজি সুদাভাতৰ পাতত অলপ তাত্বিক আলোচনাই কৰো ৰ! তইতো বন্ধবোৰৰ এজন উগ্ৰ সমৰ্থক। কিন্তু তই কচোন, এই 'বন্ধ'বোৰৰ সফলতা কিমান, বিফলতা কিমান? একেবিধ অস্ত্ৰকে বাৰবাৰ ব্যৱহাৰ কৰি থাকিলে সি বাৰু ভোটা হৈ নেযায়নে? তেতিয়া জানো তাৰে কাৰ্যসিদ্ধি কৰিব পাৰি? আৰু এই 'বন্ধ'বোৰৰ ফলত আজি ডেৰ দুবছৰে সমগ্ৰ অসমখনত বন্ধ অৱস্থা এটাৰ সৃষ্টি হোৱা নাইনে? পঢ়াশুনা বন্ধ, নাটক আদি কৰি অসমীয়াৰ সকলো সাংস্কৃতিক অনুষ্ঠান বন্ধ, ভাল লেখকৰ সৃষ্টিধৰ্মী কিতাপৰ প্ৰকাশ বন্ধ, বিভিন্ন ভাষা-ভাষী আৰু জনজাতি-অজনজাতিৰ সখ্যতাৰ স্ফূৰ্তি বন্ধ, বাক্ স্বাধীনতা বন্ধ, বিপৰীতধৰ্মী মতবাদৰ প্ৰকাশ বন্ধ, আন্দোলনৰ বিৰোধী হ'লে বন্ধু-বান্ধৱ, আত্মীয় স্বজনৰ মাজত কথাবতৰা, প্ৰীতিৰ সম্পৰ্ক বন্ধ, বাতৰি-কাকতত প্ৰকৃত সত্যৰ বস্তুনিষ্ঠ খবৰ প্ৰকাশ বন্ধ'

এইবাৰ ভতিজাটোৰ বোধহয় 'অসম বন্ধ'ৰ তালিকাত সুমুৱাবলৈ গুৰু-গম্ভীৰ বিষয়ৰ অভাৱ হৈ আহিছিল, সেয়ে সি যেতিয়া বোকো সেই তালিকাখনত অন্তৰ্ভুক্ত কৰি ধেমেলীয়া সুৰত কৈছিল-- 'আৰু

আটাইতকৈ বৃহৎ আৰু সৰ্বনশীয়া বন্ধটো হ'ল আমাৰ মাৰ ক্ষেত্ৰত। তইঁতে মন কৰিছনে যে এই 'অসম বন্ধ'বোৰৰ ফলত মাৰ এসময়ৰ হাঁহিভৰা মুখৰ হাঁহিও বন্ধ হৈ গ'ল-- ' তেতিয়াই বৌৰ সিদিনাৰ দ্বিতীয় শব্দ বোমাটো নিক্ষেপিত হৈছিল

'ঐ কথাচহকী ছেলেপু ল'ৰা ! ভাত কেইটা খাই উঠি যাবিনে মই তোক চোঁচোৰাই নিব লাগিব ? সকলোৰে বন্ধ, কিন্তু মোৰতো পুৱাৰে পৰা গেবাৰী খটাৰ কোনো বন্ধ নাই ? আজি বানাৰছী-জনীয়েও কৈ গ'ল যে তায়ো আজি অসম বন্ধ পালন কৰি পিছবেলা কাঁহীবাতি ধুব নাহে। সেইবোৰবোতো মইহে উকটিব লাগিব ! তইঁতবোৰতো সকলো ওপৰে ওপৰে খোৱা, তইঁতৰ আৰু চিন্তা কি ! দেশ উদ্ধাৰ কৰিব ওলাইছে সকলোৱে, ঘৰত আমাৰ মাইকী-মানুহ-বোৰৰ হ'লে কোনো উদ্ধাৰ নাই। উঠি যা বুলিছো আটায়ে, কথাৰে মুখ মাৰি থাকিলেই চলিবনে ? অকৰ্মণ্য জাতিৰ অকৰ্মণ্য, ল'ৰা-ছোৱালীৰ দল ক'ৰবাৰ .. !'

—সাপ্তাহিক সাঁচিপাত, ১৮ ফেব্ৰুৱাৰী, ১৯৮১ চন

চয়নিকা

"হে দাৰিদ্ৰ্য, তুমি মোক কৰিছা মহান
তুমি মোক দিছা দান খৃষ্টৰ সন্মান।"

কাজী নজৰুল ইছলাম

০ ০ ০ ০

......ফোনৰ শব্দ হ'ল। টেলিফোন ৰাতি চাৰে নটা বাজিছে।

'তুমি এবাৰ দিল্লীলৈ যাব লাগিব।'

'মই গ'লে কোনো কাম নহ'ব। মই কিবা ক'লেই অলপ সন্দেহ কৰে।'

'তেওঁক জানো কৈছা?'

'আগে দিল্লী আৰু দাৰ্জিলিঙৰ পৰা ঘূৰি আহোঁ, তাৰ পিছত ক'ম। সেই ভাবটো মোৰ। কিন্তু আপুনিও ক'ব লাগিব।'

অলপ নীৰবতাৰ পিছত সিফালৰ উত্তৰ 'তেনেহলে ব'লা, দাৰ্জিলিঙৰ পৰাই ঘূৰি আহোঁ।'

কথা হৈছিলোঁ ডঃ বিধান ৰায়ৰ লগত।

আমি গৈ দাৰ্জিলিঙত উপস্থিত হ'লো। পশ্চিমবঙ্গৰ ৰাজ্যপাল ডঃ কাটজু তেতিয়াও তাতেই আছিল, কিন্তু সোনকালেই গুচি যাব, ভাৰতবৰ্ষৰ স্বৰাষ্ট্ৰ মন্ত্ৰী হিচাপে তেওঁৰ নাম ঘোষিত হৈছে।

ডঃ কাটজুৰ লগত আমাৰ দৰ্কাৰ আছিল। ৰাজ্যপাল হিচাপে পৰামৰ্শ। আৰু ভাৰতবৰ্ষৰ ভৱিষ্যৎ স্বৰাষ্ট্ৰ মন্ত্ৰী হিচাপে সমৰ্থন। আমাৰ কথা শুনি তেওঁ অলপ আচৰিত হ'ল। অৱশ্যে লগে লগে সন্মতিও পোৱা গ'ল। কথাবতৰা ডঃ ৰায়েই পাতিছিল।

কেইদিনমান পিছতেই ডাঃ ৰায়ৰ লগত দিল্লীলৈ গ'লোঁ। ডঃ ৰায়ৰ মুখত সকলো কথা শুনি জৱাহৰলালে মোৰ পিনে চালে।

মই দেখিলোঁ প্ৰসন্ন দৃষ্টি। যাক্, বিপদ কাটি গ'ল। আমি এটা অচলিত প্ৰস্তাব লৈ গৈছিলো। ডা॰ ৰায়ৰ মনত কোনো উদ্বেগ নাছিল, কিন্তু মই অলপ দ্বিধাগ্ৰস্ত আছিলোঁ। বিশেষকৈ বিজন মানুহৰ কথা ক'বলৈ আমি দিল্লীলৈ গৈছিলোঁ সেই মানুহজন ইমানেই সহজ, সৰল আৰু সাধাৰণ আছিল যে দিল্লীৰ সেই ৰাজ-ঐশ্বৰ্য্যৰ মাজত তেওঁক অপছন্দ হোৱাটোৱে স্বাভাৱিক কথা। যিহওক, আমি কলিকতালৈ উভতি আহিলোঁ। ডঃ ৰায়ৰ নিৰ্দেশক্ৰমে বস্তিৰ ভিতৰৰ এটা সৰু এমহলীয়া ঘৰত গৈ উপস্থিত হ'লো। যি মানুহজনৰ ওচৰলৈ গ'লো তেওঁ তেতিয়া লুঙি এখন পিন্ধি শুদা গাৰে ৰাতিৰ আহাৰ খাই আছিল। নৈশভোজৰ উপকৰণ অতি উপাদেয়—পাউৰুটি আৰু গুড়। লগত অৰণ্যে কলৰ বিশুদ্ধ পানী। ওচৰত এক বিৰাট এলছেছিয়ান কুকুৰ। সিও ডাইল-ভাত খাই ক্ষুধা নিবাৰণ কৰিছিল। সকলোবোৰেই অদ্ভুত। মই যেতিয়া ক'লোঁ যে ডঃ ৰায়ে তেওঁক এবাৰ ডঃ ৰায়ৰ ঘৰলৈ যোৱাৰ কথা কৈছে, তেওঁ লগেলগেই সুধিলে - 'এনে সময়ত আহ্বান কিয়?' মই অলপ সময় মনে মনে থাকি কলোঁ—'মই জানো, কিন্তু ক'ব নোৱাৰিম।' হো-হোকৈ হাঁহি তেওঁ ক'লে—'তইতো তেনেকুৱাই কৰিলি - অমুকে (হেৰম্ব মৈত্ৰ) কৈছিল—জানো, কিন্তু নকওঁ।'

যিহওক আমি আহি ডঃ ৰায়ৰ ওচৰত উপস্থিত হ'লোহি। কিছুপৰ অপ্ৰাসঙ্গিক কথা-বতৰা হোৱাৰ পিছত ডঃ ৰায়ে ক'লে—'আপুনি গৱৰ্নৰ হ'ব লাগিব।'

ভূত দেখাৰ দৰে মুখ কৰি উত্তৰ দিয়া হ'ল -'ক'ৰ? কিয়? মইতো কাকো একো কৰলৈ যোৱা নাই। মইতো বেচ ভালেই আছোঁ।'

ডঃ ৰায়ৰ পোনপটীয়া উত্তৰ—'আপোনাক আমাৰ প্ৰয়োজন। পশ্চিম বংগৰ কামৰ বাবে আপোনাক দৰ্কাৰ।'...

মই ডঃ হৰেন্দ্ৰ কুমাৰ মুখোপাধ্যায়ৰ কথা কৈছোঁ। এনেধৰণৰ মানুহৰ এতিয়াও যে পৃথিৱীত জন্ম হয় এইটোৱে আমাৰ পৰম সৌভাগ্য।

খৃষ্টিয়ান কথাটোৰ লগত আমাৰ মানসলোকত এটা ছবি ভাহি উঠে-- 'তেওঁ তৃণৰ নিচিনা সৰু, বৃক্ষৰ দৰে সহিষ্ণু, সদাবিনম্ৰ ভাব আৰু কৰ্তব্য-কৰ্মত নিষ্ঠাপৰায়ণ।' ডঃ হৰেন্দ্ৰ কুমাৰৰ মাজত এই বৰ্ণনাই জীৱন্ত হৈ উঠিছিল। ডঃ কাটজু স্বৰাষ্ট্ৰ মন্ত্ৰী হৈ যাব ওলাইছে, ৰাজ্যপালৰ আসন খালী। ডঃ ৰায়ে একান্তভাবেই ডঃ হৰেন্দ্ৰ কুমাৰক বিচাৰিছিল। বাধা বহুতো। প্ৰথম আছিল এটা অমুক্ত নিয়ম, যি প্ৰদেশৰ অধিবাসী সেই প্ৰদেশৰ ৰাজ্যপাল হ'ব নোৱাৰিব। দ্বিতীয়তে, তেওঁৰ অস্থি সাধাৰণত্ব বহুতৰ ওচৰতে তেওঁৰ অযোগ্যতাৰ কাৰণ হৈ উঠিছিল। তৃতীয়তে, প্ৰয়োজন হ'লে মধুৰ ভাষাত অপ্ৰিয় কথা ক'বলৈ তেওঁ নেৰিছিল। যিহওক, তথাপিও তেওঁ ৰাজ্যপাল হ'ল। তাৰ আগতে আছিল ভাৰতীয় গণ-পৰিষদৰ সহকাৰী সভাপতি। সভাপতি আছিল ডঃ ৰাজেন্দ্ৰ প্ৰসাদ। তাৰো আগতে হৰেনদা আছিল অধ্যাপক...

ইমান কষ্ট কৰি পাউৰুটি আৰু গুড় খাই থাকে, কিন্তু বিশ্ববিদ্যালয়লৈ কেবা লাখো টকা দান কৰি গৈছে। মধুপুৰৰ এটা ঘৰো বিশ্ববিদ্যালয়ক দিছে। তেওঁৰ আৰু এটা কীৰ্তি চন্দ্ৰকোণাৰ ওচৰৰ যক্ষ্মাৰোগীসকলৰ আফটাৰ কেয়াৰ ক'লনী।"

[শ্ৰীঅতুল্য ঘোষৰ 'কষ্ট কল্পিত'ৰ পৰা অনূদিত।]

তিৰাশিতা ৰঙীন পাথৰ

যোৱা বছৰৰ ৯ ছেপ্তেম্বৰৰ দিনা চীনৰ নানকিঙৰ কাওপেং পাঠশালা স্কুলৰ অকণিৰ ৰেড গাৰ্ড বাহিনীয়ে টেলিভিশ্যন্ চাই আছিল। তেতিয়া পিকিঙৰ টিয়েন্ আন্ মেন্ স্কোৱাৰত চেয়াৰমেন মাও ছে-টুঙৰ যি স্মৃতিসৌধৰ উদ্বোধন চলি আছিল, তাৰ জীৱন্ত বিৱৰণী টেলিভিশ্যনত চলি আছিল। অকণিহঁতে মাওৰ প্ৰতি থকা গভীৰ শ্ৰদ্ধাত অতি নিস্তব্ধ হৈ টেলিভিশ্যন চাই আছিল।

হঠাৎ সেই নিস্তব্ধতা ভংগ হ'ল--টেলিভিশ্যনৰ পৰ্দাত স্মৃতি সৌধৰ উত্তৰৰ প্ৰবেশ-হলঘৰটো জিলিকি উঠিল আৰু ল'ৰা-ছোৱালীবোৰৰ

কোনোবাই অচুচ্চ স্বৰেৰে কৈ উঠিল—'সেয়া আমাৰ পাথৰ!"

কাহিনীটো হ'ল এইটো: এবছৰ আগতে মাৰ ছে-টুঙৰ মৃত্যু হোৱাত ল'ৰা-ছোৱালীবোৰে শুনিলে যে পাৰ্টিয়ে তেওঁৰ বাবে এটা স্মৃতি সৌধ নিৰ্মাণ কৰিব ওলাইছে। চীনদেশৰ চাৰিওফালৰ পৰা সকলোৱে সেইটো নিৰ্মাণৰ বাবে বিভিন্ন ধৰণে অৰিহণা দিছে। এই পূৰ্বোল্লেখিত অকণি ৰেড্‌গাৰ্ডইঁতেও তেতিয়া আলোচনা কৰিব ধৰিলে যে সিহঁতেও প্ৰিয়নেতাৰ স্মৃতিৰ অৰ্থে সজা ঘৰটোলৈ কিবা পঠিয়াব লাগিব। বহুত আলোচনা-বিলোচনাৰ মূৰত এজন অকণিয়ে হঠাতে কৈ উঠিল--"আমি বাৰু 'বৰষুণ ফুলৰ পাহাৰ'টোৰ পৰা ৰঙীন শিল গোটাই নপঠিয়াওঁ কিয়?"

বৰষুণ শিলৰ পাহাৰ। সেই পাহাৰটোৰ নামকৰণৰ কাহিনীটো সকলোৱে জানে। নানকিঙৰ চুংঘুৱা গেটৰ বাহিৰৰ পাহাৰটোত হেনো বহুত দিন আগতে এজন বৌদ্ধ সন্ন্যাসীয়ে ধৰ্মবাণী প্ৰচাৰ কৰি থাকোঁতে ওপৰৰ পৰা পুষ্পবৃষ্টি হৈছিল। তেতিয়াৰ পৰা মানুহে সেই পাহাৰটোক 'ইয়ু হুৱা টাই' বা বৰষুণ শিলৰ পাহাৰ নামেৰে মতা হ'ল।

পিছে ল'ৰা-ছোৱালীবোৰৰ বাবে এই পাহাৰটোৰ আন এবিধ তাৎপৰ্যও আছে। ১৯২৭ আৰু ১৯৪৯ চনৰ মাজভাগত যেতিয়া চিয়াং কাইশ্বেকে নানকিঙত শাসন চলাইছিল তেতিয়া সেই পাহাৰটোত হাজাৰ হাজাৰ বিপ্লবীক হত্যা কৰা হৈছিল আৰু সেই শহীদসকলৰ তেজেৰে পাহাৰটোৰ শিলবোৰ ৰঙীন হৈ পৰিছিল। এই বিপ্লবীসকলৰ প্ৰাণৰ আহুতিয়ে আজি চীনদেশৰ সাধাৰণ ঘৰৰ সকলো ল'ৰা—ছোৱালীলৈকে অৰ্থনৈতিক সমতা কঢ়িয়াই আনিছে সেইবাবেই নানকিং অঞ্চলৰ ল'ৰা-ছোৱালীয়ে এই পাহাৰখনক শহীদৰ স্মৃতিস্তম্ভ হিচাপে বিশেষ শ্ৰদ্ধাৰে চায়।

যিহওক, অকণিহঁতে এই সিদ্ধান্তই ললে যে বৰষুণ ফুলৰ পাহাৰৰ আটাইতকৈ ধুনীয়া ৮৩ টা শিল মাওৰ স্মৃতি-স্তম্ভত লগাবলৈ পঠাই দিয়া হ'ব।

চাৰিওপিনৰ পৰা সিহঁতে ধুনীয়া শিল গোটাবলৈ ধৰিলে। অৱশেষত শেষ নিৰ্বাচনৰ দিন আহিল। মাওৰ ফটো এখনৰ আগত সিহঁতে বগা ভাণ্ডৰ পাত্ৰ এটা পানীৰে পূৰ্ণ কৰি ৰাখিলে আৰু ল'ৰা-ছোৱালীবোৰ আহি নিজৰ নিজৰ সৰ্বোৎকৃষ্ট শিলবোৰ তাত ঢালিলে। তাৰপিছত খুব সাবধানে ৮৩ টা শিল বছা হ'ল আৰু ২৬ ডিচেম্বৰৰ মাও ছে-টুঙৰ ৮৩তম জন্ম বাৰ্ষিকীৰ দিনা এটা বাকচত ভৰাই সেই শিলবোৰ সিহঁতে পাৰ্চেল কৰি পঠিয়াই দিলে। লগতে সিহঁতে এটা কবিতাও লেখি পঠিয়ালে—তাৰ সাৰমৰ্ম হ'ল এয়ে যে বৰযুণ পাহাৰৰ সেই অকণি অকণি শিলবোৰৰ প্ৰতিটোৱেই এখনি এখনি ৰক্তাক্ত আৰু একনিষ্ঠ অন্তৰৰ স্বাক্ষৰ বহন কৰিছে, এতিয়া সেই শিলেৰেই ৰেডগাৰ্ড বাহিনীৰ অকণিহঁতে সিহঁতৰ মহান নেতাক সুৰৰিবলৈ স্মৃতিসৌধলৈ পঠিয়াই দিছে।

বসন্ত কালত ল'ৰা-ছোৱালীবোৰে নিৰ্মাণ সমিতিৰ পৰা এই খবৰ পালে যে সিহঁতে পঠোৱা শিলবোৰ মেমৰিয়েল হলৰ উত্তৰৰ প্ৰবেশ-ঘৰৰ প্ৰধান দেৱালখনতে খটুৱাই থোৱা হ'ব।

ডি জিৰ লগত দুঘণ্টা

জানুৱাৰীৰ ১৭ তাৰিখে সন্ধিয়া ৰবীন্দ্ৰ ভৱনত অনুষ্ঠিত হোৱা অসম শিল্পী দিৱসত মুখ্য অতিথি হিচাপে যোগদান কৰা, চিনেমা জগতৰ কিম্বদন্তীত পৰিণত হোৱা শ্ৰীধীৰেন্দ্ৰ নাথ গঙ্গোপাধ্যায়ৰ (যাক ডি জি বুলিয়ে উল্লেখ কৰা হয়) বিষয়ে শ্ৰীদিলীপ হাজৰিকাই আবেগপূৰ্ণ ভাষাৰে দিয়া পৰিচয়ৰ পৰা বহুত নজনা কথাই গম পালো। ভাৰতীয় চিনেমাৰ সেই প্ৰথম অৱস্থাত অভিনেত্ৰীৰ অভাৱত ডি জিয়ে কেনেকৈ নিজৰ পৰিবাৰ কমলা দেবী আৰু জীয়েক মণিকা গাংঙ্গুলীকে চিনেমাত নমাইছিল সেই কথাটো শ্ৰীহাজৰিকাই উল্লেখ কৰাত মোৰ মনৰ দুৱাৰত কিবা এক অতীত স্মৃতিয়ে খুন্দিয়াবলৈ ধৰিলে আৰু তাৰ পিচত সেই ধূসৰ স্মৃতিয়ে স্পষ্ট ৰূপ লৈছিল। আমাৰ সৰু কালত 'দীপালী' নামেৰে এখন বঙালী চিনেমা আলোচনী ওলাইছিল, মই সৰু ছোৱালীৰ চখেৰে তাৰ ছবিবোৰে কাটি এখন এলবাম কৰিছিলো। তাতে এখন ছবি আছিল এজনী ধুনীয়া কিশোৰীৰ, তলত এইদৰে পৰিচয় লিখা আছে "কুমাৰী মণিকা গঙ্গোপাধ্যায়, নিউ টকীজেৰ 'প্ৰায়শ্চিত্ত' চিত্ৰে এই কিশোৰী অভিনেত্ৰীটি অপূৰ্ব নাট্যনৈপুণ্যেৰ পৰিচয় দিতেছেন। পৰিচালনা কৰিতেছেন তাঁহাৰ পিতা শ্ৰীধীৰেন্দ্ৰ নাথ গংগোপাধ্যায়।"

কোৱা বাহুল্য যে সৰুকালিতে পঢ়া এই কথাখিনি মোৰ মুখস্থ নাছিল, কিন্তু ঘটনাক্ৰমে মোৰ হাতত 'দীপালী'ৰ ফটো কাটি কৰা সেই এলবামখন এতিয়াও কেনেবাকৈ অক্ষত অৱস্থাত থাকি গৈছে। শিল্পী-দিৱসৰ পৰা আহি মই সেই খন উলিয়াই চালো আৰু মণিকা গাংগুলীৰ এক পৃষ্ঠাজোৰা ধুনীয়া চেহেৰাৰ ধুনীয়া ফ্ৰক পিন্ধা ছবিখনৰ

তাত এই কথাখিনি পঢ়িলো। সৰু কালত মোৰ বাবে সেই ছবিখনৰ ছায়ালীজনীয়ে কি যে এক আকৰ্ষণ জগাই তুলিছিল।

'জীৱনেৰ ধন কিছুই যাবে না ফেলা'

ৰবীন্দ্ৰনাথৰ কথাষাৰ জীৱনত বহুত বাৰ বহুত ধৰণে মনলৈ অহাৰ দৰে আকৌ এবাৰ মনলৈ আহিল। লৰালিৰ এই চখৰ চিনটোৱে মোক এক ধৰণৰ উৎসাহেৰে টানি নি পিচদিনাই ডি জিৰ ওচৰ পোৱালেগৈ। ১৯৪১ চনৰ জীয়েকৰ এই ছবিখনে এজনী অসমীয়া তিৰোতাৰ হাতত দেখিলে ডি জি নিশ্চয় উৎফুল্লিত হব—সেই ধাৰণাৰে মোৰ চখৰ এলবামখনো লগত লৈ গলো।

ধীৰেন গাংগুলী উৰ্বশী আৰু বিজুলী চিনেমাৰ প্ৰতিষ্ঠাতা স্বৰ্গীয় তিলক দাসৰ ঘৰত আলহী আছিল। তেওঁ ১৯ তাৰিখে কলিকতালৈ ওভোতাৰ কথা। মই তেওঁক ১৮ তাৰিখে পিচবেলা আঢ়ৈ বজাত লগ ধৰিলো। মই ভবামতেই তেওঁ জীয়েকৰ ফটোখন দেখি আনন্দিত হল আৰু তেওঁ লগত অনা মণিকাৰ সেই একে পোছাক পৰিহিত অন্যান্য ফটোও দেখুৱালে। 'প্ৰায়শ্চিত্ত' খনে কিন্তু পিচত 'দাবী' নামেৰেহে মুক্তি লাভ কৰিছিল. তাৰ কাহিনীকাৰ হল বংগৰ স্বনামধন্য সাহিত্যিক শ্ৰীপ্ৰেমেন্দ্ৰ মিত্ৰ, মুখ্য ভূমিকাত অভিনয় কৰিছিল বঙ্গৰ চিনেমা জগতৰ এক উজ্জ্বল তাৰকা ছবি বিশ্বাস আৰু পদ্মা দেবীয়ে।

তাৰ পিচত ডি জিৰ লগত বাৰাণ্ডাত বহি ৰ'দ লৈ ডুঘণ্টা পৰ কথাবতৰা পাতিলো। জীয়েক মণিকাৰ বিয়া হৈছিল বংগৰে সুখ্যাত অভিনেত্ৰী অৰুন্ধতী দেবীৰ ককায়েকৰ লগত—স্বামী দিল্লীৰ কিবা এটা কমিছনৰ চেয়াৰমেন। বিয়াই মণিকা গাংগুলীৰ শিল্পী জীৱনৰ এক প্ৰকাৰ ইতি পেলালে। নহলে ভাৰতৰ 'শাৰ্লি টেম্পল' বুলি খ্যাতি লাভ কৰা মণিকা হয়তো আজি এগৰাকী বিখ্যাত তাৰকা হলহেঁতেন! ইয়াৰ পিচত ডি জিয়ে তেওঁৰে শিল্প-সাধনাৰ জীৱনৰ কিছু কিছু ইতিহাস কৈ শুনালে। তেওঁ বঙ্গদেশৰ এক অতি অভিজাত পৰিয়ালৰ সন্তান। তেওঁৰ ডাঙৰ ককায়েকৰ জীয়েক হল শ্ৰীঅৰুণা

আছক আলী। মাজু ককায়েক সুবিখ্যাত বৈজ্ঞানিক নগেন্দ্র নাথ গঙ্গোপাধ্যায়ে ৰবীন্দ্রনাথ ঠাকুৰৰ জীয়েকক মীৰা দেবীক বিয়া কৰাই-ছিল। ঠাকুৰ পৰিয়ালৰ লগত ডি জি পৰিয়ালৰ নানা ধৰণৰ বৈবাহিক সম্পৰ্ক তেওঁৰ ডাঙৰ জীয়েক পাকলকো ঠাকুৰ পৰিয়ালত বিয়া দিছিল আৰু ডি জিয়ে নিজেও ঠাকুৰ পৰিয়ালত দ্বিতীয়বাৰ বিয়া কৰাইছিল।

আমাৰ এই শতিকাৰ প্ৰথম দশকতে ডি জি 'গৱৰ্ণমেণ্ট স্কুল অৱ আৰ্ট'ৰ পৰা পাছ কৰি উঠিছিল, তেওঁৰ সহপাঠী আছিল যামিনী ৰায় আদি সুখ্যাত চিত্ৰকৰসকল। কিন্তু পাছ কৰি উঠাৰ পিছত তেওঁ যেতিয়া চিনেমা কৰিবলৈ মন মেলিলে, গোটেই পৰিয়ালটো এনে কুৰুচিপূৰ্ণ কামত (?) নামিবলৈ খোজা ল'ৰাটোৰ ওপৰত খড়্গহস্ত হৈ উঠিল। শেষত ডি জিয়ে গৃহত্যাগ কৰিবলৈ বাধ্য হ'ল।

সেই সময়ৰ দৰিদ্ৰাৱস্থাৰ কথা স্মৰণ কৰি তেওঁ মোক কৈছিল যে অখ্যাত এটা গলিৰ সৰু কোঠালী এটা ভাড়া লৈ তেওঁ শুইছিল এখন শুদা পাটিৰ ওপৰত, বহুত সময় সুদা মুৰি খাই দিন কটাইছিল আৰু খোৱা বস্তু কিনা মাটিৰ 'খুৰি'কে মূৰ শিতানৰ গাৰু হিচাপে ব্যৱহাৰ কৰিছিল।

তাৰ পিচত তেওঁৰ ভাগ্যৰ চকৰি ঘূৰিছিল, উৰিষ্যাৰ বামৰা নামৰ কৰদ ৰাজ্য এখনৰ কলিকতাত থকা ৰাজবাড়ীত তেওঁ ডেৰশ টকীয়া ৰাজ-চিত্ৰকৰৰ চাকৰি পাইছিল। সেই সময়ৰ তেওঁ নিজৰ দুষ্টালিৰ ঘটনা এটা ডি জিয়ে মোক হাঁহি হাঁহি বৰ্ণনা কৰিলে! তেওঁ তেতিয়া ৰাজবাড়ীৰ কৰাছী মটৰ গাড়ী এখনত উঠি ঘূৰি ফুৰে। এদিন তেওঁ হেনো আলেখ-লেখ বুজি সেই গাড়ীখন লৈ জোড়াসাঁকোৰ ঠাকুৰ পৰিয়ালৰ ঘৰৰ আগেৰে গৈছিল তেতিয়া তেওঁৰ ককায়েক নগেন গাংগুলী শহুৰেকৰ ঘোড়াচালিত ফিটন গাড়ীত উঠি কৰবালৈ যাবলৈ ওলাইছিল। কিবা জন্তুৰ কোমল ছাল পাতি থোৱা কৰাছী গাড়ীৰ নৰম গাদীত ডি জিয়ে ককায়েকক বহিবলৈ আহ্বান কৰি লৈ আহিছিল আৰু ককায়েকৰ গন্তব্য স্থানত তেওঁক থৈ আহিছিল। এইদৰেই

সিদিনা হেনো তেওঁ লৰালি-সুলভ মনোবৃত্তিৰে এজন ককায়েকৰ ওপৰত প্ৰতিশোধ লৈছিল। বামৰা ষ্টেটৰ অধীনত কাম কৰি থাকোঁতেই তেওঁ কেনেকৈ বাঘৰ দাৰে তেজৰ সোৱাদ জীৱনত প্ৰথমবাৰৰ বাবে পাইছিল তাকো আমোদেৰে বৰ্ণাইছিল। পৰিয়ালৰ তৈল-চিত্ৰবোৰ আঁকিবলৈ তেওঁক নিজ ইচ্ছা মতে ৰং কিনিবলৈ টকা দিয়া হৈছিল। আৰ্টিষ্ট ডি জিয়ে বহুত দিনৰ মূৰত ৰং কিনিবলৈ পাই মনৰ হেঁপাহত বহুত টকাৰ ৰং কিনিছিল। টকা দি আহিবৰ সময়ত দোকানীয়ে তেওঁক কিছু টকা দি কলে যে ইমান টকাৰ ৰং কিনাৰ বাবে সেই কমিছন তেওঁৰ প্ৰাপ্য। টকা ঘটাৰ ডি জিয়ে এটা নতুন পথ দেখিলে। গতিকে এবাৰ মহাৰাণীৰ অলংকাৰ কিনিবলৈ গৈ 'জহুৰী'ৰ পৰা তেওঁ নিজেই কমিছন আদায় কৰি ল'লে!

১৯১৮ চনত তেওঁ হায়দ্ৰাবাদৰ কলা মহাবিদ্যালয়ৰ অধ্যক্ষ নিযুক্ত হৈছিল আৰু তেতিয়াৰ দিনতে দৰমহা পাইছিল মাহে ১৩,০০ কৈ টকা। কিন্তু চলচিত্ৰ নিৰ্মাণৰ আকাংক্ষা তেওঁৰ প্ৰাণত ইমানেই বেছি জাগৰুক হৈ আছিল যে, অৱশেষত তেনেহেন লোভনীয় চাকৰি এটাও ত্যাগ কৰি আহি ডি জি অনিশ্চত ভৱিষ্যতৰ বুকুত জপিয়াই পৰিল। দ্বিতীয়বাৰৰ বাবে তেওঁৰ মূৰত গঞ্জনা আৰু অভিশাপ বৰ্ষণ হল। ডি জিয়ে মোক কৈছিল যে সমাজে তেওঁক ইমানেই ঘৃণাৰ চকুৰে চাইছিল যে তেওঁ বহা চকীখন পৰ্যন্ত মানুহে ধুই লৈ তাৰ পিচতহে ব্যৱহাৰ কৰিছিল।

ইয়াৰ পিচত তেওঁ 'বিলাতফেৰৎ' নামৰ ছবি এখন নিৰ্মাণ কৰিলে। বংগ দেশৰ সেইখনেই প্ৰথম চলচ্চিত্ৰ। তাৰ আগতে দাদাভাই ফালকেই তেওঁৰ 'হৰিশ্চন্দ্ৰ' নামৰ ছবিখন নিৰ্মাণ কৰিছিল, -যিখন প্ৰথম ভাৰতীয় ছবি। 'বিলাতফেৰৎ' এখন ব্যংগ মূলক ছবি আৰু তাত ডি জিৰ অভিনয় দেখি চিত্ৰ-সমালোচক সকলে তেওঁক ভাৰতৰ চাৰ্লি চ্যাপলিন আখ্যা দিছিল। ফালকেৰ দৰে কিন্তু তেওঁ পুৰুষক মহিলা সাজেৰে সজ্জিত কৰি চিনেমাত সুমাব খুজিছিল। আনহাতে

ভদ্র ঘৰৰ অভিনেত্ৰী পায় ক'ত? গতিকে অভিনেত্ৰীৰ সন্ধানত তেওঁ নিষিদ্ধ স্থানবোৰত ঘূৰি ফুৰিবলৈ ধৰিলে। ডি জিৰ ওপৰত আকৌ ঘৃণাৰ বিষ বৰ্ষণ হল। পিছতকৈ, এইদৰেই তেওঁ চুলতানা, সবিতা দেৱী আদি তেতিয়াৰ খ্যাতনামা অভিনেত্ৰী সকলক আৱিষ্কাৰ কৰিছিল।

১৯২২ চনত তেওঁ 'যশোদা-নন্দন' নামৰ ছবিখন নিৰ্মাণ কৰি উলিয়াইছিল আৰু সেইখানে কলিকতাৰ তেতিয়াৰ একমাত্ৰ বঙালী চিত্ৰগৃহ বছা থিয়েটাৰত (এতিয়াৰ 'পূৰ্ণ') মুক্তি লাভ কৰিছিল। ১৯১৮ চনত তেওঁ 'দি ইণ্ডো বৃটিছ ডমিনিয়ন্স ফিল্মছ লিমিটেড' নাম দি নিজৰ চিনেমা কোম্পানী প্ৰতিষ্ঠা কৰিলে। আৰু ৰবীন্দ্ৰনাথ ঠাকুৰ, শৰৎ চন্দ্ৰ চাটাৰ্জী সকলোকে নিমন্ত্ৰণ কৰি আনি তাৰ উদ্বোধন কৰিলে। তেতিয়াৰ বংগ দেশৰ প্ৰায় সকলো খ্যাতনামা অভিনেতা-অভিনেত্ৰীকে তেওঁ চিনেমা কৰিবলৈ আহ্বান কৰি আনিছিল। প্ৰমথেশ বৰুৱাকো তেওঁৱে চিনেমা জগতলৈ মাতি আনে। ভাৰতৰ প্ৰথম সবাক ছবি যাক 'টকি' বোলা হৈছিল—'আলমআৰা'। বংগৰ প্ৰথম সবাক ছবি 'মাসতুতো ভাই' ডি জি নিৰ্মিত এই ছবিখনত অভিনয় কৰি বংগৰ সুখ্যাত চৰিত্ৰাভিনেত্ৰী মলিনা দেৱীয়ে তেওঁৰ অভিনয় জীৱনৰ পাতনি মেলিছিল। এইদৰে ডি জিয়ে মুঠতে ২৫ খন নিৰ্বাক আৰু ২৪ খন সবাক ছবি নিৰ্মাণ কৰে। তেওঁ যেতিয়া অভিনেত্ৰী বিচাৰি চলাথ কৰিছিল, তেতিয়া বহুতেই ব্যংগ কৰি কৈছিল যে তেওঁ নিজৰ ঘৈণীয়েকক চিনেমাত নমায় কিয়? ডি জিয়েও তাকেই কৰিলে, ঘৈণীয়েক কমলা দেৱী আৰু জীয়েক মণিকাক তেওঁৰ চিনেমাত অভিনয় কৰিব দিলে। ডি জিয়ে এনেকী ৰবীন্দ্ৰনাথ ঠাকুৰকো চিনেমাৰ অভিনেতা কৰি পেলাইছিল, সেই চিনেমাখন আছিল ৰবীন্দ্ৰনাথৰে ৰচিত 'তপতী'।

এই সুদীৰ্ঘ ৮৫ বছৰীয়া জীৱনত ডি জিয়ে কত ধৰণৰ কাম যে কৰিছে, তাৰ লেখ-জোখ নাই। সৰুতে তেওঁ শান্তি নিকেতনত পঢ়িছিল। তেওঁ ভাল গান গাব জানে, এস্ৰাজ বজায়, অভিনয়

কৰে, ছবি আঁকে, নিজৰ চিনেমাৰ নিজে বহুতো কাহিনীও ৰচনা কৰিছে, 'মেক-আপ'ত অতিশয় পাৰদৰ্শী। এই 'মেক-আপ'ৰ কথাত ডি-জিৰ মুখত শুনা গল্প এটা মনত পৰিল। এবাৰ হেনো চিনেমা সমালোচক সকলে লিখিলে যে যেয়ে যি ধৰণৰ ছদ্মবেশকে নকৰক কিয়, দিনৰ পোহৰত ধৰা পৰিবই। ডি জিয়ে এই কথা চেলেঞ্জ হিচাপে লৈ এটা পগলাৰ ছদ্মবেশ ধৰি প্ৰমথেশ বৰুৱাৰ ফিল্ম ষ্টুডিওলৈ গল। তাত তেতিয়া প্ৰমথেশ বৰুৱা আৰু উল্লিখিত চিনেমা সমালোচক কেইজনমান আছিল। আটায়ে পগলাজনক খেদাবলৈ বহুত চেষ্টা কৰি নোৱাৰি, কটি অনাই অগত্যা খাবলৈ দিলে। পগলাই কটি খাই থকা সেই ফটোখন মই তেওঁৰ এলবামত দেখিলো। তাৰ পিচত ডি জিৰ কি অট্টহাঁহি আৰু ইফালে ষ্টুডিওৰ প্ৰমথেশ বৰুৱাকে আদি কৰি সকলো হতবাক।

ডি জি ইমানেই সফল ছদ্মবেশ ধাৰণ কৰোতা আছিল যে কলিকতাৰ পুলিচ কৰ্তৃপক্ষই তেওঁক পুলিচ সকলক ছদ্মবেশ শিক্ষা দিয়া শিক্ষকো নিযুক্ত কৰিছিল।

ডি জিয়ে মোক কৈছিল 'মই কেতিয়াও স্থিৰ হৈ থাকিব নোৱাৰো। একো কাম নথাকিলে কিবা নহয় কিবা এটা কাম উলিয়াই লয়েই।' এবাৰ তেওঁ এখন ফিল্মৰ টেক্‌নিকৰ শিক্ষা দিয়া অনুষ্ঠানো স্থাপন কৰিছিল।

এতিয়াৰ ৮৫ বছৰীয়া বৃদ্ধৰ ৰূপতহে আমি ধীৰেণ গাংগুলী মানুহজনক সোশৰীৰে দেখিলো। ডেকা কালৰ নানা ৰূপ দেখিছো ছবিত। সেই ধীৰেণ গাংগুলীৰ চশমাৰ আঁৰত বুদ্ধি-দীপ্ত চকুযোৰ হেনো অনবৰত তিৰবিৰাই থাকিছিল আৰু তাত সদায় খেলি থাকিছিল এক ধৰণৰ কৌতুক। তদুপৰি সেই ডি জিৰ দাড়ি-গোফ একো নাছিল। কিন্তু এতিয়া আমাৰ মাজত পোৱা ডি জিৰ ধপ্‌ধপীয়া বগা চুলি আৰু ধপ্‌ধপীয়া বগা দাড়ি। মই তেওঁ কেতিয়াৰ পৰা দাড়ি ৰাখিলে বুলি সোধাত ক'লে যে ৮১ বছৰ বয়সত অলীক বাবুৰ

ভাও লৈ থিয়েটাৰ কৰাৰ পিচত তেওঁ ঠিক কৰিলে যে এইবোৰ 'মেক-আপ' আৰু কোনো দিন নকৰে, গতিকে দাড়িকে ৰখা যাওক।

এই 'অলিক বাবু'ৰ কাহিনীটোৱেও মানুহৰ মনত ডি জিৰ প্ৰতি সশ্ৰদ্ধ বিস্ময় নজগোৱাকৈ নেথাকিব। মৰিছ চেভেলিয়াৰৰ দৰে বিশ্ব-বিখ্যাত অভিনেতাই ৭১ বছৰ বয়সত ডেকা হ'বাৰ অভিনয় কৰি কলামোদী সকলক চমক খুৱাইছিল, কিন্তু ডি জিয়ে ৮১ বছৰ বয়সত ডেকা অলীক বাবুৰ ভূমিকা লৈ বীণা ঘোষ নামৰ গাভৰু অভিনেত্ৰী গৰাকীৰ বিপৰীতে নায়ক সাজিছিল। মই ডি জিৰ এলবামত সেইজন অলীক বাবুৰ ফটোবোৰ দেখি অতিকৈয়ে বিস্ময় মানিছিলো - ডি জিৰ মেক-আপৰ কি যাদু স্পৰ্শত যে ৮১ বছৰীয়া বৃদ্ধ এজন চৌখিন আৰু চঞ্চল ডেকা এজনলৈ ৰূপান্তৰিত হৈছিল। এই 'অলীক বাবু' নাটক-খন এসময়ত জ্যোতিৰিন্দ্ৰনাথ ঠাকুৰে ফৰাচী নাট্যকাৰ মলিয়েৰৰ ছাঁলৈ লিখিছিল আৰু তেতিয়া সেই নাটকখন অভিনীত হওঁতে ডেকা ৰবীন্দ্ৰনাথে অলীক বাবুৰ ভূমিকাত অভিনয় কৰিছিল।

প্ৰথম অৱস্থাৰ লাঞ্চনা-গঞ্জনাৰ পিচত ডি জিয়ে লাহে লাহে সন্মান আৰু স্বীকৃতি পাবলৈ আৰম্ভ কৰিছিল। বোধহয় ১৯৭২ চনত বংগৰ খ্যাতনামা সাহিত্যিক তাৰাশংকৰ বন্দোপাধ্যায়ে তেওঁলৈ শ্ৰদ্ধাঞ্জলি জনাই নানা কথাৰ ভিতৰত এইখিনি কথাও লিখিছিল— '......যে পথ বাহিয়া আজ সত্যজিৎ ৰায় আসিয়াছেন সেই পথেৰ পিচনে পথ যেখানে সুৰু হইয়াছে, সেখানেৰ দিকে দৃষ্টি ফিৰাইলে আনন্দময়, সুদৰ্শন, প্ৰিয়ভাষী একজনকে দেখি। তিনি ডি জি নামে বিখ্যাত ছিলেন এই শিল্পেৰ প্ৰাৰম্ভ যজ্ঞে। তখন আশে-পাশে লোক ছিল না....'

ওচৰত কোনো নাছিল ডি জি সম্পূৰ্ণ অকলশৰীয়া, তাৰাশংকৰৰ এই কথাষাৰ কওঁতে ডি জিয়ে হাঁহি এটা মাৰি মোক কৈছিল যে অকলশৰীয়া হওঁ আপত্তি নাই, কিন্তু মানুহে মোক অকলে ক'ত শান্তিত কাম কৰিব দিলে—অপযশ অপমানেৰে যে থকা-সৰকা কৰি মাৰিলে ।

চৰকাৰেও এতিয়া তেওঁক নানা ধৰণে সন্মান দিছে, পদ্মভূষণ খিতাপ দিছে, দাদাভাই ফালকেৰ ২০ হেজাৰ টকাৰ বঁটা দিছে। কিন্তু ডি জিৰ মনত দুখ ; মোক কালে যে এতিয়া সুবিধা বহুত পাইছো, গাত শক্তিও আছে, মনত 'আইডিয়াও' আছে, কিন্তু চকুৰ দৃষ্টি ইমান ক্ষীণ হৈ আহিছে যে মোৰ ৫০ নম্বৰৰ চিনেমাখন বোধহয় আৰু নিৰ্মাণ কৰি যাব নোৱাৰিম।

এইজনেই হল এইবাৰৰ শিল্পীদিৱসৰ মুখ্য অতিথি শ্ৰীধীৰেন্দ্ৰনাথ গঙ্গোপাধ্যায় 'বিলেতফেৰত'ৰ অভিনয়ৰ পিচতে যাৰ জনপ্ৰিয় নাম হয় ডি জি। সুন্দৰভাৱে পোছাক পিন্ধি তেওঁ ৰবীন্দ্ৰভৱনৰ ৰংগমঞ্চত উঠি ডেকা মানুহৰ দৰে উদ্দীপ্ত কণ্ঠেৰে বক্তৃতা দিলে, ৰবীন্দ্ৰ সংগীতৰ কলি কেইটামান গাই শুনালে (সুন্দৰ পোছাকৰ প্ৰসংগত ডি জি সম্পৰ্কে আৰু এটা কথা জনাবৰ মন গল—তেওঁ অতি চৌখীন বুলি নাম আছে, তেওঁ দিনত বহুবাৰ পোছাক সলনি কৰিছিল আৰু তেতিয়াৰ দিনতেই হেনো তেওঁৰ পঞ্চাশযোৰা জোতা আছিল !) তেওঁক শ্ৰদ্ধা জনাবলৈ আমি সমূহ দৰ্শকে যেতিয়া থিয় হৈছিলো তেতিয়া বহুতৰ ক্ষেত্ৰত হোৱাৰ দৰে মনত কোনো আপত্তিৰ ভাবতো জগা নাছিলেই, বৰং এনে এজন অসাধাৰণ গুণী মানুহক শ্ৰদ্ধা জনাই আনন্দ লাভ কৰিছিলো।

এইবাৰ বহুতেই এইদৰে কোৱা কাণত পৰিছে যে যোৱা বছৰৰ দৰে এইবাৰৰ শিল্পী দিৱসৰ 'গ্ৰেমাৰ' নহল, কাৰণ শশীকাপুৰ, শাবনা আজমীইত নাহিল। মই ভাবিছো– ভাৰতীয় চিনেমা জগতত ডি জিৰ দৰে 'প্ৰকৃত গ্ৰেমাৰ' বাৰু কেইজনৰ আছে ? ডি জিক নিমন্ত্ৰণ জনাই অনাৰ বাবে মই পিছে শিল্পীদিৱসৰ উদ্যোক্তা সকলক ধন্যবাদ জনাইছো। আমাৰ জ্যোতিপ্ৰসাদ আগৰৱালাই চিনেমা কৰিবলৈ কি সাধনা কৰিছিল আমি আটায়ে জানো—গতিকে সেইজন শিল্পীৰ স্মৃতিত শ্ৰদ্ধা জনাবলৈ ডি জিৰ বাহিৰে উপযুক্ত মানুহ আৰু খুব কমেই আছে !

—দৈনিক অসম, ২৩ জানুৱাৰী ১৯৭৭ চন

প্ৰবাসী লেখক ভি. এছ. নাইপুল

আমি ভাৰতীয় পাঠকসকলে ভি. এছ. নাইপুলক বিশেষকৈ জানো সাংবাদিকৰ কঠোৰ অনুসন্ধিৎসাৰে লেখা তেওঁৰ ভাৰত সম্পৰ্কীয় "An Area of Darkness" নামৰ কিতাপ এখনৰ বাবে। কিন্তু বহুত সমালোচকৰ মতে তেওঁ হ'ল আধুনিক বৃটেনৰ সৰ্বশ্ৰেষ্ঠ ঔপন্যাসিক। যোৱা ১৩ বছৰৰ ভিতৰত তেওঁ ১৪ খন গ্ৰন্থ প্ৰকাশ কৰিছে আৰু তেওঁৰ সতীৰ্থ সকলৰ ভিতৰত আটাইতকৈ বেছি সাহিত্যিক পুৰস্কাৰ লাভ কৰিছে।

৪৫ বছৰীয়া সাহিত্যিক নাইপুলে বৰ্তমান লণ্ডন এৰিগৈ বাস কৰিছে চেলিছবেৰীৰ নিৰ্জন প্ৰান্তৰৰ চিৰ ৰহস্যময় প্ৰস্তৰখণ্ডেৰে গঠিত বিখ্যাত ষ্টʼনহেঞ্জʼৰ নিচেই কাষতে; উইল্টশ্বায়াৰৰ কটেজ এটা ভাড়া লৈ থকা লেখকজন কিন্তু ভাৰতৰ গঙ্গা উপত্যকাৰ লোক, জন্ম তেওঁৰ ত্ৰিনিদাদত, পাছপৰ্ট হʼল বৃটিছ। পিছে নাইপুলে নিজে নিজৰ বিষয়ে এইদৰে কয়—"মই হʼলো এনে এজন লেখক যাৰ অতীত নাই, পূৰ্বপুৰুষ নাই আৰু কোনো ঐতিহ্য নাই।"

ভি. এছ. নাইপুলৰ শেহতীয়া বিতৰ্কমূলক কিতাপখন হʼল "India : A Wounded Civilization," নাইপুলে এক সাক্ষাৎ প্ৰসংগত এই কিতাপখন সম্পৰ্কে কৈছে যে এহেজাৰ বছৰ আগতে মুছলমানসকলে ভাৰতবৰ্ষ আক্ৰমণ কৰাৰ পিছৰে পৰা এই দেশখনে নিজদেশৰ দাৰিদ্ৰ্যৰ বিৰুদ্ধে যুঁজাতকৈ এই দাৰিদ্ৰ্যক মহীয়ান কৰি তোলাৰ বাবেহে মুছলমান ধৰ্মৰ আধ্যাত্মিক দৰ্শন গ্ৰহণ কৰিছে। মুছলমানসকলৰ সুদীৰ্ঘ আৰু বৃটিছসকলৰ ১৫০ বছৰীয়া ৰাজত্বৰ পিছত ভাৰতবৰ্ষই ১৯৪৭ চনত স্বাধীনতা লাভ কৰিলে, অথচ আজি তিনিটা দশক পাৰ হৈ যোৱাৰ পিছতো "হিন্দুৰ প্ৰশান্তি মানব হত্যাকাৰীৰ

নামান্তৰ হৈয়ে ৰ'ল ।"

ৰাজনৈতিক ৰক্ষণশীলতাৰ প্ৰতি ঘোৰ অসহিষ্ণু নাইপুলে 'তৃতীয় বিশ্ব'ৰ দেশবোৰক প্ৰগতিশীল বুলি নকৈ ক্ষয়িষ্ণু আখ্যাহে দিব খোজে । A Wounded Civilization আৰু An Area of Darknessত তেওঁ নিজৰ পূৰ্বপুৰুষৰ দেশখনৰ বিষয়ে অতি আপোচহীন নিৰাশাবাদেৰে মন্তব্য দিছে এই বুলি—"হিংসা আৰু নিষ্ঠুৰতা, যৌথ স্মৃতিভ্ৰংশতা আৰু আধ্যাত্মিক শূন্যতাৰ দেশ ।" তেওঁৰ মতে তৃতীয়া দেশবোৰৰ এইদৰে আশাকৰাৰ কোনো অধিকাৰ নাই যে আন ধনী দেশবোৰে তেওঁলোকৰ বিষয়ে বেছি সংবেদনশীলভাৱে চিন্তা কৰিব লাগে । নাইপুলে কয়—'শোষণৰ বিষয়ে বাকচাতুৰ্যপূৰ্ণ বহুত বাজে কথা কোৱা হৈছে । কিন্তু বয়স বাঢ়ি অহাৰ লগে লগে মোৰ পৰাজিত, তুচ্ছ, ঘৃণনীয়, অলস আৰু পৰমুখাপেক্ষীসকলৰ প্ৰতি সহানুভূতি ক্ৰমাৎ হেৰাই আহিছে ।"

এশ বছৰৰ আগতে নাইপুলৰ পূৰ্বপুৰুষ ট্ৰিনিদাদলৈ গৈ প্ৰবাসীৰ জীৱন আৰম্ভ কৰিছিল, কিন্তু সমস্ত শৈশৱকাল জুৰিয়ে ভাৰতবৰ্ষ আৰু ইয়াৰ ঐতিহ্যই তেওঁক ছায়া হৈ খেদি ফুৰিছিল । ট্ৰিনিদাদৰ 'গৰ্ডিয়েন' নামৰ কাকতৰ সাংবাদিক নাইপুলৰ দেউতাকৰ প্ৰবল আকাংক্ষা আছিল সাহিত্যিক হোৱাৰ ; তেওঁৰ সেই সপোন পূৰ্ণ কৰিলে দুয়োজন পুতেকেই । (তেওঁৰ সৰু পুত্ৰ শিৱ নাইপুলো সাহিত্যিক, অলপতে তেওঁ ভাৰত ভ্ৰমণ কৰি লণ্ডনলৈ উভতি গৈছে ।)

ভি এছ নাইপুলে ১৯৫০ চনত ১৭ বছৰ বয়সত অক্সফ'ৰ্ডলৈ গৈ তাৰ ইউনিভাৰ্ছিটি কলেজত নাম লিখায়, আৰু তাৰ পাঁচ বছৰ পিছত সহপাঠিনী পেট্ৰিচিয়া হেলক বিয়া কৰায় । প্ৰায় তেতিয়াৰে পৰা তেওঁ জীৱিকাৰ বাট উলিয়াইছে সাংবাদিকতাৰ মাধ্যমেৰে আৰু পিছত লেখাৰ মাধ্যমেৰে ।

ইংৰাজ ঔপন্যাসিক জোছেফ কনৰাড আৰু গ্ৰেহাম গ্ৰীণৰ দৰে নাইপুলেও তেওঁ ভ্ৰমণ কৰি অহা ঠাইবোৰৰ বিষয়ে লেখোঁতে সামান্যও

আপোচৰ চিন নোদেখুৱায়। তেওঁৰ এই কমাহীন মনোবৃত্তি ফুটি উঠে আফ্ৰিকা ভ্ৰমণৰ পিছত ব্যঙ্গাত্মক নামকৰণেৰে লেখা—'In a Free State', ওৱেষ্ট ইণ্ডিজৰ বিষয়ে লেখা 'The Mystic Masseur, লণ্ডনৰ বিষয়ে লেখা—'Mr. Stone and the Knights Companion'।

লেখি লেখি ভাগৰি পৰা, নাইপুলে তেওঁৰ অৱসৰ সময় কটায় জুহালৰ গুৰিত পাইপ হুঁপি আৰু কিতাপ পঢ়ি, লগতে ইয়াৰ পিছত কোন দেশলৈ ফুৰিবলৈ যাব তাৰো আঁচনি কৰে (তেওঁ ফুৰিবলৈ যোৱা মানেই আৰু এখন কিতাপৰ সমল গোটোৱা)। কিতাপ লেখা কামটো কিমান ক্লান্তিকৰ এই সম্পৰ্কে নাইপুলে কয়—"এখন কিতাপ মগজৰ ভিতৰত কঢ়িয়াই লৈ ফুৰাটো বৰ ডাঙৰ কথা।"

নাইপুলে লণ্ডনৰ সাহিত্যিক গোষ্ঠীৰ লগত সংশ্ৰৱ এৰাই চলিলেও তেওঁৰ ঘনিষ্ঠ বন্ধুত্ব আছে পল থেৰো আৰু এন্থনি পাওৱেলৰ লগত। কিন্তু তেওঁ কয়—"লেখা কথাটো এক বিশেষধৰণৰ ব্যক্তিগত কাম হিচাপে ল'ব লাগে। লেখকসকলে পৰস্পৰক বৰ বেছি লগ ধৰিব নালাগে। তেওঁলোকে আন সকলোতকৈ বেছি জানিব লাগিব, বেচি অনুভৱ কৰিব লাগিব আৰু চিন্তা কৰিব লাগিব। একেবাৰে জনজাতীয় অৰ্থতে তেওঁলোকে জ্ঞানীলোকৰ ভূমিকা ল'ব লাগিব।"

—সাপ্তাহিক নীলাচল, ১৫ মাৰ্চ, ১৯৭৮ চন

মহিলা দশকৰ ভাবনা

এগৰাকী হৰিজন মহিলাক কোনোবা উচ্চবৰ্ণৰ হিন্দুৱে ধৰ্ষণ কৰিবলৈ ওলোৱাত তেওঁ বাধা দিওতে হাত দুখন কাটি পেলাইছিল সেই দুৰ্বৃত্তই। নীচ জাতি বুলি হৰিজনসকলৰ ওপৰত ভাৰতৰ কেতবোৰ ৰাজ্যৰ উচ্চবৰ্ণৰ হিন্দুৰ ঘৃণা আৰু অত্যাচাৰৰ সীমা নাই। কিন্তু সেই হৰিজন মহিলাৰ দেহ উপভোগ কৰাত পবিত্ৰ জাতিৰ পুৰুষসকলৰ' কোনো ঘৃণা নোপজে—অৰ্থাৎ তেওঁলোকৰ স্বাৰ্থ আৰু সুবিধা অনুযায়ীয়ে অস্পৃশ্যতাৰ নীতি নিৰ্দ্ধাৰণ কৰা হয়। যি হৰিজন মহিলাৰ হাতৰ স্পৰ্শ লগা পানী তেওঁলোকে গ্ৰহণ নকৰে, সেই হৰিজন তিৰোতাৰ দেহ স্পৰ্শ কৰি কিন্তু উচ্চবৰ্ণৰ হিন্দুসকল অপবিত্ৰ নহয়—ভাৰতীয় ভণ্ডামিৰ বিভিন্ন দিশৰ ইও হ'ল আন এক চমৎকাৰ উদাহৰণ!

ৰাষ্ট্ৰসংঘৰ নাৰী দশকৰ বৰ্ষবোৰ অতিবাহিত হৈ গৈ আছে। শোষিত নাৰীসকলৰ সকলো দিশতে সমান অধিকাৰৰ দাবী ঘোষণা কৰিছে ৰাষ্ট্ৰসংঘই। এই অভিযানৰ প্ৰথম দফাৰ নাৰীবৰ্ষৰ অভিবৰ্তন আদি ১৯৭৬ চনতে অসমত পালিত হৈ গ'ল। চৰকাৰে হেনো তাত প্ৰচুৰ অৰ্থ ঢালিছিল। সেই সময়ত মহিলাসকলৰ উন্নতি কল্পে কি কাম-কাজ সাধিত হৈছিল নেজানো, বিশেষকৈ গাঁৱত বাস কৰা অসমৰ গৰিষ্ঠসংখ্যক মহিলাৰ বাবে কিবা কৰা হৈছিল নেকি তাক একেবাৰেই নেজানো; কিন্তু জানো যে এতিয়াও আমাৰ গাঁৱৰ বহুতো মহিলা নানা দিশত অত্যাচাৰিত আৰু অবহেলিত। এতিয়াও আমাৰ মহিলা কৰ্মীয়ে পুৰুষৰ সমানে কাম কৰিও পুৰুষতকৈ কম হাজিৰা পায়।

তথাপি এটা কথা স্বীকাৰ কৰিবই লাগিব যে ভাৰতৰ অন্যান্য বহুতো ৰাজ্যৰ মহিলাতকৈ আমাৰ অসমৰ মহিলা কম অত্যাচাৰিত;

মই কেতিয়াবা ভাবোঁ যে শিপিনীৰ দেশ অসমৰ জীয়ৰী গাভৰুৱে এক প্ৰকাৰৰ অৰ্থনৈতিক স্বাধীনতাৰ মাজত আছিল বাবেই তেওঁলোকক সমাজে অলপ সমীহ কৰি চলিছিল নেকি ? সি যি কি নহওক, অসমৰ মহিলা আন নহলেও চুবুৰীয়া ৰাজ্য বঙ্গৰ মহিলাতকৈ সহস্ৰগুণে ভাগ্যৱতী বিশেষকৈ অতীত কালৰ তুলনাত। কেতিয়া সেই-ৰাজ্যৰ তিৰোতাই গৌৰীদান, কুলীন প্ৰথা, সতীদাহ আদিৰ পুৰুষ আৰোপিত নৃশংস, বৰ্বৰ নীতিৰ নিষ্পেষণত যি সমুদ্ৰ সমান চকুলো আৰু তেজ বৰ্ষণ কৰিবলগীয়া হৈছিল—তাৰ উদাহৰণ বোধহয় পৃথিবীৰ ইতিহাসত বিৰল।

এই সোঁৱৰণী প্ৰবল হৈছে ধাৰাবাহিকভাৱে পঢ়ি থকা উপন্যাস এখনত এজনী তিৰোতাৰ ওপৰত কৰা অত্যাচাৰৰ বৰ্ণনা পঢ়ি। উনৈশ শতিকাৰ মাজভাগত বঙ্গত তিৰোতাৰ ওপৰত কি ধৰণৰ অত্যাচাৰ চলিছিল, লঘু পাপত তেওঁলোকক কি গুৰুদণ্ড বিহা হৈছিল সেই বৰ্ণনাৰ ভাগ পাঠককো অলপ দিয়াৰ লোভ সামৰিব নোৱাৰিলোঁ। (অৱশ্যে যি পাঠকে 'দেশ' সাপ্তাহিকত সুনীল গংগোপাধ্যায়ৰ 'সেই সময়' নামৰ উপন্যাসখন পঢ়িছে তেওঁলোকে এই কাহিনী জানে); এই বৰ্ণনা পঢ়ি পাঠকে বুজিব অসহায়া তিৰোতাসকল কি ধৰণে বলি হৈ আহিছে পুৰুষ শাসিত সমাজত :

....."মাতুৰ (ছোৱালীজনী কলিকতাৰ এক ধনী সম্ভ্ৰান্ত পৰিয়ালৰ দাসী অন্যান্য দাস-দাসীৰ লগত তায়ো তলৰ মহলত বাস কৰে—যি মহলৰ লগত ওপৰৰ গৃহস্থ বা গৃহস্থনীৰ কোনো সম্পৰ্ক নাই) ওঠৰ উনৈশ বছৰ বয়স, হাতত লোৰ বালা নাই আৰু থান কাপোৰৰ শাৰী পিন্ধে বাবে বুজা যায় যে তাই বিধবা, সেই মাতু এদিন ধৰা পৰি গ'ল। তাইৰ পেট হৈছে, তাই হেনো বাগানত বহি ভঙা মাটিৰ চৰুৰ টুকুৰা মৰমৰ কৰি চোবাই খাইছিল। তেতিয়া হ'লেতো আৰু কোনো সন্দেহেই নাই। ছোৱালীজনী গভীৰ পানীৰ মাছ, ইমান দিনে কোনেও একো গমকে পোৱা নাছিল।

ইফালে আকৌ আনক দেখুৱাই একাদশীৰ দিনা উপবাসো কৰা হয়!

সন্ধ্যাবেলা দেৱালৰ আৰু তিছিৰ তেলৰ লেমবোৰ জলোৱাৰ আগতেই অন্ধকাৰ দালানত সোহাগবালাই এডাল শকত ৰছি আনি দুজন ভৃত্যক ক'লে ওইঁতে এইডাল দুইমূৰে ধৰ।

তাৰপিছত মাতুক ক'লে "এইবাৰ জাপ মাৰ। এফালৰ পৰা জপিয়াই সিফালে পৰ।"

মাতুৰ মধ্যপ্ৰদেশ তেতিয়া দস্তুৰমত ফাঁং। গমনাগমন আলস্যৰে ভৰা। তাই হাউমাউ কৰি কান্দি কলে "মই নোৱাৰোঁ, নোৱাৰোঁ, গোমস্তা মা, তোমাৰ ভাৰত পৰিছো।"

সোহাগবালাই ক'কালত হাত দি থিয় হৈ সেই এন্ধাৰতো যেন চকু জ্বলাই ক'লে "কোবাই তোৰ বিষ বাহিৰ কৰি পেলাম! হাৰামজাদী, তোৰ লাজ নেলাগে? আকৌ কথা! জাঁপ মাৰ বুলি কৈছো নহয়, মাৰ জাঁপ।

মাতুৱে তেতিয়াও দ্বিধা কৰি আছে দেখি সোহাগবালাই নিজেই মাতুৰ গালত ঠাচঁ ঠাচঁ কৰি দুটা চৰ মাৰিলে।

শাৰী পিন্ধি জপিওৱা সুবিধা নহয় বাবে মাতুক আগতেই উলংগ কৰা হৈছে, এই এন্ধাৰত কোনেও নেদেখে, গতিকে লাজৰ একো নাই। আৰু কেইবাৰমান চৰ-চাপৰ খোৱাৰ পিছত তাই বাধ্য হৈ জাঁপ মাৰিবলৈ আৰম্ভ কৰিলে। সোহাগবালাই গণিব ধৰিলে এক, দুই, তিনি……।

ভৃত্যসকলক আগতেই শিকাই থোৱা হৈছিল। প্ৰথমতে তলত ধৰি থকা ৰছীডাল অলপ অলপকৈ ওপৰলৈ তোলা হ'ল। আৰু মাজে মাজে হঠাৎ অলপ বেছিকৈ ওপৰলৈ উঠাই দি মাতুৰ ভৰিত লগাই দিবলৈ ধৰিলে যাতে তাই আঁছাৰ খাই মাটিত পৰি যায়। তাই তেনেকৈ পৰিও যায় আৰু সকলোৱে হাঁহি দিয়ে।

এদিন বাদ দি এদিনকৈ প্ৰায় এপষেক কাল এই ব্যায়াম প্ৰক্ৰিয়া চলিল। প্ৰথমদিনা কুৰিবাৰ, পিছৰ দিনা পঁচিশবাৰ, তাৰ পিছৰ

দিনা ত্ৰিশবাৰ—এইভাবেই বাঢ়ি গৈ থাকিল। কিন্তু ইমান কৰিও একো নহ'ল, মাতুৰ পেটটো হে গমগ্ৰৰৰ কোমোৰাৰ দৰে ক্ৰমেই প্ৰকাণ্ড হ'বলৈ ধৰিলে। সোহাগবালাই মাতুৰ সেই চাইত হাত দি অনুভৱৰ দ্বাৰা বুজি পায় যে মাককথাইতী সন্তানটোৱে বেছ লৰ-চৰ কৰি আছে।"

ইয়াৰ পিছত মাতুৰ পেটৰ সন্তানটোক নষ্ট কৰিবলৈ যিটো চেষ্টা চলোৱা হৈছিল, উল্লতি সুদীৰ্ঘ হোৱাৰ ভয়ত তাক হুবহু তুলি নিদি সংক্ষিপ্তভাৱে জনাও: সেই বৃহৎ পৰিবাৰৰ ভাতৰ মাৰৰ প্ৰকাণ্ড ভৰা চৰিয়া এটা মাতুৱে ঘৰৰ পিছফালে নি সদায় পেলাই দিব লগীয়া হৈছিল—আশা, ইমান ভৰা চৰিয়াৰ পৰাগে ভাতৰ মাৰ উচলি পৰিবই আৰু তেতিয়া হাত পিছলি পৰি মাতুৰ যি দুৰ্ঘটনা ঘটিব তাৰ বলতে মাতুৰ পেটৰ পাপৰ বিনাশ হ'ব। কিন্তু সেই আশাও ফলবতী নহ'ল মাতুৰ অতি বেছি সাৱধানতাৰ বাবে। গতিকে শেষ মোক্ষম ব্যৱস্থা কি লোৱা হ'ল তাক পুনৰ উল্লত নকৰিলে পাঠকে সেই নাৰকীয় কাহিনীৰ মৰ্মন্তুদ পৰিণতি গভীৰভাৱে উপলব্ধি কৰিব নোৱাৰিব।

গৃহস্থৰ যদি কাণত পৰে যে ঘৰত এজনী বিধবা তিৰোতাই এনে অধৰ্ম কৰিছে, তেওঁলোকে সোহাগবালাকেই দোষাৰোপ নকৰিব নে? সেই "দেয়াসিনী'ৰ দৰৱ আগতেও সোহাগবালাই পৰীক্ষা কৰি চাইছে, ফল একেবাৰে অব্যৰ্থ। ভৃত্যজনে গছৰ কিছু শিপা আৰু ধঁপাতৰ দৰে কেইটামান ক'লা ক'লা বড়ী লৈ আহিল। সকলোবোৰ একেলগে বাটি খুৱাব লাগিব আৰু সোৱাদ হ'বলৈ তাত অলপ গুৰ মিহলাই খুৱাব লাগিব। অকল এইখিনিৰ বাবেই দাম দিব লগীয়া হ'ল নগদ তিনিটা টকা।

মাতুক কেইদিনমান চকুৱে চকুৱে ৰখা হৈছিল, তথাপিও এদিন তাই পলাই গৈ পুখুৰী পাৰত বহি আছিল। তাৰপৰা ধৰি আনি তিনি চাৰিজনে মিলি তাইক মাটিত হেঁছা মাৰি শুৱাই দিছিল আৰু দুজনে জোৰ কৰি তাইৰ মুখ মেলি সেই কাথ সুমুৱাই দিছিল।

সোহাগবালাই কৈছিল—"আৰু কোনো ভয় নাই, শুই থাক, কালি পুৱাতেই পেট খালাচ হৈ যাব, দুদিন পিছতেই আকৌ কামকাজ কৰিব পাৰিবি।"

সেই ৰাতিয়েই মাতুৰ মৃত্যু হৈছিল। মুখেৰে এটা অদ্ভুত গোঁ গোঁ শব্দ কৰি তাই প্ৰায় ৩ ঘণ্টা মজিয়াত বাগৰি আছিল, শেষৰ পিনে তাই ধৰ্ফৰ কৰি কৰি কৈছিল—"হেৰা, মোক অলপ বাহিৰলৈ লৈ যোৱা, মই নাকত বতাহ পোৱা নাই। হেৰা "

মাতুৰ কাহিনীটো লেখি থকাৰ লগে লগে হঠাৎ মোৰ মনলৈ আহিল কিছুদিন আগতে মহিলা ডাক্তৰ এগৰাকীয়ে কোৱা প্ৰায় এনেধৰণৰ ঘটনা কিছুমানৰ কথা। এই ঘটনাবোৰ ঘটি আছে আমাৰ অসমৰ গাঁৱে-ভূঞেও আৰু আটাইতকৈ ডাঙৰ কথা যে ঘটি আছে এতিয়াও। কুমাৰী কালত বা বিধবা হোৱাৰ পিছত সন্তানসম্ভবা হোৱা বহুতো ভাবী মাতৃৰ অবৈধ সন্তানক গাঁৱলীয়া ঔষধ-পাতি প্ৰয়োগ কৰিও যেতিয়া বিনাশ কৰিব পৰা নেযায়, তেতিয়া শেষ মুহূৰ্তত তেনে গৰ্ভৱতী তিৰোতাক চহৰৰ হাস্পাতাললৈ অনা হয় বাধ্য হৈ। কিন্তু বেছিভাগ সময়তে বচাব পৰা নাযায় আৰু অকথ্য যন্ত্ৰণাৰ মাজত সেই পাপিনীৰ মৃত্যু হয়—তেতিয়া হয়তো সেই পাপৰ অন্যজন অংশীদাৰ পুৰুষগৰাকী নিশ্চিন্ত নিৰ্ভাবনাৰে সুস্থ শৰীৰেৰে গাঁৱত ঘূৰি ফুৰে।

কিন্তু গাঁৱতে বা কিয়, চহৰতো ঘূৰি ফুৰিব পাৰে সেই পুৰুষ আৰু তেওঁ অতি গণ্যমান্য ব্যক্তিও হ'ব পাৰে। মোৰ নিজৰে ব্যক্তিগত অভিজ্ঞতাৰ কথা। গৃহস্থৰ কৰ্মস্থান আধা গাওঁ আধা চহৰ হেন ঠাই এখনত থাকোঁতে দেখিছিলোঁ যে কিছুমান স্থানীয় বিচাৰৰ বাবে চহৰৰ হাকিম সেই ঠাইলৈ গৈ তাৰ ডাক বাংলাত থাকে। কেতিয়াবা বাদী বা বিবাদী হ'ব লগা হয় তিৰোতাও। তেতিয়াই প্ৰত্যক্ষ কৰিছিলোঁ যে তেনে বহুত অসহায়া তিৰোতাই ৰাতি আহি সেই বিচাৰকৰ অংকশায়িনী হৈ সুবিচাৰৰ আশাত অইন ধৰণৰ মাচুল দিব লাগে। তাৰ

বাহিৰেও দেখিছিলোঁ বঙলাত থাকিবলৈ অহা নানা ধৰণৰ বিষয়াক নানা কামৰ খাতিৰত গাঁৱৰ দুখীয়া বিধবা বা জীয়ৰীক ৰাতিৰ বাবে দি থৈ যাব লাগে। তাৰপিছত এসময়ত এনেবোৰ নাৰীৰ কিছুমানেই হয়তো অবৈধ সন্তানক বিনাশ কৰিব নোৱাৰি নিজে মৃত্যুমুখত পৰে।

এনেবোৰ ঘটনা অসমৰ গাঁৱে-ভূঞে এতিয়াও যে ঘটি আছে বাতৰি কাকত পঢ়া সকলো বাইজেই জানে। বৰপেটাৰ ধুমাৰকুৰৰ ঘটনাৰ সংক্ৰান্তত 'সদৌ অসম ছাত্ৰ সন্থাৰ' যিকেইজন ছাত্ৰনেতাই গৈ সেই ঘটনাৰ খা-খবৰ সংগ্ৰহ কৰি আনিছিল তেওঁলোকৰ ৰিপৰ্টৰ কিছু অংশ উদ্ধৃত কৰি দিলোঁ (স্থানাভাৱত তেওঁলোকৰ ৰিপৰ্টটো 'নীলাচল'ত প্ৰকাশ কৰিব পৰা হোৱা নাছিল): "মাজে মাজে ঘৰৰ মুৰব্বী নথকা অৱস্থাত ঘৰত সোমাই তিৰোতা ছোৱালীৰ ওপৰত পাশবিক অত্যাচাৰ কৰাৰ অভিযোগো ৰাইজে আনিছে। এই ঘটনাৰ কেইদিনমান আগতে মাজ নিশা কহৰাৰ দুখীয়া মাক-জীয়েক থকা ঘৰ এটাৰ দুৱাৰ ভাঙি পুলিছ বিষয়াই গুণ্ডাসহ ঘৰত প্ৰবেশ কৰি সৰু ছোৱালীজনীক বিভলভাৰ টোঁৱাই ভয় দেখুৱাই মাক-জীয়েকৰ ওপৰত অত্যাচাৰ চলায়।

মাতুৰ কাহিনী লেখিবৰ সময়ত ভাব হৈছিল—তাৰ কাল বেলেগ আৰু স্থান হ'ল অন্য অন্ততঃ অসম নহয়। কিন্তু এটাৰ পিছত এটাকৈ উপৰুক্ত ঘটনাবোৰৰ সোঁৱৰণ মনলৈ অহাৰ লগে লগে মোৰ মনত স্থান কাল পাত্ৰ একাকাৰ হৈ গ'ল ..। মাতুইতে মৰিও উদ্ধাৰ নেপালে। আমাৰ দেশত সিহঁতৰ বাৰবাৰ জন্ম হৈছে, বাৰবাৰ সিহঁতৰ তেজ আৰু চকুলোৰ সোঁতে দেশৰ মাটি বুৱাই পেলাইছে।

নাৰীৰ সমান অধিকাৰৰ বাবে, তেওঁলোকৰ ওপৰত শোষণৰ বিৰুদ্ধে ৰাষ্ট্ৰসংঘই যি দহ বছৰীয়া আঁচনি গ্ৰহণ কৰিছে তাৰ মধ্যবৰ্ত্তী-কালীন অভিযান উপলক্ষে অসমতো কেইবোৰ আঁচনি গ্ৰহণ কৰা হৈছে। এই মাহৰ শেষৰ পিনে নাৰীৰ শিক্ষা, স্বাস্থ্য আৰু কৰ্ম-নিযুক্তিৰ ওপৰত আলোচনা চলাবলৈ এখন ছেমিনাৰৰ আয়োজন কৰা

হৈছে। চেমিনাৰত নিশ্চয় অতি সাৰুৱা কথা আলোচিত হ'ব, উৎকৃষ্ট পৰামৰ্শ আৰু প্ৰস্তাৱ আগবঢ়োৱা হ'ব —কিন্তু কাৰ্যক্ষেত্ৰত তাৰ সফল ৰূপায়ণ হ'বনে ? সকলোতকৈ ডাঙৰ কথা—অসমৰ গাঁৱেঘৰে বাস কৰা আৰু নানা দিশত শোষিত হোৱা অসমৰ এক বিৰাট সংখ্যক মহিলা কিমানদূৰ লাভৱান হ'ব ? কিন্তু এটা কথা ঠিক যে এই গৰিষ্ঠ সংখ্যক মহিলাৰ ক্ষেত্ৰত 'মহিলাৰ বাবে কাম-কাজৰ জাতীয় আঁচনি'-খন সফল নহ'লে চেমিনাৰ বা আন সকলো উদ্যোগ ফুটুকাৰ ফেন বুলি পৰিগণিত হ'ব গতিকে স্বাস্থ্য, কৰ্মসংস্থান, শিক্ষা আদি নানা দিশত নিযুক্ত চৰকাৰী চাকৰিয়ালৰ নিষ্ঠাৰে কৰ্তব্য পালন কৰা প্ৰয়োজন যিটো আমাৰ দেশত অতি বিৰল আমাৰ মানুহৰ 'উৎসৰ্গিত প্ৰাণ' মনোভাৱৰ অভাৱৰ কাৰণে। কিন্তু চৰকাৰী বিষয়াৰ লগতে আমাৰ মহিলা সমাজকৰ্মী সকলৰো প্ৰবল নৈতিক দায়িত্ব আছে। চহৰত নানা ধৰণৰ মহিলা সংঘবোৰ যে সংগঠিত হৈছে, তেওঁলোকে চিলাই, বন্ধা-বঢ়া আদিৰ দৰে মান্ধাতা-যুগীয় কাম-কাজ বাদ দি দেশৰ গৰিষ্ঠ সংখ্যক লোকৰ প্ৰকৃত উপকাৰত অহা কাম-কাজৰ বাবেহে নিবেদিত প্ৰাণ হোৱা উচিত। যি দেশৰ মানুহৰ শতকৰা ৭০ ভাগেই দাৰিদ্ৰ্য সীমাৰেখাৰ তলত বাস কৰে, তাত সংঘ, সন্থা আদিয়ে মহিলা সকলক বিভিন্ন সুখাদ্য প্ৰণালী শিক্ষা দিয়া, মনোমোহা চানেকিৰ চিলাই শিক্ষা আদি কাম একধৰণৰ নিষ্ঠুৰতাৰ নামান্তৰ আৰু একপ্ৰকাৰ কাল-ব্যতিক্ৰমো। গতিকে আমাৰ দুখুনী নাৰীৰ চকুলো মছিবলৈ চৰকাৰী প্ৰতিষ্ঠান আৰু সমাজ সেৱা অনুষ্ঠান—দুয়োবিধেই সমিল মিলত কাম কৰিবলৈ আগবাঢ়ি আহক।

আশাপূৰ্ণা দেৱীৰ লগত এখন্তেক

সুকুমাৰ ৰায়ৰ 'হয় ব ব ল' নামৰ সৰু ল'ৰা-ছোৱালীৰ ননছেন্স উপন্যাসখনৰ প্ৰায় আৰম্ভণিতে থকা এটা বাক্য হ'ল—'ছিল একটা ৰুমাল, হ'য়ে গেল একটা বেড়াল' বাক্যটো মনলৈ আহি গ'ল হঠাতে বঙ্গৰ খ্যাতনামা লেখিকা আশাপূৰ্ণা দেৱীক লগ পাই। আচলতে মই তেওঁৰ ওচৰলৈ যোৱা নাছিলোঁ, গৈছিলো গৰিয়া অঞ্চলৰ গেছৰ এজেঞ্চি এটালৈ। আমি বৰ্ত্তমান আগতে থকা ছল্টলেক অঞ্চলৰ পৰা ঘৰ সলনি কৰি কলিকতাৰ বাঁশদ্ৰোণী অঞ্চললৈ আহিছোঁ, গতিকে গেছৰ এজেন্সি বদলাব লগা হ'ল আৰু সেই উদ্দেশ্যেই আগবেলা দহ বজাত গৰিয়া অঞ্চলৰ নতুন গেছ এজেন্সিৰ ওচৰলৈ গৈছিলোঁ —য'ত আমাৰ নতুন সংযোগ হ'ব। পিচত গৈ শুনিলোঁ যে মোৰ ধৰণৰ কামকাজবোৰ এজেন্সিটোৱে দুপৰীয়া এটামান বজাৰ পৰাহে আৰম্ভ কৰে। এতিয়া মই কি কৰোঁ? ঘৰলৈ গৈ আকৌ এবাৰ অহাৰ ধৈৰ্য নাই. বেছিদূৰ নহ'লেও বাছ বদলাব লাগে। তেতিয়াই হঠাতে মনত পৰিল যে আশাপূৰ্ণা দেৱী গৰিয়াত থাকে। এবাৰ দেখা কৰি আহিলে হয়। কিন্তু ক'ত থাকে?

স্বনামধন্য ব্যক্তি, নিশ্চয় গেছ এজেন্সিৰ মানুহে জানিব, গতিকে দোকানৰ মানুহ এজনক সুধিলোঁ। মানুহজনে লগে লগেই ক'লে—'সৌৱা বাটাৰ দোকানখন যে দেখিছে, সেইটোৱে আশাপূৰ্ণা দেৱীৰ ঘৰ। তেওঁলোক দোতালাত থাকে।'

ইমান ওচৰ! মোৰ কিমান সুবিধা হ'ল। গতিকে মই তেতিয়াই গৈ আশাপূৰ্ণা দেৱীৰ দুৱাৰৰ বেল টিপিলোঁ। সেইদৰেই মই আগবেলাটো গেছ এজেন্সিত নকটাই আশাপূৰ্ণা দেৱীৰ ঘৰতহে কটালো আৰু মনলৈ সেই বাক্যটো আহি গ'ল—'ছিল একটা ৰুমাল, হয়ে

গেল একটা বেড়াল।'

বেড়াল অৰ্থাৎ মেকুৰীৰ বোলে জীৱনী শক্তি অসাধাৰণ, নটা জীৱনৰ অধিকাৰী বুলি কোৱা হয়। আশাপূৰ্ণা দেৱীৰ জীৱনী শক্তি-য়েও মোৰ মন মুগ্ধ বিস্ময়েৰে ভৰাই দিলে। তেওঁৰ পুতেকে মোক একেবাৰে মাকৰ ওচৰলৈকে লৈ গ'ল, অসমীয়া মহিলা বুলিয়েই নেকি বেছ আগ্ৰহ দেখুৱালে। মই গৈ প্ৰখ্যাত মহিলাগৰাকীৰ কোঠা-লীটোৰ সোমাযো মুগ্ধ হৈ গ'লো: এফালে লগালগি এলানি খিৰিকি, প্ৰায় সমস্ত দেৱালখন জুৰি আছে। খিৰিকিৰ তলতেই বিশাল এটা পুখুৰীয়ে কলিকতা মহানগৰীৰ ঘিণ্ডি ভাব ক'ৰবালৈ ঠেলি পঠালে, মোৰ মনে স্বগতোক্তি কৰি উঠিল 'বাঃ'। সেই খিৰিকিৰ সমান লেভেলতে এখন ডাঙৰ বিছনা, তাতে আশাপূৰ্ণা দেৱী সস্মিত মুখে বহি আছে, শুভ্ৰ বসনা, শুভ্ৰ কেশ, শুভ্ৰ গাৰ বৰণ। সমুখত লেখাৰ কাগজ-পত্ৰ আৰু কলম। মই মোৰ নামটো কওঁতে তেওঁ লগে লগে ক'লে 'যাদবপুৰ বিশ্ববিদ্যালয়ৰ মালিনী ভট্টাচাৰ্যকে (এম-পি) ধৰি কেইগৰাকীমান অধ্যা-পিকাৰ অনুষ্ঠান এটা আছে, তেওঁলোকে 'সচেতনা' নামৰ আলোচনী এখন উলিয়ায়, তাতে মই আপুনি লেখা গল্প এটা পঢ়িছিলো।' মই অবাক হৈ সেই ৮১ বছৰীয়া মহিলা গৰাকীলৈ চালোঁ। ইমানেই স্মৰণ শক্তি নে? মোৰ নিজৰ ক্ষেত্ৰত হ'লে এদিন ক'ৰবাত কিবা এটা পঢ়াৰ কথা ইমান সম্পূৰ্ণ আৰু সঠিক ভাবে মনত নাথাকিল-হেঁতেন। মই তেওঁক কৈয়ে পেলালো—'আপোনাৰতো বেছ মনত থকা শক্তি। ক'ত কি পঢ়ে, সকলোবোৰ এনেকৈ মনত থাকেনে?' তেওঁ অলপ হাঁহি ক'লে—'ভগবানৰ কৃপাত এতিয়ালৈকে মোৰ স্মৃতি-শক্তি ঠিকেই আছে।' মই তেতিয়া বিছনাত থকা লেখাৰ কাগজ-বোৰলৈ চাই সুধিলোঁ—'আপুনি বোধহয় লেখি আছিল। আপুনি বিছনাতে লেখে নেকি?' আশাপূৰ্ণা দেৱীয়ে আকৌ এটা স্মিত হাঁহিৰে উত্তৰ দিলে—'জীৱনত স্কুল-কলেজীয়া শিক্ষা পোৱা নাই, গতিকে টেবুল-চেয়াৰ ব্যৱহাৰ কৰিয়ে নাপালোঁ, যেতিয়া লেখিবলৈ আৰম্ভ

কৰিলোঁ, তেতিয়া এনেকৈ বিছনাতে বহি লেখিবলৈ আৰম্ভ কৰিলোঁ।',

তাৰপিচত আমাৰ নানা কথা-বতৰা আৰম্ভ হৈছিল। তেওঁ কৈছিল যে অসমলৈ যোৱাৰ ভাগ্য আৰু তেওঁৰ নহ'ল। এবাৰ লেখিকা সন্থাৰ প্ৰীতি বৰুৱাই তেওঁক সন্থাৰ এক বাৰ্ষিক অধিবেশনলৈ আমন্ত্ৰণ কৰোঁতে যোৱাৰ সকলো ঠিক ঠাক হৈছিল, প্লেনৰ টিকেট পৰ্যন্ত কটা হৈ গৈছিল, কিন্তু হঠাতে তেওঁৰ স্বামী অসুস্থ হৈ পৰাত তেওঁৰ যোৱা বন্ধ হৈ গ'ল (বৰ্তমান আশাপূৰ্ণা দেৱীৰ স্বামীৰ মৃত্যু হৈছে।) তাৰপিচত তেওঁ এবাৰ লগ পোৱা প্ৰীতি বৰুৱাৰ কথা সুধিলে আৰু মই কেতিয়াবা লগ পালে তেওঁৰ শুভেচ্ছা জনাবলৈ অনুৰোধ কৰিলে।

আশাপূৰ্ণা দেৱীৰ সমুখৰ লেখাৰ কাগজবোৰলৈ চাই মই তেওঁক সুধিছিলোঁ। তেওঁ যে এতিয়াও সক্ৰিয় লেখিকা সেই কথা জানো। দিনটোত তেওঁ কিমান লেখে? আৰু লেখাৰ কথাত তেওঁৰ মনলৈ কোনো অনীহা, কোনো অবসাদ নাহেনে? তেওঁ সদায় লেখে নেকি? আজি লেখাৰ একেবাৰে মুড অহা নাই এনে ধৰণৰ ভাবে তেওঁক আছন্ন কৰেনে? মোৰ কথাৰ উত্তৰত তেওঁ মুখত লাগি থকা সুন্দৰ হাঁহিটোৰে উত্তৰ দিছিল যে লেখাৰ কথাত তেওঁৰ কোনোদিনে কোনো অবসাদ নাহে, লেখাৰ মুড সদায়ে থাকে, এতিয়া এই বৃদ্ধ বয়সতো তেওঁ লেখা বিষয়ত কোনো ক্লান্তি অনুভৱ নকৰে। দিনটোত তেওঁ কেতিয়াবা দুপৃষ্ঠাও লেখে, কেতিয়াবা কুৰি পৃষ্ঠাও লেখে। সেইটো নিৰ্ভৰ কৰে সময়ৰ ওপৰত। সংসাৰৰ কত দায়-দায়িত্ব লেখাৰ সময়ৰ পৰা জীৱনে নানা প্ৰয়োজনত কত সময় কাঢ়ি লৈ যায়---বন্ধু-বান্ধৱ, আত্মীয়-স্বজনেৰে প্ৰায় সকলো সময়তে ঘৰ ভৰি থাকে, তেওঁলোকৰ লগতো বহুত সময় ব্যয়িত হয়---মই তেতিয়া কথাৰ মাজতে কৈ উঠিছিলোঁ- যেনেকৈ আজি মই আহি আপোনাৰ কিছু সময় নষ্ট কৰিলোঁ- তেতিয়া তেওঁ হাঁহি এটা মাৰিছিল আৰু পূৰ্বৰ কথাৰ জেৰ টানি কৈ গৈছিল যে সময় যেনেকৈয়ে নাযাওক, দিনটোত তেওঁ এবাৰ নহয় এবাৰ কলম ধৰিব লাগিবই, এলাইন হ'লেও লেখিবই লাগিব (মোৰ তেতিয়া গায়টেৰ কথা মনত

পৰি গৈছিল তেওঁৰো ক'ৰবাত লেখা পঢ়িছিলোঁ Not a day without a line.)।

ইয়াৰ পিচত মই আশাপূৰ্ণা দেৱীক সুধিছিলোঁ যে মই জনাত তেওঁ সংসাৰৰ চাৰিবেৰৰ পৰা বৰ বেছি বাহিৰ ওলোৱা নাই, গতিকে বাহিৰৰ জগতৰ অভিজ্ঞতা অবিহনে তেওঁ লেখাৰ বিষয়বস্তুৰ অভাৱ বোধ নকৰেনে? মোৰ প্ৰশ্নত মহান লেখিকাগৰাকীয়ে মূৰ জোকাৰি কৈছিল যে তেওঁৰ কোনোদিনে কোনো অসুবিধা হোৱা নাই, তেওঁ যিসকল মানুহক লগ পাইছে, সেইসকলেই তেওঁক লেখাৰ খোৰাক যোগাইছে। আচলতে লেখকৰ অন্তৰ্দৃষ্টিয়েই প্ৰধান কথা, বাহিৰত আহৰণ কৰা অভিজ্ঞতাবোৰ ঘটনাবোৰৰ পৰাহে সঞ্চিত হয়, কিন্তু লেখকৰ অন্তৰ্দৃষ্টি নহ'লে ঘটনাৰ সিমানেই মুখামুখি নহওক কিয়, তাকলৈ কোনো কামত লগাব নোৱাৰে। অৱশ্যে লেখাৰ প্ৰকাশ বিভিন্ন ধৰণৰ হয়। মহাশ্বেতা দেৱীৰ যি ধৰণৰ লেখা, তাক লেখিবলৈ তেওঁৰ বাবে বাহিৰৰ বিশেষ এখন জগতৰ অভিজ্ঞতা আহৰণ কৰাৰ আৱশ্যক হয়। সমৰেশ বসু, সুনীল গাংগুলী আদিৰ লেখাত বিচিত্ৰ জগতৰ ছবি ফুটি উঠিছে, বিভিন্ন নৰ-নাৰীৰ চৰিত্ৰই তেওঁলোকৰ লেখা সমৃদ্ধ কৰিছেহি। আনহাতে বিমল কৰ বা ৰমাপদ চৌধুৰী বেছি বাহিৰত ঘূৰি ফুৰা মানুহ নহয়, কিন্তু তাৰবাবেও তেওঁলোকৰ লেখাৰ উৎকৰ্ষ কম হোৱা নাই, কাৰণ লেখকৰ যি অন্তৰ্দৃষ্টি থাকিব লাগে, জীৱনবোধ থাকিব লাগে, সেয়া তেওঁলোকৰ আছে।

ইয়াৰ পিচত মই তেওঁক সুধিছিলোঁ যে তেওঁৰ বহুতো গল্প-উপন্যাসৰ চিত্ৰৰূপ দিয়া হৈছে, টিভিৰ নেশনেল চেনেলত 'প্ৰথম প্ৰতিশ্ৰুতি' ধাৰাবাহিক হিচাপে প্ৰচাৰিত হৈছে কলিকতা দূৰদৰ্শনে তেওঁৰ সুবৰ্ণলতা ধাৰাবাহিক হিচাপে প্ৰচাৰ কৰিছে। সেইবোৰ চাই তেওঁ সন্তুষ্ট নে? তেওঁৰ লেখাৰ প্ৰকৃত ব্যঞ্জনা সেইবোৰত ফুটি উঠিছেনে? মোৰ কথাত আশাপূৰ্ণা দেৱীয়ে ক'লে যে লেখকৰ কিতাপৰ চিত্ৰৰূপ দিয়া বৰ সহজ কথা নহয়, লেখকে তাক চাই কেতিয়াও পুৰাপুৰি

সন্তুষ্ট হ'ব পৰা নাই। কিন্তু তেওঁ টিভিৰ চিৰিয়েল দেখি চাই মোটা-মুটি সন্তুষ্টই হৈছে। বঙালীখিনৰ অভিনয় খুব ভাল হৈছে (বঙালী সুবৰ্ণলতাৰ নাম ভূমিকাত সুমিত্ৰা মুখাৰ্জীৰ অনবদ্য অভিনয় কলিকতাৰ কাকতে-পত্ৰে বেছ প্ৰশংসিত হৈছিল), তাৰ পৰিচালক ৰাজা সেনৰ দেখুৱাৰ পৰাইতো খুব নাম হৈ গ'ল।

বৰ্তমান বাংলা সাহিত্যৰ নতুন প্ৰতিভাবান লেখিকাৰ কথা সোধাত আশাপূৰ্ণা দেবীয়ে ক'লে যে বহুত নতুন লেখিকাইতো লেখি আছে, কিন্তু পিচলৈ তেওঁলোকৰ উৎকৰ্ষ যদি আহেও, এতিয়ালৈকে কিন্তু কোনেও তেনে প্ৰতিভাৰ স্বাক্ষৰ ৰাখিব পৰা নাই। কনিষ্ঠতম নামী লেখিকা নবনীতা দেবসেন, কিন্তু তেওঁৰো বয়স পঞ্চাশৰ ওচৰা ওচৰি হ'ল।

ইয়াৰ পিচত আশাপূৰ্ণা দেবীক মই প্ৰশ্ন এটা সুধি আগ্ৰহ সহকাৰে তেওঁৰ মতামত জানিবলৈ বাট চাইছিলোঁ। মই সুধিছিলোঁ যে আজিকালি বহুত লেখক-লেখিকাই আত্মজীৱনী লেখিছে, ব্যক্তিগত বহুত কথাই খোলাখুলিকৈ লেখিছে। লেখিকাৰ এনে সাহস সম্পৰ্কে তেওঁৰ কি মনোভাৱ। আশাপূৰ্ণা দেবীয়ে অলপ হাঁহি ক'লে যে এয়া তেওঁলোকৰ কেৱল সাহস বুলি নকও, দুঃসাহস বুলিয়ে কম। পিচে লেখকে লেখিছে, লেখিকাই বা কিয় নোলেখিব। মই তাৰ-পিচত সুধিলোঁ এনেকৈ খোলাখুলিকৈ কোনোবা লেখক বা লেখিকাই নিজৰ পূৰ্বৰ প্ৰেম জীৱনৰ কথা লেখিলে তেওঁলোকৰ পত্নী বা পতিৰ কেনে প্ৰতিক্ৰিয়া হয় বুলি আপোনাৰ ধাৰণা হয়. উদাহৰণ স্বৰূপে ধৰক, সুনীল গাংগুলীয়ে আনন্দ বাজাৰত 'ছবিৰ দেশে. কবিতাৰ দেশে'ত তেওঁৰ পূৰ্ব প্ৰণয়িনী মাৰ্গাৰিটৰ কথা লেখি আছে, ঘৈণীয়েক স্বাতীৰ কেনে লাগিছে বাৰু! এইবাৰ আশাপূৰ্ণা দেবীয়ে অলপ তাচ্ছিল্যৰ ভাবতে হাঁহিলে আৰু ক'লে বোধহয় একো নালাগে, জানেই যে যিমান খোলাখুলিকৈ লেখিব, সিমানেই লেখা বেছি বিক্ৰী হ'ব আৰু হাতলৈ পইচা আহিব। বহুত লেখাইতো আজিকালি কমা-

চিয়েল উদ্দেশ্যত লেখা হয়.......!

আশাপূৰ্ণা দেবীৰ জীৱনত প্ৰকাশকৰ কোনোবা দিন অভাৱ হৈছে নে বুলি সোধাৰ উত্তৰত তেওঁ বিনীত ভাবে হাঁহি ক'লে যে তেওঁৰ সৌভাগ্য যে তেওঁ কোনোদিনে কোনো প্ৰকাশকৰ ওচৰত উপ-যাচিকা হৈ যোৱা নাই। তেওঁৰ সকলো ধৰণৰ কিতাপেই প্ৰকাশকে আহি খুজি লৈ যায়। কেৱল জ্ঞানপীঠ পুৰস্কাৰ পোৱাৰ পিচৰ পৰাই নহয়, সদায়ে তেওঁ প্ৰকাশক পাই আহিছে। প্ৰসংগক্ৰমে উল্লেখ কৰা ভাল হ'ল যে ভাৰতবৰ্ষত জ্ঞানপীঠ পুৰস্কাৰ পোৱা প্ৰথম মহিলা সাহিত্যিক হ'ল আশাপূৰ্ণা দেবী, তাৰপিচত আন যি দুগৰাকী লেখিকাই পাইছে সেইলোক হ'ল শ্ৰীমতী অমৃতা প্ৰীতম আৰু স্বৰ্গীয় মহা-দেৱী বাৰ্মা।

আশাপূৰ্ণা দেবীৰ কিতাপৰ সংখ্যা কিমান হ'ল বুলি সোধাত তেওঁ যেতিয়া ক'লে যে গল্প সংকলন, উপন্যাস আৰু সৰু ল'ৰা-ছোৱালীৰ কিতাপকে ধৰি প্ৰায় দুশ আশীমান হ'ব মই প্ৰায় চমকিয়ে উঠিছিলোঁ। এগৰাকী মহিলাৰ পক্ষে ইমান লেখা কেনেকৈ সম্ভৱ, তদুপৰি আশাপূৰ্ণা দেবী স্বামী-সন্তানসহ সংসাৰ কৰা এগৰাকী ৰক্ষণশীল পৰিবাৰৰ পত্নী আৰু মাতৃ, সংসাৰৰ কামৰ পৰা আজৰি হৈ ইমান লেখিবলৈ পৰাটো এক বিৰাট প্ৰতিভাৰে পৰিচায়ক। অৱশ্যে বৰ্তমান তেওঁ সংসাৰৰ কামৰ পৰা আজৰি পাইছে, বোৱাৰীয়েক নুপুৰ গুপ্ত কলেজৰ অধ্যাপিকা হৈয়ো যিভাবে সংসাৰ চলাইছে সি সঁচাকৈয়ে তুলনাহীন বুলি আশাপূৰ্ণা দেবীয়ে মোৰ আগত বোৱাৰীয়েকৰ ভূয়সী প্ৰশংসা কৰিলে।

শেষত তেওঁক মই মোৰ শ্ৰদ্ধা নিবেদন কৰিলোঁ এইবুলি কৈ যে তেওঁৰ লেখাই মোক স্কুলীয়া জীৱনৰ পৰাই মুগ্ধ কৰি আহিছে, তেতিয়া তেওঁৰ 'আমায় ক্ষমা কৰো' নামৰ গল্পটো পঢ়ি ইমানেই মুগ্ধ হৈছিলোঁ যে স্কুলৰ মেগাজিনৰ সম্পাদিকা হিচাপে মই ছাত্ৰীসকলৰ মাজত 'মোক ক্ষমা কৰা' নাম দি গল্প লেখাৰ প্ৰতিযোগিতা এটাই পাতিছিলোঁ। 'আপোনাৰ সেই গল্পটো 'কহমাকছ' নামৰ টিভিৰ ছিৰিয়েলতো

প্ৰচাৰিত হৈছে, আপুনি চাইছেনে ?' মোৰ এই প্ৰশ্নৰ উত্তৰত আশাপূৰ্ণা দেৱীয়ে ক'লে 'চাইছিলোঁ। কিন্তু গল্পটোৰ মূলভাব তেওঁলোকে একেবাৰে ফুটাই তুলিব নোৱাৰিলে।'

ইয়াৰ পিছত মই তেওঁৰ ওচৰৰ পৰা বিদায় লৈ তেওঁৰ ফটো এখন খুজিছিলোঁ। তেওঁ পুতেকক মাতি আনি ফটো এখন বিচৰাই দি তাৰ ওপৰত মোৰ অনুৰোধ মতেই লিখি দিছিল—'আশাপূৰ্ণা দেৱী, ১/৪ ৯০।'

'সাদিন', ১৯৯০

মৈত্ৰেয়ী দেৱী আৰু চীন দেশ

বঙ্গদেশৰ খ্যাতনামা সাহিত্যিকা মৈত্ৰেয়ী দেৱীয়ে লেখিকা সন্থাৰ ১৯৭৬ চনৰ গুৱাহাটীত বহা প্ৰথম বাৰ্ষিক অধিবেশনত যোগ দিবলৈ প্ৰথমবাৰৰ বাবে অসমলৈ আহিছিল। তাৰপিছত তেওঁ ইমানেই জনপ্ৰিয় হৈ পৰিছিল যে অসমৰ অন্যান্য অনুষ্ঠানেও তেওঁক নিমন্ত্ৰণ কৰি আনিছিল। এইবাৰ তেওঁক চীন ভাৰত মৈত্ৰী সংঘই নিমন্ত্ৰণ কৰি আনিছে। পৃথিবীৰ বিভিন্ন প্ৰান্তত ৰবীন্দ্ৰ শতবাৰ্ষিকী উপলক্ষে ভাষণ দি ফুৰা এই লেখিকা গৰাকীয়ে চীন দেশ ভ্ৰমণ কৰিও আহিছিল আৰু সেই অভিজ্ঞতাৰ ভেটিতে 'অচেনা চীন' নামেৰে কিতাপ এখনো লেখিছিল। চীন দেশ সম্পৰ্কে তেওঁৰ অতি উচ্চ ধাৰণা আৰু এইবাৰ গুৱাহাটীলৈ আহি ইয়াৰ বিশ্ববিদ্যালয়ত দিয়া ভাষণতে হওক বা মহিলা সমিতিত দিয়া ভাষণতে হওক, তেওঁতে চীনৰ কথা অতি সপ্ৰশংস আৰু সশ্ৰদ্ধ মনোভাব লৈ কৈছিল। তেওঁক নানাজনে চীন সম্পৰ্কে নানা প্ৰশ্ন সুধিছিল আৰু সকলো সময়তে তেওঁৰ উত্তৰ আছিল ইতিবাচক— চীন দেশে বিপ্লৱোত্তৰ যুগত অসাধাৰণ কাম কৰিছে। জাতিটোৰ উন্নতিৰ কামত ল'ৰা-বুঢ়া-তিৰোতা সকলোৱে দেহেকেহে লাগি গৈছে। তেওঁক যেতিয়া কোৱা হৈছিল যে তাৰ চৰকাৰে তেওঁক যি দেখুৱালে মুগ্ধ হোৱাৰ সম্ভাৱনা আছে—ঠিক সেইবোৰকে হয়তো দেখুৱাইছে, তেতিয়া তেওঁতে হাঁহি মাৰি কৈছিল—'সেইটো হ'ব নোৱাৰে। মানুহৰ তৃতীয় নয়ন বোলা বস্তু এটাও থাকে—অন্ততঃ বহুত মানুহৰ থাকে। মোৰো সেই নয়নটো আছে বুলি ভাবোঁ আৰু সেয়ে চীন দেশত মোৰ দুটা চকুৱে যি দেখিছিল তৃতীয় চকুটোৱেও সেই একেবোৰ বস্তুকে দেখিছিল। চীন দেশত সঁচাকৈয়ে অভূতপূৰ্ব উন্নতি হৈছে।

শ্ৰীমতী মৈত্ৰেয়ী দেৱীয়ে প্ৰায় সকলো ঠাইতে বাৰে বাৰে ক'লে যে এসময়ত চীন দেশৰ লোকসংখ্যা আৰু দাৰিদ্ৰ ভাৰতবৰ্ষতকৈও

ভয়াবহ আছিল; কিন্তু ভাৰতত যেতিয়া সেই ভয়াবহতা বাঢ়িয়েই আছে, চীন দেশত তেতিয়া যেন কোনোবা যাতুকৰৰ যাতুদণ্ডৰ পৰশত সেই ভয়াবহতা সম্পূৰ্ণ নিৰ্মূল হৈ গৈছে। যাতুকৰজন আৰু কোনো নহয়, মহান নেতা মাও ছে টুং। মৈত্ৰেয়ী দেবীয়ে ক'লে এসময়ত কলিকতাৰ দেৱালবোৰত লেখা 'চেয়াৰমেন মাও আমাৰো নেতা' বোলা কথাষাৰ চীন চাই অহাৰ পিছত সহানুভূতিৰে বিচাৰ কৰিব পৰা হ'লো। আমাৰ দেশত এনে কোন নেতা আছে যি জনগণক কবিতাৰ ভাষাৰে আহ্বান জনাব পাৰিব, আকাশৰ লগত তুলনা কৰিব পাৰিব? আমাৰ নেতাসকলেতো বোকাৰ লুতুৰি পুতুৰি হৈ নিজৰ ভিতৰত ক্ষমতাৰ যুদ্ধকে চলাই আছে। কিন্তু অতি পিছপৰা চীনা ৰমণীসকলক (যি চীনা ৰমণী আমাৰ ভাৰতীয় ৰমণীতকৈও নিষ্পেষিত আছিল, পুৰুষৰ ক্ৰীড়ণক আছিল) মাও ছে টুঙে দেশ গঢ়াৰ কামলৈ আহ্বান জনালে এই কবিতাৰে 'ওলাই আহা নাৰী, তুমি যে আধা আকাশ।' মৈত্ৰেয়ী দেবীয়ে ক'লে যে মাও ছে টুঙৰ সেই আহ্বানত সঁহাৰি দি চীনা ৰমণী ঘৰৰ চাৰিবেৰৰ মাজৰপৰা ওলাই আহি চহৰে-নগৰে যিবোৰ মহিলা সমিতি গঢ়ি তুলিলে, সেই সমিতিবোৰে সহজে বেচা নোযোৱা এমব্ৰইডাৰি বা উল গোঁথাৰ কাম নকৰি তৈয়াৰ কৰিলে দেশৰ প্ৰকৃত উপকাৰত অহা নানা লাগতিয়াল বস্তু। উদাহৰণ স্বৰূপে তেনে এটা মহিলা সমিতিয়ে ঠিক কৰিলে যে তেওঁলোকে কাঁচৰ বস্তু বনাব। গতিকে চশমাৰ কাঁচ, দূৰবীক্ষণ যন্ত্ৰৰ কাঁচ, লেছাৰ বীমৰ কাঁচকে আদি কৰি দেশৰ নানা প্ৰয়োজনত লগা সকলো কাঁচকে তৈয়াৰ কৰিবলৈ ধৰিলে আৰু দেশ নিৰ্মাণত লাগতিয়াল অৰিহণা যোগালে।

চীন দেশৰ এখন সৰু গাঁও, তাৰ এখন সৰু নৈ। তাৰেপৰা বিদ্যুৎ উৎপাদন কৰি গাঁৱখন বিদ্যুৎশক্তিৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীল হৈছে। মৈত্ৰেয়ী দেবীয়ে গাঁওবাসীক সুধিলে যে সেই কামটো কৰিবলৈ তেওঁলোকক কোনে শিকালে। উত্তৰত তেওঁলোকে জনালে যে চহৰৰপৰা

দুবছৰৰ বাবে গাঁৱত থাকিবলৈ অহা কাৰিকৰী বিদ্যাত অৰ্হতা সম্পন্ন দুজন ছাত্ৰৰ লগত লগ লাগি তেওঁলোকে সেই অতি ক্ষুদ্ৰ বিদ্যুৎ প্ৰকল্পটো গঢ়ি তুলিছে। নতুন চীনত এই এটা নিয়ম—চহৰৰ পাঠক ছাত্ৰ-ছাত্ৰী গাঁৱত দুবছৰ থাকি কাম কৰিব লাগিব, তেতিয়াহে তেওঁলোকক ডিগ্ৰী দিয়া হ'ব। এনেকৈয়ে 'বেয়াৰ ফুটেড ডাক্তৰ'বোৰো গাঁৱলৈ গৈ চিকিৎসা কৰিব লগীয়া হয় আৰু ফলত আমাৰ দেশৰ দৰে গাঁওবাসীয়ে চিকিৎসাৰ অভাৱত কষ্ট পাবলগীয়া নহয়।

এবাৰ এজন বুদ্ধিজীৱীক কাৰখানা এটাত হাতুৰী কোবাই থকা অৱস্থাত দেখি মৈত্ৰেয়ী দেবীয়ে বোলে সুধিছিল—তেওঁৰ প্ৰতিভা জানো সেই কামৰদ্বাৰা অপচয়িত হোৱা নাই। বুদ্ধিজীৱীজনে তেওঁৰ উত্তৰত কৈছিল যে সেই হাতুৰী মাৰি তেওঁ এই শিক্ষা লাভ কৰিছে যে এটা জাতি জীয়াই থাকিবলৈ হ'লে মানসিক শ্ৰমৰ যিমান প্ৰয়োজন, কায়িক শ্ৰমবো তাতকৈ কম প্ৰয়োজন নহয়। গতিকে কাৰখানাৰ হাতুৰী মৰা বা আন তেনে ধৰণৰ কাম কৰাৰ ফলত তেওঁৰ বৌদ্ধিক সত্বাৰ উচ্চাভিমানিকা ভাবৰ বিনাশ ঘটিছে।

মাখি পৰা বস্তুৰ প্ৰতি মৈত্ৰেয়ী দেবীৰ বোধহয় খুব ঘিণ। এবাৰ হেনো দাক্ষিণাত্যৰ কিবা এটা বিখ্যাত মন্দিৰৰ প্ৰাঙ্গণত প্ৰসাদৰ মিঠাই বেচা দোকান এখনলৈ গৈ তেখেতে দেখিলে যে বগা সন্দেশ মাখিৰে ক'লা হৈ আছে, তেতিয়া তেখেতে দোকানীক সেই কথা আপত্তিৰ সুৰত কোৱাত দোকানীয়ে ভেকাহিৰে উত্তৰ দিলে "মাখি মিঠা বস্তুৰ ওপৰত নপৰি এই ধূলি-বালিবোৰৰ ওপৰত পৰিব নেকি?"

মৈত্ৰেয়ী দেবীয়ে ক'লে যে চীন ভ্ৰমণ কৰিবলৈ গৈ তেখেতে ক'তো মাখি দেখা নাপাই মনৰ এক ধৰণৰ জেদ এটাৰে ভাবিলে যে ক'ৰবাত নহয় ক'ৰবাত তেখেতে মাখি আৱিষ্কাৰ কৰিবই। কিন্তু তেখেত সেই বিষয়ত হতাশ হ'ব লগা হ'ল, ক'তো হেনো মাখি, আৰু লগতে মহো দেখা নাপালে।

তেনেধৰণৰ হতাশ (!) হ'ব লগীয়া হৈছিল তেখেতৰ এজন সংগীত, বোধহয় জ্ঞানেশ খিংড়া। খিংড়াই বোলে সংকল্প হৈছিল চীন দেশত এজন নহয় এজন ভিক্ষাৰী বাহিৰ কৰিবই। কিন্তু বহুত ঠাই ভ্ৰমণ কৰাৰ পাছতো ক'তো ভিক্ষাৰী চকুত নপৰোহে নপৰে। কিন্তু এবাৰ গাত তাপলি মৰা চোলা পিন্ধা মানুহ এজন দেখি তেওঁ চিঞৰি উঠিছিল ইউৰেকা! যিহওক, 'ভিক্ষাৰী' জনক মাতি আনি পৰিচয় লোৱাৰ পিছত বেচেৰা খিংড়া বোলে হতাশ হৈ গ'ল তাপলি মৰা পিন্ধিলেই ভিক্ষাৰী হয় নেকি কাপোৰ ফালিছে বাবে তাপলি মৰা হৈছে পেলাই দি অনাহকতে অপচয় কিয় কৰিব। ইয়াৰ পাছত জ্ঞানেশ খিংড়াই আৰু বহুতো তাপলি মৰা চোলা পিন্ধা মানুহ লগ পাইছিল, কিন্তু ভিক্ষাৰী হ'লে এটাও লগ পোৱা নাছিল।

আমাৰ দেশৰ স্কুলবোৰত বৰ্তমান প্ৰচলন কৰা 'কাম আৰু শিক্ষা'ৰ কথা শ্ৰীমতী মৈত্ৰেয়ী দেবীয়ে অলপ তিক্ততাৰেই ক'লে। আমাৰ ল'ৰা-ছোৱালীক স্কুলত যিবোৰ হাতৰ কাম কৰিবলৈ দিয়া হয়, তাৰ ভিতৰত ঘৰত কৰি নিবলগীয়া কামবোৰৰ বেছি ভাগ ঘৰৰ আন ডাঙৰ মানুহেই কৰি দিয়ে। এইদৰে সকলোপৰা শিক্ষাৰ নামত ল'ৰা-ছোৱালীয়ে শিকে ফাকি, প্ৰতাৰণা। আকৌ সমস্ত স্কুলখনে যিবোৰ বস্তু উৎপাদন কৰে সেইবোৰৰ বেছিভাগেই নানা কাৰণত বেচা নোযোৱাকৈ পৰি থাকে। বেচা গ'লে স্কুলখন ভালেখিনি আত্ম-নিৰ্ভৰশীল হৈ উঠিব পাৰিলেহেঁতেন। আকৌ ল'ৰা-ছোৱালীবোৰে যিবোৰ সৰু-সুৰা বস্তু তৈয়াৰ কৰে ধৰক দ'ৰ মেট্‌··· (ভৰি মোছা গালিছা) সেইবোৰ সিহঁতে কেতিয়াবা ভৱিষ্যতে বনাই বিক্ৰী কৰি অন্ন সংস্থান কৰিব বুলি কল্পনা নকৰে, কাৰণ আমাৰ দেশত শ্ৰমৰ সন্মান (dignity of labour) নাই। চীন দেশৰ বহুতো স্কুলত ঘূৰি-পকি মৈত্ৰেয়ী দেবীয়ে দেখিলে যে তাৰ ল'ৰা-ছোৱালীবোৰে পঢ়াশুনা কৰাৰ লগতে হাতেৰে এনেবোৰ বস্তু তৈয়াৰ কৰে যিবোৰ দেশৰ বাবে আৱশ্যকীয়। গতিকে সেইবোৰ অতি সহজে বেচা যায় আৰু স্কুলবোৰো

ভালেখিনি আত্মনির্ভৰশীল হৈ পৰে।

মৈত্রেয়ী দেৱীয়ে প্ৰথমতে পিকিঙলৈ গৈ এটা বস্তু দেখি মুগ্ধ হৈছিল। চহৰৰ মাজে মাজে একো একোটা স্তম্ভ, ৰঙা পটভূমিৰ ওপৰত ছবিৰ দৰে সুন্দৰ সোণালী আখৰেৰে লেখা। সেইবোৰ কি বুলি সোধাত যেতিয়া 'শ্লোগান' বুলি উত্তৰ পালে, তেখেত চমকি উঠিল। এইখিনি কথা মই তেখেতৰ 'অচেনা চীন'ৰ পৰা উদ্ধৃত কৰি দিয়াৰ লোভ সামৰিব নোৱাৰিলোঁ—"সেই লেখাবোৰ ইমান সুন্দৰ যে 'শ্লোগানটো' খাপ নোখাৱা যেন লাগিল। কাৰণ আমাৰ বাবে শ্লোগান কথাটোৰ লগত অলপ নিন্দা জড়িত হৈ আছে। শ্লোগান হৈছে কথা -শূন্য-গৰ্ভ কথা। কিয় এই শব্দটোৰ এনে অৰ্থ হৈছে? কাৰণ আমি বাৰে বাৰে দেখিছোঁ যে মানুহক উদ্যোগী, উৎসাহিত কৰিবৰ বাবে শ্লোগান হিচাপে যিবোৰ কথা উচ্চাৰিত হয়, কামত তাক পৰিণত কৰা নহয়। এনেকুৱা বহুতো শ্লোগান আছে, মোৰ অৱশ্যে এই মুহূৰ্ত্তত এটাহে মনত পৰিছে—'গৰীৱী হটাও'। গৰীৱী সঁচাকৈ হটিলে সেই শ্লোগান সাৰগৰ্ভ বাণী হ'লহেঁতেন। কিন্তু সেই উদ্যোগ ক'তো নোহোৱা বাবে সি হৈ পৰিল কেৱল অৰ্থহীন কথা। বাৰে বাৰে এনেকুৱা হোৱাৰ ফলত শ্লোগান শব্দটোৰ যি অৰ্থ আমাৰ ওচৰত প্ৰতিভাত, চীনত নহয়। তাত সেইবোৰ সত্যগৰ্ভ বাণী— "Grasp revolution and increase production"—(বিপ্লৱক হৃদয়ঙ্গম কৰা আৰু উৎপাদন বৃদ্ধি কৰা) এইটো শ্লোগান কিন্তু ব্যৰ্থ শ্লোগান নহয়। এই কথা চীন ভ্ৰমণ কৰি ক্ৰমে যেতিয়া স্পষ্ট হ'বলৈ ধৰিলে, তেতিয়াই বুজিব পাৰিলোঁ যে তেওঁলোকৰ ভাষা আৰু আমাৰ ভাষাত পাৰ্থক্য আছে। একেটা শব্দই আমাক যি বুজায়, তেওঁলোকৰ ওচৰত সি অন্যভাৱ প্ৰকাশ কৰে।"

চীন দেশ সম্পৰ্কে সকলো কথাতে সপ্ৰশংস মৈত্ৰেয়ী দেৱীক মই সুধিছিলোঁ—"আপুনি বাৰু নাভাবেনে যে বেলেগ ৰাজনৈতিক মতাদৰ্শ গ্ৰহণ কৰি সেই ধৰণৰ সমাজ ব্যৱস্থা গঢ়ি তোলাৰ বাবেহে

সেই প্ৰাচীন, দৰিদ্ৰ আৰু কু-সংস্কাৰাচ্ছন্ন চীন দেশৰ আজি এই অভাৱনীয় উন্নতি হৈছে. আনহাতে আমি ভাৰতবৰ্ষ সকলোদিনে পিছপৰি আছো ?”

মৈত্ৰেয়ী দেৱীয়ে দৃঢ়ভাৱে ক'লে “মই তেনেকৈ নাভাবোঁ। আমাৰ মহাত্মা গান্ধীয়ে যি ধৰণে দেশ গঢ়িব খুজিছিল, তেওঁৰ অনুগামীসকলে সেইমতে চলা হ'লে আমাৰ দেশৰ ‘গৰীৱী’ সঁচায়ে হটিলহেঁতেন ; কিন্তু তেওঁলোকে বৃহৎ উদ্যোগ গঢ়ি... ..ইত্যাদি ইত্যাদি।” এই মতামত তৰ্ক সাপেক্ষ। মোৰ কথা বঢ়াবৰ মন নগ'ল।

মোৰ আৰু এটা সুধিব লগীয়া প্ৰশ্ন আছিল “আপুনি নাভাবেনে যে মাও ছে টুঙৰ অবিহনে চীন দেশ এদিন ভৱিষ্যতে আপুনি দেখা চীন দেশ হৈ নাথাকিব ?”

“নাথাকিবও পাৰে। কিন্তু মোৰ ধাৰণা হৈছে মাও ছে টুঙে তেওঁৰ সাঁচত চলা অনুগামীৰ দল এটা গঢ়ি থৈ গৈছে। তেওঁলোকে বৰ্তমানৰ চীনক জীয়াই ৰাখিব পাৰিব। তদুপৰি চীনত যি দৃঢ় সমাজ-ব্যৱস্থা গঢ়ি উঠিছে সি সহজে ভাঙি নপৰে। এনেকি সেই ব্যৱস্থাই মানুহবোৰকো গঢ় দি পেলাইছে। এতিয়া তাত কোনো মানুহেই আনৰ দুখ-দুৰ্দশা চাই থাকি নিজে ধনী হ'ব খোজে যেন নালাগে।”

মই ক'লোঁ- “ভাৰতমানে মহাত্মা গান্ধীয়ে কোৱাৰ দৰে মানুহৰ হৃদয়ৰ পৰিবৰ্তন ঘটোৱা সঁচায়ে সম্ভৱ ?”

“ওঁ, সম্ভৱ”—মৈত্ৰেয়ী দেৱীয়ে বিশ্বাসেৰে উত্তৰ দিছিল।

—সাপ্তাহিক নীলাচল, ২৪ আগষ্ট ১৯৭৭ চন

আন্দোলন আৰু ভয়

(প্ৰথম ব্যক্তিগত ৰচনা)

"These are the times that try men's souls. The summer soldier and the sunshine patriot. will, in this crisis shrink from the service of their country, but he that stands it now, deserves the love and thanks of men and women"—

- Thomas Paine.

অসম আন্দোলনৰ এবছৰ পূৰ্ণ হ'ল ; অহিংস আৰু গণতান্ত্ৰিক বুলি দাবী কৰা এই আন্দোলনৰ সময়ত বিভিন্ন মানুহৰ বিভিন্ন ধৰণৰ ভয়ৰ প্ৰকাশ দেখি মনত প্ৰায়ে প্ৰশ্ন জাগিছিল অহিংস আন্দোলনৰ সময়ত বাৰু ভয় কিয় লাগে ? আন্দোলন বিৰোধী মত প্ৰকাশ কৰাৰ বাবে নেকি ? কিন্তু তেতিয়া আকৌ প্ৰশ্ন জাগে গণতান্ত্ৰিক আন্দোলনত সকলোৰে নিজস্ব মতামত প্ৰকাশ কৰাৰ স্বাধীনতা থাকিবই, গতিকে বিৰুদ্ধ মনোভাব পোষণ কৰি ভয় কৰাৰ কি কাৰণ থাকে ?

এই প্ৰশ্ন বহুতো আন্দোলনকাৰী বন্ধু বান্ধৱক কৰি চাইছোঁ, কিন্তু কোনেও সদুত্তৰ দিব নোৱাৰে, নানা ধৰণৰ ফালৰি কটা বিধৰ উত্তৰ দিয়ে।

এই এটা বছৰে মানুহৰ কি বিভিন্ন ভয়ৰ প্ৰকাশ দেখিছোঁ সেইবোৰৰ সাধাৰণ আলোচনালৈ নেযাই মই নিজৰ লগত জড়িত ব্যক্তিগত অভিজ্ঞতাৰ কাহিনী এটাকে ক'বলৈ ওলাইছোঁ। ই মোৰ সম্পূৰ্ণ ব্যক্তিগত কাহিনী হ'লেও তাক বৰ্ণাবলৈ যোৱাৰ কাৰণ হ'ল মোৰ দুখ আৰু হতাশা যি অনুভূতিৰ আমি অসমবাসী সকলোৱে অংশীদাৰ হোৱা উচিত যাতে সকলোৱে সামূহিক চেষ্টাৰ দ্বাৰা এনে ধৰণৰ দুখ আৰু হতাশাৰ কাৰণবোৰ নিৰ্মূল কৰাৰ আমি চেষ্টা কৰিব পাৰোঁ। কাৰণ মোৰ এই কাহিনী শুনিলে পাঠকসকলে বুজিব আজি অসমত

যি ভয়ৰ সৃষ্টি হৈছে সেই ভয়ে আমাৰ উঠি অহা যুৱক সমাজক নৈতিক কাপুৰুষত পৰিণত কৰিব ওলাইছে অস্তিত্ব ৰক্ষাৰ আন্দোলন যিমানেই দীঘলীয়া নহওক কিয়, যি ৰাজ্যৰ যুৱক সমাজ নৈতিক কাপুৰুষালীত ভোগে, সেই ৰাজ্যৰ অস্তিত্ব ৰক্ষা পোৱা টান। মোৰ দুখ আৰু হতাশা সেই বাবেই। বীৰত্ব বিনে এই পৃথিবীত খুব কম মহৎ কামেই সমাধা কৰিব পাৰি, ক্ষুদ্ৰ তুচ্ছ ভয়ে আত্মাৰ সংকোচন ঘটায়, আত্মাৰ অপমৃত্যু মাতি আনে—Cowards die many times before their death গতিকে জীয়াই থাকিও বাৰ বাৰ মৃত্যুবৰণ কৰা অৰ্দ্ধমৃত মানুহে আৰু কি মহৎ জীৱনৰ জয়গান গাব পাৰিব।

ভূমিকা এৰি এইবাৰ আচল কথালৈ অহা যাওক। যোৱা বছৰ অক্টোবৰ মাহত 'প্ৰকাশ' নামৰ মাহেকীয়া আলোচনীখনৰ প্ৰতি-নিধিৰ অনুৰোধমতে মই 'গোঁহানী আই গোঁহানী আই' নামৰ দীঘল গল্প এটা প্ৰকাশ কৰিবলৈ দিছিলোঁ। কিন্তু খুজি নিয়া গল্পটোও যেতিয়া জানুৱাৰী মাহলৈকে প্ৰকাশ নাপালে, মই খবৰ কৰি এই সিদ্ধান্তত উপনীত হ'লো যে আন্দোলনৰ কিছুমান সম্ভাব্য কুফলৰ বিৰুদ্ধে যুক্তি দৰ্শোৱা বাবেই 'প্ৰকাশে' মোৰ গল্প নছপালে। কিন্তু তাৰপাছত 'সময়' নামৰ নতুন আলোচনী এখনে দ্বিধাহীনভাবে সেইটো উপন্যাস এখনৰ প্ৰথমখণ্ড হিচাপে উলিয়ালে (বিহু সংখ্যা 'সময়') কাৰণ অক্টোবৰ মাহত যিবোৰ আশংকা প্ৰকাশ কৰি গল্পটো লেখি-ছিলো এপ্ৰিল মাহত সেই আশংকাবোৰ সঁচা বুলি প্ৰমানিত হোৱাত গল্পটোৰ দ্বিতীয় খণ্ড এটাও সংযোজন কৰাৰ অনুভব কৰিছিলোঁ।

'সময়ে' মোৰ গল্পটোৰ প্ৰথম খণ্ড উলিয়াবৰ সময়ত কোনো ভয়ৰ চিন দেখুৱা নাছিল। কিন্তু পূজা সংখ্যাত দ্বিতীয় খণ্ডটো ওলালত দেখিলো যে সম্পাদকে মোৰ অনুমতি নোলোৱাকৈ তাক জধেমধে কাটিলে ('সময়'ৰ পূৰ্বৰ সম্পাদকদ্বয় দেবব্ৰত দাস আৰু অজিত কুমাৰ ভূঞাৰ সলনি এইসংখ্যাৰ অস্থায়ী সম্পাদনাত আছে জিতেন শৰ্মা)।

ছপা আখৰত মোৰ উপন্যাসখনৰ দুৰ্দশা দেখি খং উঠিল যিমান দুখো লাগিল সিমান। অসমত আজি এইটো কি ভয়ংকৰ অগণতান্ত্ৰিক পৰিবেশ গঢ়ি উঠিছে যে সৃষ্টিধৰ্মী সাহিত্য ৰচনাৰ ওপৰতো সম্পাদকে ভয়তে (নিশ্চয় ভয়তে, তাৰ বাহিৰে আন কোনো কাৰণ বিচাৰি নাপাওঁ) কলম চলাব লগা হৈছে? জৰুৰী অৱস্থাৰ সময়ত আমি কেইজন-মানে চৰকাৰী 'নতুন দিনৰ গল্প' বা 'নতুন দিনৰ কবিতা' লেখিবলৈ ৰাজী নহওঁ বুলি কেতবোৰ চৰকাৰী আঁচনিক সমালোচনা কৰিও লেখি-ছিলোঁ, তেতিয়া কিন্তু আমাৰ সেই বিৰোধী ভাবাপন্ন লেখাক কোনো সম্পাদকে কাটি পেলোৱা নাছিল।

'সময়'ৰ অস্থায়ী সম্পাদকে বিশেষ অংশ কাটি বাদ দি মোৰ উপন্যাসিকাখন কিছুদূৰ অসংলগ্ন কৰি পেলালে সেইবোৰ হ'ল এইবোৰ :

"নিজ চকুৰে দেখা সেই ঘটনাবোৰৰ বিৱৰণ দি কুনীৰ বন্ধুৱে হেনো কৈছে যে দেশ বিভাজনৰ সময়ত পূৰ্ববঙ্গৰ পৰা অহা সেই হিন্দু বঙালী লোকসকল হেনো অসমৰ ভাষা সংস্কৃতি গ্ৰহণ কৰি অসমীয়া হৈ গৈছিল, তাত কোনো বঙালী স্কুল নাই, সকলোৱে অস-মীয়া মাধ্যমতে পঢ়াশুনা কৰিছে। সেই ন-অসমীয়া হিন্দুসকলৰ দৰে ন-অসমীয়া মুছলমানসকলো অসমীয়া ভাষা গ্ৰহণ কৰি অসমীয়া হৈ গৈছিল। কিন্তু আমি তেওঁলোকক অসমীয়া বুলি গ্ৰহণ কৰিব নোৱা-ৰিলো আৰু বিদেশী বিতাড়নৰ নামত তেওঁলোকক মাৰি কাটি খাণ্ডাং কৰা হ'ল, ঘৰত জুই লগাই দিয়া হ'ল, সম্পত্তি লুণ্ঠন কৰা হ'ল। কিন্তু এই লোকসকলৰ ওপৰত কৰা অত্যাচাৰৰ খবৰ আমাৰ 'জনপ্ৰিয়' দৈনিক আৰু সাপ্তাহিক কাকতবোৰত নোলাল, কামৰূপৰ অসমীয়া গাওঁলীয়া ৰাইজৰ ওপৰত মিলিটাৰী আৰু চি. আৰ, পি,য়ে কৰা অমানুষিক অত্যা-চাৰৰ বৰ্ণনাৰেহে দিনৰ পাছত দিন আমাৰ বাতৰি কাকতবোৰৰ পাত ভৰ্তি হৈ থাকিল।"...

.... "অস্তিত্বৰ সংকটৰ এনে বুকু কঁপোৱা ভয় কোনে আমাৰ মনত এনে গভীৰ ভাবে সুমুৱাই দিলে যে ফলত

আমি নৰ-বাক্সসত পৰিণত হৈ উত্তৰ কামৰূপৰ নীৰিহ ন-অসমীয়া সকলৰ লগত ভাতৃঘাটী সংঘৰ্ষত লিপ্ত হ'লো ! প্ৰানজিতে যি ভয়ংকৰ বৰ্ণনা দিলে শুনিলে দেখোন নাক্সী অত্যাচাৰলৈহে মনত পৰে ! সি হেনো মুকালমুৱা কেম্পত আধাপোৰা কেচুৱা এটাও দেখি আহিছে। দুৰ্বৃত্তইতে হেনো মাক বাপেকক জুইত পেলাই দি তাইকো জুইত দলিয়াই দিয়াৰ পাছত কোনোবাই দেখি উদ্ধাৰ কৰি আনিছে, পিছে তাইৰ যি অৱস্থা কোনোপধ্যেই বোলে নাবাঁচে। আকৌ গৰ্ভবতী তিৰোতাৰ পেট কাটি সন্তান উলিয়াই সন্তান আৰু মাককো হত্যা কৰিছে বোলে ”

এই অংশবোৰ কাটি পেলোৱাৰ উপৰিও ধেমেলীয়া সুৰত লেখা পদ্য এটাৰো প্ৰথমৰ অংশটো কাটি পেলাই আধা ডোখৰ মাত্ৰ ৰাখিছে :

“আগৰ দিনৰ ঋষি মুনিৰ কথা
ছাত্ৰৰ হেনো অধ্যয়নং তপঃ
আজিৰ ভৰত ভৃগুৱে কয়
নহয় ভাই, আন্দোলনং তপ . ।।
সেইবাবে ”

উদ্ধৃত এই অংশটো কাটি পেলাই 'সময়'ৰ সম্পাদকে তলৰ এই অংশটোহে মাত্ৰ ৰাখিছে :

(সেইবাবে) স্কুল নাই কলেজ নাই
দিনৰাতি নেযায় সুপুৰায়
ৰিংকু টিংকু দুটি ভাই
লাই লেছাই সম প্ৰায়
বঁচালি যে বঁচালি
বঁচালি যে আহি পাই ।।

'সময়'ৰ প্ৰসংগ ইমানতে এৰি ভয় সম্পৰ্কে আন এক সাময়িক প্ৰসংগলৈ আহোঁ। যি সময়ত অসমীয়া যুৱকে বীৰ লাচিতৰ বংশধৰ বুলি বুকু কিন্দাই ঘুৰি ফুৰিছে সেই সময়তে আমাৰ এক জনপ্ৰিয়

উপন্যাসিকে অসমীয়া যুৱকৰ যি এক কাপুৰুষৰ ছবি অংকন কৰিছে পঢ়ি মনটো পুনৰ দুখ আৰু হতাশাত ডুবি গৈছিল। আমাৰ সমাজত এনে অলপ ধতুৰা যুৱক আছে নে নাই নাজানো, যদি আছেও তাৰ কাপুৰুষালী খিনি লেখকে লেখাৰ মাজেৰে প্ৰকট কৰি নুতুলি গোপন কৰি থোৱা হ'লেই ভাল হ'লহেঁতেন নেকি? আমাৰ যুৱ সমাজৰ সকলো দোষ দুৰ্নীতি 'অসমীয়াত্ব'ৰ ঢাকোন মাৰি গোপন কৰি ৰাখি সকলো ধৰণৰ অপৰাধৰ বাবে কোনোবা অদৃশ্য 'সমাজ বিৰোধী' 'দুষ্কৃতিকাৰী', 'অসম বিৰোধী চক্ৰ'ক জগৰীয়া কৰা কাৰ্যটো যোৱা এটা বছৰে যেতিয়া সঘনে সংঘটিত হৈ আছে, তেনে স্থলত এনে ধৰণৰ ভয়াতুৰ ডেকাৰ লাজ লগা কাপুৰুষালী খিনিও গোপনে ৰখাটোনো কি টান কথা আছিল।

এইবাৰ পূজা সংখ্যা 'প্ৰাসংগিক'ত ঔপন্যাসিক কুমাৰ কিশোৰৰ 'অশুচি পূজাৰ ফুল' নামৰ উপন্যাসিকা এখন প্ৰকাশ পাইছে। উপ-ন্যাসখনৰ আৰম্ভনা কৰা হৈছে যুৱক এজনে এনে ধৰণে আতংকিত হোৱাৰ বৰ্ণনাৰে. 'তড়িৎ গতিৰে হাতখন গুচোৱাই আনি সি জাপ মাৰি পিছুৱাই আহিল: মেয়ো উচপ খাই উঠিলোঁ। হঠাতে ফেট তুলি উঠা সাপ এটা নেদেখিলে সি তেনেদৰে আতংক-বিহ্বল হৈ কেতিয়াও উফৰি নাহে ' এনেদৰে ভীতিগ্ৰস্ত হোৱাৰ বৰ্ণনা আৰম্ভনীৰ ডেৰ পৃষ্ঠা জুৰি থকাৰ পিছতো শেষৰ আৰু প্ৰায় এটা পৃষ্ঠা খৰছ কৰাৰ পিছতহে সেই বৰ্ণনাৰ ইতি পৰিছিল। পিছে আমাৰ এই ডেকা ল'ৰাৰ ভীতি-বিহ্বলতাৰ কাৰণটোনো কি? সঁচায়ে সি ফেট তুলি থকা সাপ এডাল দেখা পাইছিল নেকি? ঔপন্যাসিকৰ ভাষাতে অসমীয়া যুৱক অমলৰ ভয়ংকৰ ত্ৰাসৰ কাৰণ পঢ়ক: '... .তাৰ-পিছত সেপ ঢুকি সি কোনোমতে কৈছিল 'সাপ!' ..খুটিলেইহেঁতেন। কথমপিহে ৰক্ষা পৰিলোঁ। হাতখন আৰু অকমান আগুৱাই নিয়া হ'লেই......কথাষাৰ শেষকৈ কোৱাৰ প্ৰয়োজন বোধহয় সি অনুভৱ কৰা নাছিল। গেঞ্জীটোৰে সৈতে পাঞ্জাবীটো ডাঙি উদং বুকুখনত

নিজকে সি থু-থুৱাই দিলে। ক'তা? ক'ত সাপ দেখিলি? এইখন চোন কিতাপ : কাঁইটৰ ফুল উপন্যাস।' 'উপন্যাস? কাঁইটৰ জানো ফুল ফুলে? কাঁইটে বিন্ধে। লিখিকাৰ মামটো পঢ়ি নাচাৱ কেলেই? ......বাধা হৈ মই বজাই দিলোঁ : অনুপমা বৰকটকীৰ কিতাপ কিছুমান মানুহে আজিকালি হাতেৰে চুঁবলৈও টান পায়।

বৰকটকীৰ প্ৰবন্ধপাতি পঢ়িবলৈ ঘিণ কৰাৰ কাৰণটো সিবিৰি কোৱাৰ প্ৰয়োজন নহ'ল। আমাৰ চাৰিওফালে গোট খোৱা মানুহখিনিৰ প্ৰায়বোৰেই থু-পেলাই আঁতৰি গ'ল।'

পাঠকসকলে ইমান পৰে নিশ্চয় মোৰ বিষাদ আৰু হতাশাৰ কাৰণ অনুধাৱন কৰিব পাৰিছে। আমাৰ দেশত এতিয়াও 'অবলা' বিশেষণ প্ৰয়োগ কৰিব পৰা এগৰাকী নাৰীৰ এখন উপন্যাস দেখিয়েই অসমীয়া যুৱক মূৰ্চ্ছিত প্ৰায়। পিছে অসমীয়া যুৱকসকলে তেওঁলোকৰ এজন প্ৰতিভূৰ এনে কাপুৰুষালীৰ ছবি ডাঙি ধৰাৰ নিশ্চয় ঔপন্যাসিকজনৰ ওপৰত কষ্ট নোহোৱাকৈ থকা নাই।

পিছে এই 'অনুপমা বৰকটকী'জনীয়ে আন্দোলনৰ সময়ত ভয়ৰ গোলোটা দিশটোলৈও মনটো টানি লৈ গ'ল। 'অশুচি পজাৰ ফুল' নামৰ উপন্যাসিকাখন পঢ়ি উঠি বজি পাইছিলোঁ যে অসমৰ মুষ্টিমেয় লেখক-লেখিকা আৰু সাংবাদিকৰ ভিতৰৰে এজন হ'ল এই অনুপমা বৰকটকী যি অসমৰ এই বিদেশী বিতাড়ন আন্দোলনৰ সকলোবোৰ কুকাৰ্য আৰু অশুভ পৰিণতিৰ বিষয়ে বিপুল জনমতৰ বিৰুদ্ধে গৈয়ো অহৰহ সকিয়নি দি থাকিবলৈ ভয় কৰা নাছিল। সকলো নিৰাশাৰ মাজতো আমি আশাৰ ৰেঙণি দেখি আছোঁ এইখিনিতেই অসমৰ মুষ্টিমেয় লেখক, সাংবাদিক আৰু শুভবুদ্ধিৰ মানুহে নিজৰ সকলো ব্যক্তিগত সা-সুবিধা, নিৰাপত্তাবোধ আদি জলাঞ্জলি দিও অসমৰ বাইজৰ প্ৰকৃত মঙ্গলৰ বাবে আন্দোলনৰ প্ৰথমৰে পৰাই নিজৰ অধ্যয়ন, দূৰদৰ্শিতা আৰু বাস্তৱজ্ঞানেৰে ৰাইজক বুজাবলৈ চেষ্টা কৰি আছিছে যে এনে ধৰণৰ আন্দোলনে অসমৰ অস্তিত্বতো ৰক্ষা নকৰেই বৰং সেই অস্তিত্বক

দুৰ্বল হে কৰিব। জনমতৰ প্ৰবল সোঁতৰ বিপৰীতে গৈ নিজৰ প্ৰতীতী আৰু আদৰ্শৰ বাণী প্ৰচাৰ কৰিবলৈ গৈ যিসকল লোক লাঞ্ছিত হৈছে, অত্যাচাৰিত হৈছে আৰু সময়ে সময়ে নিজৰ প্ৰাণ পৰ্যন্ত আহুতি দিছে - সেইসকল লোকৰ আত্মাৰ নিৰ্ভীকতায়ে আজি অসমৰ এই দুৰ্দিনৰ সময়ত আমাৰ দৰে লোকৰ পৰম পাথেয়।

—সাপ্তাহিক নীলাচল, ৩০ ডিচেম্বৰ, ১৯৮০ চন

সতৰ্ক হোৱাৰ সময়

"Eternal vigilance is the price of liberty"—এই আপ্ত বাক্যষাৰ সুঁৱৰি মই ক'ব খোজোঁ যে, অকল স্বাধীনতাৰ ক্ষেত্ৰতে নহয়, জীৱনৰ আন বহুতো ক্ষেত্ৰতে এই অনন্ত প্ৰহৰীৰ সতৰ্কতাৰ প্ৰয়োজন ; কাৰণ "চোৰ, পকেটমাৰ আপোনাৰ ওচৰতেই আছে।"

এই ভাবটো মনলৈ আহিল সিদিনা গুৱাহাটী চহৰৰ কিতাপৰ দোকান এখনলৈ যোৱাৰ পাছত কিতাপৰ দোকানবোৰত ঘূৰি-পকি মাজে সময়ে অসমীয়া কিতাপ-আলোচনীৰ খা-খবৰ লৈ ফুৰাটো মোৰ প্ৰিয় অভ্যাস যদিও সি বেছিভাগ সময় দুখেই কঢ়িয়াই আনে ; কাৰণ-টো পাঠকক নিশ্চয় বহলাই নক'লেও হ'ব। পাঠকে নিশ্চয় বুজিছে যে আমাৰ সাহিত্যৰ দুৰ্দশাগ্ৰস্ত ৰূপটোৱেই এই বেজাৰৰ কাৰণ।

এই দোকানৰ মালিকজনে সিদিনা মোৰ লগত বহুত দুখৰ-সুখৰ কথা পাতিলে। যোৱা প্ৰায় এবছৰে তেওঁলোকৰ ব্যৱসায়ৰ বহুত লোকচান হ'ল, স্কুল-কলেজৰ পাঠ্য-পুথিৰ বিক্ৰী বন্ধ, অসমীয়া লেখকৰ সাহিত্য-সংস্কৃতিৰ কিতাপো প্ৰায় বিক্ৰী হোৱা নাই বুলি ক'ব পাৰি। 'মৃত্যুঞ্জয়', 'আকৌ শৰাইঘাটে'ই বোধহয় বৰ্তমান ভাল বিক্ৰীৰ মুখ দেখিছে। অৱশ্যে নানাধৰণৰ মাহেকীয়া আলোচনী, পাখেকীয়া আৰু সাপ্তাহিক বাতৰিকাকত ওলাইছে আৰু তাৰ কিছু কিছুৰ বজাৰো বৰ বেয়া নহয়। সেইকথা কৈ দোকানৰ মালিকে আনন্দও প্ৰকাশ কৰিলে যে, আন্দোলনৰ নামত নানা আলোচনী-কাকত ওলোৱাৰ ফলত বহুতো নতুন নতুন লেখকে আত্মপ্ৰকাশ কৰাৰ সুবিধা পাইছে।

কিন্তু তেওঁ আনন্দতকৈ দুখৰ বিননিয়ে সৰহভাগ জুৰিলে। তেওঁ এনেধৰণে ক'লে—'চাওক বাইদেউ, আমাৰ দোকানতহে লাল-

বাতি জ্বলাৰ উপক্ৰম হৈছে ; কিন্তু সমুখৰ দোকানখন ইংৰাজী কিতাপ-আলোচনীৰ দোকান নহয়, চলাইছেও অনা-অসমীয়া মানুহে. আমাৰ চকুৰ আগতে তেওঁলোকে আগৰদৰেই ব্যৱসায় কৰি আছে। আৰু চাওক বাহিৰৰ ব্যৱসায়ীয়ে আমাৰ আক্ষেপৰ সুযোগ লৈ কেনেকৈ ধন ঘটিছে, আমাৰ অসমীয়াৰ ছেন্টিমেণ্টক মূলধন কৰি কেনে ব্যৱসায় চলাইছে। অসমৰ বাহিৰৰ বিভিন্ন বাতৰি-পত্ৰ নানা আলোচনী উলিয়াই অসমৰ আন্দোলনৰ নানা কথা লিখি অসমীয়াক সহানুভূতি দেখুৱাই ঘঁৰিয়ালৰ চকুপানী টুকি সিহঁতে লাখ লাখ কিতাপ-আলোচনী উলিয়াই অসমৰ বজাৰ কেনেকৈ দখল কৰিছে মন কৰিছেনে ? মই নিজেই কিমান হিন্দুস্থান, ইলাষ্ট্ৰেটেড্ উইক্লি আদি বেচিলোঁ তাৰ সীমা-সংখ্যা নাই ! পিছে ইমানদিনে অসমৰ কথা এই আলোচনীবোৰে কিমান লিখিছিল ? কেইজন অসমীয়া লেখকৰ লেখাই এই আলোচনীবোৰত ঠাই পাইছিল ? আৰু অসমৰ আন্দোলনৰ বৰ্ত্তমান ছবিৰে ভৰা এইখন ইংৰাজী প্ৰচাৰ-পুস্তিকা দেখিছেনে ? ইয়াৰ ভিতৰত সাৰ-গোবৰ বিশেষ একো নাই, কিন্তু এইখনৰে দাম ১৫ টকা আৰু আমাৰ মানুহে কিনিছেও। অথচ আমাৰ অসমীয়া ভাল লেখকৰ ৮।৯।১০ টকা দামৰ ভাল কিতাপো বিক্ৰী নোহোৱাকৈ দ'ম দ'ম হৈ পৰি আছে ..”

এনেধৰণৰ বহুত কথা শুনি আজি মোৰ মন ক্ষোভ আৰু দুখেৰে ভৰি গ'ল। পাছত মই বহুতৰ লগতে এই বিষয়ে আলোচনা কৰিলোঁ যে, অসমক নানাভাৱে নানাভাৱে শোষণ কৰিছে—বন্ধুৰ ছদ্ম-বেশত বাহিৰৰ এই সংবাদপত্ৰ গোষ্ঠীবোৰ এই ধৰণৰ শোষণেই নহয়নে ? ব্যৱসায় ব্যৱসায়েই। কথা হ'ল—Make hay while sun shines !

কিন্তু মোৰ দুখৰ পাত্ৰ পূৰ্ণ কৰি তুলিলে এই আলোচনা কৰা সকলৰ একজনে। তেওঁ হিনিক হাঁহি এটা মাৰি মন্তব্য কৰিলে-“আমাৰ আবেগ-অনুভূতিক মূলধন কৰি অসমৰ বাহিৰে-ভিতৰে বহুত

সুবিধাবাদীয়েইতো বহুত বেহা কৰিলে , ভিতৰত শ্বহীদৰ ছবি বেচাৰ বেহা, বাহিৰত—এনেকি কলিকতাতো 'জয় আই অসম'ৰ ষ্টিকাৰ তৈয়াৰ কৰি অসমত বেচাৰ বেহা, মাদ্ৰাজ-তাদ্ৰাজত 'জয় আই অসম' গামোচা কাপোৰৰ কলত 'লাৰ্জ স্কেল'ত উৎপাদন কৰি অসমত বেচাৰ বেহা (মহাত্মা গান্ধীয়ে যদিও অসমৰ শিপিনীয়ে তাঁতত সপোন ৰচাৰ প্ৰশংসা কৰিছিল, আমাৰ আইদেউসকলৰ মাজত শাৰীৰ প্ৰভৃত প্ৰচলনেতো চহৰৰ ভদ্ৰলোকৰ ঘৰত তাঁতশালৰ ব্যৱহাৰ বন্ধই কৰিলে) হঁায় ! আমাৰ হোজা-সৰল অসমীয়া, কতজনে যে কত চক্ৰান্ত কৰি আমাৰ দুৰ্বল স্থানবোৰ আবিষ্কাৰ কৰি লাভৰ সুযোগ লৈ ঠগাই আছে আৰু ঠগাই থাকিব ! বুজিছা, তোমালোক অসমীয়া সাহিত্যিক-সকল অসমৰ চহৰে-গাঁৱে যত্ৰ-তত্ৰ হৈ থকা বানপানীতে ডুবি মৰাগৈ, তোমালোকৰ কোনো ভৱিষ্যৎ নাই, অসমত তোমালোকে অসমীয়া ভাষাত লেখা কিতাপ-পত্ৰ কেতিয়াও বিক্ৰী নাপায় মনত ৰাখিবা, গাঁৱৰ সন্ন্যাসীয়ে কেতিয়াও ভিক্ষা নাপায়... ”

বন্ধুৰ পাছৰ কথাকেইষাৰে অৱশ্যে নতুনকৈ বিমৰ্ষ কৰি তুলিব নোৱাৰিলে সুদীৰ্ঘ ত্ৰিশ বছৰ সাহিত্য-সাধনা কৰি যি শিক্ষা পাইছোঁ তাত বন্ধুৱেনো আৰু নতুন কি ইন্ধন যোগাব । কিন্তু মই সঁচাকৈয়ে শংকিত হ'লোঁ অসমক নতুন আৰু অভিনৱ উপায়েৰে নানাজনে নানাভাৱে শোষণ কৰাৰ সম্ভাৱনা দেখি । আমি সঁচাকৈয়ে সতৰ্ক হ'বৰ হ'ল ।

—অপৰূপ, ১০ ছেপ্তেম্বৰ, ১৯৮০

অসমৰ সংবাদ সেৱা আৰু মোৰ তিক্ত অভিজ্ঞতা

(এখন ব্যক্তিগত ৰচনা)

"জীৱনৰ বছৰবোৰৰ পৰা যি এক জৰুৰী কথা শিকিছো, সি হ'ল নিজৰ কামক গুৰুত্ব দিয়া আৰু নিজকে গুৰুত্ব দিয়াৰ ভিতৰত পাৰ্থক্য। প্ৰথমটো অত্যাৱশ্যকীয় আৰু দ্বিতীয়টো সৰ্বনাশীয়া।" এই কথাখিনি লিখিছে এই শতাব্দীৰ অন্যতম সৰ্বশ্ৰেষ্ঠ বেলেৰিনা মাৰ্গো ফণ্টেইনে ১৯৭৫ চনত প্ৰকাশ কৰি উলিওৱা তেওঁৰ আত্মজীৱনীখন। কথাখিনি পঢ়ি খুব ভাল লাগিছে কাৰণ আত্মোপলব্ধিৰ তাক মযো আপোন কৰি লব পাৰিছো। কিন্তু যথাপিও নিজৰ তুচ্ছ সুখ দুখ, আশা হতাশাৰ মায়াজালৰ পৰা মুক্ত হোৱাৰ সাধনাত উত্তীৰ্ণ হব পৰা নাই, কামৰ সাধনাতকৈ মন মগ্ন হৈ থাকিব খোজে নিজৰ ক্ষুদ্ৰ স্বাৰ্থ সিদ্ধিৰ সাধনাত (যদিও সি সৰ্বনশীয়া) -তাৰ বাবেই বোধহয় মোৰ ১৮ ডিচেম্বৰৰ অসম ট্ৰিবিউন কাকতৰ প্ৰথম পৃষ্ঠাৰ খবৰ এটা পঢ়ি নিজৰ ব্যক্তিগত আক্ষেপ কেইবোৰ মনৰ তলিৰ পৰা ওপৰলৈ উলাই আহিল আৰু সেই বিষয়ে কিছু কথা লেখিবৰ মন গ'ল। কিন্তু সেই ব্যক্তিগত কথাবোৰৰ লগত সাধাৰণ নীতি আৰু ন্যায়বোধৰ প্ৰশ্নও জড়িত আছে— গতিকে নিজকে গুৰুত্ব দিয়াৰ সৰ্বনশীয়া প্ৰবৃত্তিটো হয়তো ইয়াত কিছুদূৰ সমৰ্থনযোগ্য হ'ব।

ট্ৰিবিউনত ওলোৱা বাতৰিটো হ'ল এই অসম সাংবাদিক সন্থাই এখন জৰুৰী সভা আহ্বান কৰি ডিব্ৰুগড়ৰ সাংবাদিক শ্ৰীশৰৎ বৰকাকতিৰ ওপৰত কোনো ন্যায্য কাৰণ নোহোৱাকৈ চৰকাৰে লোৱা দমনমূলক ব্যৱস্থাৰ বিৰুদ্ধে প্ৰস্তাৱ এটা গ্ৰহণ কৰিছে।

অসম সাংবাদিক সন্থাৰ এই বাতৰিটো পঢ়ি মোৰ অসমীয়া প্ৰবচন এটা মনলৈ আহিল 'খেনোক দেখি বাঘে বাঢ়ে, খেনোক দেখি ছুৱাৰ দিয়ে।' এই অ. সা. স, ৰ জন্ম দিনৰে পৰা মই তাৰ লগত জড়িত আছিলো —প্ৰথমবাৰ তাৰ উপ-সভানেত্ৰী আছিলো, দ্বিতীয়বাৰ কাৰ্যবাহী সমিতিৰ সদস্য আছিলো (সাংবিধানিকমতে এতিয়াও আছো, কাৰণ মোক পদচ্যুত কৰাৰ কোনো জাননী হাতত পৰা নাই)। শ্ৰীশৰৎ বৰকাকতি আমাৰ সদস্যও নহয়। কিন্তু সাপ্তাহিক নীলাচল কাকতত কাম কৰি থাকোঁতে তাৰ মালিক পক্ষই যেতিয়া মোক অতি অন্যায়ভাবে সেই কাকতৰ পৰা প্ৰথমতে নিলম্বিত কৰি পিছত বৰ্খাস্তও কৰিলে –'Curbing of freedom of the press and the people'ৰ বিৰুদ্ধে ১৭ ডিচেম্বৰত আহুত জৰুৰী সভাত প্ৰস্তাৱ লোৱা অসম সাংবাদিক সন্থাই মোৰ ক্ষেত্ৰতো কোনো জৰুৰী সভা আহ্বান নকৰিলেই বৰং লাহে ধীৰে পতা এখন সভাত বিভিন্ন বিষয়ৰ লগতে মোৰ বিষয়টো আলোচনা কৰি সন্থাৰ সভাপতি, উপ-সভাপতি আৰু সম্পাদকে গৈ নীলাচলৰ মালিকৰ লগত কথাবতৰা পতাৰ যি সিদ্ধান্ত ললে তাক কাৰ্যাক্ষেত্ৰত পালন কৰিলে নে তাকো মোক জানিবলৈ নিদিলে। সি আছিল যোৱা বছৰৰ ফেব্ৰুৱাৰী মাহৰ কথা। তাৰ পাছত ৩১ মাৰ্চ তাৰিখে নীলাচলৰ পৰা মোক বৰ্খাস্ত কৰিলে যিলোৰ কাৰণ দেখুৱাই সি এনেকুৱা উক্তত যে সাংবাদিক সন্থাৰ পৰা কোনো সঁহাৰি নেপাই মই নিজেই উকীলৰ পৰামৰ্শ অনুযায়ী এছিছটেন্ট লেবাৰ কমিছনাৰলৈ এখন আবেদন কৰিলো প্ৰসংগতঃ উল্লেখযোগ্য যে নীলাচলৰ মালিক পক্ষই মোক মাৰ্চ মাহৰ দৰমহাও নিদিলে। সি যি কি নহওক, যোৱা এপ্ৰিল মাহতে এছিছটেন্ট লেবাৰ কমিছনাৰলৈ দিয়া দৰ্খাস্তৰ কোনো সঁহাৰি নেপাই ২৫।৮।৮০ তাৰিখে পুনৰ লেবাৰ কমিছনাৰলৈকে এখন দৰ্খাস্ত কৰিলো। আচৰিত যে তেওঁৰ পৰাও কোনো উত্তৰ নাপালো—অৰ্থাৎ দেখাত মোৰ কেছটো কিবা ৰহস্যজনক কাৰণত কোনেও গ্ৰহণ নকৰিলে। ইতিমধ্যে মই

নেশ্যনেল জাৰ্নেলিষ্ট ইউনিয়নৰ ছেক্ৰেটাৰী জেনেৰেলালৈও এখন আবেদন পঠালো, কাৰণ সেই ইউনিয়নৰে শাখা হ'ল আমাৰ অসম সাংবাদিক সন্থা। ছেক্ৰেটাৰী জেনেৰেলে আমাৰ সভাপতিলৈ লিখিলে যে মোৰ কেছটো অধ্যয়ন কৰি তেওঁলোকে এই সিদ্ধান্তত উপনীত হৈছে যে মোক অন্যায়ভাবে বহিষ্কাৰ কৰা হৈছে গতিকে আমাৰ সন্থাই মোৰ হৈ যুঁজিব লাগে আৰু বাবে তেওঁলোকে দিল্লীৰ কেন্দ্ৰস্থ অফিচৰ পৰাও নিশ্চয়কৈ সহায় কৰিব।

পিছে আমাৰ সন্থাই আজিকোপতি কোনো আঁচনি লোৱা গম নাপালোঁ যাৰ দ্বাৰা তেওঁলোকে সাপ্তাহিক নীলাচলৰ কৰ্তৃপক্ষই মোৰ প্ৰতি কৰা অন্যায়ৰ বিৰুদ্ধে কিবা প্ৰতিকাৰৰ ব্যৱস্থা লয়।

গতিকে এই একেবাৰে সাংবাদিকেই সেতিয়া বাতৰি কাকতৰ স্বাধীনতা আৰু মৰ্যাদাৰ কথা কৈ বৰ্তমান আন্দোলন কৰিব ধৰে তেতিয়া আমাৰ পক্ষে বিদ্ৰূপৰ হাঁহি সংবৰণ কৰা টান হৈ পৰে; এওঁলোকৰ দুমুখীয়া নীতি মোৰ ক্ষেত্ৰত ভালকৈয়ে প্ৰকট হৈ ওলাল। সাপ্তাহিক নীলাচলত তাৰ জন্মলগ্নৰে পৰা ওতঃপ্ৰোতভাবে জড়িত, তাৰ স্বত্বাধিকাৰী তথা সম্পাদকে মোৰ বিষয়ে এনে ধৰণৰ লিখিত মন্তব্যও কৰি থৈছে— 'She served in our organization very ably and creditably and her involvement in it added lustre and prestige to our journalistic endeavour" অথচ সেই কাকতত মই সুদীৰ্ঘ বাৰ বছৰ কাম কৰাৰ পাছত তাৰ পৰা মোক যেতিয়া অতি অন্যায় ভাবে বহিষ্কাৰ কৰা হ'ল তেতিয়া অসমৰ সংবাদপত্ৰ জগতখন একেবাৰে নিতাল মাৰি ৰ'ল, কোনেও এবাৰ প্ৰতিবাদৰ শব্দ ধ্বনিত নকৰিলে। কিন্তু সেই সিদিনা ডিব্ৰুগড়ত শ্ৰীশৰৎ বৰকাকতিক চৰকাৰে জুলুম কৰা বুলি গৰিহনা দি আমাৰ সাংবাদিক সন্থাটোৰ সাধাৰণ সম্পাদকে দৈনিক কাকতত বিবৃতি দিলে আৰু তাৰ পাছত ১৭ ডিচেম্বৰৰ সভাত গৰিহণাৰ প্ৰস্তাৱেই হ'লে।

অসমৰ মুখাফুটা সাংবাদিক সকলৰ এনে তীব্ৰ পক্ষপাতিত্বমূলক আচৰণ দেখি অতি ক্ষোভেৰে ভাবিবলৈ বাধ্য হৈছো যে জনমত গঠন কৰাত এক বিশেষ ভূমিকা লোৱা সংবাদ সেৱাৰ নমুনা অসমত যদি এয়েই হয় তেন্তে এই সংবাদ প্ৰতিষ্ঠানবোৰে যে আমাৰ ৰাজ্যত গণতন্ত্ৰৰ টুটি চেপি ধৰাত আগভাগ ল'ব সি ধুৰূপ।

এতিয়া প্ৰেছ আইন প্ৰয়োগ কৰি অসমৰ বাতৰি কাকতৰ স্বাধীনতা লুপ্ত কৰা হৈছে। এজন স্বাধীনচিন্তীয়া গণতান্ত্ৰিক ভাবাদৰ্শৰ সাংবাদিক হিচাপে মই স্বাধীনতা খৰ্বকাৰী যি কোনো আইনৰে বিৰোধিতা কৰো, কিন্তু আজি এবছৰে অসমৰ আন্দোলনৰ পৰিপ্ৰেক্ষিতত আমাৰ প্ৰধান বাতৰি কাকতবোৰে যি ভীষণ পক্ষপাতমূলক ভূমিকালৈ অসমৰ ৰাইজৰ সম্প্ৰীতিৰ ভাঙোন আনিলে তাতৈ চাই এই কাকতবোৰৰ ওপৰত এক ধৰণৰ নিষেধাজ্ঞা জাৰী কৰা যে উচিত এই কথাও বাৰ বাৰ মনলৈ আহিছিল। এই প্ৰসংগত মোৰা ১০-১৬ জানুৱাৰী সংখ্যা Illustrated Weekly ত 'Neglected Assam' প্ৰবন্ধত সেই সাপ্তাহিকৰ সম্পাদক এম. ভি. কামাথে অসম ৰাজ্যিক জনতা পাৰ্টিৰ সভাপতি শ্ৰীগৌৰী শঙ্কৰ ভট্টাচাৰ্যাৰ বিষয়ে লেখা অলপ কথাও উদ্ধৃত কৰাৰ লোভ সামৰিব নোৱাৰিলোঁ।—"Gourisonkar Bhattacharjya, President of the Janata Party, freely admitted to me that there have been stray incidents against Bengalis. 'We regret it,' he said and the sincerity with which he expressed his sorrow was apparent. Mr. Bhattacharjya did not spare those sections of the Assamese press that he said behaved like 'lunatics'...... .....শ্ৰীভট্টাচাৰ্যৰ লগতে আমি এইখিনি কথাও যোগ নকৰি নোৱাৰিলোঁ যে তেওঁলোকে এক পক্ষপাতমূলক ভূমিকা লৈ অসমৰ বিভিন্ন জনগোষ্ঠীৰ মাজত এক সৰ্বনশীয়া বিভেদৰ সৃষ্টি কৰিলে। কাৰণ তেওঁলোকে অতদিনে চকুলো টুকিলে কেৱল খিল-

স্থানীয়। অসমীয়া কেইজনৰ বাহিৰে, অন্যান্য যিসকল ভিন্ন ভাষাভাষী বা আন্দোলনত ভিন্ন মত পোষণ কৰা লোক অসম আন্দোলনৰ বলি হ'ল, তেওঁলোকৰ বাবে এটোপাল চকুলোও নোপেলালে। অসমৰ একাংশ বাতৰি কাকতে শ্ৰীভট্টাচাৰ্যৰ ভাষাত যদি lunatics ৰ দৰে ব্যৱহাৰ কৰিছিল, তেন্তে এই কথাও ক'ব লাগিব যে তেওঁলোকৰ সেই madness ত হেমলেটৰ madness অৰ দৰে বিশেষ 'method'ও আছিল!

—সাপ্তাহিক সাঁচিপাত, ১২ জানুৱাৰী, ১৯৮৯ চন

নবীন শৰ্মা ছাৰ

জীৱনৰ কোনোবাখিনিত এটা করুণ প্ৰহসন লুকাই আছে, বহুতবাৰেই এই কথাটো মনলৈ আহিছে। কিছুদিন আগতে অসমসাহসী "পাপিলিয়ন"ৰ কল্পনলীৰ কেন্সাৰত মৃত্যু হোৱা বাতৰিটো পঢ়ি এই দুখটোৰেই মনলৈ আহিছিল, নাৰিকল আৰু গৈলাৰ ভুৰ সাজি আটলাণ্টিক মহাসাগৰত জাপ মাৰি পৰি জেলৰ পৰা পলাই সৰাকে আদি কৰি নানা ধৰণৰ অভূতপূৰ্ব শাৰীৰিক আৰু মানসিক শক্তিৰ পৰিচয় দিয়া মানুহজনে তিলে তিলে মৃত্যুৰ ক্ষণ গণি সুদীৰ্ঘ দিন ৰোগশয্যাত পৰি থকা কথাটো তেওঁৰ সমগ্ৰ জীৱনৰ ঘটনাৰাজিৰ লগত কোনোমতে খাপ নাখায়।

আজি নবীন শৰ্মা ছাৰৰ মৃত্যুৰ বাতৰিটো পঢ়ি মনত সেই একেটা অনুভূতিয়েই জাগিল। আজীৱন যি আছিল কৰ্মযোগী, সেই মানুহজন যোৱা দুটা মাহে তেনো সম্পূৰ্ণ অথৰ্বভাৱে ৰোগশয্যাত পৰি আছিল। এনে এটা দৃশ্য কল্পনা কৰিবলৈকো টান লাগে। 'ছাৰ'ৰ চিৰ-সেউজীয়া কৰ্মচঞ্চল মূৰ্ত্তিটো মনৰ চকুত ভাহি উঠিলে এনে কথা অসম্ভৱ যেন লাগে। অসমত এনে 'ছাৰ'ৰ নিশ্চয় আজিলৈকে জন্ম হোৱা নাই যি 'ছাৰে' তিনি-পুৰুষক সমান শক্তিৰে, সমান কৰ্মদক্ষতাৰে, সমান উৎসাহেৰে শিক্ষাদান কৰিব পাৰিছে।

'নবীন ছাৰ'ৰ সংস্পৰ্শলৈ আমি ১৯৪১ চনমানত আহোঁ। তেতিয়া আমি কণ কণ ল'ৰা-ছোৱালী, 'ছাৰ' চফল ডেকা। কিন্তু আমি তেখেতৰ দ্বিতীয় পুৰুষৰ ছাত্ৰ-ছাত্ৰী। তাৰ আগতেও, তেখেতে শ্ৰীমতী অমলপ্ৰভা দাসকে আদি কৰি আমাৰ বয়োজ্যেষ্ঠ প্ৰথমচামকো শিক্ষা দিছে। তাৰপিচত সেই সিদিনালৈকে, বৃদ্ধ বয়সলৈকে, এক নবীন উৎসাহেৰে কণ কণ ল'ৰা-ছোৱালীবোৰক—অৰ্থাৎ নাতি-

নাতিনীসকলকো শিকাই আছিল। নামৰ লগত স্বভাৱৰ এনে মিল খুব কম মানুহৰেই থাকে। এবছৰমান আগতে আমি যিটো ঘৰত আছিলোঁ সেই ঘৰটোৰ আগেৰে ‘ছাৰ’ক প্ৰায়ে চাইকেল মাৰি যোৱা দেখিছিলোঁ। তেখেতৰ চাইকেল মৰাৰ সেই দৃশ্য দেখি কোনে ক’ব যে তেখেত এজন বৃদ্ধ মানুহ! মই যেন ‘ছাৰ’ক নিচিনোৱেই তেনেভাৱে প্ৰথম দিনা মোৰ সৰু ল’ৰাটোৱে কৈছিল “চোৱা মা, চাইকেলত উঠি সেই বুঢ়া মানুহজন যে গৈ আছে, তেখেত আমাৰ ‘নবীন শৰ্মা ছাৰ’; দেখিছাহে বুঢ়া, তেখেতে কিন্তু আমাৰ দৰেই সমানে জপিয়াব পাৰে, নাচি-বাগি ফূৰ্ত্তি কৰিব পাৰে, ব্যায়াম কৰিব পাৰে। মাজে মাজে আমাৰ স্কুললৈ গৈ আমাক ব্যায়াম শিকায়, নাচ-গান শিকায়। আমি সকলোৱে তেখেতক খুব ভালপাওঁ। কেতিয়াবা আমাৰ স্কুলত নোসোমাই আগেৰে আন ঠাইলৈ গুচি যাব খুজিলে আমি তেখেতক ৰাস্তাৰ পৰা জোৰ কৰি ধৰি লৈ যাওঁ।”

ল’ৰাটোৰ কথা কেইটাই মোৰ মনটোক যেন সুদীৰ্ঘ ত্ৰিশ বছৰমানৰ আগৰ দিনবোৰলৈ পিছুৱাই লৈ গ’ল। মই যেতিয়া মোৰ ল’ৰাৰ বয়সী আছিলোঁ, তেতিয়া জানো এই একেজন মানুহকে এনেকৈয়ে ভাল পোৱা নাছিলোঁ? সাধাৰণতে মোৰ খেলাধূলালৈ ধাপ নাছিল, কিন্তু বাকী বহুতো ল’ৰা-ছোৱালীৰ দৰেই ময়ো অধীৰ আগ্ৰহেৰে বাট চাই থাকোঁ কেতিয়া আবেলি হ’ব, কেতিয়া স্কুলৰ ছুটীৰ ঘণ্টা বাজিব আৰু নাকে-মুখে কিবা অলপ খোৱা বস্তু গুজি লতাশিল ফিল্ডলৈ কেতিয়া দৌৰ মাৰিব পাৰোঁ! লতাশিল ফিল্ডত যে আমাৰ বাবে হাঁহিভৰা মুখেৰে, অধীৰ আগ্ৰহেৰে বাট চাই আছে আমাৰ মৰমৰ নবীন শৰ্মা ছাৰ, আমি গৈ পোৱাৰ লগে লগে তেখেতে আমাৰ লগতে জপিয়াব, খেলিব, নাচিব, হাঁহিব, ফূৰ্ত্তি কৰিব, গীত গাব! তেখেতৰ অফুৰন্ত প্ৰাণশক্তি সঞ্চাৰিত কৰিব আমাৰ মাজত থকা প্ৰতিজন নাতি-উৎসাহী আধাকণা শিশুৰ শৰীৰ-মনলৈও! “ওৰে নবীন, ওৰে সবুজ, ওৰে আমাৰ কাঁচা, আধ-

মহাদেৱ ঘা মেৰে তুই বাঁচা!" ৰবীন্দ্ৰনাথৰ এই বাণী যেন আমাৰ 'ছাৰে' সমগ্ৰ জীৱন জুৰি আখৰে আখৰে পালন কৰি আহিছিল।

'ছাৰে' আমাক সকলো শিকাইছিল— খেলাধূলা, ব্যায়াম, সাতোঁৰ, নাচ-গান সকলো। তেখেতে শিকোৱা দুটা গীত আজিও মোৰ বাবে চিৰ নতুন হৈ আছে। দুয়োটা দুই ধৰণৰ গীত। তেখেতে আমাক গীতবোৰ থিয় হৈ থকা লাগি গাবলৈ নিদিছিল, শৰীৰ সঞ্চালন কৰি বিবিধ অঙ্গিভঙ্গীৰে সেইবোৰ গাব লাগিছিল। সমুখলৈ হাত দুখন প্ৰসাৰিত কৰি দি, বুকু ফুলাই উদ্দাত্ত আবেগ ভৰা মাতেৰে তেখেতে গাইছিল "সৌ দূৰৰ ধৰ্মক্ষেত্ৰ, কৰিবই লাগিব কৰ্মক্ষেত্ৰ।" আমিও তেতিয়া লগে লগে তেনেকৈ হাতবোৰ প্ৰসাৰিত কৰি আমাৰ ধৰ্মৰ নামত নানা কু-সংস্কাৰেৰে ভৰা ভাৰতবৰ্ষক কৰ্মক্ষেত্ৰলৈ পৰিণত কৰাৰ আহ্বান জনাইছিলোঁ, সংকল্প লৈছিলোঁ। আমাৰ প্ৰিয় আনটো গীত "বগাকৈ বগলী, বহলাই বলিছে, বলুকাত বিয়লি বেলা, বকুল বাগৰিছে ববছা বনতে, বুটলি বিলাওঁগৈ ব'লা।" এই গীতটো গোৱাৰ লগে লগে আমি বগলী হৈ হাতবোৰ পাখীৰ দৰে মেলি ঘাঁহনিত বহি পৰিছিলোঁ, তাৰপিছত বকুল হৈ বাগৰিছিলোঁ, আৰু পিছ মুহূৰ্তত উঠি বহি সেই বকুল বিলাইছিলোঁও। কোৱা বাহুল্য যে আমাৰ 'পালোৱান' ডেকা 'ছাৰ' জনো তেনেকৈয়ে এটা বগলী হৈ আমাৰ লগে লগে ঘাঁহনিত বাগৰিছিল।

এই গীতটো ইমান ভাল লগাৰ এটা কাৰণ তাৰ ব-যুক্ত অনুপ্ৰাস যে হয় স্বীকাৰ কৰিও কম যে 'ছাৰে' আমাক তেনেকৈ অভিনয় কৰি কৰি গাবলৈ নিশিকালে ইমান ভাল নিশ্চয় নেলাগিলহেঁতেন। সমূহ ল'ৰা-ছোৱালীৰ মাজত তেখেতে এই গীতটো কিমান যে প্ৰিয় কৰি তুলিছিল সেই কথাৰ গম পাইছিলো শৈশৱ অতিক্ৰান্ত কৰি অহাৰ কেবা বছৰৰ পিচতো। তেতিয়া আমি বি, এ, পঢ়োঁ, বান্ধৱী গীতাৰ (এতিয়া সু-সাহিত্যিক ডঃ মহেন্দ্ৰ বৰাৰ পত্নী) ঘৰলৈ ফুৰিবলৈ গৈছিলোঁ। এবাৰ আমাৰ মাজত আছি ওলাল গীতাৰ ৭।৮ বছৰীয়া সৰু ভায়েক এটা। সি মোক ক'লে—"বকুল বাইদেউ, আপোনাক

অলপ জোকাওঁনে ?" বেছ অবাক হ'লেও ক'লোঁ। "বাক, জোকোৱা।" সি আৰম্ভ কৰি দিলে—"বগাকৈ বগলী বহলাই বলিছে, বলুকাত বিয়লি বেলা, বকুল বাগৰিছে..." ইত্যাদি ইত্যাদি। মই এইবাৰ অতি' আচৰিত হৈ সুধিলোঁ। সি সেই গীতটো ক'ত শিকিলে। "আমাক নবীন ছাৰে শিকাইছে।" সঁচায়ে আচৰিত নহৈ উপায় নাই। এতিয়াও 'ছাৰে' ল'ৰা-ছোৱালীবোৰক শিকায়! আমাক শিকোৱাৰ আজি দহ-বাৰ বছৰৰ পিচতো! মানুহৰনো ইমানেই প্ৰাণ প্ৰাচুৰ্য্য থাকেনে, ইমানেই অক্লান্ত হ'ব পাৰেনে আমাৰ অসমীয়া কানীয়া মানুহ, শিশুৰ প্ৰতি অগাধ ভাল পোৱা। ইমানেই যুগমীয়া হয় নে ?

কিন্তু মোৰ আৰু বেচি অবাক হ'বলৈ বাকী আছিল। সেই ঘটনাৰো কুৰি বছৰৰ পিচত মোৰ সাত-আঠ বছৰীয়া ল'ৰাটোৱে ক'লে যে সিহঁতকো নবীন শৰ্মা ছাৰে শিকায়, নবীন শৰ্মা ছাৰে সিহঁতৰ লগত জপিয়ায়. ধৰ্ম ক্ষেত্ৰ ভাৰতবৰ্ষক কৰ্মক্ষেত্ৰ কৰাৰ সংকল্প এতিয়াও 'নামত' বুঢ়া মানুহজনে এৰা নাই আৰু সকলোতকৈ ডাঙৰ কথা— সিহঁতে 'ছাৰ'ক বৰ ভাল পায়, ৰাস্তাৰ পৰা টানি টানি লৈ যায়!

'নবীন ছাৰ' নথকা আজিৰ গুৱাহাটীৰ কণ কণ ল'ৰা-ছোৱালীবোৰলৈ মোৰ খুব সহানুভূতি উপজিছে। তেওঁলোকৰ কোনোদিন 'ছাৰ'ৰ দৰে গুৰু এজনৰ ওচৰত শিক্ষা পোৱাৰ সৌভাগ্য নহ'ব। তেওঁলোকে পইচা দি ষ্টেডিয়ামত কমাৰ্চিয়েলভাৱে আৰু নিপুণভাৱেও খেলা শিকিব, 'বাল-ভৱন'তো পইচা দি নাম লগাই নানা ধৰণৰ খেলা-ধূলা, ব্যায়াম, নাচ-গান শিকিব- হয়তো 'ছাৰে' শিকোৱাতকৈ বেচি উন্নত ধৰণৰেই শিকিব' কিন্তু এদিন আমি ছাৰৰ ওচৰত যি প্ৰাণৰ স্পৰ্শ লাভ কৰিছিলোঁ, যি গভীৰ ভাল-পোৱাৰ মাজেৰে শিক্ষা পাইছিলোঁ-- সেয়া জানো তেওঁলোকে পাব ? পইচা লৈ শিকোৱা এটা বেলেগ বস্তু আৰু প্ৰাণৰ আগ্ৰহত শিকোৱা আন এটা বস্তু। নবীন শৰ্মাৰ তেতিয়া আৰ্থিক অৱস্থা অতি বেয়া, অসহযোগ আন্দোলনত

লাগি আই-এ পঢ়ি থকা অৱস্থাতে পঢ়াশুনা জলাঞ্জলি দিলে পিছে ভাগো যেনিবা খেলুৱৈ বুলি ছুদ্‌মাছুন চাহাবে তেখেতক কটনত চাকৰি এটা দিলে। মাহে ত্ৰিশ টকা দৰমহা। কিন্তু মূল্যবৃদ্ধিৰ ভয়াবহতা নোহোৱা সেই দিনবোৰতো জানো মাত্ৰ সেই কেইটা টকাৰে সংসাৰ চলে? তাতে 'ছাৰ'ৰ পৰিয়াল হ'ল বৃহৎ. কেবাজনো ভায়েকক 'মানুহ' কৰিব লাগে। অৱশ্যে তেখেতে ভায়েকহঁতক নিজৰ জীৱনৰ মূলমন্ত্ৰটোৰে দীক্ষিত কৰিব পাৰিছিল বুলি যেনিবা অভাৱৰ মাজতো অলপ সকাহ পাইছিল। কৰ্মই যেতিয়া তেখেতৰ ধৰ্ম, ভায়েকহঁতকো সেই কৰ্ম প্ৰেৰণা জোগাইছিল। প্ৰত্যেক ভায়েকে টিউচন কৰি পঢ়িছিল। তেওঁলোকে গুৰুদক্ষিণা লৈছিল অভিনৱ ধৰণে, ছাত্ৰৰ সামৰ্থ্য অনুযায়ী. অৰ্থাৎ শাক-পাচলিৰ বেপাৰীৰ ল'ৰাক পঢ়ুৱাই শাক-পাচলি লৈছিল, চাউলৰ বেপাৰীৰ ল'ৰাৰ পৰা চাউল লৈছিল, মাছমৰীয়াৰ পৰা মাছ লৈছিল—ইত্যাদি ইত্যাদি। ছাৰেও কলেজত কাম কৰি ক্ষান্ত নাছিল, সংসাৰ চলাবলৈ নিজেও টিউছন কৰিছিল। কিন্তু এনেকুৱা অভাৱগ্ৰস্ত মানুহ এজনে সংসাৰৰ এই গধুৰ বোজা কঢ়িয়াবলৈ নানা কামত লিপ্ত থকাৰ পিছতো আবেলি সকলো ক্লান্তি-অৱসাদ উঁৱৰাই থৈ হাঁহিমুখে দৌৰি গৈছিল তেখেতৰ প্ৰিয় শিশুসকলৰ ওচৰলৈ! সিহঁতক দেশৰ আদৰ্শ শিশু হিচাবে গঢ়ি তোলা যে তেখেতৰ জীৱনৰ ব্ৰত! সকলোতকৈ অভিভূত হ'বলগীয়া কথা এয়ে যে তাৰবাবে তেখেতে কাৰোপৰা এটা পইছাও বৰঙনি লোৱা নাছিল। 'ছাউণ্ড্ অব্ মিউজিক্' চিনেমাখন যিখন কিতাপৰ আধাৰত নিৰ্মাণ কৰা হৈছিল সেই 'ট্ৰেপ্ ফেমিলি ছিংগাৰছ' নামৰ সঁচা জীৱনকাহিনীৰ কিতাপখনৰ এটা বাক্যই যেন তেখেতৰ ক্ষেত্ৰতো প্ৰযোজ্য -'We are not poor, only we don't have money—'। সঁচা কথা, নবীন শৰ্মা ছাৰৰো টকা নাছিল, কিন্তু তথাপিও তেখেত দুখীয়া নাছিল, মনৰ ঐশ্বৰ্যত তেওঁৰ লগত পৃথিবীৰ কোনো বিত্তমান মানুহেই ফেৰ মাৰিব নোৱাৰিব।

তেখেতে আমাক দীঘলী পুখুৰীত সাঁতোৰ শিকাইছিল। ১৯৪১

চনত দ্বিতীয় মহাসমৰ চলি থাকোঁতে গোৰা সৈন্যবোৰ আহি দীঘলী পুখুৰীত সাঁতুৰি নাদুৰি পানী ঘোলা কৰি ছাৰৰ সাঁতোৰ শিক্ষা প্ৰায় বন্ধ কৰি দিয়াৰ উপক্ৰম কৰিলে। কিন্তু চিৰ উৎসাহী ছাৰ নদমিল, ল'ৰাছোৱালীবোৰক লৈ গৈ ব্ৰহ্মপুত্ৰত সাঁতোৰ শিকাবলৈ। মোৰ ভাবি দুখ লাগে যে আমাৰ চহৰীয়া ল'ৰাছোৱালী নাৱে এগিয়া এবুকু পানীত পৰিলেও হয়তো ভয়তে ককৰকাই মৰিব. কিন্তু ছাৰৰ কাৰণেই আমি সেই ত্ৰিশ বছৰৰ আগতেই ব্ৰহ্মপুত্ৰৰ বুকুত সাঁতোৰাৰ সাহ কৰিব পাৰিছিলোঁ। এতিয়াৰ (বা ভৱিষ্যতৰো) ল'ৰা-ছোৱালীৰ বাবে এনে এজন দ্বিতীয় নবীন শৰ্মা ছাৰৰ জন্ম হ'বনে?

শিশু পৰিবেশত নবীন শৰ্মা ছাৰক এইবাৰ আৰু বিচৰালৈ কোনেও দেখা নেপাব! এটা হৃদয় বিদাৰক ঘটনা।

নবীন শৰ্মা ছাৰৰ মৃত্যুত অসমে সঁচাকৈয়ে এক অমূল্য ৰত্ন হেৰুৱালে। পুৰস্কাৰেৰে, আদৰণিৰ প্ৰাংশিক স্বীকৃতি জনাবলৈ নানা আঁচনি লোৱা ভাৰত চৰকাৰে আৰু ৰাজ্যিক চৰকাৰৰ সকলো ধৰণৰ সহায় সাহায্যৰ পৰা চিৰদিন বঞ্চিত হৈ ৰ'ল। এই কৰ্মযোগী মানুহ-জনৰ বিৰল আৰু বিচিত্ৰ কৰ্মৰাজিৰ কথা ভাবিলে আচৰিত মানিব লাগে। খেলুৱৈ, ব্যায়ামবীৰ, অভিনেতা, শিশুসকলক 'সুস্থ মন, সুস্থ-শৰীৰ'ৰ আদৰ্শেৰে গঢ়ি তুলিবলৈ আজীৱন চেষ্টা নপৰা উৎসাহেৰে কাম কৰি গোৱা এই মানুহজনে হেনো কটন কলেজৰ বোটানী বিভাগত গছ-গছনী, উদ্ভিদৰ এনে কেতবোৰ সূক্ষ্ম 'ক্ৰছ ছেকচন' কৰিছিল, যাৰ তুলনা নাই। অথচ তেখেতে আই এছ চিও পঢ়া নাছিল!

নবীন শৰ্মা ছাৰ যে এনে এজন অসাধাৰণ পুৰুষ আছিল, আমি তাক কেতিয়াবা সম্পূৰ্ণভাবে হৃদয়ঙ্গম কৰিব পাৰিছিলোঁনে? বাৰ্ণাৰ্ড শ্বই 'ছেণ্ট্ জোৱান' নাটকত লেখা কথা এষাৰেই বাৰে বাৰে মনলৈ আহি আছে: 'Oh, god! when shall we be ready to receive saints?

--সাপ্তাহিক নীলাচল, ২১ আগষ্ট, ১৯৭৪ চন

গছ আৰু মানুহ

'ওগো সূৰ্যৰশ্মিপায়ী,
শত শত শতাব্দীর দিনধেনু দুহিয়া সদাই
যে তেজে ভরিলে মজ্জা মানবেরে তাই করি দান
করেছ জগৎ-জয়ী দিলে তারে পরম সম্মান
হয়েছে সে দেবতার প্রতিস্পর্ধী - সে অগ্নিচ্ছটায়
প্রদীপ্ত তাহার শক্তি বিশ্বতলে বিস্ময় ঘটায়
ভেদিয়া দুঃসাধ্য বিঘ্ন বাধা।"

বৃক্ষ বন্দনা : ৰবীন্দ্ৰনাথ

দুবছৰ আগতে প্ৰায় এইখিনি সময়তে আমি মটৰ গাড়ীৰে কলিকতাৰ পৰা আহিছিলোঁ। সুদীৰ্ঘ পথ গৰমত খুব কষ্ট পাইছিলোঁ, কিন্তু উত্তৰ বঙ্গ পোৱাৰ লগে লগে আমাৰ সেই কষ্টৰ ভালেখিনি অৱসান ঘটিছিল। তাৰ কাৰণ হ'ল উত্তৰ বঙ্গৰ অপৰূপ নৈসৰ্গিক শোভা — আকাশৰ ব্যাপ্তি সীমাহীন, নিস্তা নৈৰ বগা বালি আৰু শিল সিঁচৰতি হৈ থকা বিস্তীৰ্ণ প্ৰান্তৰ, দূৰণীত হিমালয়ৰ সুউচ্চ পৰ্বতমালা। এইবোৰৰ উপৰিও উত্তৰ বঙ্গৰ ৰাস্তা খুব ভাল আৰু বেছি ভাগ ঠাইতে ৰাস্তাৰ দুয়ো দাঁতিত শাৰি শাৰি গছ। এডোখৰ এনে ঠাই পালো যত ৰাস্তাৰ দুয়ো দাঁতিত কেবা মাইলো জুৰি কেৱল তেতেলীৰে গছ। সেই গছবোৰ দেখি অলপ অবাক হৈছিলোঁ, কাৰণ, আমাৰ বন মহোৎসৱবোৰত সাধাৰণতে এনে গছহে ৰোৱা হয় যি অতি সহজেই লহপহকৈ বাঢ়ি উঠে। ফলতঃ বিভাগীয় বন বিষয়া বা ভাৰপ্ৰাপ্ত মন্ত্ৰীৰ প্ৰশংসা লাভ হয় যে তেওঁলোকৰ দিনত ইমান গছ-গছনি ৰোৱা হৈছে। মোৰ কিন্তু তেতিয়া লগে লগে সৰুকালত স্কুলৰ সাহিত্য কিতাপত পঢ়া গল্পটো মনত পৰি যায়। সেই গল্পটো নিশ্চয় বহুতেই

জানে, তথাপি আকৌ তাক সোঁৱৰালোঁ :

এজন বুঢ়াই গছ পুলি এডাল কই আছিল, তেওঁৰ কাষেৰে যোৱা মানুহ এজনে সেই দৃশ্যটো দেখি সুধিলে—'বুঢ়া দেউতা, আপুনি এইডাল কি গছ কইছে ?" বুঢ়াজনে উত্তৰ দিলে—"আম।" মানুহজনে হাঁহি মাৰি সুধিলে "এই বয়সত যে আম গছ কইছে, আপুনি জানো কেতিয়াবা তাৰ ফল খাব পাৰিব ?" বুঢ়াজনে গহীনাই উত্তৰ দিলে—"মই নেপালেও মোৰ নাতি-পুতি বা আন মানুহেহে খাব পাৰিব।"

এতিয়া বন-মহোৎসৱত গছ ৰোপণ কৰাসকলৰ খুব কম সংখ্যকেই বোধহয় নিজৰ কথা সমূলি চিন্তা নকৰি আনৰ কথা ভাবি গছ পুলি বা গুটি ৰোৱে। ফলত ভালগছ, বহুকাল স্থায়ী গছৰ-পৰা উত্তৰ পুৰুষ বঞ্চিত হৈ ৰয়। গুৱাহাটীৰ প্ৰাচীন বিৰাট গছবোৰ বোধহয় এসময়ত বুটিছসকলে কইছিল. সেই গছবোৰে বাটকৰাক কিমান যে গা-জুৰ কৰা বতাহ, শীতল ছায়া বিলাইছিল ! আমি সৰুৰে পৰা দেখি অহা সেই গছবোৰ লাহে লাহে এডাল দুডালকৈ প্ৰবল ধুমুহাত উভালি খাই ধ্বংসপ্ৰাপ্ত হ'ব ধৰিছে, সেইদৃশ্য দেখিলে বুকু হমহমাই যায়।

যিহওক, উত্তৰ বঙ্গৰ সেই তেতেলি-গছৰ লানিয়ে মনত বিস্ময়ৰ ভাবৰ সৃষ্টি কৰিছিল। বৃটিছসকলেনো কি ভাবি ইমান তেঁতেলি গছ কইছে এই কথা মই 'সবজান্তা' ডা. শ্ৰীমতী লক্ষ্মী গোস্বামীক সুধিছিলোঁ। তেওঁ কেতিয়া কৈছিল যে তেঁতেলীৰ শিপা বৰ টান, মাটিক বৰ শক্তিশালীভাৱে ধৰি ৰাখিব পাৰে, আনহাতে তেঁতেলীৰ ফলৰ দ্বাৰা নানা 'জাম জেলী' কৰিব পাৰি বৃটিছসকলে এই দূৰদৰ্শীতাৰেই তেঁতেলী গছবোৰ কই দিছিল, ফলত আজিও সেই ৰাস্তাবোৰ মজবুত হৈ আছে। উত্তৰ বঙ্গৰ কথাত আৰু এটা কথা মনত পৰি গ'ল। উত্তৰ বঙ্গৰ জলপাইগুৰি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য শ্ৰীঅম্লান দত্তক 'অচীন চীন'ৰ লেখিকা শ্ৰীমতী মৈত্ৰেয়ী দেবীয়ে হেনো উপদেশ দিছিল যে জলপাইগুৰি বিশ্ববিদ্যালয়ৰ চাৰিওপিনে শ শ বিঘা মাটি যে এনেয়ে

বৃক্ষহীন হৈ পৰি আছে তাত যেন যি উপায়েৰেই নতুনকৈ গছ-গছনি কৰা লাগে। পিছত হেনো শ্রীঅম্লান দত্তই তেখেতক খবৰ পঠাইছিল যে বিশ্ববিদ্যালয়ৰ মাটিত কেইহেজাৰমান গছ ৰোৱা হৈছে। সেই ঘটনাৰ দেৰ বছৰৰ পিছত মৈত্রেয়ী দেবী চীন ভ্রমণলৈ গৈ তাৰ এখন মাত্র বিশ্ববিদ্যালয় চোৱাৰ সুযোগ পাইছিল। সেইখন আছিল কেন্টনৰ বিশ্ববিদ্যালয়। তাৰ সোমায়ে হেনো বিশ্ববিদ্যালয়খনৰ উদ্যানশোভা দেখি তেওঁ মুগ্ধ হৈ গৈছিল আৰু আক্ষেপ কৰিছিল কলিকতাৰ বিশ্ব-বিদ্যালয়ক লৈ।

আচলতে আমি গছ-গছনি ৰোৱাৰ প্রয়োজনীয়তা কি এতিয়াও হৃদয়ঙ্গম কৰি উঠা নাই। এই লেখটো বনমহোৎসৱ হৈ যোৱাৰ পিছতো সাধাৰণ ৰাইজৰ কথা বাৰু বাদেই, আমাৰ বন বিভাগৰ উৰ্দ্ধতম মহলৰ পৰা নিম্নতম মহলৰ কোনোৰেই যেন গছ-গছনিৰ অতীব প্রয়োজনীয়তাৰ কথা বুজি নেপায়, বুজি নেপায় যে গছ-গছনিৰ জীয়াই থকাৰ লগত আমাৰ জীয়াই থকাটোও ওতঃপ্রোত ভাৱে সাঙোৰ খাই আছে। আগৰ মন্ত্রীসভাৰ এজন বন বিভাগৰ মন্ত্রীৰ সময়ত জাধেমাধে গছ কাটি খাস্যা কৰিবলৈ দিয়াৰ ভীষণ অপৰাধৰ কাহিনীটো মাত্র কেইমাহমানৰ পুৰণি। কিন্তু এইবোৰ হ'ল টকা-পইচাৰ লগত সম্পর্ক থকা কথা। কিন্তু কোনো কাৰণ নোহোৱাকৈয়ে সম্পূর্ণ নভবা-নিচিন্তাকৈ গছ কাটি পেলোৱাৰ Callousness অৰ উদাহৰণ বিৰল নহয়। দুবছৰমান আগতে গুৱাহাটীৰ কাছাৰীৰ ওচৰত থকা বন বিভাগৰ অফিচৰ গছ এডালৰ ডালবোৰ কাটি লঠঙা কৰি পেলোৱাৰ উল্লেখ কৰি 'আসাম ট্রিবিউন'ত এজন পত্রলেখকে ক্ষোভ আৰু আশ্চর্য প্রকাশ কৰি লেখিছিল যে সেই গছত আছি বাহ লয় Egret নামৰ এক আপুৰুগীয়া পৰিব্রাজক চৰাই, এইবাৰ বছৰ আহিলে এই চৰাইবোৰৰ এই আশ্রয়স্থলৰ ক্ষতিপূৰণ কোনে দিব? এনে আৰু এক অনাবত গছ কটাৰ উদাহৰণ দেখিছিলো গুৱাহাটীৰ দীঘলী পুখুৰীৰ দক্ষিণ পাৰৰ উদ্যানখনৰ ক্ষেত্রত। তাত থকা গছ

কেইডাল যে কিয় কাটি পেলোৱা হ'ল তাৰ অৰ্থ আজিও নুবুজিলোঁ।

অৰণ্যে এনে গছ কটাৰ নিষ্ঠুৰতা হেনো কলিকতাতো ৰাইজে প্ৰত্যক্ষ কৰিছে। যোৱা মাৰ্চমাহৰ ষ্টেটছমেন কাকতৰ Calcutta Note Bookঅত লেখকে আক্ষেপ কৰিছে যে কলিকতাৰ প্লেনেটেৰিয়ামৰ ওচৰৰপৰা আৰম্ভ কৰি এই চিৰিমিন আৰু শোকছপীয়াৰ সৰণীলৈকে চাৰিওপিনৰ মেহগনী গছবোৰ কাটি পেলোৱা হৈছে টিউব ৰেলৰ বন্দৰৰ নামত। অথচ এনে এডাল মেহগনী গছ কই ডাঙৰ কৰিবলৈ কত বছৰ, কত যত্নৰ আৱশ্যক হয়। তাৰোপৰি ডাঙৰ নগৰীবোৰত উদ্যানৰ প্ৰয়োজন অতি বেছি। লণ্ডনৰ হাইড পাৰ্কত বহুত গছ। বিজ্ঞানীসকলে পৰীক্ষা কৰি দেখিছে যে এই পাৰ্কৰ ভিতৰৰ বতাহ বাহিৰৰ বতাহতকৈ ২৫ শতাংশ বিশুদ্ধ।

কিন্তু হাবি-বন, জীৱ-জন্তু, চৰাই-চিৰিকতি এই সকলোবোৰেই যে মানুহৰ বাস কৰা পৰিবেশটো নিৰ্মল আৰু সুস্থ কৰি ৰখাৰ বাবে অপৰিহাৰ্য, সি এতিয়া প্ৰায় কাৰো অবিদিত নহয়। ৰবীন্দ্ৰনাথ ঠাকুৰে হয়তো 'ইকলজিৰ' কথা নজনাকৈয়ে এটা অমূল্য বাক্য লেখিছিল 'দাও ফিৰে সে অৰণ্য, লহ এ নগৰ।' অৰণ্যৰ অতিশয় প্ৰয়োজনীয়তাৰ কথা বৰ্তমানৰ বৈজ্ঞানিকসকলে উপলব্ধি কৰিব পাৰিছে বাবে তেওঁলোকে ইতিহাসৰ ঘটনাও অইন দৃষ্টিভংগীৰে চাবলৈ ধৰিছে। উদাহৰণ স্বৰূপে মেচোপটেমিয়া আৰু মধ্য এচিয়াৰ ঠায়ে ঠায়ে যি প্ৰাচীন ধ্বংসাৱশেষ পোৱা গৈছে, তাৰ বৃক্ষ-বিৰল শুষ্ক চেহেৰাই পুৰাতাত্ত্বিকসকলক হেনো নতুনকৈ ভবাইছে যে বোধহয় এইবোৰ নগৰীৰ অৰণ্যৰ লগত প্ৰাণৰ সম্পৰ্ক বিচ্ছিন্ন হৈ যোৱা বাবেই এনেকৈ ধ্বংসপ্ৰাপ্ত হৈছে।

১৯৭৭ চনৰ চেপ্তেম্বৰ মাহত নাইৰোবিত অৰণ্যৰ উন্নতি সাধনৰ বাবে যি বিশ্ব সম্মিলন অনুষ্ঠিত হৈছিল তাৰ সকলো বক্তাই একবাক্যে অৰণ্যৰ প্ৰসাৰতা বৃদ্ধি আৰু মৰুভূমিৰ প্ৰসাৰতা ৰদৰ ওপৰত অতিশয় গুৰুত্ব আৰোপ কৰিছিল। এইটো যে এক অতিকৈ গুৰুত্বপূৰ্ণ সমস্যা, তাক আমাৰ বহুতে উপলব্ধিকে কৰিব পৰা নাই। আমাৰ

ভাৰতবৰ্ষৰে কথা ধৰক। যি ক্ষেত্ৰত ভাৰতীয় বনভূমিৰ আয়তন সমগ্ৰ ভূ-ভাগৰ তেত্ৰিশ শতাংশ হোৱা উচিত, সেই ক্ষেত্ৰত ভাৰতীয় বনভূমিৰ আয়তন হ'ল ভূভাগৰ মাত্ৰ তেৰ শতাংশ। ভাৰতৰ নানা ধৰণৰ সমস্যা আৰু সংকটৰ কাৰণেই হ'ল—বনভূমিৰ আয়তনৰ এই ক্ষুদ্ৰতা। বন্য-প্ৰাণীৰ সংখ্যাৰ হ্ৰাস, কৃষি আৰু অন্যান্য খেতিৰ মাটিৰ সংকোচন, ভূমি-ক্ষয়ৰ প্ৰবলতা, প্ৰাকৃতিক বিপৰ্যয়ৰ তীব্ৰতা আৰু বণ্যাৰ আধিক্য— এই সকলোবোৰেই হ'ল অৰণ্যৰ অভাৱ আৰু সংকোচনৰ পৰিণামৰ প্ৰত্যক্ষ ঘটনা। আমাৰ অসমতো বৰ্ত্তমান বানপানীৰ বৰ্দ্ধিত প্ৰবলতাৰ এটা কাৰণ হ'ল এই অৰণ্যানী ধ্বংস। গছ-গছনীৰ শিপাই পানী শুহি লয়, মাটিক টানকৈ ধৰি ৰাখে। তদুপৰি গছ-গছনী হ'ল চৰাইৰ আশ্ৰয়স্থল। এতিয়া দেখা গৈছে যে বহুতো পৰিব্ৰাজক পক্ষীৰ বছ-ৰেকীয়া ভ্ৰমণৰ স্থল অৰণ্য লোপ পোৱাত সেই পক্ষীবোৰ ক্ৰমে নিশ্চিহ্ন হৈ যাব ধৰিছে। কিন্তু প্ৰকৃতিৰ সমতা ৰক্ষা কৰাত, পৰিবেশ দূষিত হোৱাৰ পৰা পৃথিবীক ৰক্ষা কৰাত গছ-বন, চৰাই-চিৰিকতি, জীৱজন্তু, কীটপতংগ এই সকলোবোৰৰে যৌথ অৱদান আছে। অলপতে দক্ষিণ আমেৰিকাৰ এটা অঞ্চলৰ ল'ৰা এজনৰ ছবি এখন দেখিলো। তাৰ ছালৰ কেন্সাৰ হৈছে, মুখখন দাগেৰে ভৰ্তি হৈ গৈছে। সেই বেমাৰটো সেই অঞ্চলৰ বহুতৰে হৈছে আৰু পিছত বিশেষজ্ঞই প্ৰমাণ কৰিছে যে অঞ্চলটোৰ কিছুমান গছ কাটি পেলোৱাৰ ফলতে তাৰ নিজস্ব বায়ুৰ অভাৱতে হেনো সেই কেন্সাৰ হৈছে।

আজিলৈকে আমাৰ তেৰটা বনমহোৎসৱ পালন কৰা হ'ল তথাপি যেন আমি এই বিষয়টোৰ গুৰুত্ব সম্যক উপলব্ধি কৰিব পৰা নাই। চৰকাৰো যেন গছ-গছনীৰ ৰক্ষাকৰ্ত্তাৰ ভূমিকা লোৱাত অপাৰগ হৈ আছিছে, কাৰণ বে আইনী দখলকাৰীয়ে অধেমধে হাবি কাটি ন ন বসতি স্থাপন কৰিয়েই আছে, চোৰাং ব্যৱসায়ীয়ে দুৰ্নীতি পৰায়ন বন-বিষয়া আৰু মন্ত্ৰীৰ সহযোগত গছ কাটি অসমৰ বনাঞ্চল তহিলং কৰিয়েই আছে। চৰকাৰে এনে ধ্বংসকাৰ্য বন্ধ কৰাৰ বাট নাবাহ্কিলে

অসমৰ জনগণৰ অস্তিত্বই এদিন অতিশয় সংকটাপন্ন হৈ উঠিব। এনেয়েতো কিছুমান অবধাৰিত কাৰণত আমি হাবিবনৰ ধ্বংস সাধন কৰিবই লাগিব—যেনে, জনসংখ্যাৰ বৃদ্ধিৰ ফলত হাবি কাটি বসতিৰ ব্যৱস্থা কৰিব লাগিব, নন উদ্যোগ স্থাপনৰ বাবেও ঠায়ে ঠায়ে হাবিবন কাটিব লাগিব, ঘৰ নিৰ্মাণৰ বাবে, আছবাব পত্ৰৰ বাবে আৰু এনে এশ এবুৰি কাৰণতো গছ কটাটো অপৰিহাৰ্য হৈয়ে থাকিব। গতিকে অদৰ্কাৰত গছ কটা বিষয়ত আমি অতি সাৱধান হোৱা উচিত। এই প্ৰসংগত মোৰ পৃথিবীৰ এক বিস্ময়কৰ বৈমানিক চাৰ্লছ লিণ্ডবাৰ্গৰ আক্ষেপকে মনলৈ আহিছে। লিণ্ডবাৰ্গ আছিল এজন গভীৰ প্ৰকৃতিপ্ৰেমী লোক, গছ-গছনীক প্ৰাণ ভৰি ভাল পাইছিল। তেওঁ জীৱনৰ শেষ বয়সত নিজৰ ঘৰতে এখন বিশাল বাগান নিৰ্মান কৰি তাত ঘূৰি পকি বহুত সময় অতিবাহিত কৰিছিল আৰু গছ লতিকাবোৰলৈ চাই আক্ষেপেৰে হুমুনিয়াহ কাঢ়িছিল - 'হাঁয়, ইইতৰ জীৱন মানুহৰ হাতত ক্ৰমে নিঃশেষ হৈ আহিব ধৰিছে!' বৈমানিক লিণ্ডবাৰ্গে ৬৬ বছৰৰ পাছত নিজৰ জীৱনটো হাবি-বন, জীৱ-জন্তু, চৰাই-চিৰিকতি সংৰক্ষণৰ বাবে উছৰ্গা কৰিছিল। লিণ্ডবাৰ্গে ল'ৰালি কালৰ কথা মনত পেলাই লেখিছিল 'In my boyhood, the woods were full of game, and the sky was black with ducks.' কিন্তু এতিয়া মানুহে অৰণ্য ধ্বংস কৰি আনিছে, জীৱ-জন্তু চৰাই নিৰ্মম ভাবে হত্যা কৰি শেষ কৰিব ধৰিছে। এই প্ৰকৃতিৰ বাবে 'time is running out' বোলা লিণ্ডবাৰ্গৰ আক্ষেপ যাতে সত্যত পৰিণত হ'ব নেপায় তাৰ বাবে আমি সকলোৱেই সচেতন হোৱাৰ সময়ো যেন উকলি নেযায়।

—সাপ্তাহিক নীলাচল, ১৯ জুলাই, ১৯৭৮ চন

সৰগ নৰকৰ মাজেদি

১৯৭৮ চনৰ মাজভাগত চণ্ডীগড়ত অনুষ্ঠিত হোৱা জাতীয় সাংবাদিক সন্থাৰ (National Union of Journalist) দুদিনীয়া বিশেষ অধিবেশনত যোগ দিবলৈ যোৱা সাংবাদিক দলটোৰ লগত এগৰাকী প্ৰতিনিধি হিচাবে মোৰো যোৱাৰ সৌভাগ্য ঘটিছিল। সেই স্মৃতিচাৰণা কৰি মোৰ অম্ল মধুৰ অভিজ্ঞতাৰ ভাগ পাঠককো দিবলৈ ওলাইছো।

সক কালতে পাঠ্যপুথিত পঢ়িছিলোঁ যে ভ্ৰমণৰ বাবে সকলোতকৈ উপযোগী সময় হ'ল শৰৎ কালটো, কাৰণ তেতিয়া 'বাট পথে পোৱালী মেলে, বতৰো ফৰকাল হয়'। আমি যি সময়ত চণ্ডীগড়লৈ ওলাইছিলোঁ সেই সময়টো কিন্তু শীত কালেই আছিল, উত্তাপৰ অনুভৱত কিন্তু শৰৎকালৰ নিচিনাই আছিল, কাৰণ দিল্লী বা চণ্ডীগড় ক'তো তেতিয়ালৈকে বিশেষ ঠাণ্ডা পৰা নাছিল, অতি মধুৰ নাতিশীতোষ্ণ বতৰ।

তিনিচুকিয়া চুপাৰ মেইলত 'ছাপাৰ ফাষ্ট'

এইবাৰৰ ৰেলগাড়ী ভ্ৰমণ আগৰ তুলনাত বিশেষ আৰামদায়ক হ'ব, এই ভাবটোৱে মনত একপ্ৰকাৰ উৎসাহ যোগাই আছিল, কাৰণ পহিলা নৱেম্বৰৰ তিনিচুকীয়া মেইলখনৰ গতিবৃদ্ধি হ'ব, দ্বিতীয় শ্ৰেণীৰ শোৱনী ডবাবোৰত গদী থাকিব। ভূপেন হাজৰিকাৰ গানৰ ভাষাত আমি সদায়ে 'প্ৰথম নহয়, দ্বিতীয় নহয়, তৃতীয় শ্ৰেণীৰ যাত্ৰী (যদিও আগৰ তৃতীয় শ্ৰেণীক দ্বিতীয় শ্ৰেণী বুলি নতুন নামকৰণ কৰি তাত এটা সম্ভ্ৰান্তবোধৰ বহন সনা হৈছে)। গতিকে অতি স্বাভাৱিকতেই এই নতুন আৰামৰ ব্যৱস্থাৰ সম্ভাবনাই মনত উৎফুল্ল ভাবৰ সৃষ্টি কৰিছিল। নিউ বঙাইগাওঁ পোৱাৰ পিছতহে আমি ব্ৰডগেজৰ যাত্ৰী হ'ম, বা নতুন ৰেলগাড়ীখনৰ সা-সুবিধা উপভোগ কৰিবলৈ পাম, গতিকে গুৱা-

হাটীৰ পৰা চাৰি পাঁচ ঘণ্টাৰ বাট আমাৰ পুৰণি মিটাৰগেজৰ ৰেলত উঠিয়ে আমি নতুন গাড়ীৰ জল্পনা কল্পনা কৰি গ'লো। তাৰপিছত নিউ বঙাইগাওঁত সেই নতুন ৰেলগাড়ীত উঠি আটায়ে স্বীকাৰ কৰিলোঁ যে সঁচায়ে সকলোফালে সুবন্দোবস্ত কৰা হৈছে- -অৱশ্যে বাহিৰ ফালেহে. কাৰণ তেতিয়ালৈকে গতিবেগ বা ডাইনিংকাৰৰ সা-সুবিধাৰ বুজ লোৱাৰ উপায় নাছিল। যিহওক, কিছুপৰৰ পিছত গতিবেগৰ বিষয়েও এটা আভাষ পোৱা গ'ল; কাৰণ আগৰ ট্ৰেইনভ্ৰমণৰ অভিজ্ঞতাৰ পৰিপ্ৰেক্ষিতত অতিবেগেৰে এই তিনচুকীয়া মেইলখন চলা দেখিলোঁ। আমাৰ দলটোৰ সহযাত্ৰীসকলৰ লগত (যথা শ্ৰীফণী তালুকদাৰ আৰু তেওঁৰ পত্নী ডলী তালুকদাৰ, দৈনিক অসম আৰু ট্ৰিবিউনৰ সাংবাদিক শ্ৰীপ্ৰেমধৰ শৰ্মা আৰু শ্ৰীগিৰিশ শৰ্মা) ট্ৰেইনখন চলাৰ পিছত বেচ আনন্দমনেৰেই কথা-বতৰা পাতি গৈ আছিলোঁ। কিন্তু আমাৰ প্ৰথম মোহভংগ ঘটিল ডাইনিং কাৰৰ ক্ষেত্ৰত। যোৱা মেইলখনৰ সংলগ্ন ডাইনিংকাৰখন বোলে কিবা কাৰণত বেয়া হৈ আছে, গতিকে পিছৰ কোনোবা এটা ষ্টেচনত ৰাতিৰ আহাৰ সমাপন কৰিব লাগিব। অথচ থামিব লগা পিছৰ ষ্টেচন পাম তিনি চাৰি ঘণ্টা পাছতহে আৰু থামিবও মাত্ৰ দহ মিনিটমানৰ কাৰণেহে। এইবোৰ দেখিশুনি আমাৰ সংগী এজনে ভোৰভোৰালে--'ৰেলমন্ত্ৰী মধু দাণ্ডৱতেই আমাৰ প্ৰেছ কনফাৰেঞ্চবোৰত কত সুবিধা দিয়াৰ কথাকে যে নকয়! এতিয়া মুখকত দাণ্ডাহে দিলে!' আমাৰ মাজত অসন্তুষ্টি স্বত্বেও হাঁহিৰ ৰোল উঠিল। তাৰপিছত আন এজন সহযাত্ৰীয়ে জোৰেৰে মন্তব্য কৰিলে- 'অসমক শোষণ কৰাৰ আৰু এটা নমুনা পোৱা গ'ল। অসমৰ বাহিৰে দূৰণিৰ অন্যান্য মেইল ট্ৰেইনবোৰৰ কাৰণে বোলে ২।৩ খনকৈ ডাইনিং কাৰ থাকে। কিবা কাৰণত এখন বেয়া হলে যাতে আনখনক কামত লগাব পাৰে। ইমান দিয়েতো আমাক একো সা-সুবিধা নিদিলেই- -ব্ৰডগেজ লাইনতো সেই তাহানি দিনৰে পৰা 'শামুকীয়া গতিৰে আহি আহি কোনোমতে এতিয়া বঙাইগাওঁহে পাইছোহি...এতিয়াহে তিনিচুকীয়া মেইলখনে জলপা সুবিধাৰ মুখ দেখুৱাইছিল -তাতো প্ৰথমৰ পৰা ফেঁকা লাগিবলৈ আৰম্ভ

কৰিলে। ...

এই ভ্ৰমণৰ সমাপ্তিৰ পিছত 'দৈনিক অসম' কাকতত প্ৰকাশ হোৱা বিভিন্ন পত্ৰ লেখকৰ তিনিচুকীয়া মেইলখনৰ বিৰুদ্ধে লেখা নানা অভিযোগ পত্ৰ পঢ়ি পঢ়ি মোৰ সেই সহযাত্ৰীজনৰ অভিযোগ ভৰা কথাবোৰ কানলৈ আহিছিল।

যিহওক, দিল্লীত আমি শ্ৰীমৃগেন ৰায়চৌধুৰী আৰু শ্ৰীমতী অনু ৰায়চৌধুৰীৰ ঘৰত আলহী হ'লো। শ্ৰীৰায়চৌধুৰীয়ে তিনিচুকীয়া মেইলৰ বিজুতিৰ কথা শুনি কৈছিল —'আপোনালোক বাতৰি কাকতৰ মানুহ, অসমলৈ উভতি গৈ কাকতে পত্ৰে এইবোৰ কথা প্ৰচাৰ কৰিব যে তিনিচুকীয়া মেইলৰ সময় সলনি নকৰিলে ছুপাৰফাষ্ট কৰি যাত্ৰীক কষ্ট দিয়াহে হ'ব। যাবৰ সময়ত আপোনালোকেও সেই কষ্ট ভুগিব লাগিব। ইমান দূৰণীৰ পৰা যাবলৈ হ'লে আপোনালোকে শেষ ৰাতিতেই ঘৰ এৰিব লাগিব। তাৰ বাবে আগদিনাতে টেক্সি বন্দবস্ত কৰি থ'ব লাগিব। দিল্লীত অসমতকৈ দেৰীকৈ ৰাতি পুৱায়। জাৰৰ দিনত কিমান সাংঘাতিক ঠাণ্ডা পৰে,জানেই। সকলো মিলি পুৱা ৪।৫টাতে ট্ৰেইন ধৰিবলৈ যোৱাটো ধেমালি কথা নহয়। তাতকৈ বৰং আগৰ দৰে ট্ৰেইনত দুৰাতি থকাটোৱে আৰামৰ কথা...।'শ্ৰীৰায়চৌধুৰীৰ কথাত পূৰ্বোক্ত 'দাণ্ডা খোৱা' বন্ধুজনে মাত লগাই উঠিছিল— 'এৰা, আপুনি কথাটো ঠিকেই কৈছে। কিন্তু আমাৰ মন্ত্ৰী বা এম এল.এ. সকলে এই কষ্টটো বুবুজিব নহয়, তেওঁলোকে ভ্ৰমণ কৰে প্লেনত, ফলত আমাৰ দৰে ছাপাৰ ফাষ্টৰ অভিজ্ঞতাওতো তেওঁলোকৰ নহ'ব...।' আমাৰ মাজত আকৌ হাঁহিৰ ৰোল উঠিছিল। পিছে তেওঁ ধেমালি কৰি কায়দাৰে কোৱা কথা খিনিও উলাই কৰিব নোৱাৰি। নিউ বঙাইগাওঁতে আমি যি এসাজ ভাত খাবলৈ পাইছিলোঁ, ডাইনিং কাৰ নথকাত বা ষ্টেচনবোৰত কমসময়ৰ বাবে ট্ৰেইন থমাত আমি দিল্লী নোপোৱালৈকে দ্বিতীয় এসাজ ভাতৰ মুখ দেখা নাছিলোঁ।

চণ্ডীগড়ৰ চাকচীক্য

চণ্ডীগড়খন অসমৰ বহুতেই দেখিছে আৰু তাৰ সৌন্দর্যৰ প্ৰশংসা সকলোৱেই কৰিছে। মাত্ৰ ২৫ বছৰ আগতে এই নগৰী নির্মান কৰি তোলা হৈছে। প্ৰশস্ত আলিবাটবোৰৰ দুয়োকাষে নানা ডিজাইনৰ আটকধুনীয়া ঘৰবোৰ। বসতি ইমান সেৰেঙা যে তাত মানুহ থকা যেন নেলাগেই। গছৰ প্ৰাচুর্য আৰু নানাৰঙী বোগেনভিলাৰ জোপোহাবোৰে চহৰখনৰ ৰূপত ৰহন চৰাইছিল।

চণ্ডীগড়ত আমাৰ হাৰিয়ানা এম. এল. এ হোষ্টেলত থকাৰ বন্দবস্ত হৈছিল। পাঞ্জাৱৰ এম. এল. এ. হোষ্টেলটো মুখামুখিকৈ অৱস্থিত। কোৱা বাহুল্য যে দুয়োটা হোষ্টেলৰে স্থপতিসুলভ কাৰুকাৰ্য সুদৃশ্য আৰু বিজ্ঞান-সন্মত। বিৰাট কম্পাউণ্ডৰ মাজত দুয়োটা হোষ্টেল নির্মিত হৈছে। আমাৰ হোষ্টেলটোৰ চাৰিতলাৰ ছাদত থিয় হৈ চহৰখনৰ নানা ডিজাইনৰ গছগছনীৰ মাজেৰে মূৰ তুলি থিয় হৈ থকা ঘৰবোৰ দেখি ভাবিছিলোঁ— ইমান প্ৰকাণ্ড প্ৰকাণ্ড ঘৰবোৰ, কিন্তু তাৰ তুলনাত মানুহ কিমান কম। পিছত চণ্ডীগড়ৰ সাংবাদিক এজনে মোক কৈছিল যে চহৰখনৰ বৰ্ত্তমান জনসংখ্যা চাৰি লাখতকৈ অলপ বেচি, চহৰখন গঢ়ি তোলা হৈছে কুৰি লাখ অধিবাসীৰ বসবাসৰ উপযুক্ত কৰি। গতিকে আশা কৰা যায় যে চণ্ডীগড়ে কাহানিও ভাৰতৰ অন্যান্য বহু মহানগৰীৰ দৰে শ্বাসৰুদ্ধ অৱস্থাত নপৰিব।

এই প্ৰসংগত মনত পৰিল দিল্লীৰ নগৰ প্ৰশাসনৰ মন্ত্ৰীৰ লগত অসম ভৱনত হোৱা এটা আকস্মিক সাক্ষাৎকাৰলৈ। মই গুৱাহাটীৰ ফাঁচীবজাৰৰ নৈ পাৰৰ ক্ৰমবৰ্দ্ধমান দুৰৱস্থাৰ কথা জুলিয়াই নোৱাৰিলোঁ। এতিয়া কেন্দ্ৰত জনতা চৰকাৰ, অসমতো, তথাপিতো একো উন্নতি পৰিলক্ষিততো হোৱা দেখা নায়েই, বৰং ঠাইখন যেন আৰু বেচি নৰককুণ্ড পৰিণত হৈছে। তেতিয়া মন্ত্ৰী মহোদয়ে নানা অজুহাত দেখুৱাবলৈ ধৰিলে, তেওঁৰ নগৰ বিষয়াজনে ক'বলৈ ধৰিলে যে কলিকতা মহানগৰীতো আৰু বেচি জঘন্যভাবে লেতেৰা হ'ব ধৰিছে, নিউমাৰ্কেট অঞ্চলতো নাকত

কমাল নিদিলে আগবাঢ়িবই নোৱাৰি। এই নেতিবাচক উত্তৰ শুনি মোৰ উম্মাৰে মনত পৰি গ'ল আমাৰ ল'ৰালি কাললৈ। পৰীক্ষাত ভাল-ফল ভাল কৰিব নোৱাৰিলে আমি কোনোবা ল'ৰা-ছোৱালীয়ে যদি কৈফিয়ং হিচাবে কওঁ যে অমুকেতো আমাতকৈও বেয়া কৰিছে, তেতিয়া পিতাই প্ৰচণ্ড ধমক দি কৈছিল যে আমি যেন কেতিয়াও বেয়াৰ লগত তুলনা কৰি নিজৰ মান নিম্নগামী নকৰোঁ, সদায় ভালৰ লগত তুলনা কৰিহে যেন নিজৰ মান উৰ্দ্ধগামী কৰাৰ চেষ্টা কৰি যাওঁ।

এই বিষয়ত গুৱাহটীয়া বাইজৰ উম্মাৰ আৰু কাৰণ বৃদ্ধি প্ৰস্তাৱিত দীঘলী পুখুৰী পাৰৰ দলংখন নহয়নে? যি সুন্দৰ তাৰ ৰূপত বহন চৰোৱাতকৈ যি অসুন্দৰ তাৰ যৎপৰোনাস্তি সৌন্দৰ্য বৃদ্ধিৰ চেষ্টা কৰোৱাটোহে বেচি আৱশ্যকীয় নহয়নে? দীঘলী পুখুৰীৰ ওপৰেদি দলং কৰাতকৈ অন্যান্য জঘন্য অঞ্চলবোৰ ভাল কৰাৰ চেষ্টা কৰা উচিত নহয়নে?

যিহওক, পুনৰ চণ্ডীগড়ৰ প্ৰসংগলৈ আহোঁ, চণ্ডীগড়ত আমি মিটিঙতেই ব্যস্ত আছিলোঁ, তাৰ মাজতেই চকামকাকৈ মহানগৰীৰ একো একোটা দৃশ্য দেখাৰ সুবিধা হৈছিল, যেনে, হাৰিয়ানা বিশ্ববিদ্যালয়ৰ গান্ধীভৱন নামৰ অডিটোৰিয়ামটোত যেতিয়া সাংবাদিক সন্থাৰ প্ৰথম দিনাৰ উদ্বোধনী সভা হৈছিল, তেতিয়া বিশ্ববিদ্যালয়টোৰ কোনো কোনো অংশ ঘূৰি পকি চোৱাৰ সুবিধা হৈছিল। গান্ধী ভৱনত গান্ধীৰ জীৱনৰ নানা ফটো আঁৰা আছে; ইংৰাজী বিভাগৰ অডিটোৰিয়ামটোতো এদিন সভা হৈছিল, তাত সোমাই খুব ভাল লাগি গৈছিল। চাৰিওপিনে ইংৰাজী সাহিত্যৰ লেখক-লেখিকাসকলৰ ফটোবোৰ আঁৰা; এসময়ত নিজেও ইংৰাজী সাহিত্যৰ ছাত্ৰী আছিলোঁ, কিন্তু তেতিয়া মই পঢ়া কলিকতা বিশ্ববিদ্যালয়ৰ নিজৰ নিজৰ কোনো অডিটোৰিয়াম নাছিল, সাধাৰণ ক্লাছ ৰুমতো কোনো ইংৰাজ লেখকৰ ফটো এখনো আঁৰি থোৱা নাছিল। যিসকল লেখকৰ লেখা পঢ়ি জীৱনৰ নানা দিশত নানা কাৰণত আমি নানা ধৰণে প্ৰেৰণা লাভ কৰোঁ, সেইসকল লেখকৰ চেহেৰা চাবলৈ বিশেষ ধৰণৰ আগ্ৰহ অনুভৱ কৰাটো এটা

স্বাভাৱিক প্ৰবৃত্তি।

ওপৰতেই উল্লেখ কৰিছোঁ যে চণ্ডীগড়খন ভালকৈ চোৱাৰ সুবিধাই নাপালোঁ, চহৰখনৰ থূলমূল আভাস এটাহে পালোঁ। বিশ্ববিদ্যালয়ৰ যিখিনি দেখিলোঁ সি বাহিৰৰহে ৰূপ, সেই ৰূপে অৱশ্যে ভালকৈয়ে মুগ্ধ কৰিছিল। কি সুন্দৰ বিস্তৃত লনবোৰ, কৃত্ৰিম পকাৰে বন্ধোৱা পুখুৰীবোৰ, ফুলনীত ফুলে জকমকাই আছে, চাৰিও পিনে বিশ্ববিদ্যালয়ৰ সুন্দৰ সুন্দৰ ছবিৰ দৰে ঘৰবোৰ -যেন নতুনকৈহে সাজি উলিওৱা হৈছে।

চণ্ডীগড়ৰ পৰা ১৬ কি মি. দূৰৈৰ পিঞ্জোৰ নামৰ বাগিছা এখনলৈ আমাক ফুৰিবলৈ নিয়া হৈছিল। তাত থকা পুৰণি ধ্বংসাৱশেষ এটাকে সজাই পৰাই সেই মনোমোহা বাগিছাখন সাজি উলিওৱা হৈছে। সেই কথা লৈয়ে পিছত আমি নিজৰ ভিতৰতে আলোচনা কৰিছিলোঁ যে দেখাত পাঞ্জাব-হাৰিয়ানাৰ পৰ্যটকৰ বাবে আকৰ্ষণীয় একোৱে নাই -নাই প্ৰকৃতিৰ দান, নাই ঐতিহ্য বা অতীত ইতিহাসৰ যুগমীয়া কীৰ্তি। কিন্তু যি সামান্য কিবা আছে তাকেই সেই ৰাজ্যৰ চৰকাৰে সজাই পৰাই সৌন্দৰ্যহীনক সৌন্দৰ্যমণ্ডিত কৰি তুলিছে। চণ্ডীগড়ৰ ভিতৰত এটা সুন্দৰ কৃত্ৰিম হ্ৰদ আছে, দিল্লী আৰু চণ্ডীগড়ৰ সংযোগ পথৰ মাজৰ এডোখৰ ঠাইত পৰ্যটকৰ আকৰ্ষণ হিচাবে তৈয়াৰ কৰি থৈছে 'চক্ৰৱৰ্তী হ্ৰদ'। তাৰ পাৰত হোটেল—ৰেস্তোঁৰাকে আদি কৰি নানান আমোদ প্ৰমোদৰ গৃহনিৰ্মান কৰি যেন বাটৰ বাটৰুৱাক হাত বাউলি দি মাতিছে। এইদৰেই পাঞ্জাব-হাৰিয়ানাই প্ৰায় একো নোহোৱা এক শূন্য অৱস্থাৰ পৰাই নিৰ্মাণ আৰম্ভ কৰি আজি ভাৰতৰ ভিতৰতে লেখত লবলগীয়া হৈ উঠিছে। কিন্তু য'ত দুখোজ গ'লেই অকৃত্ৰিম প্ৰকৃতিৰ দানে পৰ্যটকৰ বাবে বিশেষ ব্যৱস্থা কৰি ৰখাৰ চিন বিদ্যমান আমাৰ সেই সোনৰ অসমক ৰূপত বহন চৰাই তোলাৰ বিপৰীতে অৱহেলা, উদাসীনতা আৰু দুৰ্নীতিৰে দিনে দিনে কদৰ্যহে কৰি তোলা হৈছে। অসমখন হ'ব লাগিছিল পৰ্যটকৰ ভূস্বৰ্গ, কিন্তু

আপোন অক্ষমতাৰ ফলতেই অসমে যিমান পৰ্যটক আকৰ্ষণ কৰিব লাগিছিল সিমান পৰা নাই।

সেই সময়ত হাৰিয়ানাত জনতা দলৰ শাসন চলিছিল, তাৰ মুখ্যমন্ত্রী আছিল দেবীলাল। এদিন সন্ধিয়া চণ্ডীগড়ত সাংবাদিকৰ অভিবৰ্তনখনৰ বাবে ভাৰতবৰ্ষৰ চাৰিও পিনৰ পৰা অহা সাংবাদিক সকলক তেওঁ নিজৰ ঘৰত দুপৰীয়াৰ আহাৰৰ বাবে নিমন্ত্রণ কৰিছিল। তেনে ৰাজকীয় নিমন্ত্রণৰ আস্বাদ জীৱনতে পোৱা নাছিলোঁ। চন্দ্ৰতাপৰ তলত সক এটা পেণ্ডেল। আমিষ-নিৰামিষ, ফল, পানীয়—মেজবোৰত স্তূপীকৃত খোৱাবস্তুৰ পাহাৰ। সেই খাদ্যৰ পোহাৰ দেখিলে কোনে ক'ব যে আমাৰ ভাৰতবৰ্ষ দৰিদ্ৰদেশ!

ছিমলাৰ পথত

চণ্ডীগড়ত দুদিন থকাৰ পিছত আমাৰ বিশেষ অধিবেশনৰ কাম সমাপ্ত হৈছিল আৰু হিমাচল চৰকাৰৰ আমন্ত্ৰণ ক্ৰমে আমি সেই ৰাজ্যৰ পৰ্যটন বিভাগৰ সুন্দৰ আৰু আৰামদায়ক বাছত উঠি চিমলা চহৰৰ উদ্দেশ্যে যাত্ৰা কৰিছিলোঁ।

হিমাচল প্ৰদেশৰ ৰাজধানী ছিমলা ব্ৰিটিছৰ ৰাজত্বৰ কালত বৰলাটৰ গ্ৰীষ্মকালীন ৰাজধানী আছিল। ছিমলা চহৰ পোৱাৰ আগতে ছামাৰ্‌হিল্ নামৰ যিটো পাহাৰ পোৱা যায় তাতেই বৰলাটৰ এই প্ৰাসাদোপম অট্টালিকাটো অৱস্থিত। ছামাৰ্‌হিল্ ছিম্‌লা চহৰৰ আগৰ বেলষ্টেচনো। ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পাছত ছামাৰ্ হিলৰ বৰলাট ভৱনটো ৰাষ্ট্ৰপতিৰো গ্ৰীষ্মকালীন ৰাজভৱন হৈছিল। কিন্তু ভাৰতবৰ্ষৰ স্বনামধন্য ৰাষ্ট্ৰপতি সৰ্বপল্লী ৰাধাকৃষ্ণনে সেই ভৱনটোক ভাৰতৰ শিক্ষা বিভাগক দান কৰিছিল আৰু ভাৰত চৰকাৰে তাক ইনষ্টিটিউট অৱ এডভান্স ষ্টাডিজ (Institute of Advance Studies) নাম দি সমগ্ৰ ভাৰতৰে শিক্ষাবিদসকলৰ গৱেষণা কেন্দ্ৰ হিচাপে গঢ়ি তুলিছিল।

প্ৰসংগক্ৰমে : প্ৰায় তিনিবছৰ আগতে সেই ছামাৰ্‌হিলত মোৰ দুই পুত্ৰ অনিন্দ্য আৰু প্ৰদীপ্তৰ লগত এমাহ থাকি অহাৰ অভিজ্ঞতা হৈছিল আৰু তেতিয়া 'এড্‌ভান্স্‌ ষ্টাডিজ'ৰ ঘনিষ্ঠ সংস্পৰ্শলৈও আহিছিলোঁ– কিন্তু মোৰ নিজৰ কোনো অৰ্হতাৰ বাবে নহয়, মোৰ দাদা ডঃ বিনয় কুমাৰ তামূলী সেই সময়ত তিনিবছৰৰ বাবে তালৈ এটা ফেল'শ্বিপ পাই গৈছিল, আৰু বিলাসপুৰ ভৱনত আহল বহল ফ্লেট এটা বাসস্থান হিচাপে পাইছিল আৰু ১৯৫ চনত আমি গৈ তাত গৰমৰ বন্ধটো কটাইছিলোঁ। সেই সময়ত পাহাৰ বগাই ভূতপূৰ্ব বৰলাট ভৱনটোলৈ বহুবাৰ গৈছিলোঁ। আৰু তাৰ সৰ্বাত্মক সৌন্দৰ্য দুচকু ভৰি উপভোগ কৰিছিলোঁ। একালৰ বৰলাটৰ ভৱনটো নিৰ্মাণ কৰা সময়ত ব্ৰিটিছসকলে যে চাৰিওপিনৰ নিসৰ্গ শোভালৈ সম্পূৰ্ণভাবে চকু ৰাখিয়ে সেইটো নিৰ্মাণ কৰিছিল সেই কথা ছামাৰ্‌হিলৰ অট্টালিকাটোৰ কম্পাউণ্ডত সোমায়ে বুজি পোৱা যায়। সুন্দৰ টিলা এটাৰ ওপৰত সেই প্ৰাসাদ, তাৰ চাৰিওপিনে হিমালয় পাহাৰৰ সুউচ্চ শ্ৰেণীবোৰৰ বং ওচৰত সেউজীয়া, দূৰৈত্‌ নীলা। জাৰকালি যেতিয়া সেই নীলা পাহাৰবোৰে মূৰত বৰফৰ বগা টুপী পিন্ধিব তেতিয়া যে আৰু এক মনোমোহা সৌন্দৰ্যই নয়নমন মুগ্ধ কৰি পেলাব, সি সহজেই অনুমেয়। কম্পাউণ্ডত যিখন ঘাঁহৰ গালিচা, সি যেন এক সুদৃশ্য দামী ডাঠ সেউজীয়া কাৰ্পেট, কাৰণ তাত ভৰি দিয়াৰ লগে লগে ভৰি ডুবি যায়। বাস্তৱিকতে এনেকুৱা ডাঠ আৰু গভীৰ ঘাঁহনী ভৰিয়ে জীৱনত স্পৰ্শ কৰি পোৱা নাছিল। তাৰ পিছত নয়ন মুগ্ধতাৰে ভৰি যাব চাৰিওফালৰ বিস্তৃত ফুলনীয়ে। ভৱনৰ বিশাল এলাকা জুৰি নানা ধৰণৰ ফুলৰ গছ, ক'ৰবাত বা কেৱল বিবিধ বৰণীয়া লিলিৰে সমাৰোহ, ক'ৰবাত বা কেৱল ডালিয়া ফুলৰে মেলা। আকৌ এক বিস্তৃত ঠাই জুৰি হবেক ৰঙৰ কেৱল গোলাপ ফুলৰে জোপা—ৰঙা গোলাপ, বগা গোলাপ, গুলপীয়া গোলাপ, হালধীয়া গোলাপ, তেজ ৰঙা গোলাপ— কেৱল গোলাপ আৰু গোলাপ। মনলৈ আহি যায় কবি টেনিছনৰ কবিতাৰ এটা লাইন—'Roses, roses all the way.' ঠিক তেনে

বিবিধ ৰঙৰ গোলাপ জীৱনত একেলগে কেতিয়াও দেখা নাছিলো। দেখা নাছিলোঁ হৰেক ৰকমৰ ফুলৰ ইমান বিস্তৃত বাগান। এক কথাত এডভান্স ষ্টাডিজৰ ভিতৰে কিমান কিতাপ, বাহিৰত সিমান ফুল। ভিতৰত সোমালে মুখামুখি হোৱা যায় আন এক মনোমোহা পৰিবেশৰ। প্ৰত্যেকটো কোঠালী সু-সজ্জিত, দামী ডাঠ কাৰ্পেট, সুদৃশ্য পৰ্দা ওলমি থকা প্ৰকাণ্ড প্ৰকাণ্ড ফ্ৰেঞ্চ উইণ্ডোৰ, নানা কাৰুকাৰ্য কৰা আচবাব-পত্ৰৰে ৰাজপ্ৰসাদ যেন লগা ব্ৰিটিছ ঐতিহ্য বহনকাৰী প্ৰাচীন ভৱনটোৰ গাম্ভীৰ্য আৰু সম্ভ্ৰমবোধ আনি দিছিল পৃথিৱীৰ নানা ভাষাৰ, নানা দেশৰ নানা বিষয়ৰ জ্ঞান-বিজ্ঞান থুপ খাই থকা নানা কিতাপ আৰু আলোচনীয়ে।

জামাৰ হিলৰ পৰা ৫০০ ফুট তলত গ্লেন নামৰ ঠাই এডোখৰ গোলে চিমলাৰ এক আকৰ্ষণীয় বনভোজনৰ ঠাই। শুকান যেন লগা পাহাৰী ঠাইখনত সেই গ্লেনতে হেনো এটা নিজৰা আছে। আমি এদিন সেই নিজৰাৰ পাৰলৈ নামি গৈ বনভোজন কৰিছিলোঁ। কিন্তু অসমৰ মানুহ বুলিয়েই হয়তো তেনে ক্ষীণ ধাৰাৰ নিজৰাই আমাক অলপো মুগ্ধ কৰিব পৰা নাছিল।

আজি প্ৰায় তিনি বছৰৰ মূৰত পুনৰ সেই চিমলালৈকে গৈ আছো, এডভান্স ষ্টাডিজৰ ইনষ্টিটিউটটো আকৌ এবাৰ দেখা পাম বুলি মনত আনন্দৰ উখল-মাখল, অৱশ্যে বাছেৰে যোৱাৰ ফলত সুৰঙ্গবোৰৰ ভিত-ৰত সোমোৱাৰ অভিজ্ঞতাৰ পৰা বঞ্চিত হোৱাত অলপ বেয়াও লাগি-ছিল। কাল্‌কা নামৰ ঠাইখনৰ পৰা চিমলালৈ নেৰো'গেজ ট্ৰেইনেৰে যাওঁতে মুঠতে ১০৫ টা সুৰুঙৰ মাজেৰে যাব লাগে তাৰ ভিতৰত বাৰোগ নামৰ সুৰুঙটো প্ৰায় এমাইল দীঘল। আমি প্ৰথমবাৰ চিমলালৈ যাওঁতে ট্ৰেইনেৰে গৈছিলোঁ আৰু সুৰুঙৰ মাজেৰে যোৱাৰ সময়ত পৰম ৰোমাঞ্চ অনুভৱ কৰিছিলোঁ। আৰু এই ভাবিও মুগ্ধ নোহোৱাকৈ থকা নাছিলোঁ যে সেই তাহানিতে ব্ৰিটিছসকলে কিমান নিপুণ ইঞ্জি-নিয়াৰিং দক্ষতাৰেই যে সুদূৰ হিমালয় পাহাৰৰ নিৰ্জন বনাঞ্চলে আহি এই সুৰুঙ, এই ৰেলপথ নিৰ্মান কৰা নাছিল।

যিহওক, চিমলালৈ আমি যদিও ৰাত্তিপুৰাতে যাত্ৰা কৰিছিলোঁ, তথাপিও চণ্ডীগড়ৰ পৰা প্ৰায় ৯৬ কিলোমিটাৰ দূৰত্বৰ এই ঠাইখিনি পাওঁতে আমাৰ প্ৰায় আবেলি হৈছিল। ইয়াৰ কাৰণ হ'ল এয়ে যে বাটত আমাক নানা ঠাইত নমাই দৰ্শনীয় ঠাই কেতবোৰ দেখুৱা হৈছিল। প্ৰথমতে দেখুৱাইছিল পিঞ্জোৰ বাগানৰ ওচৰতে থকা এইচ্ এম্ টিৰ (হিন্দুস্থান মেচিনছ্ টুলছ্) কাৰখানাটো। ঘড়ী আৰু ট্ৰেক্টৰৰ বাবে বিখ্যাত এইচ্. এম. টি. আজি পৃথিবীতে এক সুপৰিচিত নাম। এই কাৰখানাৰ প্ৰধান কেন্দ্ৰ যদিও বাঙ্গালোৰ, চণ্ডীগড়ৰ ওচৰতো ইয়াৰ এটা শাখা ৭৫০ লাখ টকা খৰছ কৰি ১৯৬৩ চনত স্থাপন কৰা হৈছিল। এই কাৰখানাটোৰ বোলে বৈশিষ্ট্য হ'ল এয়ে যে মাত্ৰ ১৭ মাহৰ ভিতৰতে ইমান বিৰাট কাৰখানা এটা কোনো বৈদেশিক সাহায্য নোলোৱাকৈ স্থাপন কৰা হৈছিল।

সেই কাৰখানাটো ঘূৰি পকি চাওঁতে স্বাভাৱিকতেই আমাৰ বহুত সময় লাগিছিল আৰু পিঞ্জোৰ বাগিছা সংলগ্ন ৰেস্তোঁৰাত বহি ৰাত্তিপুৱাৰ আহাৰ কৰোঁতে কিছু সময় ব্যয় হৈছিল। যিহওক, আমাৰ দলটোৰ যাৰ যাৰ পাহাৰীয়া ৰাস্তাত বমি হয়, মূৰ ঘূৰায়—তেওঁলোকে সামান্য খোৱাৰ পিছত, আৰু যাৰ বমি নহয় তেওঁলোকে সেই সুখাদ্য যথেষ্ট পৰিমানে খোৱাৰ পিছত আমি অৱশেষত হাৰিয়ানা এৰিবলৈ সক্ষম হৈছিলোঁ। হাতত আমাৰ এইচ্ এম্ টিৰ একো একোখন ট্ৰেক্টৰ! কোৱা বাহুল্য যে সি আছিল মিনি ট্ৰেক্টৰ, পিঞ্জোৰ এইচ্ এম্ টিৰ কৰ্তৃপক্ষই সাংবাদিকসকলক দিয়া উপহাৰ।

কাল্কা এৰি চিমলাৰ পাহাৰ বগাবলৈ ধৰাৰ অলপ পিছতে আমাক আৰু দুখন কাৰখানা চাবলৈ নিয়া হৈছিল, এখন কাঠৰ আৰু এখন পুৰোলেটৰৰ। পিছৰ খনত নাৰী পুৰুষৰ সমান অধিকাৰ দেখি আচৰিত হৈছিলোঁ—কাৰণ তাত হেনো এয়ে নিয়ম যে কৰ্মী-সকলৰ পুৰুষ-মহিলাৰ সংখ্যা সমান সমান হ'ব লাগিব। ফলত একেটা কাৰখানাতে সাধাৰণ কৰ্মীৰ পৰা আৰম্ভ কৰি ইঞ্জিনিয়াৰ আৰু

ওপৰৱালা বিষয়ালৈকে বহুতো মহিলা কৰ্মীক দেখাৰ বিৰল অভিজ্ঞতা লাভ হৈছিল।

চিনাকী চিমলা

চিমলা পোৱাত আমাক ৰাজভৱনলৈ লৈ যোৱা হৈছিল। এই ৰাজভৱনতে যে পাকিস্তানৰ ভূতপূৰ্ব প্ৰধানমন্ত্ৰী জেড্.এ. ভুট্টোৰ লগত বিখ্যাত চিম্‌লা চুক্তি স্বাক্ষৰিত হৈছিল, সেই কথা ৰাজভৱনত সোমাই অবধাৰিত ভাবেই মনত পৰি গৈছিল। এই ৰাজভৱনটোও একালৰ ব্ৰিটিছ ৰাজত্বৰ দিনতে নিৰ্মিত আৰু 'ছামাৰ্ হিল'ৰ বৰলাটৰ প্ৰাসাদৰ দৰে নহ'লেও ইয়াৰ ৰাজকীয় চাকচিক্যও কম চকুত লগা নহয়। অৱশ্যে ইয়াৰ বাগানখনে 'ছামাৰ হিলৰ' বাগানখনৰ লগত কোনো-পধ্যেই ফেৰ মাৰিব নোৱাৰে।

তেতিয়া সময় প্ৰায় চাৰে তিনি বাজিলেও আমাৰ বাবে প্ৰস্তুত কৰি ৰখা দুপৰীয়াৰ আহাৰ খাব দিয়া হ'ল। বাচমতি চাউলৰ ধপধপিয়া বগা গৰম ভাত আৰু অন্যান্য আহাৰ লগতে পাঞ্জাবী-সকলৰ 'সৰসো কা শাগ'। ইমান দিনে চণ্ডীগড়ত দেবীলালৰ বাহিৰেও অন্য মন্ত্ৰীৰ ঘৰে ঘৰে পুৱাৰ, ৰাতিৰ, দিনৰ সুস্বাদু গুৰুপাকী আহাৰ খোৱাৰ পিছত ফ্ৰায়েড ৰাইচৰ সলনি বগা আৰু সৰিয়হৰ খাই 'অমৃতত অৰুচি' লগা মুখত এনে যে তৃপ্তি লাগিছিল!

তেতিয়া আবেলি চাৰে তিনি বাজি গ'লেও পশ্চিমৰ আকাশত বেলি ডুবাৰ কোনো লক্ষণেই নাছিল, ৰ'দ আছিল দুপৰৰ দৰেই, প্ৰখৰ নহয় অৱশ্যে, মিঠা, তৃপ্তিদায়ক। চিমলা ভাৰতৰ একেবাৰে উত্তৰ পশ্চিম প্ৰান্তত, সেয়ে তাত অসমৰ দৰে সোনকালে বেলি বুড়্বে। চিমলাৰ উচ্চতাও আমাৰ ছিলঙতকৈ এক হেজাৰমান ফুট বেচি, ছিলঙৰ পাঁচ হাজাৰ ফুটৰ ওচৰা ওচৰি, চিমলা ছ হেজাৰতকৈ বেচি।

ভাত খাই উঠি আমি বাহিৰলৈ আহি বাগানত বহি মধুৰ ৰ'দ উপভোগ কৰিছিলোঁ আৰু উপভোগ কৰিছিলোঁ হিমালয় পাহাৰৰ

অপূৰ্ব ধ্যান গম্ভীৰ নিঃ সৰ্গ শোভা। হিমালয় পাহাৰৰ সুউচ্চ, সুবিস্তৃত পাহাৰৰ লানি যি দেখা নাই, তেওঁক নানা বৰ্ণনা দিও সেই সৌন্দৰ্যৰ অংশীদাৰ কৰাৰ মোৰ সাধ্য নাই। এই প্ৰসংগতে মোৰ ৰূপম বৰুৱালৈ মনত পৰি গৈছে। শিল্পী ৰূপমে হিমালয়লৈ ট্ৰেকিং কৰিবলৈ গৈ প্ৰথমতে বোলে তেওঁৰ তুলিকাত তাৰ সৌন্দৰ্য ফুটাই তোলাৰ চেষ্টা চলাইছিল। কিন্তু পিছলৈ বাদ দি দিলে—ইমান বিৰাটত্বক ক্ষুদ্ৰ তুলিকাত ফুটাই তোলাৰ বাবে তেওঁৰ হলে আৰু ক্ষমতা নহ'ল।

মিহওক, হিমালয়ৰ সৌন্দৰ্যক অপৰূপত্ব দান কৰে শৃংগবোৰ ঢাক খাই থকা বৰফেও। আমি বহি বহি দূৰনীৰ সেই বৰফ ঢকা পাহাৰবোৰলৈ চাই আছিলোঁ।

চাই আছিলোঁ সেই পাহাৰী প্ৰকৃতিৰ অপৰূপ মনোমোহা সৌন্দৰ্যলৈ, দূৰণীৰ নীলা পাহাৰৰ গাত লুকাভাকু খেলি থকা ৰ'দ, পাহাৰৰ বৰফৰ চূড়াত চিকৃমিকাই থকা ৰূপালী ৰ'দ, শাৰি শাৰি পাইন গছৰ শোভা, বতাহত তাৰ পাতৰ সিৰসিৰনি, বতৰৰ বিবিধ বৰণৰ ফুলৰ ৰঙীন সমাৰোহ--যি ৰ'দ পৰি আৰু উজ্জ্বল সুন্দৰ হৈ উঠিছে। কিন্তু আবেলিৰ পাহাৰী প্ৰকৃতিৰ নিস্তব্ধতাই সমগ্ৰ পৰিবেশটো অপৰূপ মায়াময়, মাধুৰ্যভৰা আবেশ ষ্বেও উদাস আৰু কৰুণ কৰিও তুলিছিল। আমাক আটাইকে সেই পৰিবেশটোৱে ক্ষন্তেক পৰলৈ যেন মোহগ্ৰস্ত কৰি তুলিছিল। তেনেকৈ বহুত সময় বহি থকাৰ পিছত হঠাতে আমাৰ মাদ্ৰাজৰ সাংবাদিক বন্ধু এজনে হঠাতে কৈ উঠিছিল: 'কলেজত ৰবাৰ্ট ব্ৰাউনৰ Last Ride Together নামৰ কিবা এটা কবিতা পঢ়িছিলোঁ নহয়? অত বছৰতো সেইটো পাহৰিয়ে আছিলোঁ, আজি কিন্তু হঠাতে সেই কবিতাৰ লাইন এটা মনলৈ আহিছে--Who knows the world may end tonight? কিন্তু আজি যদি পৃথিবীখন শেষ হৈ যায় এই অদ্ভুত সুন্দৰ পৃথিৱীৰ ৰূপ দেখাৰ পিছত মোৰ আৰু কোনো আক্ষেপ নাথাকিব।

কিছুসময়ৰ পিছত হিমাচল চৰকাৰৰ জনসম্পৰ্কবিষয়া বিষয়াই আহি আমাক ক'লে যে এতিয়া আমাক হৰ্টিকালচাৰ বিভাগটো দেখুৱাবলৈ লৈ যোৱা হ'ব। আমি ভৈয়ামৰ মানুহ, গতিকে সদায় সমান মাটিত খেতি-বাতি কৰা দেশৰ মানুহে ওখ ওখ পাহাৰৰ এচলীয়া গাত পাহাৰৰ মানুহে কেনেকৈ গছ গছনী, শাক-পাচলি, ফলমূলৰ খেতি কৰে চাওকহি। দিনৰ দিনটো পাহাৰী ৰাস্তাত বাছেৰে আহি আৰু তাৰপিছত অসময়ত ভাত খাই আমাৰ আটাইৰে ইমান ক্লান্তি-বোধ হৈছিল যে আমি অনিচ্ছাৰেহে হৰ্টিকালচাৰ বিভাগটো চাবলৈ গৈছিলোঁ।

সিদিনা শেষলৈ ক্লান্তি লাগিলেও পিছদিনা পুৱা আমাৰ সকলোৰে মন সতেজ আৰু উৎসাহিত হৈ উঠিছিল। আগদিনা ৰাতিৰ হাড় কঁপোৱা শীতৰ পিছত পুৱা যি উজ্জ্বল ৰ'দত অবগাহন কৰিব পাইছিলোঁ সিয়ে আমাক উদ্দীপিত কৰি তুলিছিল। সমুখত দিনটোৰ প্ৰগ্ৰেমবোৰো আকৰ্ষণীয় আছিল। পুৱাৰ আহাৰৰ পিছত আমাক চিমলাৰ পৰ্যটকৰ আকৰ্ষণ মাললৈ (Mall) লৈ যোৱা হ'ব, তাৰ হৰেক ৰকমৰ দোকানবোৰৰ পৰা কোনোবাই ইচ্ছা কৰিলে উল, গৰম কাপোৰ আদি কিনিব পাৰে। তাৰ পৰা নিয়া হ'ব কুফ্‌ৰিলৈ কুফ্‌ৰিৰ উচ্চতা আঁঠ হেজাৰ ফুটতকৈয়ো বেচি, জাৰকালি তাত আইচ স্কেটিং কৰা হয় আৰু ঠাইখন সেইবাবেই বিখ্যাত। হিন্দী চিনেমাত নায়ক নায়িকাই তাৰ বৰফত স্কেটিং কৰা বহুতেই দেখিছে। কুফ্‌ৰিৰ পিছতে আমি যাম 'ওৱাইল্ড ফ্লাৱাৰ' হললৈ। সেই ভৱনটো ব্ৰিটিছৰ দিনত ভাৰতীয় সৈন্য বাহিনীৰ কমাণ্ডাৰ-ইন-চীফ লৰ্ড কীট্‌-চনাৰৰ বাসভৱন আছিল, বৰ্তমান সি এটা বিখ্যাত হোটেল। তাৰ পিছত অৰ্থাৎ আমাৰ চিমলাৰ দৰ্শনীয় ঠাই চোৱা হোৱাৰ পিছত আমাক চাইল নামৰ ঠাই এখনলৈ লৈ যোৱা হ'ব। সেই ঠাইৰ পাতিয়ালা মহাৰাজৰ ভূতপূৰ্ব প্ৰাসাদটো বৰ্তমান 'পেলেচ হোটেল' নাম দি ৰাজ্য চৰকাৰে হোটেললৈ পৰিব্যাসিত কৰিছে। ৰন্ধাৰুদ্ধটো

হ'ল, সেই ঠাইখন পোৱাৰ পিছত আমাক দিনৰ সাজটো সেই পেলেচ হোটেলত খুৱাই শেষত হিমাচল চৰকাৰৰ বাছে কালকাত থোৱাই দিব আৰু তাৰপৰা আমি ট্ৰেইনেৰে দিল্লীলৈ উভতিম।

বাছত উঠি আমাৰ দিনটোৰ যাত্ৰা আৰম্ভ হৈছিল। সেই যাত্ৰাৰ কথা জীৱনত পাহৰিব নোৱাৰিম। আমি যি পথেৰে গৈছিলোঁ। তাৰ তিনিওফালে সুউচ্চ হিমালয় পাহাৰ শ্ৰেণী। সকলোৰে মূৰত ৰ'দত চিকচিকোৱা বৰফৰ কিৰীটি। অদ্ভুত দৃশ্য—তিনিওফালে এনে বৰফেৰে ঢকা পাহাৰ মালাৰ দৃশ্য যে কি নয়নমোহন— আক্ষৰিক অৰ্থতে যেন পাহাৰৰ মূৰত Silver lining। দিল্লীৰ লালকেল্লাৰ ভিতৰত লেখি থোৱা দেখিছিলোঁ- -If there si any heaven, it is this, it is this . স্বৰ্গ যদি ক'ৰবাত আছে, সি ইয়াতেই, ইয়াতেই .... কিন্তু চিমলাৰ চাৰিও পিনৰ সেই বৰফ ঢকা বিশাল বিস্তৃত পাহাৰৰ লানি কাষত লৈ বাছেৰে আগবাঢ়ি গৈ থকা মোৰ মনটোৱে কৈ উঠিল—নহয়, স্বৰ্গ যদি ক'বাত আছে সি সৌ তাতেই, সৌ বৰফে ঢকা হিমালয় পাহাৰ শ্ৰেণীতেই।

কুফ্ৰিত তেতিয়াও বৰফ পৰা আৰম্ভ হোৱা নাছিল, সেয়ে সেই ঠায়ে আমাক আকৰ্ষণ কৰিব পৰা নাছিল, কিন্তু 'ওৱাইল্ড ফ্লাৱাৰ' হলটো চাই হ'লে বৰ ভাল লাগিছিল, কাৰণ তাৰ বিশাল বিশাল কাঁচৰ খিৰীকিৰে বহুত দূৰৰ বৰফ আবৃত পাহাৰ মালাৰ দৃশ্য আছিল অপৰূপ। আমাৰ গাইডে তাৰ ভিতৰত দুটা প্ৰায় সম্পূৰ্ণৰূপে তুষাৰাবৃত পৰ্বতক কেদাৰনাথ আৰু বদ্ৰীনাথ বুলি চিনাই দিছিল।

অচিনাকী চিমলা

এনেদৰে প্ৰায় ৪৫ কিলোমিটাৰ সেই পাইন আৰু আকাশচুম্বী গছে আগুৰি থকা পাহাৰী একাবেঁকা পথটো অতিক্ৰম কৰি আমি অৱশেষত গৈ চাইল পাইছিলোঁ। অপূৰ্ব ঠাই! কিন্তু হিমাচল প্ৰদেশৰ কোনখন ঠায়ে বা ভুস্বৰ্গ নহয়? তথাপি তাৰ ভিতৰতো কিছুমান ঠাই সচায়ে

অতুলনীয় নিসর্গ শোভাৰ ৰমপুৰী। চাইলৰ 'পেলেচ হোটেলটো'ৰ সমুখৰ বহু ঠাই বিস্তৃত বাগানৰ লন খনত বহি চাৰিওপিনৰ বৰফ ঢকা হিমালয়ৰ পাহাৰমালা যিমান ধুনীয়াকৈ দেখি, আন কোনোৰা ঠাইৰ পৰা দেখি বুলি মোৰ মনে নধৰে। প্ৰকৃতি ৰাণীৰ এই সৌন্দৰ্যৰ লগত আমাৰ কোনো মানব সুন্দৰীৰ তুলনাই হ'ব নোৱাৰে।

যিহওক, চাইলৰ এই সুদৃশ্য পেলেচ হোটেলৰ ডাইনিং হলত বহি মধ্যাহ্ন ভোজন কৰাৰ সময়ত হিমাচলৰে এগৰাকী যাত্ৰীৰ মুখত চাইলৰ জন্ম ইতিহাস শুনিলো। ১৯ শতিকাৰ কোনো এক বৰলাটৰ দিনৰ কাহিনী। পাতিয়ালাৰ মহাৰাজে চিমলা চহৰত ঘূৰি ফুৰি থাকোতে এজনী বগা চামৰাৰ নীল নয়নাক বাটত দেখা পাই মুগ্ধ হৈ পৰিল আৰু তেওঁৰ হাৰেমৰ ৰাণীৰ সংখ্যা বৃদ্ধি কৰিবলৈ সেই তৰুণীক হৰণ কৰিলে। পিছে বেচেৰা মহাৰাজে জনাই নাছিল যে তেওঁ বাঘৰ চোঙতে হাত ভৰাইছে। কাৰণ সেই ইংৰাজ নন্দিনী স্বয়ং ভাইচৰয়ৰ কন্যা। যিহওক, লগেলগেই ছোৱালীজনীক উদ্ধাৰ কৰা হ'ল আৰু ভাইচৰয়ে হুকুমজাৰি কৰিলে যে পাতিয়ালাৰ মহাৰাজা যেন কেতিয়াও চিমলাৰ ত্ৰিসীমানালৈ নাহে।

বেচেৰা মহাৰাজাই আৰু কি কৰে। দোৰ্দণ্ড প্ৰতাপী ইংৰাজ চৰকাৰৰ হুকুমতো আৰু অমান্য কৰিব নোৱাৰে, গতিকে তেওঁ প্ৰতিজ্ঞা কৰিলে যে তেওঁ অইন এখন চিমলা নির্মান কৰি ল'ব, দৰ্কাৰ নাই বৰলাটৰ চিমলাৰ। পাতিয়ালাৰ মহাৰাজৰ অপমান আৰু জেদৰ ফলতেই বোলে সেই চাইল নগৰীৰ সৃষ্টি হৈছিল। অৱশ্যে এই ঠাইখন আগতেও এক ধৰণে বিখ্যাত আছিল। এসময়ত হেনো এই ঠাইখন গুৰ্খাবীৰ অমৰ সিঙৰ অধীনলৈও আহিছিল। পাতিয়ালাৰ মহাৰাজাই পিছে ইংৰাজক ২১৮,০০০ টকাৰ নজৰানা দি উনৈশ শতিকাৰ শেষৰ পিনে চাইলক কিনি লৈ তাত এখন আধুনিক নগৰী গঢ়ি তুলিছিল। তাত তেওঁ এখন ক্ৰিকেটৰ

খেলপথাৰ তৈয়াৰ কৰিছিল আৰু প্ৰায় আঠ হেজাৰ ফুট উচ্চতাৰ এই খেলপথাৰখন হেনো পৃথিবীৰ ভিতৰত উচ্চতম।

এইখনেই হ'ল আমাৰ অচিনাকী অন্য চিমলা। আচলখন চিমলা নগৰীৰ মাল অঞ্চলত এটা পুলিচ পইণ্ট আছে, তাৰ নাম স্কেণ্ডেল পইণ্ট। সেই ঠাইডোখৰৰ পৰাই হেনো পাতিয়ালাৰ মহাৰাজাই ভাইচৰয়ৰ কন্যাক অপহৰণ কৰিছিল, আৰু সেইবাবেই ঠাইডোখৰৰ নাম হেনো স্কেণ্ডেল পইণ্ট হৈছিল।

পেলেচ হোটেলত ভূপৰীয়াৰ ৰাজকীয় আহাৰ সমাপ্ত কৰাৰ পিছত আমাক মহাৰাজাৰ ৰাজপ্ৰাসাদটো ঘূৰিপকি দেখুৱাইছিল। চাৰিওপিনে ইমান ডাঙৰ আৰু সুদৃশ্য আইনাবোৰ সজাই থোৱা আছে যে তিনিচাৰিজন মানুহক জোৰা লগালে যিমান দৈৰ্ঘ হ'ব, একোখন আইনাৰো সিমান দৈৰ্ঘ। মহাৰাজা আৰু মহাৰাণীৰ মাৰ্বল পাথৰবোৰৰ বাথটাববোৰৰ ঢাকনিবোৰত আইনা লগোৱা আছে যাতে তেওঁলোকে ফেনিল পানীৰ মাজত বহি নিজৰ দেহশোভা মুগ্ধ নয়নেৰে নিৰীক্ষণ কৰিব পাৰে।

সুদৃশ্য, সুসজ্জিত তুমহলাৰ কোঠালীবোৰৰ কাঁচৰ বিশাল বিশাল খিৰিকীৰ ফাঁকেৰে চাৰিওপিনে চাই পঠালে কেৱল তুষাৰ শৃংগৰ সুউচ্চ নীলাভ হিমালয় পৰ্বতমালাকে দেখা যায়। বাৰম্বাৰ অপূৰ্ব দৃশ্য বুলি কৈ থাকি আমনি নলগাও। কিন্তু এই পেলেচ হোটেলৰ ভিতৰৰ জাকজমকতা আৰু বাহিৰৰ নিসৰ্গ শোভাই মোক জেন অষ্টেনৰ 'প্ৰাইড এণ্ড প্ৰেজুডিচ' উপন্যাসৰ পেম্বাৰ্‌লি হাউছটোলৈকে মনত পেলাই দিছিল তাৰো খিৰিকীৰে দেখা নিসৰ্গ শোভা আৰু ভিতৰৰ ৰাজকীয় সাজসজ্জাৰ বৰ্ণনা যেন বাস্তৱৰ এই চাইল প্ৰাসাদৰ লগত মিলে। কিন্তু তুলনা বোধহয় এইখিনিতে শেষ। কাৰণ এই মহাৰাজৰ প্ৰাসাদবোৰৰ জাকজমকতা আৰু বিলাসবাসণৰ অন্তৰালত যিমান ধৰ্ষিতা নাৰীৰ অশ্ৰুৰ ইতিহাস সোমাই আছে, জেন অষ্টেনৰ বিখ্যাত ঘৰটোৰ অন্তঃপুৰত হয়তো সেই ইতিহাস অনুপস্থিত। কিন্তু

সেই কথাই বা কোনে জানে, বৰং এনে জমিদাৰ আৰু ৰজা মহাৰাজৰ ইতিহাস সকলো দেশতে প্ৰায় একেই।

অৱশেষত আমি চাইল এৰি কালকা অভিমুখে যাত্ৰা কৰিছিলোঁ। তাৰ আগতে অৱশ্যে নালডেৰাৰ সেই আঁঠহাজাৰ ফুট ওখৰ ক্ৰিকেট গ্ৰাউণ্ডখন দেখুৱাই লৈ অহা হৈছিল। পাহাৰৰ ওপৰত সেই বিৰাট সমতল পথাৰখন সঁচায়ে এক চাবলগীয়া ঠাই।

তাৰপিছত আমি লাহে লাহে নামি আহিছিলো আৰু এটা সময়ত চাইল ৰাজপ্ৰসাদ আমাৰ চকুৰ আগৰ পৰা অন্তৰ্হিত হৈ গৈছিল। কিন্তু তথাপিও মনৰ চকুৰ আগৰ পৰা সেই ৰাজপ্ৰসাদৰ আড়ম্বৰ, তাৰ অন্তৰালৰ করুণ দৃশ্যবোৰ আঁতৰি যাব পৰা নাছিল। মহাৰাজৰ খপ্পৰৰ পৰা ভাইচৰয়ৰ দুহিতাৰ উদ্ধাৰ হৈছিল, কিন্তু আন কত নাৰিহ দৰিদ্ৰ মানুহৰ সুন্দৰী দুহিতাই মহাৰাজৰ হাৰেমত চিৰ বন্দিনী হৈ নীৰৱ চকুলো টুকি দুঃসহ সময় কটাব লগা হৈছিল, তাৰতো সীমা সংখ্যা নাই!

আমি নামি যোৱা পথৰ অভিজ্ঞতাও আছিল একপ্ৰকাৰ অপাৰ্থিব, বিশাল পাহাৰৰ সিপাৰে ৰঙা বেলি মাৰ গৈ এসময়ত পূৰ্ণচন্দ্ৰ ওলাইছিল আৰু পাহাৰৰ অতি ওখ গৰাৰ বহুত তলেৰে বৈ যোৱা শতদ্ৰু নদীৰ ক্ষীণ ধাৰাৰ পানীত জোনাকৰ পোহৰ পৰি জিলমিলাই উঠিছিল। সঁচায়ে আমাৰ ভ্ৰমনৰ আন এবিধ স্বৰ্গীয় দৃশ্য। কিন্তু মোৰ মনটো যেন এক ধৰণৰ অদ্ভুত করুণ সুৰত বন্ধা হৈ গৈছিল, কিয় জানো বাৰে বাৰে মনৰ মাজত ৰবীন্দ্ৰনাথৰ 'সাজাহান'ৰ এই কেইফাঁকি কথাই বিনাই মৰিছিল:

'তব পুৰ সুন্দৰীৰ নুপূৰ নিক্কণ
ভগ্ন প্ৰাসাদেৰ কোণে
ম'ৰে গিয়ে ঝিল্লিস্বনে
কাঁদায় ৰে নিশাৰ গগন।'

সাপ্তাহিক নীলাচল, ১৯৭৮ চন

ত্ৰিপুৰা ৰাজ্যত চাৰিদিন

'বিচ্ছিন্নতাবাদ নহয়, বিচাৰোঁ সংহতি'

ভাৰত তীর্থ

"হেথায় আর্য, হেথা অনার্য, হেথায় দ্ৰাবিড় চীন-
শক-হুন-দল পাঠান মোগল এক দেহে হল লীন।
পশ্চিম আজি খুলিয়াছে দ্বাৰ সেথা হতে সবে আনে উপহাৰ,
দিবে আৰ নিবে মিলাবে মিলিবে, যাবে না ফিৰে-
এই ভাৰতেৰ মহা মহা মানবেৰ সাগৰতীৰে।।"

১৯৮০ চনৰ দুই নবেম্বৰৰ আবেলি ৩ বজা, ত্ৰিপুৰাৰ আগৰতলাৰ ৰবীন্দ্ৰ ভৱন ; প্ৰেক্ষাগৃহ নিমন্ত্ৰিত অতিথিৰে ঠাহ খোৱা, মঞ্চৰ ওপৰত বাঁহৰ কাৰুকাৰ্যৰে সজ্জিত প্ৰেছিডিয়ামৰ আসনৰ ওপৰত ভাৰতৰ বিভিন্ন ৰাজ্যৰ মানুহৰ মূৰ ঠাহ খুৱাই ভাৰতবৰ্ষৰ মেপখন আঁকি থোৱা এখন ডাঙৰ কাপোৰ ওলমি আছে। সেইখনলৈ চাই, ৰবীন্দ্ৰভৱনৰ ভিতৰত বহি স্বাভাৱিকতেই মনলৈ আহিছিল ৰবীন্দ্ৰনাথৰ ভাৰতবৰ্ষৰ সংহতি বিষয়ক কবিতা 'ভাৰততীর্থ'। দেশৰ সৰ্বত্ৰ আজিকালি বিচ্ছিন্নতাবাদৰ ভয়ংকৰ সাপটোৱে যেনেকৈ মূৰ ডাঙি ফণা তুলি থকা হৈছে যে অন্যান্য বহুত সময়তো মনে মন্ত্ৰৰ দৰে সেই কবিতাৰ এই বাক্যটো জপি থকা হৈছে : 'হেথায় সবাৰে হবে মিলিবাৰে আনত শিৰে/এই ভাৰতেৰ মহামানৱেৰ সাগৰতীৰে।'

মোৰা দুই আৰু তিনি নবেম্বৰৰ দিনা ত্ৰিপুৰাৰ আগৰতলাত জাতীয় সংহতিবিষয়ক অনুষ্ঠিত এই আলোচনাচক্ৰখনলৈ নিমন্ত্ৰিত হৈছিলোঁ মমো আৰু ত্ৰিপুৰাত কিছুদিন আগলৈকে চলি থকা ভয়ংকৰ সংঘৰ্ষৰ কথা ভাবি ঘৰৰ পৰা মৃদু আপত্তি উঠিলেও তাক কাটি কৰি থৈ

অতি আগ্ৰহেৰে ত্ৰিপুৰালৈ যাত্ৰা কৰিছিলোঁ।

উত্তৰ পূৰ্বাঞ্চলৰ দক্ষিণ-পশ্চিমৰ এই সীমামূৰীয়া ৰাজ্যখন কোনো-দিন দেখা নাই বুলিয়েই যে তালৈ যাবলৈ পৰম আগ্ৰহ হৈছিল এনে নহয়, ত্ৰিপুৰাৰ প্ৰতি বৰ্ত্তমান আমাৰ আগ্ৰহ নানা কাৰণত। কেইদিনমান আগতে সেইখন ৰাজ্যত যি ভয়াবহ ঘটনা ঘটি গ'ল তাৰ বিষয়ে জনাৰ সাংবাদিক-সুলভ অনুসন্ধিৎসাৰ উপৰিও আৰু নানা কাৰণত ত্ৰিপুৰাৰ বিষয়ে কৌতুহল আছিল অপৰিসীম। বৰ্তমান আন্দোলনত নিজ ৰাজ্যতে সংখ্যালঘু হৈ পৰাৰ নজীৰ হিচাবে বাৰে বাৰে ত্ৰিপুৰালৈ আঙুলিওৱা হয়, আজি দুবছৰ আগতে তাত মাৰ্ক্স-বাদী চৰকাৰ প্ৰতিষ্ঠিত হৈছে আৰু ইন্দিৰা ঢৌত ভাৰতৰ অন্যান্য ৰাজ্য উটি ভাহি হোৱাৰ পাছতো ত্ৰিপুৰাৰ লোকসভাৰ নিৰ্বাচনত সেই মাৰ্ক্সবাদী দলটোৱেই জয়লাভ কৰিলে। ত্ৰিপুৰাৰ নতুন চৰ-কাৰে তাৰ উপজাতি সকলৰ পাঁচটা দাবীয়ে মানি লৈ বছৰৰ পিছত বছৰ দলিত আৰু অবহেলিত হৈ থকা উপজাতিসকলক হেনো আত্মো-ন্নয়নৰ পথত আগবাঢ়িবলৈ অতিশয় সুবিধা দিছে—অথচ সেই ত্ৰিপুৰাতে উপজাতিসকল ভয়ংকৰ হৈ উঠি তাৰ বঙালীসকলৰ তেজৰ নৈ বোৱাই দিলে; কি ইয়াৰ ৰহস্য, ইয়াৰ পাছত কি ষড়যন্ত্ৰ আছে? ত্ৰিপুৰাই আন এটা কাৰণতো মন আকৰ্ষণ কৰি থৈছে। গুৱাহাটীৰ জৰুৰ নগৰত '৭৬ চনত যি কংগ্ৰেছ অধিবেশন হৈছিল তাৰ ত্ৰিপুৰা পেভি-লিয়নৰ বাঁহৰ নানা অপূৰ্ব কাৰুকাৰ্য্যই আমাৰ মন মুহি পেলোৱাৰ লগতে এই আক্ষেপো জগাইছিল যে অসমো বাঁহৰ ৰাজ্য (এজন বিদেশী পৰিব্ৰাজকে হেনো এই মন্তব্য দিছিল --Assam is a land of bamboo civilization), কিন্তু আমিতো এনে সূক্ষ্ম কাৰু-কাৰ্য্যৰ কোনো বস্তু উৎপাদন কৰিব পৰা নাই, এই হস্তশিল্পক ত্ৰিপুৰা ৰাজ্যৰদৰে এক উল্লেখযোগ্য উদ্যোগত পৰিণত কৰিব পৰা নাই?

সি যি কি নহওক, এই সকলোবোৰ কথা মিলি 'বিচিত্ৰ এই দেশ, চেলুকচ!' পঙক্তিকে ব্যক্তিগত নিৰাপত্তাৰ পৰিয়ালৰ সাৱধান-

বাণী উলাই কৰি ত্ৰিপুৰাগামী প্লেনত উঠিলো যোৱা ১ নবেম্বৰৰ দিনা। অনগ্ৰসৰ ৰাজ্য ত্ৰিপুৰাত ট্ৰেইন পৰিবহনৰ ব্যৱস্থা নাই বুলিবই পাৰি, এই ৰাজ্যৰ দ্বিতীয় প্ৰধান চহৰ উত্তৰৰ প্ৰায় সীমাত থকা ধৰ্মনগৰৰ লগতহে অসমৰ ৰেলপথৰ সংযোগ আছে।

আগৰতলা চহৰখন পশ্চিমৰ বাংলাদেশৰ সীমান্তত অৱস্থিত. গুৱাহাটীৰ পৰা প্লেনেৰে যাওঁতে সময় লাগে ৪৫ মিনিট। প্লেনৰ পৰা তলৰ শস্যশ্যামলা ত্ৰিপুৰা ৰাজ্যখন দেখি মন বেদনাহত হৈছিল -- এই সেউজীয়া ঘাঁহ বন, গছ পথাৰৰ কিমান অংশ বা নীৰিহ মানুহৰ তেজেৰে ৰাঙলী হৈ পৰিছিল ; বিচ্ছিন্নতাবাদীৰ ভয়ংকৰ দানৱটোৱে মূৰ তুলি উঠি মানুহৰ মনবোৰত সিচি দিছিল বিভেদ আৰু অসূয়াৰ বীজ, যাৰ ফলত সেই মানুহো দানৱত পৰিণত হৈ ভাতৃঘাতী সংঘৰ্ষত লিপ্ত হৈ পৰিছিল।

আলোচনাচক্ৰখন ২ আৰু ৩ তাৰিখে। গতিকে ১ তাৰিখে মোক আগৰতলাখন ঘূৰাই পকাই দেখুৱা হ'ল ; ত্ৰিপুৰাৰ মহাৰাজৰ বিতোপন প্ৰাসাদটো বৰ্তমান বিধানসভালৈ ৰূপান্তৰীত কৰা হৈছে ; তাৰ সন্মুখফালে থকা বিৰাট খালী ঠাই এডোখৰত নতুন চৰকাৰে শিশু উদ্যান এখন নিৰ্মান কৰা কাম প্ৰায় শেষ কৰি আনিছে। গুৱাহাটীৰ তুলনাত অতি সৰু চহৰ আগৰতলাৰ সেই বিৰাট শিশু উদ্যানখন দেখি মোৰ চকুৰ আগত ভাহি উঠিল গুৱাহাটী উজানবজাৰ পকী-ঘাটৰ ওচৰৰ জঙ্গলাকীৰ্ণ অপৰিসৰ মাটি ডোখৰ, য'ত আজিলৈকে প্ৰস্তাৱিত শিশু উদ্যানখনৰ নিৰ্মাণ কাম আৰম্ভই হোৱা নাই।

আগৰতলাৰ আৰু এক দৰ্শনীয় প্ৰতিষ্ঠান হ'ল বীৰ বিক্ৰম দেববৰ্মন নামৰ মহাৰাজাজনে নিজৰ নামত নিৰ্মাণ কৰা কলেজখন, বিৰাট কম্পাউণ্ডেৰে এই কলেজটোৰ দৰে সুন্দৰ কলেজ হেনো উত্তৰ পূৰ্ব্বাঞ্চলৰ কোনো ৰাজ্যতে নাই।

আগৰতলাৰ বজাৰৰ নানা দোকানৰ মাজে মাজে চকুত পৰে বাহৰ হস্তশিল্পৰ দোকানবোৰ। হাতত পইছা নাথাকিলেও কিবা নহয়

কিবা কিনাৰ লোভ সম্বৰণ কৰা টান।

ঘুৰাপকা কৰাৰ উপৰিও সিদিনা মই বিভিন্ন স্তৰৰ বিভিন্ন মানুহৰ লগতো কথা বতৰা পাতি ত্রিপুৰাৰ নতুন চৰকাৰ, উপজাতি-বঙালীৰ সংঘৰ্ষ আদিৰ বিষয়ে কিছু কিছু তথ্য আহৰণৰ চেষ্টা কৰিলোঁ। বিভিন্ন জনে মোক নানা বাতৰি কাকত আৰু আলোচনীও আনি দিলে। চৰকাৰৰ তথ্য আৰু জনসংযোগ বিভাগৰ পৰাও নানা প্রচাৰ পুস্তিকা পালোঁ। সেইবোৰৰ পৰা ত্রিপুৰা সম্পৰ্কে এইবোৰ তথ্য আহৰণ কৰিলোঁ। ত্রিপুৰাৰ বৰ্তমান অধিবাসীৰ সংখ্যা প্রায় ১৮ লাখ আৰু তাৰ ভিতৰত ৬৩'২৬% ভাগেই বঙালী। বাকী যি জনগোষ্ঠী আছে সেইওঁলোকৰ ভিতৰত উপজাতিয়ে সংখ্যা গৰিষ্ঠ, এইসকল লোক নানা গোষ্ঠীৰ লুছাই, মগ, কুকি, চাকমা, গাৰো, চাইমল, হালাম, খাচিয়া, ভুটিয়া, কুন্দিয়া (এওঁলোকৰ মাজত কউৰও আছে) ওৰাং, লেপচা, চাওতাল, ভীল, ত্রিপুৰী, জামতীয়া, নোৱাতিয়া, ৰিয়াং আৰু উচাই। ত্রিপুৰাৰ উপজাতিসকল অতি ভিতৰ সোমাৰা গাওঁবোৰত বাস কৰে আৰু তেনে কিছুমান গাওঁ অতি দুৰ্গম অঞ্চলত অৱস্থিত। এই ৰাজ্যৰ দৰে উপজাতিসকল এনেকৈ বিস্তৃত হৈ থকা অঞ্চল ভাৰতবৰ্ষৰ আৰু কতো নাই।

১৯৫১ চনত ত্রিপুৰাৰ লোকসংখ্যা আছিল ৬, ৪৫, ৭০৭ কিন্তু ১৯৭১ চনত সি অভাৱনীয়ভাৱে বৃদ্ধি পাই হ'লগৈ ১৫, ৫৬, ৩৪১। ইয়াৰ কাৰণ হ'ল চুবুৰীয়া বঙ্গদেশৰ পৰা পিছত সি ক্রমে পাকিস্তান আৰু বাংলাদেশ হৈছিল হোৱা বিৰাট প্রব্রজন। এই প্রব্রজন আৰম্ভ হৈছিল ১৯৪১ চনত ঢাকাত হোৱা ভয়ংকৰ সাম্প্রদায়িক সংঘৰ্ষৰ দিনৰে পৰা বাংলাদেশ হোৱালৈকে। পূৰ্বাঞ্চলৰ ভিতৰত ত্রিপুৰাই হ'ল এনে এখন ৰাজ্য যাৰ প্রায় চাৰিও সীমাকে আগুৰি আছে বাংলাদেশে মাত্র পূবে কাছাৰ আৰু মিজোৰামৰ লগতে যি ইয়াৰ ভৌগোলিক সীমা কিছুদূৰ সংলগ্ন।

ৰজাই শাসন কৰি থকা ত্রিপুৰা ৰাজ্যখন ভাৰতবৰ্ষৰ লগত

সংযোজিত হয় ১৯৪৯ চনত। এটা বিশেষ মন কৰিবলগীয়া কথা হ'ল এয়ে যে বঙ্গদেশৰ পৰা বঙালী লোকৰ প্ৰব্ৰজন আৰম্ভ হোৱাৰ বহুত আগতেই ত্ৰিপুৰাৰ জনজাতীয় মহাৰাজে নিজ ৰাজ্যৰ ৰাজ্যিক ভাষা হিচাপে বঙালীকে প্ৰতিষ্ঠা কৰিছিল আৰু বঙালী ভাষা-কৃষ্টিৰ বিকাশত বিশেষ পৃষ্ঠপোষকতা কৰিছিল। কিন্তু উপজাতিসকলৰ ভাষা ককবৰক ৰজাসকলে হেনো নিজে উপজাতি হৈয়ো জনা নাছিল আৰু তাৰ উন্নতিৰ বাবে একোকে কৰা নাছিল। কক্ বৰকৰ নিজা লিপিও নাই। কংগ্ৰেছ চৰকাৰৰ দিনতো ইয়াৰ বিকাশৰ বাবে বিশেষ একো চেষ্টা কৰা নাছিল। কিন্তু বৰ্তমান চি. পি, এম চৰকাৰে আঢ়ৈ বছৰৰ ৰাজত্বকালতে এই ভাষাক স্বীকৃতি দি বঙালী লিপিৰ মাধ্যমত ইয়াৰ বিকাশৰ যথেষ্ট সা-সুবিধা আগবঢ়াইছে।

গতিকে আমি অসমত ভাষা সংস্কৃতিৰ অস্তিত্ব হেৰোৱাৰ আশংকা কৰি ত্ৰিপুৰালৈ আঙুলিওৱাৰ সময়ত উপৰোক্ত তথ্য মনত ৰখা উচিত। অসমৰ জনজাতিসকলে সেইবাবেই আমি অসমীয়া বুলি কোৱাসকলক 'পুৰণি বঙালী' বুলি কোৱাৰ সুবিধা পাইছে।

সি যি কি নহওক, ত্ৰিপুৰাৰ ৰাজনৈতিক পৰিস্থিতি, সংঘৰ্ষ আদি বিষয়ে পিছত বিস্তৃতভাবে লেখিবলৈ থৈ এতিয়া আলোচনা চক্ৰৰ কথালৈ অহা যাওক।

এই আলোচনা চক্ৰত অসমৰ পৰা মোৰ বাহিৰে (সৰ্বশ্ৰী) মুকুল হুদা আৰু নীশিথ দাস এম, এল, এ দুয়ে যোগদান কৰাৰ উপৰিও ভাৰতৰ অন্যান্য ৰাজ্যৰ এইসকল ব্যক্তিয়ে যোগদান কৰিছিল: (সৰ্বশ্ৰী) কে, পি. উন্নীকৃষ্ণন (এম, পি. ইউ কংগ্ৰেছ), সুৰকাৰ সলিল চৌধুৰী, পশ্চিম বঙ্গৰ স্পীকাৰ মনছুৰ হবিবুল্লা, সমৰ মুখাৰ্জী (এম, পি. চি. পি, এম), ৰনজিৎ ৰায় (আনন্দ বাজাৰ গোষ্ঠীৰ প্ৰখ্যাত সাংবাদিক), গোবিন্দ পিল্লাই (কেৰেলাৰ সাংবাদিক), কে, ভি, ৰঘুনাথ ৰেড্ডী (ভূতপূৰ্ব কেন্দ্ৰীয় শ্ৰম মন্ত্ৰী) আৰু অধ্যাপক নিৰ্মল বসু (বঙ্গৰ এম, এল, এ, ফৰৱাৰ্ড ব্লক)।

ছেমিনাৰখন ত্ৰিপুৰাৰ ৰাজ্য চৰকাৰৰ দ্বাৰা আয়োজিত হৈছিল আৰু তাৰ চেয়াৰমেন আছিল ত্ৰিপুৰাৰ সাংস্কৃতিক আৰু পৰ্য্যটন দপ্তৰৰ মন্ত্ৰী শ্ৰীঅনিল সৰকাৰ। (এই শ্ৰীসৰকাৰে বাক্স 'ছড়া' লিখে।

ছেমিনাৰ উদ্বোধন কৰিলে ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰী শ্ৰীনৃপেন্দ্ৰ চক্ৰৱৰ্তীয়ে। হয়তো মই একমাত্ৰ মহিলা অংশগ্ৰহণকাৰী, গতিকে তেওঁলোকে মোক প্ৰেছিডিয়ামৰ সভানেত্ৰী পাতিলে। প্ৰেছিডিয়ামৰ আন কেইগৰাকী সভ্য আছিল শ্ৰীসৰকাৰ, স্পীকাৰ সুধনা দেব বৰ্মন (এওঁ উপজাতিৰ লোক) আৰু অন্যান্য কেই গৰাকীমান মন্ত্ৰী আৰু এগৰাকী ভূতপূৰ্ব এম, পি।

এই দুদিনীয়া ছেমিনাৰত বিভিন্ন বক্তাই ভাৰতৰ সংহতি কেনেকৈ বিপন্ন হৈছে, বিচ্ছিন্নতাবাদৰ অশুভ শক্তিয়ে কেনেকৈ মূৰ ডাঙি উঠিছে, এইবোৰৰ কাৰণ ক'ত নিহিত আছে, ঐক্য আৰু সম্প্ৰীতিৰ-বাবে কি কৰা উচিত আদি নানা সাৰগৰ্ভ কথা ক'লে। সেই বক্তৃতাবোৰৰ বৰ্ণনা কৰিবলৈ ঠাইৰ সংকুলন। কিন্তু অসমবাসীয়ে শুনি সুখ পাব যে শ্ৰীৰণজিৎ ৰায়ে অতি উদাত্তভাবে ক'লে যে তেওঁ অসমীয়া যুবক হোৱা হ'লে তেৰেঁা হয়তো একেধৰণৰ উগ্ৰমূৰ্তিকে ধাৰণ কৰিলেহেঁতেন, কাৰণ প্ৰাকৃতিক সম্পদত ইমান চহকী অসম আজি অতবছৰীয়া কংগ্ৰেছী কুশাসনৰ ফলত অৰ্থনৈতিক দিশত ইমান ভয়ংকৰভাবে পিছপৰি থাকিবলগীয়া হৈছে। (পিছত ব্যক্তিগত কথাবতৰাৰ সময়ত মুখ্যমন্ত্ৰীয়ে মোক কৈছিল যে তেৰেঁা ৰণজিৎ ৰায়ে কোৱাৰদৰে কথাকে সকলোতে কৈ আহিছে—ইমান সম্পদশালী হৈয়ো ইমান দৰিদ্ৰ হৈ থাকিবলগা অসমৰ দুৰাৱস্থাৰ কথা ভাবিব নোৱাৰি)।

মই নিজে ছেমিনাৰৰ অংশগ্ৰহণকাৰী হিচাপে ইংৰাজীত লিখিত কাকত পঢ়িছিলো যদিও শেষৰ দিনা সভানেত্ৰীৰ বক্তৃতাৰে ছেমিনাৰ মোখনি মাৰিবৰ সময়ত শ্ৰীঅনিল সৰকাৰে মোক কৈছিল যে দৰ্শক মণ্ডলীয়ে মোক অসমীয়াত কোৱাৰ বাবে অনুৰোধ কৰিছে। গতিকে মই অসমীয়াতে ক'লো আৰু শ্ৰীৰণজিৎ ৰায়ৰ কথাৰ সূত্ৰ ধৰিয়ে

অসমৰ দুৰবস্থাৰ কথা বৰ্ণনা কৰি ক'লো যে এইবাবেই আজি শোষিত, অবহেলিত আৰু বঞ্চিত অসমীয়া ৰাইজ এনে এক অভূত-পূৰ্ব আন্দোলনত নামি পৰিছে। কিন্তু আমাৰ কথা হ'ল আমাক কোনে প্ৰকৃততে শোষণ কৰিছে, কোন বৃহৎ ব্যৱসায়ী আৰু পুঁজি-পতি গোষ্ঠীয়ে কেন্দ্ৰীয় চৰকাৰৰ অকৰ্মন্যতা, স্বাৰ্থপৰতা আৰু উদা-সীনতাৰ সুযোগলৈ এই তেত্ৰিছ বছৰে লুটিপুটি খাই আছে, সেই প্ৰধান শত্ৰুক চিনি লৈহে আমি সেই শত্ৰুৰ বিৰুদ্ধে সংগ্ৰাম কৰিব লাগিব, বিদেশী বিতাৰণ আন্দোলনে অৰ্থনৈতিক শোষণত জুৰুলা হোৱা অসমক একো সকাহ নিদিয়ে বা লাখ লাখ দৰিদ্ৰ খাটিখোৱা মানুহক অসম ভূমিৰ পৰা খেদি পঠালেও অসমৰ অৰ্থনৈতিক অৱস্থা একো উন্নত নহয়। কেন্দ্ৰই আমাৰ ইয়াত উদ্যোগ গঢ়ি তোলাকে আদি কৰি আন নানাধৰণৰ উন্নয়ণমূলক কাম বিপুল আকাৰত নকৰিলে আৰু বৃহৎ ব্যৱসায়ী গোষ্ঠীয়ে আমাৰ প্ৰাকৃতিক সম্পদ লুটি নিয়া বন্ধ কৰিব নোৱাৰিলে দৰিদ্ৰ বাংলাদেশী কেইজনমানক বিতাড়ণ কৰি আমাৰ একো লাভ নহয়।

সন্ধিয়া বঙালী আৰু উপজাতিসকলৰ মিলিত সাংস্কৃতিক অনু-ষ্ঠানেৰে আলোচনা চক্ৰৰ দুদিনীয়া অনুষ্ঠানৰ পাচত সামৰণি পৰিল। পিছদিনা ৰাতিপুৱাই আমি বাওনা হৈছিলোঁ মান্দাইৰ পিনে য'ত ত্ৰিপুৰাৰ অলপতে ঘটি যোৱা সংঘৰ্ষত নৃশংসতম হত্যাকাণ্ডটো সংঘটিত হৈছিল যোৱা ৮ জুন তাৰিখে এই ঠাইত একেলগে ২১৩টা মৃতদেহ পোৱা গৈছিল।

ৰাজনৈতিক দৃশ্যপট : স্বাধীন ত্ৰিপুৰা আৰু বাঙালীস্থান

"*Opinion is free, but facts are Sacred.*"

—*G. P. Scott*

(Manchester Guardian, 6 May 1926)

মান্দাই বজাৰৰ সংঘৰ্ষ বিধ্বস্ত চিন চাবলৈ যোৱাৰ কথাৰে ভ্ৰমণৰ প্ৰথম খণ্ডটো শেষ কৰিছিলোঁ। পিছে মান্দাইৰ অভিজ্ঞতা বৰ্ণোৱাৰ

আগতে ত্রিপুৰাৰ ৰাজনৈতিক পৰিস্থিতিৰ বিষয়ে অলপ জনাই থোৱা ভাল হ'ব। তাৰ পৰিপ্রেক্ষিততহে ত্রিপুৰাত সংঘটিত হোৱা ভয়াবহ হত্যাকাণ্ড, লুটপাট, অগ্নিকাণ্ড আদি ঘটনাৱলীৰ অন্তৰালৰ তাৎপর্য্যৰ সম্যক ধাৰণা কৰিব পৰা যাব।

ত্রিপুৰাত বঙালী আৰু উপজাতিৰ মাজত চিৰকাল শান্তি বিৰাজ কৰি আহিছিল। প্ৰথম খণ্ডত দেখুৱা হৈছে কেনেকৈ তাৰ উপজাতি মহাৰাজেই ৰাজ্যিক ভাষা হিচাপে বঙালীক প্রতিষ্ঠা কৰিছিল আৰু উপজাতিৰ লিপিহীন ভাষা ককৃবৰকৰ কোনো ধৰণৰ উন্নতিৰবাবে চেষ্টা কৰা নাছিল। ত্রিপুৰাৰ বঙালী আৰু উপজাতিৰ মাজত বিয়া-বাৰুও হৈছিল যথেষ্ট পৰিমাণে।

১৯৪৯ চনত ৰাজ্যখন ভাৰতবৰ্ষৰ লগত চামিল হোৱাৰ পাছৰেপৰা যোৱা ১৯৭৮ চনৰ ৫ জানুৱাৰীত যুক্ত বাওঁপন্থী মৰ্চাৰ চৰকাৰ গঠন হোৱাৰ আগলৈকে ৰাজ্যত কংগ্রেছ শাসনেই চলি আছিল আৰু ভাৰতৰ অন্যান্য ৰাজ্যবিলাকৰ দৰেই তাতো কংগ্রেছৰ অকর্মন্য শাসন ব্যৱস্থাৰ কুফল পৰিলক্ষিত হৈছিল। আগৰ ৰাজন্যবৰ্গৰ দৰেই কংগ্রেছেও অতি পিছ-পৰা আৰু নানা ধৰণে শোষিত উপজাতিসকলৰ উন্নতিৰবাবে একো কৰা নাছিল। কিন্তু মুখ্যমন্ত্রী নৃপেন চক্রবর্ত্তীৰ যুক্তফ্রণ্ট বাওঁপন্থী চৰকাৰে ককৃবৰকক দ্বিতীয় ৰাজ্যিক ভাষাৰ মৰ্য্যাদা দান কৰিলে, ১৯৬৯ চনৰেপৰা উপজাতিসকলৰ বঙালী আৰু অন্যান্য গোষ্ঠীৰ লোক-সকলে বে-আইনীভাবে অধিগ্ৰহণ কৰা ভূমি উপজাতিসকলক হস্তান্তৰ কৰা প্রক্রিয়া খৰতকীয়াভাবে আৰম্ভ কৰি দিলে, উপজাতিসকলৰবাবে সংৰক্ষিত চাকৰিবোৰত তেওঁলোকক বহুল পৰিমাণে নিযুক্তি দিলে আৰু জুম খেতিত উৎখাতিত হোৱা উপজাতিসকলক পুনৰ সংস্থাপনৰবাবে নানা ধৰণৰ প্রচেষ্টা আৰম্ভ কৰিলে। তদুপৰি যোৱা জুলাই মাহৰ ১৩ তাৰিখে ত্রিপুৰা উপজাতি অঞ্চল স্বায়ত্ব শাসিত জিলা পৰিষদৰ নিৰ্বাচন পতাৰ ব্যৱস্থাও কৰা হৈছিল। উপজাতিসকলৰ স্বায়ত্ব শাসনৰ অধিকাৰ ইয়াতকৈও দৃঢ়ভাবে প্রতিষ্ঠিত কৰিবৰবাবে সংবিধানৰ ষষ্ঠ

অনুচ্ছেদ অনুযায়ী ৰাজ্য চৰকাৰে স্বায়ত্বশাসিত পৰিষদ গঠনৰ চুপাৰিশেই কৰিছিল, কিন্তু তেতিয়া কেন্দ্ৰত থকা জনতা চৰকাৰে তাক নামঞ্জুৰ কৰি সপ্তম অনুচ্ছেদৰ মতে জিলা পৰিষদ গঠনৰ অনুমোদনহে কৰিলে। কিন্তু সেইমতেও যোৱা ১৩ জুলাইৰ দিনা নিৰ্বাচনটো পাতিব পৰা হ'লে নিৰ্বাচিত ২৮ জনীয়া পৰিষদটোৱে উপজাতিসকলৰ ১৬৪ খন গাওঁ আৰু ৪৭ খন তহছিলত পোনপটিয়াভাবে শাসনৰ কাৰ্য চলাই উপজাতিৰ স্বাৰ্থ সংৰক্ষণ কৰিব পাৰিলেহেঁতেন। তেতিয়া হলে তেওঁলোকৰ ভূমি স্বত্ব, চাকৰি সংৰক্ষণ, গাওঁৰ ধন ধাৰে দিয়া মহাজনৰ শোষণৰ পৰা মুক্তি আদি নানা প্ৰকাৰৰ ফলপ্ৰসূ ব্যৱস্থা কায়েম হ'লহেঁতেন।

কিন্তু পূৰ্বাঞ্চলৰ অন্যান্য ৰাজ্যৰদৰেই ত্ৰিপুৰাৰ তৰুণ উপজাতি গোষ্ঠীৰ মনতো বিচ্ছিন্নতাবাদৰ বাজ ৰোপিত হৈ গৈছিল। গতিকে 'ত্ৰিপুৰা উপজাতি যুব সমিতি'য়ে ভয় কৰিলে যে নিৰ্বাচন হৈ গ'লে উপজাতিসকলৰ সকলো দাবী পূৰণ হোৱাৰ পাছত সন্তুষ্ট উপজাতিসকলক বিক্ষুব্ধ কৰি তোলা কঠিন হ'ব। উল্লেখযোগ্য যে দেখাত নিজৰ কাৰ্যকলাপ সাংস্কৃতিক কাম-কাজৰ মাজতে আৱদ্ধ কৰি ৰাখিলেও এই উপজাতি যুব সমিতিয়ে ১৯৬৯ চনৰ পৰাই বঙালী বিদ্বেষৰ সাম্প্ৰদায়িক চেতনা জগাই তোলাৰ চেষ্টা চলাই আহিছিল। তেওঁলোকে উপজাতিসকলক বঙালী সংস্কৃতিৰ লগত কোনো ধৰণৰ যোগাযোগ নাৰাখিবলৈ গাৱেঁ গাৱেঁ গৈ উচটাই ফুৰিছিল। তেওঁলোকে ককবৰকৰ বাবে ৰোমান লিপিৰো দাবী কৰিছিল। ত্ৰিপুৰাৰ অগম্য ভিতৰুৱা পাহাৰী অঞ্চললৈ গৈ তেওঁলোকে এই সাম্প্ৰদায়িক বিষ বিয়পাই ফুৰিছিল। উপজাতি সকলৰ সকলো ধৰণৰ কল্যাণমূলক আঁচনি বাস্তৱত ৰূপায়িত কৰাৰ বাবে চৰকাৰৰ লগত সহযোগিতা কৰাৰ পৰিবৰ্তে এওঁলোকে এক অতি অবাস্তৱ দাবীত যোৱা মাৰ্চ মাহৰ পৰা আন্দোলন আৰম্ভ কৰি দিলে যে ৰাজ্যখনলৈ ১৯৪৯ চনৰ ১৫ অক্টোবৰৰ পিছত অহা সকলোকে বহিষ্কাৰ কৰিব লাগিব। অকল এয়েই নহয়, ইয়াৰ পিছত তেওঁলোকৰ আন্দোলন সম্পূৰ্ণ বিচ্ছিন্নতাবাদৰ পিনে আগুৱাই

গ'ল যেতিয়া তেওঁলোকে স্পষ্টভাবে 'স্বাধীন ত্ৰিপুৰা'ৰ বাবে দাবী কৰিব ধৰিলে। মে মাহৰ প্ৰথম সপ্তাহত উপজাতি সশস্ত্ৰ যুৱদলৰ আক্ৰমনত ১০ জন লোকৰ মৃত্যুও হ'ল।

যোৱা জুলাই মাহৰ ১৩ তাৰিখে উপজাতি স্বায়ত্ব শাসিত জিলা পৰিষদৰ নিৰ্বাচনৰ আগতেই ১ জুনৰ পৰা যুৱ সমিতিৰ এজাজেলিষ্ট গ্ৰুপৰ বিজয় ৰাংখালে ত্ৰিপুৰাৰ বিভিন্ন পাৰ্বত্য অঞ্চলৰ ১০০ খন বজাৰত ৭ দিন জোৰা 'বজাৰ বন্ধ' আহ্বান জনালে। এই বন্ধৰ ষষ্ঠ দিনা আগৰতলাৰ পৰা ৭ কিঃ মিঃ দূৰৰ লেম্বুছেৰা নামৰ ঠাইৰ বজাৰত ঘটা সৰু ঘটনাৰ চেলু লৈ যাইকৈ ৰাজধানীৰ উত্তৰ-পশ্চিম আৰু উত্তৰ-পূব অঞ্চলত সংঘৰ্ষৰ দাবানল জ্বলি উঠিল। ত্ৰিপুৰাৰ এই ঘটনাৱলীৰ বিৱৰণ সেই কেইমাহৰ বিভিন্ন বাতৰি কাকত আৰু আলোচনীত পাঠকসকলে পঢ়িবলৈ পাইছেই। ইয়াৰ পাছত অমৰপুৰ আৰু উদয়পুৰ নামৰ দক্ষিণৰ দুটা উপসংমণ্ডলতো সংঘৰ্ষৰ জুই বিয়পি পৰিল। উপজাতি যুৱক আৰু বঙালী সম্প্ৰদায়ৰ মাজত ভয়ংকৰ মৰামৰি কটাকটিৰ ফলত ৰাজ্য জুৰি শ শ লোকৰ মৃত্যু হ'ল। আগৰতলাৰ পৰা ৩৫ কিলোমিটাৰ দূৰৈৰ মান্দাই বজাৰতে একেলগে এঠাইতে ২১৫ জন বঙালী পুৰুষ-তিৰোতা, ল'ৰা-ছোৱালী কেচুৱাৰ মৃতদেহ পোৱা গ'ল। উপজাতীসকলৰো শ শ লোক বঙালী লোকৰ হাতত নিহত হ'ল। গোমতি নামৰ নদীয়ে বাংলাদেশলৈ যিবোৰ শ উটি গ'ল সেইবোৰ উপজাতিলোকৰ বুলি সন্দেহ কৰা হৈছে। সংঘৰ্ষ আৰম্ভ হোৱাৰ প্ৰথম দুদিন মুখ্যমন্ত্ৰীৰ ৰাজ্যত অনুপস্থিতিয়েও অৱস্থা শোচনীয় কৰি তুলিলে। ৮ জুনৰ দিনা দিল্লীত থকা মুখ্যমন্ত্ৰী বিশেষ প্লেন যোগে (আগদিনা বতৰ বেয়া থকাৰ ফলত প্লেন চলা নাছিল) আহি পালে। দুদিন ধৰি ত্ৰিপুৰাৰ শাসনযন্ত্ৰ সম্পূৰ্ণ বিফল হৈ পৰিছিল। মুখ্যমন্ত্ৰীয়ে অতি অহোপুৰুষাৰ্থ কৰি লাহে লাহে অৱস্থা আয়ত্বাধীন কৰি আনিলে।

গভীৰ ষড়যন্ত্ৰ

ত্ৰিপুৰা চৰকাৰে ১২ জুলাইৰ দিনা 'Violence in Tripura' নামৰ যিখন প্ৰচাৰ পুস্তিকা উলিয়াইছিল তাত লেম্বুছেৰাৰ ঘটনাটো কেন্দ্ৰ কৰিয়ে পৰবৰ্তীকালত আনবোৰ সন্ত্ৰাসমূলক ঘটনা ঘটা বুলি লেখিছিল, অৰ্থাৎ উপজাতি সকলেই প্ৰথম সংঘৰ্ষ আৰম্ভ কৰিলে বুলি ভাবিছিল। কিন্তু লাহে লাহে সকলো কথা পোহৰলৈ আহিব ধৰাত চৰকাৰে গম পালে যে অতি ৰহস্যজনকভাৱে ৬ জুনৰ দিনা আগৰতলাৰ পৰা ৭ কিঃ মিঃ দূৰৰ লেম্বুছেৰাত উপজাতিয়ে বঙালীক হত্যা কৰাৰ সময়তে বহুত দূৰৈৰ ঠাই অমৰপুৰত ১২ জন উপজাতি যুৱকক হত্যা কৰা হৈছিল। এই ঘটনাটোৱে এটা কথা প্ৰমাণ কৰে যে লেম্বুছেৰাত বঙালীক হত্যা কৰাৰ খবৰ পোৱাৰ আগতেই তাত উপজাতিক হত্যা কৰা কাম আৰম্ভ হৈ গৈছিল। অৰ্থাৎ ইটো ঘটনাৰ প্ৰতিক্ৰিয়াৰ ফল সিটো নহয়। উপজাতিক হত্যা কৰাই তেওঁলোকক উত্তেজিত কৰা আৰু বঙালীক হত্যা কৰাই তেওঁলোককো সমানে উত্তেজিত কৰি দুই জাতি-উপজাতিৰ মাজত সংঘৰ্ষ সৃষ্টি কৰি ৰাজ্যখনৰ আইন শৃংখলা সম্পূৰ্ণৰূপে ধ্বংস কৰাটো কোনোবা চক্ৰৰ যে গভীৰ আৰু গুপুত ষড়যন্ত্ৰৰ ফল সি লাহে লাহে দিবালোকৰ দৰে স্পষ্ট হৈ ওলাইছিল। ১১ জুনৰ সাংবাদিক মেলত মুখ্যমন্ত্ৰীয়ে জনাইছিল যে এই সংঘৰ্ষক কেৱল জাতি-উপজাতিৰ সাম্প্ৰদায়িক সংঘৰ্ষ বুলি কৈ থলেই নহ'ব, যে মাহত উপ-জাতি যুব সমিতিৰ চৰমপন্থী দলৰ পৰা হস্তগত হোৱা কাগজ পত্ৰই স্পষ্ট প্ৰমাণ কৰিছে যে এওঁলোকৰ বিদেশী শক্তিৰ লগত পোনপটীয়া যোগাযোগ আছে; মেঘালয়ৰ সৰ্বদলীয় পাৰ্বত্য সম্মিলনৰ লগত যোগা-যোগ থকাৰো স্পষ্ট প্ৰমাণ ওলাল।

'স্বাধীন ত্ৰিপুৰা' আৰু 'বাঙ্গালীস্থান'

ত্ৰিপুৰা উপজাতি যুব সমিতিয়ে যেনেকৈ 'স্বাধীন ত্ৰিপুৰা'ৰ দাবী কৰিছে, এচাম ত্ৰিপুৰী উগ্ৰপন্থী বঙালীয়ে তেনেকৈ 'বাঙ্গালীস্থানবো'

দাবী কৰিছে। এই দুই বিচ্ছিন্নতাবাদী শক্তিৰ নাস্ত স্বাৰ্থৰ নীচ ষড়যন্ত্ৰৰ চিকাৰ হৈয়ে ত্ৰিপুৰাৰ সবল আৰু অল্প জাতি আৰু উপ-জাতি লোকসকলে এই দুই দলৰ ভ্ৰাতৃঘাতি সংঘৰ্ষত যোগ দি নিজ নিজ জীৱনলৈ চৰম বিপৰ্যয় মাতি আনিলে। কিন্তু ত্ৰিপুৰাত কেৱল যুক্তফ্ৰণ্ট চৰকাৰেই নহয়, অন্যান্য অনেক শুভবুদ্ধিসম্পন্ন গণতান্ত্ৰিক আৰু প্ৰগতিশীল মনৰ লোকেও সাম্প্ৰদায়িকতাৰ বিষবাষ্প দূৰ কৰিবলৈ প্ৰাণ তুচ্ছ কৰিও আগবাঢ়ি আহিল, যাৰ ফলত চি. পি. এম. দলৰ আৰু অন্যান্য বহুতো জাতি-উপজাতিৰ গণতান্ত্ৰিক লোকে সংঘৰ্ষ বন্ধ কৰিবলৈ গৈ প্ৰাণ হেৰুৱালে। একজন চি. পি. এম. এম. এল. এৰ পৰি-য়ালৰ আঠাইকেজন মানুহেই মৰিল। ত্ৰিপুৰাৰ এনে অন্ধকাৰাচ্ছন্ন অৱস্থাতে ২৩ জুলাই তাৰিখে 'আগামী' নামৰ যিখন প্ৰগতিশীল সাপ্তাহিকৰ জন্ম হ'ল তাৰ কোমল বয়সীয়া সম্পাদিকা শ্ৰীমতী ফুলন ভট্টাচাৰ্যই 'মুক্ত বায়ুৰ সপক্ষে' নামৰ সম্পাদকীয়ত ত্ৰিপুৰাৰ সকলোবোৰ প্ৰতিক্ৰিয়াশীল, বিভেদকামী বাতৰি কাকতৰ বিৰুদ্ধে নিজৰ ঘৃণা প্ৰকাশ কৰিলে আৰু স্তম্ভৰ এই কেইটা বাক্যৰে—"সাপ্তাহিক আগামীয়ে আত্মপ্ৰকাশ কৰিলে এনে এক সময়ত যেতিয়া ত্ৰিপুৰাৰ অধিকাংশ সৰু, বৰ, মজলীয়া পত্ৰিকাবোৰে ৰাজ্যৰ আবহমান কালৰ সাম্প্ৰদায়িক সম্প্ৰীতি, সুস্থ জীৱন বোধৰ গৌৰৱক ভূলুণ্ঠিত কৰাৰ ক্ৰুৰ অভিপ্ৰায়ত নজৰুৱা সাংবাদিকতাৰ পদাংক অনুসৰণ কৰি নৰমেধ যজ্ঞৰ কাপালিকৰ ভূমিকাত অৱতীৰ্ণ। অস্ত্ৰ ধৰোৱাৰ স্বকীয় কৃতকৰ্মৰ চমৎ-কাৰিত্বত এওঁলোক স্বঘোষিত গৌৰৱৰ আনন্দত আত্মহাৰা। স্বজন-হাৰা, সৰ্বহাৰা, বিপৰ্যস্ত দুঃখী মানুহৰ দুঃখক সম্বল কৰি এওঁলোকে নিজৰ কতোৰাৰ ক্ৰমস্ফীত চেহেৰা দেখি আনন্দত চতুষ্পায়ী পশুসকলৰ দৰেই ওলোটা খৰ মাৰিছে।" সম্পাদিকাই সেই সম্পাদকীয়তে নিজৰ নীতি ঘোষণা কৰি লেখিলে—"আগামীয়ে তাৰ পাঠককুলৰ ওচৰত এই অঙ্গীকাৰ কৰিছে, সৎ আৰু নিৰ্ভীক সাংবাদিকতাৰ এক নতুন বাৰ্তা সি বহন কৰি আনিব। যি বাৰ্তাই মানুহক সংকীৰ্ণ

জাত্যাভিমান, অন্ধ উন্মত্ততা, ধৰ্ম-বৰ্ণ জাতিভেদ প্ৰথাৰ বন্ধ পিতনিৰ পৰা উত্তৰণৰ পথ দেখুৱাব ।"

দ্বিতীয় সংখ্যাত "আগামী"য়ে 'ভিন্ন শ্লোগান লক্ষ্য অভিন্ন' নামৰ সম্পাদকীয়ত 'স্বাধীন ত্ৰিপুৰা' আৰু 'বাঙ্গালী স্থান'ৰ নেতাসকলক কলমৰ তীব্ৰ খোচ মাৰি লিখিলে "সাম্প্ৰতিক ভয়াবহ পৰিস্থিতিৰ বহুত আগৰে পৰাই 'স্বাধীন ত্ৰিপুৰা' আৰু 'বাঙ্গালীস্থান' এই দুটা শব্দৰ লগত ত্ৰিপুৰাবাসী মাত্ৰেই সম্যক পৰিচিত ।

'স্বাধীন ত্ৰিপুৰা' শ্লোগানৰ উদ্গাতাসকলে ত্ৰিপুৰাক কেৱল মাত্ৰ আদিবাসী জনগোষ্ঠীৰ বাসযোগ্য কৰি তোলাৰ অঙ্গীকাৰত আৰু অ-অদিবাসীসকলক বিতাৰণৰ সংকল্পত অটল । ভাৰতবৰ্ষৰ লগত সংযুক্তি স্থাপনৰ আগৰে পৰাই অৰ্থাৎ ৰাজশোষণৰ বিৰুদ্ধে আৰু স্বাধীনতাৰ পৰবৰ্তী অধ্যায়ত সামন্ততান্ত্ৰিক শোষণৰ বিৰুদ্ধে ত্ৰিপুৰাৰ আদিবাসী জনগোষ্ঠীৰ ঐতিহ্যময় সংগ্ৰামত এওঁলোকৰ অনুপস্থিতি আৰু উদাসীনতা সৰ্বজনবিদিত । যোৱা ৩০ বছৰ কংগ্ৰেছী শাসনত যেতিয়া আদিবাসী-সকলৰ অস্তিত্ব ৰক্ষাৰ সংকট ঘনীভূত, তেতিয়াও দেখা গৈছে তৎকালীন শাসকগোষ্ঠীৰ বিৰুদ্ধে 'উপজাতি যুব সমিতি'ৰ আন্দোলন বিমুখতা । আনহাতে যিসকলে আদিবাসী আৰু অ-আদিবাসী উভয় সম্প্ৰদায়ৰ দৰিদ্ৰ আধিয়াৰ আৰু জুম খেতিৰ খেতিয়কৰ স্বাৰ্থক এক আৰু অভিন্ন আখ্যা দি সামন্ততান্ত্ৰিক শোষণ, মহাজন দালালসকলৰ উৎপীড়নৰ বিৰুদ্ধে নিৰলস সংগ্ৰাম চলাই গৈছে, সেইসকলৰ বিৰুদ্ধে উপজাতি যুব সমিতিয়ে বিদ্ৰোহ ঘোষণা কৰিছিল ।

খুব সম্প্ৰতি ৰাজ্যত বামফ্ৰণ্ট চৰকাৰ ক্ষমতালৈ অহাৰ পিছত আমি 'বাঙালীস্থান' শ্লোগানৰ লগত পৰিচিত হৈছোঁ । এওঁলোকে পশ্চিমবংগ, কাছাড়, ত্ৰিপুৰা, বিহাৰ আৰু উৰিষ্যাৰ কিয়দংশ আৰু আন্দামানকো যোগ কৰি 'বাঙালীস্থান'ৰ দাবী তুলিছে ! তেওঁলোকে 'বাঙালী'ৰ দুখকষ্ট চকুৰ আগত ৰাখিয়ে এনে দাবী কথা বুলি কয় । যোৱা বছৰ যেতিয়া পশ্চিম বংগত এই শক্তিকাৰ ভয়ংকৰতম বানপানীত

লক্ষ লক্ষ মানুহ অবৰ্ণনীয় দুখ কষ্টৰ সম্মুখীন হৈছিল, তেতিয়া কিন্তু এওঁলোকক ত্ৰাণৰ কামত কোনেও দেখা পোৱা নাছিল। জৰুৰী অৱস্থাত যেতিয়া বাঙালী শাসককুলৰ হাতত্তেই ত্ৰিপুৰা আৰু পশ্চিম বংগৰ শ্ৰমজীৱী দৰিদ্ৰ মানুহৰ জীৱন আৰু জীৱিকা বিপন্ন, তেতিয়াও এওঁলোক গেৰুৱা কৌপিনৰ আঁৰত ধ্যানমগ্ন, জাগতিক সুখদুখৰ ধৰা-ছোঁৱাৰ বাহিৰত। ত্ৰিপুৰাৰ কেইবা লাখ ভূমিহীন কৃষক আৰু আধিয়াৰ যেতিয়া অবৰ্ণনীয় দুখ কষ্টৰ সন্মুখীন, যোৱা ত্ৰিশ বছৰৰ কংগ্ৰেছী শাসনত বেকাৰ সমস্যা আৰু শ্ৰমিক শোষণৰ বিৰুদ্ধে যেতিয়া উত্তাল গণবিক্ষোভ, তেতিয়া 'আমৰা বাঙালী' বাবুসকলৰ আজিৰ দৰে ব্যাঘ্ৰসদৃশ 'বাঙালীস্থান'ৰ ধ্বনি মাৰ্জাৰৰ দৰে ক্ষীণ কণ্ঠতো কোনো জনপদবাসীয়ে শুনা নাছিল।'

এই সম্পাদকীয়ত মিছনাৰী আৰু আনন্দমাৰ্গীসকলৰো সমা-লোচনা কৰা হৈছিল। যেনে 'জান্তৱ চীৎকাৰেৰে যীচু আৰু 'আনন্দবাবা'ৰ ভক্তসকলে জান্তৱ জিঘাংসাত বিদেশী অৰ্থৰ কড়ি গণনা কৰে...'

'আগামী'ৰ নানা ধৰণৰ উদ্ধৃতি দিয়াৰ উদ্দেশ্য হ'ল এয়ে যে ত্ৰিপুৰা, অসম বা পূৰ্বাঞ্চলৰ আন দুই এখন অশান্ত ৰাজ্যত আজি যি বিচ্ছিন্নতাবাদী শক্তিবোৰে মূৰ দাঙি উঠি এক গভীৰ ভাৰত-বিৰোধী ষড়যন্ত্ৰত লিপ্ত হৈছে, বাতৰি কাকতবোৰৰ বেছিভাগেই আজি যি ধিক্কাৰজনক ভূমিকা লৈছে, এই সকলোবোৰৰে যে উৎসভূমি একেটাই তাক প্ৰকট কৰি দেখুৱাটো।

প্ৰথম সংখ্যাত মাত্ৰ তেৰশখন কাকত ছপোৱা 'আগামী'য়ে আজি মাত্ৰ কেইমাহমানৰ ভিতৰতে চাৰে সাত হাজাৰ গ্ৰাহকৰ মুখ দেখা কথাটোৱে (যি ৰাজ্যৰ জনসংখ্যা মাথো ১৮ লাখ) এই শুভ লক্ষণেৰে সূচনা কৰিছে যে আমাৰ উগ্ৰ জাতীয়তাবাদী বৃহৎ সংখ্যাগোষ্ঠীৰ মাজতো অজস্ৰ প্ৰগতিশীল আৰু গণতান্ত্ৰিক লোকে সকলো অত্যাচাৰ আৰু ভয় প্ৰদৰ্শনৰ মাজতো অচল অটল হৈ আছে।

সি যি কি নহওক, ওপৰৰ আলোচনাবোৰৰ পৰা এই কথা স্পষ্টভাবে প্ৰতীয়মান হৈছে যে ত্ৰিপুৰাত যি ভাতৃঘাটী সংঘৰ্ষ হৈ গ'ল তাৰ পিছত আছে বিদেশী শক্তিৰ চক্ৰান্ত আৰু তাত উজান দিয়া দুই উগ্ৰ জাতীয়তাবাদী দল 'উপজাতি যুব সমিতি' আৰু 'আমৰা বাঙালী'। ক্ৰমে-ক্ৰমে আৰু নানা ধৰণৰ ষড়যন্ত্ৰ বাহিৰলৈ আহিল যাৰ দ্বাৰা দেখা গ'ল যে ত্ৰিপুৰাৰ প্ৰশাসনৰ বাঙালী আমোলাতন্ত্ৰ আৰু বাঙালী পুলিচো প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে এই দানবীয় সংঘৰ্ষত লিপ্ত আছিল।

মুখ্যমন্ত্ৰী শ্ৰীনৃপেন চক্ৰবৰ্তীয়ে দুই বিপৰীতমুখী অভিযোগ শুনিব লগা হৈছে. উপজাতিসকলৰ প্ৰতি তেওঁৰ মৰম সীমা ছেৰাই যোৱা বাবে বোলে এনে হ'ল। আকৌ এতিয়া এই অভিযোগ কৰা হৈছে যে তেওঁ বৰ্তমান উপজাতিসকলক দুৰ্ব্যৱহাৰ কৰিছে। অৱশ্যে লগে লগে বাঙালীস্থানৰ পাণ্ডাসকলে এই কথাও প্ৰচাৰ কৰি আছে যে তেওঁ ইতাৰ অভিযোগত অভিযুক্ত উপজাতি সকলকো মাত্ৰাধীক দয়া দেখুৱাইছে। সেই মুখ্যমন্ত্ৰীক লগ পাই এই কথাবোৰ সুধিছিলোঁ:

মুখ্যমন্ত্ৰীৰ লগত এখন্তেক

ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰী শ্ৰীনৃপেন চক্ৰবৰ্তীৰ লগত হোৱা কথাবতৰাৰ অৱতাৰণা কৰাৰ আগতে ত্ৰিপুৰা ৰাজ্যত ঘটা ভয়ংকৰ ঘটনাৱলীৰ প্ৰসংগত এটা তাৎপৰ্যপূৰ্ণ তথ্যৰ কথা কৈ সেই বিষয়ে মোখনি মাৰিম।

ত্ৰিপুৰাত মুঠতে পাঁচ দিন এই ভয়ংকৰ সংঘৰ্ষ চলিছিল। কিন্তু আচৰিত কথা যে য'ত উপজাতি বসতি অতি ঘন সেই উত্তৰৰ জিলাই প্ৰায় শান্ত হৈ আছিল, সংঘৰ্ষ ঘাইকৈ পশ্চিম ত্ৰিপুৰা আৰু দক্ষিণ ত্ৰিপুৰাৰ চাৰিখন ছাব-ডিভিজনতে সীমাবদ্ধ আছিল। আৰু এটা তাৎপৰ্যপূৰ্ণ কথা এই যে ত্ৰিশ-ছত্ৰিছৰ ওপৰৰ বয়সৰ খুব কম উপজাতিয়ে এই সংঘৰ্ষত লিপ্ত আছিল, তৰুণ-তৰুণী উপজাতিয়েহে ঘাইকৈ এই সন্ত্ৰাসবাদ চলাইছিল।

এইবাৰ নিৰ্দিষ্ট প্ৰসংগলৈ অহা যাওক। আঢ়ৈ বছৰৰ আগতে ত্ৰিপুৰাৰ বিধান সভাৰ নিৰ্বাচনৰ আগে আগে নিৰ্বাচনী প্ৰচাৰ অভিযান সম্পৰ্কে ষ্টেটছমেন কাকতত ওলোৱা ৰিপোৰ্ট এটা পঢ়িছিলোঁ। তাত সংবাদদাতা গৰাকীয়ে প্ৰায় তেসত্তৰ বছৰীয়া নেতা শ্ৰীনৃপেন চক্ৰবৰ্তীৰ কথা এই বুলি লিখিছিল যে এই বৃদ্ধ মানুহজনে ত্ৰিপুৰাৰ মিজোৰাম সীমান্তবৰ্তী এলেকাৰ এনে অটবা অৰণ্য আৰু পাহাৰ সংকুল ঠাইলৈকো গৈছে য'লৈ ডেকা মানুহো যাবলৈ সাহ নকৰে। তেওঁক দেখি অৰণ্য বেষ্টিত গাওঁৰ পৰা মিজো বৃদ্ধ এজন ৰঙা পতাকা জোকাৰি ওলাই আহি তেওঁৰ পুৰণি দিনৰ কমৰেডক আদৰণি জনাইছিলহি।

ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰীজনা পশ্চিম বঙ্গৰ লোক, কম্যুনিষ্ট পাৰ্টিৰ সংগঠন কৰিবলৈকে তেওঁ ত্ৰিপুৰালৈ আহিছিল আৰু যোৱা পঁচিশ বছৰ জুৰি ত্ৰিপুৰাৰ গাঁৱে-ভূঞে কাম কৰি তাৰ দৰিদ্ৰ জনগণৰ প্ৰকৃত কমৰেড হৈ পৰিছে।

ছেমিনাৰৰ দ্বিতীয় দিনাখন ৰবীন্দ্ৰ ভৱনৰ গ্ৰীণৰুমৰ ওচৰৰ এটা কোঠালীলৈ উদ্যোক্তা সকলক চাহ খাবলৈ মাতি অনাৰ সময়তে মই প্ৰথম বাৰৰ বাবে শ্ৰীনৃপেন চক্ৰবৰ্তীৰ লগত কথা বতৰা হ'বলৈ সুবিধা পাওঁ। প্ৰথম দিনা মাত্ৰ সেই মৌখিক চিনাকি হৈছিল। কোঠালীত তেওঁ ও শিক্ষামন্ত্ৰী দশৰথ দেৱ, সাংবাদিক ৰণজিৎ ৰায় আৰু এম, পি, সমৰ মুখাৰ্জীৰ লগত বহি চাহ খাই আছিল। মোৰ কুশল সংবাদ লোৱাৰ পাছত শ্ৰীচক্ৰবৰ্তীয়ে উত্তৰ কামৰূপত মোৰ কি অভিজ্ঞতা হৈছিল জানিব বিচাৰিলে। মই সবিশেষকৈ শেষত অলপ হাঁহি ক'লোঁ- "মোৰ অৱস্থাটো হ'ল টলষ্টয়ৰ 'তীৰ্থযাত্ৰীৰ সাধু" নামৰ গল্পটোৰ তীৰ্থ কৰিবলৈ যোৱা বুঢ়া দুজনৰ এজনৰ দৰে। সেইজনে বাটৰ দাঁতিৰ মানুহ ঘৰত পানী খাবলৈহে সোমাইছিল। কিন্তু তাৰ পৰা আৰু ওলাবই নোৱাৰিলে, তীৰ্থলৈ যোৱা ক'ৰবাত থাকিল—যদিও মৰণাপন্ন মানুহ জনক সহায়

কৰি প্ৰকৃত অৰ্থত তেওঁ আচল তীৰ্থলৈ যোৱাৰ পুণ্য লাভ কৰিলে। ময়ো উত্তৰ কামৰূপলৈ গৈছিলোঁ। মিলিটাৰীয়ে অসমীয়া তিৰোতাৰ ওপৰত কৰা অত্যাচাৰৰ বুজ ল'বলৈ, কিন্তু বাটৰ দাঁতিৰ সেই আশ্ৰয় শিবিৰবোৰতে মোৰ গতি ৰুদ্ধ হৈ থাকিল য'ত গম পালোঁ যে মিলিটাৰীয়ে অত্যাচাৰ কৰাৰ আগতেই তাত আশ্ৰয় লোৱা ন-অসমীয়া মানুহবোৰৰ ওপৰত মিলিটাৰীয়ে নহয় স্থানীয় লোকেই ভয়ংকৰ ধৰণে অত্যাচাৰ কৰিলে, ঘৰত জুই লগালে, নৰনাৰী শিশু নিৰ্বিচাৰে হত্যা কৰিলে—'।

নৃপেন চক্ৰবৰ্তীয়ে মোৰ কথাৰ মূৰত ত্ৰিপুৰাত সংঘটিত হোৱা ভয়ংকৰ হত্যাকাণ্ডৰ কথা ক'লে, এটা ঘৰৰ পৰিয়ালৰ ১৮ জনৰ ১৭ জনেই মৰি থকা অৱস্থাত তেওঁ নিজে দেখাৰ বৰ্ণনা কৰিলে, ভিতৰুৱা অঞ্চললৈ গৈ বঙালী ডাক্তৰসকলে আহত উপজাতিসকলক ভয়তে চিকিৎসা কৰিবলৈ যাবলৈ যে খোজা নাছিল আদি নানা অসুবিধাৰ কথা ক'লে যিবোৰে ত্ৰিপুৰাত স্বাভাৱিক অৱস্থা ঘূৰাই অনা বিষয়ত বিভিন্ন প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিছিল। তাৰপাচত তেওঁ অলপ হাঁহি কৈছিল- "আপুনি কোৱাৰ দৰে মোৰো সেই তীৰ্থযাত্ৰীজনৰ অৱস্থাই হ'ল, পঁচিশ বছৰৰ আগতে যে দলীয় সংগঠনৰ কামত ত্ৰিপুৰালৈ আহিলোঁ তাৰ পাছত আৰু ইয়াৰ পৰা ওলাবই নোৱাৰা হ'লোঁ... "

ইয়াৰ পাচত অসমৰ কথা ওলাল। তেওঁ ক'লে 'এখেত ৰণজিৎ ৰায়ে আজি অসমৰ জনগণৰ বিক্ষোভৰ কথা যেনেকৈ ক'লে, ময়ো সকলোকে তেনেকৈ কওঁ। ন তো প্ৰাকৃতিক সম্পদৰে ভৰপূৰ অসমৰ এনে দুৰৱস্থাত আপোনালোক বিদ্ৰোহী হ'বই। এবাৰ মুখ্যমন্ত্ৰী হৈ থকা শৰৎ সিংহইয়ো মোৰ আগত দুখ প্ৰকাশ কৰিছিল যে বনজ, খনিজ আদি সকলো সম্পদত চহকী হৈয়ো অসম অৰ্থনৈতিক ভাৱে ইমান অনগ্ৰসৰ হৈ আছে। মই উত্তৰত তেওঁক কৈছিলোঁ যে আপুনিতো আত্মসমালোচনা কৰিছে, আপোনালোকৰ ত্ৰিশ বছৰীয়া কংগ্ৰেছী শাসনৰ বাবেইতো আজি অসমৰ এই দুৰাৱস্থা..."

শ্ৰীনৃপেন চক্ৰবৰ্তীক দ্বিতীয়বাৰ লগ পাওঁ এখন চাহমেলত। দুদিনীয়া ছেমিনাৰ শেষ হোৱাৰ দিনা সন্ধিয়া ত্ৰিপুৰা বিধান সভাৰ অধ্যক্ষ শ্ৰীসুধন্য দেববৰ্মানে পশ্চিম বঙ্গৰ অধ্যক্ষ চৈয়দ আবুল মনছুৰ হবিবুল্লাহৰ সম্মানৰ অৰ্থে বিধান সভাৰ হলত যিখন চাহমেলৰ আয়োজন কৰিছিল তাত মোক শ্ৰীচক্ৰবৰ্তীৰ ওচৰতে বহুৱাইছিল। তেওঁ মোৰ লগত ভদ্ৰতাসূচক দুই এটা কথা কোৱাৰ পাছত সন্মুখৰ শাৰিত অলপ দূৰৈত বহি থকা ডেকা এজনৰ লগত আমাক চিনাকি কৰি দিলে বিধান সভাৰ বিৰোধী দলৰ নেতা শ্ৰীদ্ৰাউকুমাৰ ৰিয়াং বুলি আৰু তাৰ পিছতেই তেওঁ শ্ৰীৰিয়াংক সুধিব ধৰিলে মহিলাসকলক থকা মেলাকে আদি কৰি সা-সুবিধা কৰি দিয়া হৈছে নে নাই। আমাৰ প্ৰশ্নৰ উত্তৰত শ্ৰীচক্ৰবৰ্তীয়ে জনালে যে শ্ৰীৰিয়াং বৰ্ত্তমান জামিনত আছে (উপজাতি যুব সমিতিৰ নেতা হিচাপে তেওঁক গ্ৰেপ্তাৰ কৰা হৈছিল) আৰু ওপৰত উল্লেখিত মহিলাসকল হ'ল উপজাতিৰ, জেলত থকা আত্মীয় স্বজনক চাবলৈ আহিছে ; ত্ৰিপুৰাৰ নানা ভিতৰুৱা অঞ্চলৰপৰা বহুত দুখ কষ্ট কৰি অহা এই উপজাতি মহিলাসকলৰ কাৰ কাৰ কোন আত্মীয় স্বজন ক'ৰ জেলত আছে একোকে নাজানে, গতিকে এওঁলোকৰ থকা মেলাকে আদি কৰি এইবোৰ খা-খবৰ কৰি দিয়া আদি নানা বন্দৱস্ত কৰিবলগা হৈছে। বৰ্ত্তমান জেলত ৫০০ মান উপজাতিৰ বন্দী আছে, আগতে ২৫০০ মান আছিল কিন্তু বিভিন্ন জেৰা আদি কৰাৰ পাচত ১০০০ মানক মুকলি কৰি দিয়া হৈছে। মুখ্যমন্ত্ৰীয়ে জনালে যে আৰু ২৫০ জনমানক বোধহয় মুকলি কৰি দিয়া হব। এই সুযোগতে মই তেওঁক ক'লোঁ অসমৰ এখন বাতৰি কাকতে লেখিছে মুখ্যমন্ত্ৰীৰ উপজাতি প্ৰীতি সীমা ছেৰাই গৈছে বাবেই তেওঁলোকে লাই পাই এনে সংঘৰ্ষত নামিলে আৰু আন দুই এক বাতৰি কাকতে লিখিছে ত্ৰিপুৰাত উপজাতিসকল অতি বেচি শোষিত। উত্তৰত শ্ৰীচক্ৰবৰ্ত্তীয়ে ক'লে যে তেওঁক নিজ ৰাজ্যতে নৃপেন জামাতিয়া বুলি কোনো কোনোৱে (আমৰা বাঙ্গালী, আই কংগ্ৰেছ) পোষ্টাৰ পৰ্য্যন্ত

মাৰিছে। কিন্তু অতবছৰে ত্ৰিপুৰাৰ উপজাতিসকল সকলো ধৰণে শোষিত হৈ আহিছে, গতিকে তেওঁৰ সেইসকলৰ প্ৰতি সহানুভূতি গভীৰ। এই উপজাতিৰ লোকসকলক ক্ৰমে ঠেলি নি নি ভিতৰুৱা অঞ্চললৈ পঠিয়াই দিয়া হৈছে, গতিকে এওঁলোকৰ হকে তেওঁ মাত মাতিবই। এতিয়া তেওঁ নতুন ধৰণৰ সমালোচনাৰ সন্মুখীন হৈছে· সংঘৰ্ষৰ পাচত যিসকল উপজাতি পাহাৰ, জঙ্গলত পলাই আছে গৈ, তেওঁলোকক খাদ্য বস্তু নপঠালে অনাহাৰত মৰিব, গতিকে মিলিটাৰীৰ হতুৱাই (-সংঘৰ্ষৰ পাচত পলাই যোৱা উপজাতিসকলে বঙালী পুলিছক আৰু বিশ্বাস নকৰা হৈছে, মিলিটাৰীকে তেওঁলোকে আটাইতকৈ বেছি বিশ্বাস কৰে) ট্ৰাকত সেই ভিতৰুৱা অঞ্চললৈ খাদ্য বস্তু যোগান ধৰা হৈছে। কিন্তু তাৰবাবে তেওঁক সমালোচনা কৰা হৈছে এই বুলি যে তেওঁ হত্যাকাৰী উপজাতিসকলক সহায় কৰিছে। মুখ্যমন্ত্ৰীয়ে ক'লে সংঘৰ্ষৰ পিছত বঙালীসকল গাওঁভূইৰপৰা ওলাই আহি চহৰ-নগৰত আশ্ৰয় লৈছে· আনহাতে উপজাতিসকল আৰু বেচি ভিতৰুৱা অঞ্চললৈ গুচি গৈছে কাৰণ নগৰত তেওঁলোকৰ আশ্ৰয়স্থল নাই। এতিয়া যদি সেই মানুহবোৰলৈ সহায় সাহায্য পঠোৱা নহয় তেওঁলোক অনাহাৰত মৰিব ; সেইসকলৰ মাজত হত্যাকাৰীও নিশ্চয় আছে, কিন্তু হত্যাকাৰীৰ লগতে নিৰপৰাধী লোকসকলকো অনাহাৰত মাৰিব নোৱাৰি।

অলপ দকৈ ভাবি চালেই ত্ৰিপুৰাত নৃপেন চক্ৰবৰ্তী আৰু তেওঁৰ দলৰ আত্মকালৰ কথা বুজিব পাৰি। যিখন ৰাজ্যৰ শতকৰা ৭১ ভাগেই বঙালী তেওঁলোকক অসন্তুষ্ট কৰিবলৈ গ'লেও তেওঁলোকৰ নচলে, এই বঙালীসকলৰ দুশ্চিন্তা হ'ল যে এবাৰ তেওঁলোক পাকিস্তানৰ-পৰা শৰণাৰ্থী হৈ অহাত অশেষ দুখকষ্ট ভুগিলেই এতিয়া ত্ৰিপুৰাৰ-পৰা বিদেশী বহিষ্কাৰৰ নামত দ্বিতীয়বাৰ তেওঁলোক আশ্ৰয়হীন হ'ব লাগিব নেকি ? এই দুশ্চিন্তাকে মূলধন কৰি ত্ৰিপুৰাত আমৰা বাঙালী আৰু ইন্দিৰা কংগ্ৰেছ দলে বঙালীৰ স্বাৰ্থ চিন্তা কৰাৰ নামত চি,পি,এম,ৰ

বিৰুদ্ধে লাগিছে। ত্রিপুৰাৰ উপজাতিসকলক যি ভূমি হস্তান্তৰ কৰিবলৈ লোৱা হৈছে তাত বঙালীসকল ক্ষুব্ধ, আনহাতে সেই ভূমি যথেষ্ট নহয় বুলিও তেনো উপজাতিসকল বৰ সন্তুষ্ট নহয়। চি.পি.এম. চৰকাৰে অকল উপজাতিৰ মাজতে নহয়, বঙালীৰ মাজতো সংগঠন বঢ়াব লাগিব। ত্রিপুৰাত কোনো উদ্যোগ নাই যাৰে শ্রমিক সংগঠন কৰাও সম্ভৱ নহয়, ৰেলও নাই যে ৰেলৰে শ্রমিকৰ মাজতে সংগঠন কৰিব। গতিকে ত্রিপুৰাত চৰকাৰী কৰ্মচাৰী (বঙালী) আৰু শিক্ষক-সকলৰ মাজতে চি.পি.এমে নিজৰ কেদাৰ সীমাবদ্ধ কৰি ৰখাৰ দৰে কাম এটা কৰিব লগা হৈছে। সেইবাবে কোনোৱে এই কথা কোৱাৰ প্ৰয়াস পাইছে যে নৃপেন চক্রবর্তীয়ে আচলতে বঙালীৰে স্বাৰ্থ চিন্তা কৰিছে।

সি যি কি নহওক, এইবোৰ হ'ল ৰাজনীতিৰ মেৰপাক ভৰা জটিল কথা, জনা আৰু দেখা কথাৰ মাজেৰে মোৰ নিখিনি অভিজ্ঞতা হ'ল মই কেবল তাকেই বৰ্ণাবলৈ ওলাইছো।

মই গুৱাহাটীলৈ উভতিবৰ দিনা ৰাতিপুৱা শ্রীনৃপেন চক্রবর্তীয়ে কেন্দ্রীয় বিত্তমন্ত্রী ভেঙ্কতৰমনক আদৰিবলৈ যোৱাৰ পথত ছাৰ্কিট হাউছত সোমাই মোক বিদায় জনায় গৈছিল। আগদিনা মান্দাই চাই অহাৰ অভিজ্ঞতাৰে মই কলোঁ যে ৰাতি ভালকৈ শুবই নোৱাৰিলোঁ, কেৱল সেই কাহিনীবোৰ মোৰ মনৰ চকুত ভাহি থাকিল। মৃত দেহবোৰৰ মাটিৰ ওপৰত গজি উঠা ঘাঁহবোৰৰ কথা কৈ কাৰ্ল চেণ্ডবাৰ্গৰ কবিতা 'Grass' অৰ কথা মনত পেলোৱাত শ্রীচক্রবর্তীদেৱে বৰ ভাল পালে আৰু ক'লে -ঘাঁহ কত ধৰণে অৰ্থবহ—ই অতি কোমল, অতি সুন্দৰ বৰণ তাৰ, বৰফ পৰিলে তাত লাগি ধৰে, নিয়ঁৰ পৰিলে লাগি ধৰে।

সেই সময়ত ত্রিপুৰা উপজাতি যুৱ সমিতিৰ আহ্বানত অনশন ধৰ্মঘট চলি আছিল, ত্রিপুৰাৰ দৈনিক কাকতত সেইদিনা সেই খবৰ পঢ়িলোঁ, লগতে এই খবৰো পঢ়িলোঁ - উপজাতিৰ লোকসকলে তাত

খুব কম সহাঁৰি দিছে। মুখ্যমন্ত্ৰীৰ আগত সেই প্ৰসঙ্গ উত্থাপন কৰোঁতে, তেওঁ আৰু ক'লে অনশনত যোগ দিবলৈ খুব কম উপজাতিৰ লোকেই গৈছে। ত্ৰিপুৰা উপজাতি যুব সমিতিয়ে ত্ৰিপুৰাৰ উপজাতি জনসাধাৰণক প্ৰতিনিধিত্ব নকৰে। মাজতে কেৱল বিদেশী আৰু ৰাজ-নৈতিক ষড়যন্ত্ৰৰ ন্যস্ত স্বাৰ্থৰ চিকাৰ হৈ ত্ৰিপুৰাত অতদিনে শান্তিৰে বাস কৰি অহা জাতি আৰু উপজাতিয়ে পৰস্পৰৰ লগত সংঘৰ্ষ লগাই নিজৰেই অশেষ ক্ষতি সাধন কৰিলে।

শ্ৰীনৃপেন চক্ৰবৰ্তী মোৰ পৰা বিদায় লৈ যোৱাৰ অলপ পিছত ময়ো গুৱাহাটীলৈ উভতি অহাৰ আয়োজন কৰিছিলোঁ আৰু মনতে ভাবিছিলোঁ পাৰ্টিৰ বাবে জীৱন উছৰ্গা কৰি দেহেকেহে জনগণৰ মঙ্গলৰ কামত লাগি থকা এই চিৰকুমাৰ বৃদ্ধজনৰ কি ছবি মনত কঢ়িয়াই আনিম বাৰু?

তেতিয়াই মনত পৰিছিল মান্দাইৰ পৰা গুভতাৰ সময়ৰ সৰু ঘটনাটোলৈ। আগদিনা আমাৰ নানা প্ৰগ্ৰেম। গতিকে মান্দাইৰ পৰা তীব্ৰবেগী গাড়ীত উভতি আহিছোঁ। হঠাতে দৌৰি ৰাস্তা পাৰ হ'বলৈ গৈ সৰু ছোৱালী এজনী গাড়ীৰ আগত পৰি গ'ল আৰু খুব ক্ষীপ্ৰভাবে ব্ৰেক-মাৰি ড্ৰাইভাৰে কথমপিহে ছোৱালীজনীক বঁচালে। বাটৰ দাতিৰ পৰা মাক দৌৰি আহিল আৰু আমাৰ লগত যোৱা প্ৰচাৰ বিভাগৰ বিষয়া এজনে মাক আৰু ছোৱালীজনীক লগত লৈ তাইৰ বাপেকক বিচাৰি যাবলৈ ওলোৱাত আমাৰ কোনোবা এগৰাকীয়ে ক'লে যে ছোৱালীজনীক মাকক গতাই দিয়া হ'লেই, আমি পলম নকৰি গৈ থাকিব লাগে। তেতিয়া বাঙালী বিষয়াজনে মুখ বিকটাই ক'লে—'বাপেকক বুজাই কৈ আহোঁ ৰ'ব, নহ'লে ইহঁত যিহে, দলেবলে মুখ্যমন্ত্ৰীক লগাবলৈ যাব। আৰু আমাৰো যে মুখ্যমন্ত্ৰী, সকলোৰে বাবে অবা-ৰিত দ্বাৰ... ...'

সকলোৰে বাবে অবাৰিত দ্বাৰ, ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰীজনৰ এই ছবিটোৱে বোধহয় মোৰ মনত আটাইতকৈ স্পষ্ট হৈ ৰ'ব।

মান্দাইৰ হত্যাকাণ্ড

Grass

Pile the bodies high at Austerlitz and Waterloo
Shovel them under and let me work—
I am the grass : I cover all.

Carl Sandburg

ত্ৰিপুৰাৰপৰা ওভোটাৰ আগদিনা মান্দাইলৈ গৈ তাৰ ২১৩ টা মৃতদেহৰ ওপৰত জাপি দিয়া মাটিৰ চাপাকেইটাৰ ওপৰত গজা ঘাঁহ-বোৰলৈ চাই মনলৈ আহিছিল কাৰ্ল ছেণ্ডবাৰ্গৰ 'ঘাঁহ' নামৰ কবিতা-টোৰ ওপৰত উদ্ধৃত শাৰিকেইটা। 'I am the grass ; I cover them all'—কিমান সঁচা কথা ! যোৱা ৮ জুন তাৰিখৰ নিৰ্মম হত্যা-কাণ্ডৰ বলি হোৱা শিশু, বৃদ্ধ, যুবা আটাইৰে মৃতদেহৰ ওপৰত মাটিৰ চাপত আজি ঘাঁহ গজিছে, সেই ঘাঁহৰ তলত আজি সকলোবোৰে শান্তিৰে চিৰনিদ্ৰাত শুই আছে।

অথচ সেই অনন্ত শান্তিৰ শয়নৰ আগমুহূৰ্তত সেই ২১৩ টা প্ৰাণী কি ভয়ংকৰ যন্ত্ৰণা আৰু বিভীষিকাৰ মাজেৰে মৃত্যু বৰণ কৰিলে সেই কাহিনী শুনিলোঁ ঘাঁহেৰে ঢাক খোৱা সৰ্ববৃহৎ কবৰটোৰ ওপৰত ঠিয় হৈ। আমাৰ দলটোত মোৰ উপৰিও আছিল সুৰকাৰ শ্ৰীসলিল চৌধুৰী আৰু কেৰেলাৰ সাংবাদিক শ্ৰীগোবিন্দ পিল্লাই। আমাৰ লগত যোৱা প্ৰচাৰ বিভাগৰ বিষয়াজনে মান্দাইৰ ট্ৰেজেডিটো বৰ্ণনা কৰিছিল ; সেই কাহিনী ভাৰতবৰ্ষৰ বিভিন্ন জাতীয় বাতৰিকাকত আৰু আলোচনীত সচিত্ৰ আকাৰে প্ৰকাশ হৈ গৈছে। তথাপিও আমি নিজে শুনা কাহিনী আকৌ বৰ্ণনা কৰো।

মান্দাইলৈ যোৱা ৩৫ কিঃ মিঃ পথ অতিক্ৰম কৰি মান্দাইৰ ওচৰৰ শচীন্দ্ৰ নগৰ ক'লনিৰপৰা বাটৰ দুয়ো দাঁতিত অগ্নি সংযোগৰ ফলত পুৰি যোৱা ঘৰবোৰ দেখিও মান্দাই নোপোৱালৈকে ঘটনাৰ ভয়ংকৰ ৰূপ যেন ভালকৈ উপলব্ধি কৰিবই পৰা নাছিলো। বেড়িয়া

মান্দাই গৈ পালো। এতিয়াহে দেখিলো ধ্বংসৰ কি বীভৎস পৰিণাম। এসময়ৰ ৫০০০ হাজাৰ অধিবাসীৰ বৰ্দ্ধিষ্ণু গাওঁ এখন এতিয়া এক বিৰাট ভগ্নস্তূপ, নতুনকৈ সাজিব ধৰা স্কুল ঘৰটোৰ ইটাৰে গঁথা বেৰ-বোৰেই মাত্ৰ অক্ষত হৈ ৰৈ আছে আৰু অক্ষত হৈ আছে তাৰ ওচৰৰ বাঁহৰ পুৰণি হাইস্কুলটো যাক পিছলৈ ভগনীয়াৰ আশ্ৰয় শিবিৰ কৰা হৈছিল। মান্দাইৰ হত্যাকাণ্ডৰ দিনা আগতে কিবা গমপাই দুপৰীয়া ২ বজাত পুলিচে নিজৰ দুই কুঠলীয়া শিবিৰতে গাৱঁৰ মানুহ-বোৰক আশ্ৰয় ল'বলৈ মাতিলে। ইতিমধ্যে শচীন্দ্ৰ নগৰত বঙালী ঘৰবোৰত অগ্নিসংযোগ আৰম্ভ হ'ল। ২ বজাত মান্দাইৰ প্ৰথম ঘৰ-টোত জুই লাগিল আৰু ৫ জন পুলিচৰ মাজত থকা এজন উপজাতি পুলিচ গৈ বিদ্ৰোহী উপজাতি যুবকসকলৰ লগ লাগিল। এনেকি জয়কুমাৰ দেববৰ্মাও সিহঁতৰ লগ লাগিল। (নানান হত্যাৰ অপৰাধত অভিযুক্ত হৈ এই লোকজন এতিয়া জেলত আছে)। ইতিমধ্যে মান্দাইত অগ্নি সংযোগ আৰু লুটপাটে ব্যাপক আকাৰ ধাৰণ কৰিলে। সন্ধিয়া হোৱাৰ পিছত বঙালী পুলিচ চাৰিজনে চাৰিওফালে চোকা পহৰা দিয়াৰ অজুহাতত পুলিচ পোষ্টৰ পিছপিনৰ পাহাৰত উঠিলগৈ। পূৰ্বোক্ত শচীন ৰাহা নামৰ চি, পি, এম, কৰ্মীজনে সন্দেহ বশতঃ সেই পাহা-ৰলৈ গৈ দেখিলে যে কাপুৰুষ সশস্ত্ৰ পুলিচ চাৰিজন পলাইছে। এই কেইজন পুলিচে এনে চৰম কাপুৰুষতা নেদেখুৱালে মান্দাইৰ ভয়ংকৰ হত্যাকাণ্ড হয়তো নঘটিলহেঁতেন!

শচীন ৰাহাই পুলিচ শিবিৰত থকা মানুহবোৰক সতৰ্ক কৰি থৈ নিজে ৰাতিৰ আন্ধাৰত ৮ বজাত পাহাৰৰ দুৰ্গম অঞ্চলৰ দীঘলীয়া পথ অতিক্ৰম কৰি ১২ কিঃ মিঃ দূৰৈৰ জিৰানিয়া পাইছিল পুৱা ৩ বজাত আৰু ৪ বজাত আগতে উল্লেখ কৰা বি, ডি, ও,ই পুলিচৰ দল লৈ মান্দাইৰ অভিমুখে যাত্ৰা কৰিলে। কিন্তু সেইখিনি পথ অতিক্ৰম কৰি তেওঁৰ মান্দাই পাওঁতে ৮ বাজিছিল—কাৰণ ৰাস্তাত যি অগ্নিসংযোগ, লুটপাট, হত্যাকাণ্ড আৰম্ভ হৈছিল আৰু পলায়ণৰত আৰ্ত্ত মানুহে

পুলিচৰ গাড়ী দেখি সাহায্য আদি বিচাৰি যেনেকৈ গাড়ী থমাইছিল— সেই সকলোবোৰৰ বাবে ৰাস্তাত বৈ আহিব লগা হোৱাত তেওঁলোকৰ ইমান সময় লাগিছিল। পাৰপাছত মান্দাই আহি পাই দেখিছিল ইতিমধ্যে সকলো শেষ, চাৰিওফালে মৃতদেহ দ'ম লাগি আছে, তেজৰ নৈ বৈ গৈছে।

ইফালে শচীন বাহা যোৱাৰ পাছত আশ্ৰয়প্ৰাৰ্থী মানুহবোৰৰ ওচৰলৈ গাঁৱৰে চিনাকী উপজাতিৰ লোক এজনে আহি কৈছিল যে তেওঁলোকে লগত টকা-পইছা, গহণা আদি টোপোলা বান্ধি তাৰ ওচৰলৈ দলিয়াই দিলে (মানুহজন ঘৰৰ বাহিৰত দূৰত আছিল) তেওঁলোকক ৰেহাই দিয়া হ'ব। ভয়াৰ্ত মানুহবোৰে সেইমতে কাম কৰিছিল। শেষ ৰাতি সেই মানুহজনে আকৌ আহি ক'লে যে মানুহবোৰে একো একোটা দলত ভাগ হৈ গাওঁ এৰি যাতে পলাই যাব পাৰে তাৰবাবে তেওঁলোকে গাৱঁৰ প্ৰধান ৰাস্তাৰ পৰা আঁতৰে আঁতৰে জঙ্গলৰ মাজেৰে পলাই যোৱাৰ ব্যৱস্থা কৰিছে, এতিয়া প্ৰথম দলটো ওলাই আহক। শচীন বাহাৰ ডাঙৰ জীয়েকজনী কিন্তু মানুহবোৰক তেনেকৈ ওলাই যাবলৈ বাৰণ কৰিছিল, কিন্তু তেওঁৰ বাধা নেওচি প্ৰথম দলটো ওলাই গ'ল। কিছু পিছত আকৌ সেই উপজাতিৰ মানুহজন আহি দ্বিতীয় দলটোক মাতিলে। দ্বিতীয় দলটো ওলাই যোৱাৰ পাচতে হুলস্থূল আৰম্ভ হ'ল, আৰ্ত চিঞৰ, বন্দুকৰ শব্দত ঠাইখন মুখৰিত হৈ উঠিল। প্ৰথম দলটোক জঙ্গলত লুকাই থকা উপজাতি যুৱকসকলে চকুৰ পচাৰতে নিঃশব্দে টাক্কালৰে কাটি পেলাইছিল, কিন্তু উত্তেজনা বৃদ্ধি পাই অহা সেই হত্যাকাৰীসকলে দ্বিতীয় দলটো ওলাই অহাৰ আগতে চিঞৰ-বাখৰ কৰি মাৰকাট আৰম্ভ কৰি দিলে।

শচীন বাহাৰ জীয়েক, তাইৰ মাক আৰু ভায়েক-ভনীয়েক (এজন ভায়েকে বায়েকৰ নিষেধ নামানি ওলাই যোৱাত টাক্কালৰ আঘাতত টুকুৰা-টুকুৰ হৈছিল), আন কেইজনমান মানুহ শেষলৈ

পুলিছ আউট প'ষ্টটোত বাঁচি থাকিল, অৱশ্যে বাহিৰৰপৰা অহা গুলীত ঘৰৰ ভিতৰতো দুজন মানুহ মৰিছিল।

এইদৰেই সেই অলপ সময়ৰ ভিতৰতে পুলিছ আৰু গাৰ্ডৰে উপজাতি মানুহৰ বিশ্বাসঘাটকতাত কেচুৱা, ল'ৰা-বুঢ়া, ছোৱালী-তিৰোতাকে ধৰি ১১৪ জন হতভগীয়াৰ অলপ সময়ৰ ভিতৰতে টাকালৰ ঘা আৰু বন্দুকৰ গুলীত অমানুষিক নৃশংসতা আৰু বৰ্বৰতাত মৃত্যু হ'ল। কেচুৰাবোৰক এহাতেৰে ওলোমাই লৈ ইহাতেৰে টাক্কালেৰে টুকুৰা-টুকুৰ কৰি পৈশাচিক হত্যাকাণ্ডত লিপ্ত হৈছিল উপজাতিৰ যুৱকসকলে।

এই মান্দাইৰ হত্যাকাণ্ডৰ প্ৰতিক্ৰিয়াৰ ফলস্বৰূপে বহুতো নীৰিহ উপজাতিৰ গাওঁ ধ্বংস হ'ল, বঙালীৰ হাতত নিধন হ'ল নিৰ্দোষ উপজাতিৰ লোক। আচলতে সকলো ঠাইতে সংঘৰ্ষ, হত্যাকাণ্ডৰ চৰিত্ৰ একেটাই। নাস্থ স্বাৰ্থৰ লোকে অজ্ঞ আৰু নীৰিহ জনসাধাৰণৰ মাজত বিভেদৰ বীজ ৰোপন কৰে, সংঘৰ্ষৰ বাবে নানা ধৰণে উচটনি দি ফুৰে আৰু শেষত তাৰ ফলস্বৰূপে জনসাধাৰণ উত্তেজিত হৈ ভাতৃঘাটী সংঘৰ্ষত লিপ্ত হয় আৰু শেষত নিজেই নিজৰ জীৱনলৈ চৰম সৰ্বনাশ মাতি আনে।

মান্দাইৰপৰা উভতি আহিছিলোঁ অতি ভাৱাক্ৰান্ত মন লৈ, চকুৰ আগত ওলমি আছিল সেউজীয়া ঘাঁহেৰে ঢকা মাটিৰ কবৰকেইটা, কাণত ভাহি আছিল নিজে মুণ্ডনিলেও নৰবলি হ'বলৈ ওলোৱা শিশু, বৃদ্ধ, যুৱক, তিৰোতাৰ সকৰুণ আৰ্তস্বৰ। মোৰ মনটো উভতি গৈছিল যোৱা জানুৱাৰী মাহত উত্তৰ কামৰূপত ঘটা নৃশংস ঘটনাৱলীলৈও। তাৰ মুকালমুৱা কেম্পত তিনিমহীয়া পোৱা কেচুৱা দেখি, মানুহবোৰৰ দুৰাৱস্থা দেখি, পৰিয়ালৰ নানাজনৰ হত্যাৰ বিৱৰণ শুনি নলবাৰীলৈ ওভোতাৰ পথত একেদৰেই ভাৱাক্ৰান্ত হৈছিল হৃদয় মন। ত্ৰিপুৰা আৰু অসম বিদেশী বিতাৰণৰ একেই ধ্বনি উঠিছে দুয়ো ঠাইতে আৰু তাৰ পৰিণামত দেখিছো

মানুহৰ মনবোৰত বিদ্বেষ আৰু বিভেদৰ বীজ ৰুপিত হৈ সি ক্রমে বিৰাট বিষবৃক্ষৰ জন্ম দিব ধৰিছে। ইয়াৰ ফলত সৃষ্টি হোৱা সংঘর্ষবোৰত মানৱৰে কেৱল বলিদান হোৱা নাই, বলি দিয়া হৈছে মানবতাকো।

মনটো টনটনাই উঠিছিল। আমাৰ বাৰু কেতিয়া শুভ বুদ্ধিৰ উদয় হ'ব? আমি বাৰু কেতিয়া প্রকৃত মঙ্গল, সত্য, ন্যায় আৰু যুক্তিৰ পথেৰে আগবাঢ়িম? দয়া করুণা, প্রেম— মানবতাৰ এই মহান আদর্শবোৰ আমি ক্ষুদ্র আৰু নীচ স্বার্থবুদ্ধিৰ মাজুহে সদায়ে নানা ধৰণে বিসর্জন দি থাকিম নেকি?

মোৰ মনটো যেতিয়া এনেদৰে ঘোৰ নিৰাশা আৰু দুঃখবোধৰ অনুভূতিত ডুবি যাব ধৰিছিল তেতিয়া আমাৰ সহযাত্রীজনে এটা ঘটনা ক'বলৈ আৰম্ভ কৰিলে। ঘটনাটো মান্দাইৰে। তাৰ শাশ্বতী নামৰ স্কুলীয়া গাভৰু এজনীয়ে সৰু ভায়েকক বুকুত চেপি ধৰি নলা এটাত লুকাইছিল উপজাতিৰ যুবকসকলৰ আক্রমণৰপৰা ৰক্ষা পৰিবলৈ। কিন্তু কোন ক'ত লুকাই সাৰিব পাৰেনো? উপজাতি যুবক এজন হাতত বন্দুক লৈ সেইপিনে আহোতে শাশ্বতীক দেখা পালে, দুয়োৰে চকুৱা চকু হোৱাত শাশ্বতীয়ে দেখিলে মাত্র তিনিদিন আগতে তাইৰ বন্ধু এই ল'ৰাজনৰ ঘৰত কিবা এটা নিমন্ত্রণ খাই আহিছিল। ল'ৰাটোৱে শাশ্বতীৰ চকুলৈ এখন্তেক পৰ চালে আৰু তাৰপাচতেই তাৰ বন্দুক গুৰুম কৰি গৰ্জি উঠিল। শাশ্বতীয়ে ভায়েকক বুকুত হেঁচা মাৰি ধৰি নলাতে অবশভাৱে গা এৰি দিলে আৰু বন্দুকধাৰী যুৱকে এই বুলি চিঞৰি চিঞৰি তাৰ সংগীসকলৰ ওচৰলৈ দৌৰি গ'ল যে এইফালৰ কাম সি শেষ কৰিছে, এইফালে আৰু কাৰো অহাৰ প্রয়োজন নাই।

ইফালে শাশ্বতীয়ে তাইৰ মৃত্যু হ'ল বুলি পৰি আছে, অথচ আচৰিত লাগিছে যে শাৰিৰীক কোনো পার্থক্যই দেখোন অনুভৱ কৰা নাই। লাহে লাহে তাই তেজৰ স্পর্শ পাবলৈ গাত হাত দি

চালে -নাই, কোনো তিতা জুলীয়া বস্তু দেখোন হাতত লগা নাই।

ক্রমে সময় পাৰ হৈ গৈছিল আৰু পুলিছ আহি পাইছিল। শাশ্বতীও ভায়েকক সাৰটি ধৰি নলাৰ পৰা ওলাই আহিছিল আৰু তেতিয়া লাহে লাহে সেই ল'ৰাটোৰ চকুৰ ক্ষন্তেকপৰৰ চাৱনিটোৰ ভাষা শাশ্বতীৰ মনত দিবালোকৰ দৰে স্পষ্ট হৈ আহিছিল- 'বন্ধু, তুমি নিৰ্ভয়ে থাকা, মোৰপৰা তোমাৰ কোনো ভয় নাই।'

পিছত কর্তৃপক্ষৰ তীক্ষ্ণ জেৰাতো শাশ্বতীয়ে তাইৰ জীৱনদাতা উপজাতি যুৱকজনৰ নামটো প্ৰকাশ নকৰিলে।

কাহিনীটো শুনাৰ লগে লগে মোৰ মনৰ এখন্তেকৰ আগৰ ক'লা ডাৱৰ ভালেখিনি আঁতৰি যাব ধৰিলে নাই, ভালেমান কিবা-কিবি শেষ হৈ গ'লেও সকলোখিনি কেতিয়াও শেষ হৈ নাযায়, শেষ হৈ যাব নোৱাৰে। মানৱজাতিৰ বাবে ইয়ে আটাইতকৈ ডাঙৰ আশাৰ বাণী। মোৰ আকৌ মনলৈ আহিল এইচ. জি. ওৱেলছৰ 'টাইম মেচিন' নামৰ অমৰ গ্ৰন্থই মোক সকলো হতাশৰ মুহূৰ্তত আশাৰ বাণী শুনোৱা এই কথাকেইটা . . even when mind and strength had gone, gratitude and tender love for one another still lived in the heart of man.. '